অসমৰ ভাষা

ড° ভীমকান্ত বৰুৱা

বনলতা
বনলতা
গুৱাহাটী-১ ● ডিব্ৰুগড়-১

ASAMAR BHAṢĀ *A collection of articles on different languages of Assam written by Dr Bhimkanta Boruah, Professor Department of Assamese (Formerly Professor and Head), Dibrugarh University and published by Sri Prodyut Hazarika, Banalata, Dibrugarh & Guwahati, Assam First published in 1990, Second published in 1993, Third published in 1996 and Fourth published in August 2003 Price Rs One hundred fifty only*

প্ৰকাশক :
শ্ৰীপ্ৰদ্যুৎ হাজৰিকা
বনলতা
নতুন বজাৰ
ডিব্ৰুগড়-১

শাখা :
পাণবজাৰ
গুৱাহাটী-১

চতুৰ্থ পৰিবৰ্ধিত সংস্কৰণ ২০০৩ চন (বনলতা)
তৃতীয় পৰিবৰ্ধিত সংস্কৰণ ১৯৯৬ চন
দ্বিতীয় সংস্কৰণ ১৯৯৩ চন
প্ৰথম সংস্কৰণ ১৯৯০ চন

মূল্য : ১৫০ ০০ টকা

মুদ্ৰক :
বৰকটকী এণ্ড কোম্পানী প্ৰাঃ লিমিটেড,
মালৌ আলি, যোৰহাট-১

সপোনবোৰ বাস্তৱত ৰূপায়িত কৰাত
যিজন ব্যক্তিয়ে সাৰথি হৈ মোৰ কাষত
সদায় অনুপ্ৰেৰণা যোগালে,
যাৰ অনুপ্ৰেৰণাৰে
গোটেই জীৱন অনুপ্ৰাণিত,
সেইজন মহান ব্যক্তি
স্বৰ্গীয় ৰামধন বৰুৱাদেৱৰ (পুথাও)
চৰণত 'অসমৰ ভাষা' পুথিখনি
অৰ্পণ কৰিলোঁ।

পাতনি

অসমৰ ভাষা সম্পৰ্কে সামগ্ৰিকভাৱে সম্যক পৰিচয় পাব পৰাকৈ অসমীয়া ভাষাত এখন পুথিৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰি আহিছোঁ। সেই অভাৱৰ কথা চকুত ৰাখিয়েই বিভিন্ন সময়ত ক্ষেত্ৰ অধ্যয়ন কৰি দুই এটা ভাষাৰ কথাবোৰ লিখি ৰাখিছিলোঁ আৰু সেইবোৰ কেতিয়াবা দুই এখন আলোচনীত ছপা হৈও ওলাইছিল। সেইখিনিকে গোটাই কিতাপৰ ৰূপ দি প্ৰাথমিকভাৱে পুথিখনি পাঠকৰ আগত দাঙি ধৰাৰ চেষ্টা কৰা হৈছে। অৱশ্যে এই কথা আমাৰ জ্ঞাত যে বৰ্তমানৰ পুথিখনিয়ে অসমৰ ভাষাৰ সামগ্ৰিক স্বৰূপটো প্ৰকাশ কৰিব পৰাকৈ সামৰ্থ্য লাভ কৰিব পৰা নাই। ভালেমান ভাষাৰ আলোচনা আমাৰ সীমাবদ্ধতাৰ কাৰণে অনিচ্ছাকৃতভাৱে বৰ্তমানৰ প্ৰকাশত বাদ দিবলগীয়া হৈছে। ভৱিষ্যতে সেইবোৰ সংযোজন কৰি পূৰ্ণ ৰূপ এটা দিয়াৰ প্ৰচেষ্টা থাকিব। এইখিনিতে উল্লেখযোগ্য যে পুথিখনত প্ৰয়োগ কৰা 'ভাষা' শব্দটো শিথিল অৰ্থতহে প্ৰয়োগ কৰা হৈছে আৰু ই সকলোৰে গ্ৰহণীয় হ'ব বুলি আমাৰ ধাৰণা। ভাষাৰ আলোচনালৈ যাওঁতে দুবাৰভলিতে কেতিয়াবা জনগোষ্ঠীটোৰ পৰিচয় অকণমানো পাঠকে বুজিবৰ বাবে সংযোজন কৰি দিয়া হৈছে। সামাজিক ভাষা বিজ্ঞানৰ অধ্যয়নত তেনে আলোচনা বৰ দৰকাৰ।

পুথিখন ছপাশাললৈ আনোঁতে পাণ্ডুলিপি প্ৰস্তুত কৰি সহায় কৰিলে যথাক্ৰমে অধ্যাপিকা গায়ত্ৰী দেৱী গোস্বামী, অধ্যাপিকা বত্না দত্ত আৰু আমাৰ সহধৰ্মিণী শ্ৰীমতী নীলিমা বৰুৱাই। বিভিন্ন কামত সহায়-সহযোগ আগবঢ়ালে শ্ৰীমতী মঞ্জুমণি বৰগোহাঁই, শ্ৰীমতী অঞ্জনা গগৈ (তুতু), শ্ৰীমতী নিৰু বৰুৱা, শ্ৰীমান মুনিন বৰুৱা আৰু ছাত্ৰী শ্ৰীমতী নিৰ্মলা শৰ্মাই। কিতাপখনৰ লগতে এইসকলৰ নাম স্মৰণীয়। তেওঁলোক সকলোলৈকে আন্তৰিক মৰম আৰু ধন্যবাদ থাকিল। কিতাপখন প্ৰকাশ কৰিবলৈ উৎসাহ [illegible] ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক ড° [illegible]বানন্দ দেৱ গোস্বামীদেৱ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক লগতে অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালক ড° লীলা গগৈদেৱৰপৰা। দুয়োজনলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা থাকিল। পুথিখনত সন্নিবিষ্ট শ্যাম-চীন ভাষাকেইটা অধ্যয়নৰ বাবে দিল্লীস্থ বিশ্ববিদ্যালয় অনুদান আয়োগে দিয়া অনুদানৰ কথাও এই প্ৰসংগতে ধন্যবাদ সহকাৰে উল্লেখনীয়। নামফাকে বৌদ্ধবিহাৰত সংৰক্ষিত পুৰণি পুথি পাঁজিৰ তালিকাখন প্ৰস্তুত কৰি দিয়াৰ বাবে গৱেষণা সহায়ক এ গোহাঁইলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। গ্ৰন্থখিনি চাই দিয়াৰ বাবে শ্ৰীকৈলাস শৰ্মাৰ ওচৰত কৃতজ্ঞ। কিতাপখনৰ বেটুপাতটি আঁকি দিয়া বাবে আমাৰ ছাত্ৰী অধ্যাপিকা জ্যোতিৰেখা হাজৰিকাৰ শলাগ ললোঁ।

কিতাপখন ছপা কৰিবলৈ আগবাঢ়ি আহিল ডিব্ৰুগড়ৰ উদ্যোগী প্ৰকাশন প্ৰতিষ্ঠান ষ্টুডেণ্টচ্ এম্প'ৰিয়াম। এই ছেগতে ষ্টুডেণ্টচ্ এম্প'ৰিয়ামৰ স্বত্বাধিকাৰী মৃণালকান্তি ভট্টাচাৰ্যলৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইতি —

পশ্চিম মিলন নগৰ
ডিব্ৰুগড় শ্ৰীভীমকান্ত বৰুৱা
১৩ নৱেম্বৰ, ১৯৮৯ চন

দ্বিতীয় সংস্কৰণ

প্ৰথম সংস্কৰণৰ কিতাপ শেষ হৈ যোৱাত ততাতৈয়াকৈ দ্বিতীয় সংস্কৰণ ছপাব লগা হ'ল। সেয়ে দ্বিতীয় সংস্কৰণত বিশেষ একো যোগ কৰা নহ'ল। নতুন সংস্কৰণত কক্‌বৰক্ ভাষা সম্পৰ্কে অকণমান যোগ দিয়া হৈছে আৰু লগতে মিচিং ভাষা সম্পৰ্কীয় অংশটোত পূৰ্বৰ সংস্কৰণত থকা যিবোৰ ভুলবোৰ আঁতৰোৱাৰ চেষ্টা কৰা হৈছে। এই কথা অনস্বীকাৰ্য যে কূটচিহ্নপূৰ্ণ ভাষাবিষয়ক গ্ৰন্থ এখন নিখুঁতকৈ প্ৰকাশ কৰাটো বৰ জটিল কাম। বাৰে বাৰে চেষ্টা কৰিও আমাৰ এই গ্ৰন্থখনৰ ছপাৰ ত্ৰুটী আঁতৰাব পৰা নাই। তাৰ মূলতে আছে প্ৰেছৰ সীমাবদ্ধতা। বৰ্তমান পুথিখনৰ অসমীয়া অংশৰ মাজে মাজে অন্য ভাষাৰ লিপি দিওঁতে ভালেমান অসুবিধাত পৰিছোঁ আৰু তেনে ক্ষেত্ৰত ভুল থকা যোৱাই স্বাভাৱিক। পুথিখন পাঠকৰ কামত আহিলেই আমাৰ শ্ৰম সাৰ্থক হ'ব।

বিশ্ববিদ্যালয় টোল
ডিব্ৰুগড় বিশ্ববিদ্যালয় শ্ৰীভীমকান্ত বৰুৱা
১০ ফেব্ৰুৱাৰী, ১৯৯৩

তৃতীয় পৰিবৰ্ধিত সংস্কৰণৰ পাতনি

'অসমৰ ভাষা'ৰ দ্বিতীয় সংস্কৰণৰ ছপা পুথি পাবলৈ নোহোৱা হোৱাত প্ৰকাশকৰ ইচ্ছা অনুযায়ী তৃতীয় পৰিবৰ্ধিত সংস্কৰণ এটা প্ৰকাশ কৰা হ'ল। এই সংস্কৰণটোত পূৰ্বৰ দুয়োটা সংস্কৰণত নথকা বিষয় কেইটামান সন্নিবিষ্ট কৰা হৈছে আৰু অন্য বিষয়বোৰৰো পৰিবৰ্ধন কৰা হৈছে। পূৰ্বতে ছপাত বাদ পৰি যোৱা বাক্যৰ শাৰী নতুবা থকা যোৱা ভুল কিছু এই সংস্কৰণত আঁতৰোৱাৰ চেষ্টা কৰা হৈছিল যদিও ছপাশালৰপৰা ওলাই আহোঁতে ভালেমান আখৰ জোঁটনিৰ ভুল আৰু অন্যান্য থকা যোৱা ভুল চকুত পৰিছে। সেইখিনি আৰু শুধৰোৱাৰ এতিয়া উপায় নাই। পাঠকসকলে সেইখিনি শুদ্ধ কৰি পঢ়িব বুলি আশা কৰিলোঁ।

বিশ্ববিদ্যালয় টোল
ডিব্ৰুগড় বিশ্ববিদ্যালয় শ্ৰীভীমকান্ত বৰুৱা
১২ জুলাই, ১৯৯৬

সূচীপত্ৰ

পৃষ্ঠা

১ ভাৰত আৰু অসমৰ ভাষা ১

১ ১ জগতৰ ভাষা পৰিয়াল ১

১ ২ ভাৰতবৰ্ষৰ ভাষা পৰিযাল আৰু ইণ্ডো-ইউৰোপীয় ১

১ ২ ১ দ্ৰাবিডীয় ২

১ ২ ২ অষ্ট্ৰিক ২

১ ২ ৩ তিব্বত-চীনীয বা চীন-তিব্বতীয় (থাই-চীন, তিব্বত-বৰ্মী) ২

১ ৩ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভাষা ৬

১ ৩ ১ অৰুণাচল প্ৰদেশৰ ভাষা ৬

১ ৩ ২ নাগালেণ্ডৰ ভাষা ৭

১ ৩ ৩ মণিপুৰ আৰু মিজোৰামৰ ভাষা ১০

১ ৩ ৪ মেঘালয আৰু ত্ৰিপুৰাৰ ভাষা ১১

১ ৩ ৫ অসমৰ ভাষা ১৫

১ ৩ ৫ ১ তিব্বত-বৰ্মী ভাষাসমূহৰ চমু পৰিচয ১৫

১ ৩ ৫ ১ ১ বড়ো ১৯

১ ৩ ৫ ১ ২ কাৰ্বি ১৯

১ ৩ ৫ ১ ৩ ৰাভা ২০

১ ৩ ৫ ১ ৪ মিচিং ২০

১ ৩ ৫ ১ ৫ দেউৰী ২০

১ ৩ ৫.১ ৬ তিৱা ২১

১ ৩ ৫ ২ অষ্ট্ৰিক পৰিয়ালৰ ভূমিজ, মুণ্ডাভাষা ২১

১ ৩ ৫ ৩ ইন্দো-ইউৰোপীয় অসমীয়া ভাষা ২১

চিত্ৰ—১

২ থাই-চীন বা শ্যাম-চীন শাখা ২৩

২ ১ টাই খামতি ২৪

২ ২ টাই আইতন বা আইতনীয়া ৪০

২.৩ টাই খাময়াং ৪৯

২ ৪ টাই ফাকে ৫১

২ ৫ টুৰুং বা টাইকং ৭২

২ ৬ আহোম, খামতি আৰু ফাকেসকলৰ মাজত প্ৰচলিত টাই লিপিৰ তুলনামূলক অধ্যয়ন ৮৭
২ ৭ টাই ভাষাকেইটাৰ তুলনামূলক আলোচনা ৮৯

চিত্ৰ—২

৩. অসমৰ তিব্বত-বৰ্মী শাখাৰ কেইটামান ৯১
৩ ১ মিচিং ৯১
৩ ১ ১ মিচিং ভাষাৰ লগত আদী ভাষাৰ তুলনা ১০৭
৩ ১ ২ মিচিং আৰু গালং ভাষাৰ সাদৃশ্য ১১২
৩ ২ দেউৰী ১১৮
৩ ৩ বড়ো ভাষা ১৩৭
৩ ৪ ডিমাছা ভাষাৰ কেইটামান দিশত আলোচনা ১৪৭
৩ ৫ কাৰ্বি ভাৰ্ষা ১৪৯
৩ ৬ টাই ভাষাকেইটাৰ লগত তিব্বত-বৰ্মী ভাষাৰ সাধাৰণ তুলনামূলক আলোচনা ১৫৫
৩ ৭ চিংফৌ ভাষা ১৫৭

চিত্ৰ—৩

৪ অসমত ইন্দো-ইউৰোপীয় পৰিয়ালৰ ভাষা ১৬৭
৪ ১ অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ ১৬৭
৪ ১ ১ অসমীয়া অভিধান আৰু আখৰ জোঁটনি ১৮৭
৪ ১ ২ নাগামিজ ভাষা ১৯১
৪ ১ ৩ ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিত অসমীয়া ভাষা ২০৫
৫ গ্ৰন্থপঞ্জী ২০৯

১ ভাৰত আৰু অসমৰ ভাষা

১ ১ জগতৰ ভাষা পৰিয়াল

সমগ্ৰ পৃথিৱীতে ভালেমান জনগোষ্ঠী আৰু ভালেমান ভাষা-ভাষী লোকে বসবাস কৰে। তাৰে কিছুমান ভাষা পাৰস্পৰিকভাৱে বোধগম্য আৰু কিছুমান পাৰস্পৰিকভাৱে অবোধ্য। ভাষাবিজ্ঞানীসকলে জগতৰ ভাষাবোৰৰ ভৌগোলিক স্থিতিৰ এটা সম্যক আভাস পাবৰ কাৰণে সমগ্ৰ ভাষাবোৰকে চাৰিটা বৃহৎ 'অঞ্চল'ত ভাগ কৰি লৈছে। এই অঞ্চলকেইটা হ'ল — (১) দুয়োখন আমেৰিকা (২) প্ৰশান্ত মহাসাগৰীয় অঞ্চল (৩) আফ্ৰিকা আৰু (৪) ইউৰেছিয়া। এইবোৰ 'অঞ্চল'ত বহুতো ভাষা-পৰিয়াল আছে আৰু সেইবোৰৰ মাজত কোনো পাৰস্পৰিক মিল নাথাকিলেও এইবোৰ যে পৰস্পৰে প্ৰভাৱান্বিত তাত সন্দেহ নাই। পৃথিৱীৰ ভাষাবোৰৰ ইমান বিক্ষিপ্ত ৰূপ কিয় হ'ল বা কেনেকৈ হ'ল তাক থাউকতে কোৱা টান। ভাষাবিজ্ঞানত এই সম্পৰ্কে বিভিন্ন কাৰণ নিৰ্ণয় কৰা হয়। বৰ্তমানে সমগ্ৰ পৃথিৱীতে চাৰি হাজাৰটা[১] ভাষা পোৱা গ'লেও ভাষাবিজ্ঞানীসকলে এইবোৰৰ আকৃতি, প্ৰকৃতি, ইতিহাস আদি বিচাৰ কৰি কিছুমান পৰিয়ালত ভাগ কৰিছে। জগতৰ তেনে ভাষা-পৰিয়ালবিলাকৰ কেইটামান হ'ল — ইন্দো-ইউৰোপীয় বা ভাৰত-ইউৰোপীয়, তিব্বত-চীনীয়, দ্ৰাবিড়ীয়, ইউৰাল-আলটাই, ফিনো-উগ্ৰীয়, বাণ্টু, অষ্ট্ৰিক, ছেমীয়-হেমীয় ইত্যাদি। এইবোৰৰ উপৰিও অবৰ্গীকৃত ভাষাসমূহো আছে। ইয়াৰ ইন্দো-ইউৰোপীয় বা ভাৰত-ইউৰোপীয় পৰিয়ালটি বৃহৎ। এই পৰিয়ালৰ আটাইতকৈ প্ৰাচীনতম পুথি হ'ল ঋকবেদ। ইয়াৰ কবিতাবোৰৰ ৰচনাকাল খ্ৰীঃপূঃ ১২০০ শতিকা বুলি ঠাৱৰ কৰা হৈছে। তদুপৰি ক্ৰীট দ্বীপৰ গ্ৰীক শিলালেখ খ্ৰীঃপূঃ ১৪০০ শতিকা বুলি অনুমান কৰাত ভাৰত-ইউৰোপীয় পৰিয়ালৰ প্ৰাচীনতা ঋকবেদতকৈ আগৰেপৰাই ধৰা হয়। (তালিকা নং ১ দ্ৰষ্টব্য)।

১ ২ ভাৰতবৰ্ষৰ ভাষা পৰিয়াল আৰু ইন্দো-ইউৰোপীয়

ভাৰতবৰ্ষৰ বিশাল ভূখণ্ডত সিঁচৰতি হৈ থকা ভাষাবোৰক চালিজাৰি চালে চাৰিটা পৰিয়ালত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল অষ্ট্ৰিক, তিব্বত-চীনীয় বা চীন-তিব্বতীয়, ভাৰত-ইউৰোপীয় আৰু দ্ৰাবিড়ীয়। ভাৰতবৰ্ষৰ উত্তৰ ভাগত বিশেষকৈ ভাৰত-ইউৰোপীয় পৰিয়ালৰ ভাষাৰ প্ৰচলন পোৱা যায়। সেইবোৰৰ ভিতৰত পঞ্জাবত প্ৰচলিত পাঞ্জাবী ভাষা (অৱশ্যে পঞ্জাবৰ প্ৰধান দুটা ভাষাৰ ভিতৰৰে এটা হ'ল পশ্চিমী পাঞ্জাবী বা লহন্দী আৰু আনটো পূৰ্বী পাঞ্জাবী বা হিন্দকী), সিন্ধুপ্ৰদেশ আৰু কচ্ছৰ ভাষা সিন্ধী ভাষা; ৰাজস্থান বা ৰাজপুতনাত প্ৰচলিত ৰাজস্থানী ভাষা, গুজৰাট অঞ্চলত প্ৰচলিত

১ Connor, *Phonetics*, P 19

গুজৰাটী ভাষা, মহাৰাষ্ট্ৰত প্ৰচলিত মাৰাঠী ভাষা, কোংকন অঞ্চলৰ ভাষা কোংকনী, হিমালয়ৰ পশ্চিম আৰু মধ্য অংশত প্ৰচলিত পাহাৰী ভাষা, পূৰ্বী হিন্দী আৰু পশ্চিমী হিন্দী ভাষা, সিংহলত প্ৰচলিত সিংহলী ভাষা আৰু ভোজপুৰী, মৈথিলী, মগহী, উড়িয়া, বঙলা আৰু অসমীয়া ভাষাই প্ৰধান।

১.২.১ দ্ৰাবিড়ীয়

ভাৰত-ইউৰোপীয় এই আৰ্য্য পৰিয়ালটোৰ পাছতে ভাৰতবৰ্ষৰ উল্লেখযোগ্য আন এটি পৰিয়াল হ'ল দ্ৰাবিড়ীয় পৰিয়াল। ভাৰতবৰ্ষত দ্ৰাবিডীয় পৰিয়ালৰ ভাষাবোৰ প্ৰধানকৈ দক্ষিণাঞ্চলত প্ৰচলিত। অৱশ্যে এই পৰিয়ালৰ কেইবাটাও ভাষা ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম, পূব আৰু মধ্য ভাৰততো প্ৰচলিত হোৱা দেখা যায়। তাৰে বেলুচিস্তানৰ ব্ৰাহুই, মধ্যভাৰতৰ গুন্দ, পূবভাৰতৰ মাল্টো ভাষা উল্লেখযোগ্য। দক্ষিণ ভাৰতৰ কথিত দ্ৰাবিড় পৰিয়ালৰ প্ৰধান ভাষা চাৰিটা হ'ল — (ক) মাদ্ৰাজৰ তামিল ভাষা, (খ) অন্ধ্ৰপ্ৰদেশৰ তেলেগু ভাষা, (গ) মহীশূৰৰ কন্নড ভাষা আৰু (ঘ) কেৰালাৰ মলয়ালম ভাষা। এইবোৰৰ ভিতৰত তামিল ভাষা অতি পুৰণি আৰু উন্নত মানবিশিষ্ট সাহিত্য সম্পদেৰে পুষ্ট। খ্ৰীঃ পূঃ তৃতীয শতিকামানৰেপৰাই ইয়াৰ সাহিত্যিক নিদৰ্শন পোৱা যায়। পুৰণি তামিল ভাষাৰ 'ভট্টেলুত্তু' নামৰ এক নিজা লিপি আছিল। মলযালম ভাষাক তামিল ভাষাৰ 'বৰ জী' বুলি অভিহিত কৰা হয়। এইবোৰৰ উপৰিও তেনেই ক্ষুদ্ৰ অঞ্চলত প্ৰচলিত 'টুলু' ভাষা উল্লেখযোগ্য। তাৰ উপৰিও কোডগু (কুৰ্গ), নীলগিৰি, টোডা, কোটা আদি ভাষাও পোৱা যায়। টোডা ভাষা আজিকালি প্ৰায়ে লুপ্ত হৈ গৈছে। অন্যহাতেদি এই পৰিয়ালৰ কুৰুখ বা ওৰাঁওঁ, কন্ধি বা কুঈ, কোলামী আদিও উল্লেখযোগ্য।

১ ২ ২ অষ্ট্ৰিক

অষ্ট্ৰিক পৰিয়ালৰ ভাষাবোৰ ভাৰতৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ আছে। তাৰে ভিতৰত ছোটনাগপুৰ আৰু বিহাৰৰ চাওঁতাল পৰগণাত প্ৰচলিত চাওঁতালী ভাষা, দক্ষিণ বিহাৰৰ ৰাঁচী অঞ্চলত প্ৰচলিত মুণ্ডাৰী ভাষা, বিহাৰৰ সিংভূম জিলাৰ হো ভাষা আদিৰ উপৰিও বিহাৰৰ খেৰিয়া আৰু ভূমিজ ভাষাও উল্লেখযোগ্য। অন্যহাতেদি মহাৰাষ্ট্ৰৰ কোৰ্কু আৰু উৰিষ্যাৰ শবৰ ভাষাও এই পৰিয়ালৰে। অসমৰ দাঁতিৰ বৰ্তমানৰ মেঘালয় ৰাজ্যৰ খাচীয়া পাহাৰত প্ৰচলিত খাচী ভাষাও অষ্ট্ৰিক পৰিয়ালৰে। তদুপৰি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰপৰা অৰ্থনৈতিক কাৰণত আহি ভালেমান অষ্ট্ৰিক পৰিয়ালৰ ভাষা-ভাষী লোক অসমৰ চাহবাগিচাবিলাকত বসবাস কৰে।

১.২.৩ তিব্বত-চীনীয় বা চীন-তিব্বতীয় (থাই-চীন, তিব্বত-বৰ্মী)

ভাৰতবৰ্ষত প্ৰচলিত ভাষা-বৃক্ষৰ আনটো বৃহৎ পৰিয়াল হ'ল তিব্বত-চীনীয় বা চীন-তিব্বতীয় পৰিয়াল। তিব্বত আৰু চীন এই শব্দ দুটাই দুটা প্ৰধান শাখা একেটা

- ইন্দো-ইউৰোপীয় বা ভাৰত-ইউৰোপীয় ভাষা
  - কেন্টুম্ শাখা
    - ১। কেল্টীয়
    - ২। জাৰ্মানীয় (টিউটনীয়)
    - ৩। ইটালীয়
    - ৪। গ্ৰীক হেলেনীয়
    - ৫। হিট্টাইট
    - ৬। টোখাৰীয়
  - শতম্ শাখা
    - ৭। আলবেনীয়
    - ৮। লেট্টোস্লাভীয় (বাল্টোস্লাভীয়)
    - ৯। আৰ্মেনীয়
    - ১০। আৰ্য (ভাৰত-ইৰাণীয়)
      - ইৰাণীয়
      - দৰ্দীয়
      - ভাৰতীয়

(তালিকা নং — ২)

- আৰ্যভাষা
  - ইৰাণীয়
  - দৰ্দীয
  - ভাৰতীয আৰ্য
    - প্ৰাচীন ভাৰতীয় আৰ্য (বৈদিক, সংস্কৃত) (খ্ৰীঃ পূঃ ১২০০—খ্ৰীঃ পূঃ ৬ষ্ঠলৈ)
    - মধ্য ভাৰতীয আৰ্য (পালি, প্ৰাকৃত, অপভ্ৰংশ) (খ্ৰীঃ পূঃ ৬ষ্ঠৰ পৰা—খ্ৰীঃ ১০ম শতিকালৈ)
    - নব্যভাৰতীয আৰ্যভাষা (ভাৰতৰ সংবিধান স্বীকৃত ভাষাবোৰ) (খ্ৰীঃ ১০ম শতিকাৰ পৰা বৰ্তমানলৈকে)

- মধ্য-ভাৰতীয আৰ্য
  - আদি প্ৰাকৃত (খ্ৰীঃ পূঃ ৬ষ্ঠ—খ্ৰীঃ ১ম শতিকালৈ)
  - মধ্য প্ৰাকৃত (খ্ৰীঃ ১ম—খ্ৰীঃ ৬ষ্ঠ শতিকালৈ)
  - অন্ত্য প্ৰাকৃত বা অপভ্ৰংশ (খ্ৰীঃ ৬ষ্ঠ—খ্ৰীঃ ১০ম শতিকালৈ) — মাগধী অপভ্ৰংশ
    - বঙলা
    - উড়ীয়া
    - মৈথিলী
    - মগহী
    - অসমীয়া
      - নাগামিজ
      - নেফামিজ

(তালিকা নং — ২)

দ্বিতীয় খণ্ড

পৰিয়ালতে সাঙুৰি ৰখাৰ ইংগিত দিয়ে। তিব্বত-চীন ভাষা পৰিয়ালটোৰ তিনিটা প্ৰধান শাখা পোৱা যায় ঃ

(১) তিব্বত-বৰ্মী (২) থাই-চীন বা শ্যাম-চীন আৰু (৩) য়েনিছি। ভাৰতবৰ্ষত যদিও বহুতো চীনা প্ৰব্ৰজনকাৰীয়ে বসবাস কৰে তথাপি চীনা ভাষা ভাৰতৰ কোনো ঠাইতেই পাবলৈ নাই। উল্লিখিত থাই-চীন শাখাৰ ভালেমান ভাষা ব্ৰহ্মদেশ আৰু ভাৰতৰ উত্তৰ-পূব অংশত থকা অৰুণাচল আৰু অসমত কথিত ৰূপত সিঁচৰতি হৈ থকা দেখা যায। শান্ ভাষাটো ব্ৰহ্মদেশৰ উজনি অংশত (Upper Burma) বিস্তৃতভাবে কথিত ৰূপত পোৱা যায়। থাই-চীন শাখাটোক সাধাৰণতে শ্যাম-চীন নামেৰেও জনা যায়। এই থাই-চীন বা শ্যাম-চীন শাখাৰ ভাষা ভাৰতবৰ্ষত কেৱল উল্লিখিত প্ৰদেশ দুখনতহে (অৰুণাচল আৰু অসমত) প্ৰচলিত ৰূপত পোৱা যায়। সেইপিনৰপৰা ভাষাবিদসকলৰ বাবে খাচী ভাষাৰ দৰেই এইকেইটা ভাষাৰ অধ্যয়নৰ গুৰুত্ব অধিক। তাৰাপোৰেৱালাই "The Khamti languages are the only ones of the Thai branch found in India today" বুলি কোৱা কথাষাৰ সঁচা নহয়। প্ৰকৃততে খামতি ভাষা ভাৰতবৰ্ষত প্ৰচলিত টাই জনগোষ্ঠী ভাষাকেইটাৰ মাজৰে এটা ভাষাহে। অৱশ্যে এই কথাও ঠিক যে এই কেউটা টাই ভাষাৰ মাজত সামান্য প্ৰভেদহে পোৱা যায়। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ উক্ত প্ৰদেশ দুখনত প্ৰচলিত এই শাখাৰ ভাষাবোৰ হ'ল টাই-খামতি, টাই-ফাকে, টাই-খামযাং, টাই-টুৰুং, টাই-আইতন আৰু টাই-আহোম। ইয়াৰে টাই-খামতি ভাষা অৰুণাচল প্ৰদেশ আৰু অসমৰ কোনো কোনো ঠাইত প্ৰচলিত। (খামতি ভাষা দ্ৰষ্টব্য) টাই-খামতিৰ বাহিৰে বাকী আটাইকেউটা জনগোষ্ঠীৰ ভাষা অসমৰ বিভিন্ন ঠাইত পোৱা যায। স্থানান্তৰত ভাৰতবৰ্ষত প্ৰচলিত শ্যাম-চীন পৰিয়ালৰ উক্ত ভাষাকেইটাৰ প্ৰচলিত অঞ্চল, জনগোষ্ঠীৰ পৰিচয়, ভাষাটোৰ পৰিচয় আদি থূলমূলকৈ দিযাৰ চেষ্টা কৰা হৈছে।

তিব্বত-বৰ্মী শাখাৰ ভাষাবিলাকৰ ভিতৰত তিব্বতীয় বা ভূটীয়া ভাষাটোত যথেষ্ট সাহিত্য পোৱা যায। এই শাখাটোৰ বেছিভাগ ভাষাই হৈছে লিখিত সাহিত্যবিহীন ভাষা, কেৱল বাৰ্মিজ ভাষাতহে লিখিত সাহিত্য বিদ্যমান। এই শাখাৰ ভাষাবোৰৰ মাজত থকা সম্পৰ্কৰ আঁত ধৰি সেই ভাষা কোৱা জনগোষ্ঠীৰ লোকসকলৰ প্ৰব্ৰজনৰ বিষয়ে অনুমান কৰিব পাৰি। তাৰাপোৰেৱালাই এই ভাষাবোৰৰ গৃহভূমি ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ মূৰত দক্ষিণ-পশ্চিম চীন বুলি ঠাৱৰ কৰিছে। তাৰ পৰাই সেই নদী দুখন নিম্ন গতি অনুসৰি চীনদেশলৈ আহে আৰু তাৰো নামনিত ব্ৰহ্মপুত্ৰ, ছিণ্ডুইন, ইৰাৱতী, মেকং, মেনাম হৈ ভাৰত, ব্ৰহ্মদেশ, শ্যামদেশ আদিত বিয়পি পৰে। মূল তিব্বত-বৰ্মী ভাষাটো ব্ৰহ্মপুত্ৰ নদীৰ উৎপত্তিস্থলৰপৰাই তিনিটা ভাগত বিভক্ত হৈছে। এটা গোষ্ঠী ব্ৰহ্মপুত্ৰৰ ওপৰ পিনে তিব্বতলৈ যায় আৰু আনটো গোষ্ঠী ব্ৰহ্মপুত্ৰ নদীৰ

গতিয়েদি নামনিৰ পিনে আহি অসম সোমায় আৰু তৃতীয়টো শাখা ছিডুইন, ইৰাৱতী হৈ ব্ৰহ্মদেশত প্ৰবেশ কৰে। তিব্বত-বৰ্মী শাখাৰ উত্তৰ অসম উপশাখাটোৱে তিব্বতীয় আৰু বৰ্মীয় দুযোটাৰে মধ্যবৰ্তীকালীন ভাষা হিচাপে পৰিচয় দাঙি ধৰিব পাৰে। তিব্বত-বৰ্মী ভাষাৰ শাখাটোক চাৰিটা প্ৰধান ভাগত ভাগ কৰিব পাৰি : (১) তিব্বত-হিমালয (২) উত্তৰ-অসম শাখা (৩) মধ্য আৰু দক্ষিণ অসম-শাখা আৰু (৪) আৰাকান-বাৰ্মা শাখা। ইয়াৰ শেষৰ দুটাক একেলগে অসম-বৰ্মা শাখা বুলিও ধৰা হয়। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত এই ভাষাবোৰৰ প্ৰচলন সম্পৰ্কে তলত আলোচনা দাঙি ধৰা হ'ল (তালিকা নং ২ দ্ৰষ্টব্য)।

১৩ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভাষা :

১৩১ অৰুণাচল প্ৰদেশৰ ভাষা

তাহানিতে ব্ৰিটিছ শাসনকালত পাঠানসকলে আক্ৰমণ কৰা অবিভাজ্য ভাৰতৰ North West Frontier Agency-ৰ একেৰূপী অন্য এক সীমান্ত ভাৰতৰ পূৰ্ব প্ৰান্তত নাম দিয়া হৈছিল। সেয়া হ'ল North East Frontier Agency, যাক চমুকৈ NEFA বা নেফা বুলি ক'লে আমি বুজি পাওঁ। ১৯৬২ চনৰ চীনা আক্ৰমণৰ সময়ৰপৰা নেফা নামটো ভাৰতৰ বাহিৰে ভিতৰে ইমান পৰিচিত হৈ পৰিল যে সৰ্বসাধাৰণৰ বাবে অৰুণাচল, এই নতুন নামটো প্ৰথমতে কিছু আচহুৱা যেনেই লাগিছিল। পূৰ্বৰ NEFA বা নেফা প্ৰশাসনীয় অঞ্চলটোকে পিছত 'অৰুণাচল' নাম দি অসমৰপৰা পৃথক ৰাজ্য কৰা হয়। উৰিষ্যা ৰাজ্যৰ প্ৰায় অৰ্ধেক কালি সম্বলিত অৰুণাচল প্ৰদেশখন প্ৰকৃতিৰ মনোৰম ৰম্যভূমি বনভূমি। অৰুণাচল প্ৰদেশ পূব কামেং, পশ্চিম কামেং, ওপৰ সোৱণশিৰি, নামনি সোৱণশিৰি, পূব চিয়াং, পশ্চিম চিয়াং, লোহিত, দিবাং উপত্যকা, পাপুম্‌পাৰে, টাৱাং, চাংলাং আৰু টিৰাপ জিলাসমূহেৰে গঠিত আৰু ইয়াত মূল্যবান কাঠেৰে পৰিপূৰ্ণ ঘন হাবিৰ মাজে মাজে বাস কৰা লোকসকলক পণ্ডিতসকলে ইন্দো-মংগোলীয় বুলি ঠাৱৰ কৰিছে। টিৰাপ জিলা প্ৰধানকৈ নক্টে, ৱাংচু, টাংচা আৰু চিংফৌসকলৰ বাসস্থান। খুন্‌চাৰ আশেপাশে থকা ৱাখিন, খুন্‌চা, লাপ্‌নান্‌, বৰদুৱৰীয়া, কাইমাই, লাপ্‌টাং, কুনতিং, খেলা, লামচা, তুপি, পুলুং, খেতি, খিনচা, নকচা, কাপু, ৰেৱা, হোংকন, দাদম, ম'কতোৱা, নামচাং, চোহা, দেইদান আদি বস্তীবোৰত সিঁচৰতি হৈ থকা এমুঠি মানুহ তাহানিৰ নৰোত্তমৰ বংশধৰ। এই মুঠি মানুহক সাধাৰণতে নক্টে বুলি জনা যায়। এওঁলোক প্ৰত্যেকৰে নিজা নিজা কথিত একোটাইকৈ ভাষা আছে আৰু তেওঁলোকৰ মাজত ন টামান উপভাষা পোৱা যায়। টিৰাপৰ দাঁতিতেই লুইতৰ আগাৰিত লোহিত জিলা। এইখন জিলাত বাস কৰা প্ৰধান ভাষাভাষী লোকসকল হ'ল ইদু,

কামান, তাৰাওণ, খামতি, চিংফৌ আৰু পাদাম। ইদু আৰু তাৰাওণ ভাষাৰ মাজত কিছু সাদৃশ্য দেখা যায়। ইদু আৰু তাৰাওণৰ দৰেই কামান মিচিমি ভাষা। লোহিত জিলাৰ খামতি ভাষাৰ বাহিৰে বাকী সকলোবিলাক তিব্বত-বৰ্মী ঠালৰ ভাষা আৰু এইবোৰ উত্তৰ-অসম শাখাৰ অন্তৰ্গত। খামতি ভাষা শ্যাম-চীন ঠালৰ টাইগোষ্ঠীয় ভাষা। আনহাতেদি চিয়াং বাস্তৱিকতে বহুতো জনগোষ্ঠীৰ বাসভূমি হ'লেও প্ৰধানকৈ আদীসকলৰেই বাসস্থান। জিলাখনৰ উত্তৰ সীমান্তত টাগিন, মেম্বা আৰু খাম্বাসকলৰ বাসস্থান। আদীসকলক দুটা ডাঙৰ ভাগত বিভক্ত কৰিব পাৰি। প্ৰথমটো ভাগত পাদাম মিনিযং (মিঞং), পাচি, পাঞ্জি, চিমং, বৰি, আচিং আৰু টাংগাম; দ্বিতীয়টো ভাগত গালং, পাইলিবু অন্তৰ্ভুক্ত। এইবিলাকৰ উপভাষাগত পাৰ্থক্য থাকিলেও আদী ভাষাকেই প্ৰধান ভাষাৰূপে স্বীকৃতি দিব পাৰি। ওপৰত কোৱা আদীসকলৰ দুয়োটা ভাগেই ভৌগোলিক অৱস্থানৰ ওপৰত নিৰ্ভৰ কৰি কৰা হৈছে। তেনেকৈ সোৱণশিৰিত চুলুং, কামেং জিলাৰ প্ৰধান ভাষাভাষী জনগোষ্ঠীকেইটা হ'ল মন্‌পা, ছেৰডুক্‌পেন, অকা আৰু মিজি। এই জনগোষ্ঠীবিলাকৰ প্ৰত্যেকৰে নিজা নিজা কথিত ভাষা আছে যিবিলাক একে পাহাৰতে অন্য জনগোষ্ঠীৰ বাবে সম্পূৰ্ণ অবোধ্য। উল্লেখযোগ্য যে খামতি ভাষাৰ বাহিৰে অৰুণাচল প্ৰদেশৰ গোটেইখিনি ভাষাই তিব্বত-বৰ্মী শাখাৰ। এই ভাষাবিলাকৰ মৌখিক সাহিত্য থাকিলেও লিখিত সাহিত্য নাই। এইবোৰ ভাষাৰ নিজা লিপি নাই। অৱশ্যে বৃহৎ শ্যাম-চীন ঠালৰ খামতি ভাষাৰ নিজা লিপি আৰু লিখিত সাহিত্য আছে।

১ ৩ ২ নাগালেণ্ডৰ ভাষা

হাবি-বনৰ মাজে মাজে ৬,৩৬৬ বৰ্গমাইল পৰিব্যাপ্ত হৈ থকা আৰু ৭,৭৪,৯৩০ জন জনসংখ্যাৰ (১৯৮১ লোকপিয়ল) প্ৰদেশ নাগালেণ্ডৰ ভাষাৰ অধ্যায়টো অতি আমোদজনক। কিন্তু ১৯৬৩ চনৰ ১ ডিচেম্বৰৰ দিনা এখন পৃথক ৰাজ্যৰূপে ঘোষণা কৰা নাগালেণ্ডত বাস কৰা নগাসকল মূলতে ইন্দো-মংগোলীয় ঠালৰ হ'লেও ভাষাৰ পিনৰপৰা পৰস্পৰৰ অমিল লক্ষ্য কৰিবলগীয়া। সেইবাবে নাগালেণ্ড পাৰস্পৰিকভাৱে অবোধ্য বহুভাষীৰ ৰাজ্য। ইয়াৰ চৈধ্যটা প্ৰধান উপজনজাতি হ'ল আংগামী, চেমা, লোথা, আও, ৰেংমা, চাখেচাং, চংতাম, কন্যাক, চাং, ফোম্, য়িমচুংগ্ৰি, খিনমুংগাম্, জেলিয়াং আৰু কুকি। এই চৈধ্যটা প্ৰধান উপজাতিৰ মাজতো কিছুমান সৰু সৰু ঠাল পোৱা যায়। উদাহৰণস্বৰূপে, জেমি আৰু লিয়াংমেই দুটা বেলেগ ভাষা কোৱা নগা জনগোষ্ঠী। জেলিয়াং বুলিলে এই দুয়োটা উপগোষ্ঠীকেই বুজায়। জেলিয়াং শব্দটো জেমি আৰু লিয়াংমেই শব্দ দুটাৰ সংযোগত সৃষ্ট (জেমি + লিয়াংমেই)। তেনেকৈয়ে চাখেচাং উপজনজাতিয়ে তিনিটা উপগোষ্ঠীক সাঙুৰি লৈছে। সেইকেইটা হ'ল চোকৰি, খেজা আৰু চংতাম-পচুৰি। তিনিওটা উপগোষ্ঠীৰ প্ৰত্যেকৰে একোটাকৈ নিজা কথিত

ভাষা আছে। অৱশ্যে তিনিওটাৰে ভিতৰত চোকৃৰি ভাষাৰেই প্ৰাধান্য। চাখেচাং বা চোখেচং শব্দটো এই তিনিওটা জনগোষ্ঠীক বুজোৱা শব্দকেইটাৰ সংমিশ্ৰণত সৃষ্ট। (চোকৃৰি + খেজা + চংতাম–পচুৰি)। আওসকলৰ ভিতৰতো চুংলি আৰু মঙচেম্ নামৰ দুটা প্ৰধান ঠাল আছে। তেওঁলোক চুংলি ইমৃতি নামৰ ঠাইৰপৰা বৰ্তমানৰ মোকক্‌চাঙ জিলালৈ অহা বুলি কোৱা হয়। সেই চুংলি ইমৃত্তি ঠাইডোখৰ বৰ্তমানৰ টুৱেনচাং জিলাৰ ভিতৰৰা অঞ্চলত আৰু ব্ৰহ্মদেশৰ দাঁতিত। ইয়াৰ বাহিৰেও আওসকলৰ চাংকি অন্য এটা ঠাল। তেওঁলোকে চাংকি ভাষাই কয়। এই তিনিওটা ভাষাৰ মাজত সামান্য উপভাষাগত পাৰ্থক্য পৰিলক্ষিত হয়। তিনিওটা ঠালৰ ভিতৰত চুংলিসকলৰ চুংলি ভাষাৰেই প্ৰাধান্য। চুংলিভাষা কলে তিনিওটাই বুজি পায়। এইবোৰৰ উপৰিও বোংমেই, কছাৰী, মকৱাৰ, তিব্‌খিৰ চীন, মাও, নেপালী আদি ভাষাভাষী লোকো পোৱা যায়। এনেকৈ হিচাপ কৰি চালে নাগালেণ্ডত কমেও কুৰিটাৰ অধিক সম্প্ৰদায় আৰু প্ৰায় একুৰি ছত্ৰমান ভাষাৰ ঠাল পোৱা যাব। এইবোৰৰো আকৌ প্ৰত্যেকৰে উপভাষাগত পাৰ্থক্য আছে। নক'লেও হ'ব, নাগালেণ্ডৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য হ'ল ঠাই বিশেষে একোটা বিশেষ সম্প্ৰদায় থকাটো। গতিকে একোটা বিশেষ অঞ্চলত একোটা বিশেষ ভাষা-ভাষী সম্প্ৰদায়হে পোৱা যায়। ঘৰুৱা কাম-কাজৰ কাৰণে গাঁওখনৰ মানুহবোৰে নিজৰ মাজত ভাবৰ আদান-প্ৰদান কৰিবলৈ নিজা নিজা কথিত ভাষাকেই ব্যৱহাৰ কৰে। এহাতেদি প্ৰকৃতিৰ বাধা আৰু আনহাতেদি আক্ৰমণ তথা মূৰ চিকাৰৰ ভয় (১৯৫৮ চনত শেষ মূৰ চিকাৰ বা head hunting পোৱা গৈছে) এইবোৰৰ বাবেই নগাসকলৰ মাজত থকা বিভিন্ন জনগোষ্ঠীবিলাক পৰস্পৰৰ সান্নিধ্যলৈ আহিব পৰা নাছিল। ফল স্বৰূপে নিজৰ জনগোষ্ঠীৰ মাজতেই একালত বহুদিন ধৰি সীমাবদ্ধ হৈ থকা তেওঁলোকৰ প্ৰত্যেকৰে ভাষাবোৰ পৰস্পৰৰ বাবে অবোধ্য হৈ একোটাইঁত বিৰাট প্ৰাচীৰৰ দৰে থিয় হৈ ৰ'ল। একোটা জনগোষ্ঠীৰ ভাষা কাষতে বাস কৰা অন্য এটা জনগোষ্ঠীয়ে সমূলি নুবুজে। উল্লেখযোগ্য যে নগাপাহাৰত বসবাস কৰা নগাসকলৰ উল্লিখিত জনগোষ্ঠীসমূহ সাতোখন জিলাতে পৃথকভাৱে পৰিব্যাপ্ত হৈ আছে। জুমখেতিতেই প্ৰধানভাৱে নিৰ্ভৰ কৰি কৃষিজীৱী হিচাপে জীৱন কটোৱা নগাসকলৰ ভিতৰত কহিমা জিলাত আংগামী, কছাৰী, কুকি, জেমি, লিয়াংমেই, ৰোংমেই, ৰেংমা, মাও আৰু খেজা জনগোষ্ঠীকেইটা আৰু সেই ভাষাভাষী মানুহৰ প্ৰধান বাসস্থান।

তেনেকৈ মোকক্‌চাং জিলাত আও, মন জিলাত কন্যাক, ওখা জিলাত লোথা, জুন্‌হেবত' জিলাত চেমা, ফেক্ জিলাত পচুৰি আৰু চোক্‌ৰি আৰু টুৱেনচাং জিলাত ফোম, চাং, চংতাম, য়িম্‌চুংগ্ৰি, খিনমুনগাম্, মাকৱাৰ, তিৰ্‌খিৰ, চীন আদি ভাষা-ভাষী লোকসকলৰ বাসস্থান। এই সকলোবিলাক ভাষাই বৃহৎ চীন-তিব্বতীয় পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ। এই ভাষাবিলাকৰ নিজা লিপি নাই, অৱশ্যে প্ৰচুৰ মৌখিক সাহিত্য


তিব্বত-চীন
বা
চীন-তিব্বতীয়
তিব্বতবৰ্মী
অসম-বৰ্মী শাখা
তিব্বত-হিমালয়ী
উত্তৰ অসম শাখা বা
উত্তৰ-পূব
সীমান্ত শাখা
অকা
ডফলা
আদী
মিচিমি ইত্যাদি
মধ্য আৰু দক্ষিণ
অসম শাখা
বড়ো
নগা
কাচিন (চিংফৌ)
নগা-কুকি
আৰাকান-বাৰ্মা শাখা
কুকি চীন
বাৰ্মিজ
মেইটেই
লুচাই
বা মিজো
থাই-চীন
বা
শ্যাম-চীন
উত্তৰ থাই
আহোম
খামতি
নৰা বা খামযাং
ফাকে
আইতন
টুৰুং

তালিকা নং ২

বিদ্যমান। বহুভাষী ৰাজ্য হিচাপে দেখা দিয়া ভাষা সমস্যাৰ কাৰণে ইংৰাজী ভাষাকেই কাৰ্যালয়ৰ ভাষা হিচাপে গ্ৰহণ কৰিলেও জনসাধাৰণৰ সংযোগী ভাষাৰূপে নাগামিজৰ ভূমিকা ইংৰাজী ভাষাতকৈ অধিক (নাগামিজ ভাষা দ্ৰষ্টব্য)।

১ ৩.৩ মণিপুৰ আৰু মিজোৰামৰ ভাষা

ইতিপূৰ্বে উল্লেখ কৰা আৰাকান-বাৰ্মা শাখাৰ কুকিচীন প্ৰশাখাটোৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হৈছে মণিপুৰৰ মেইটেই ভাষা। এই ভাষাটোৰ লিখিত ইতিহাস ১৪৩২ খ্ৰীষ্টাব্দৰপৰা পোৱা গৈছে। এই প্ৰাচীন ভাষাটোৱে আধুনিক মেইটেই ভাষাৰ ইতিহাস স্পষ্ট কৰি তোলাত সহায় কৰে। মেইটেইক মণিপুৰী বুলিও সাধাৰণভাৱে জনা যায়। বৰ্তমানে ইয়াক বঙলা লিপিৰে লেখা হৈছে। উল্লেখযোগ্য যে পুৰণি মেইটেই লিপিতো বৰ্তমানে পুথিপাজি লেখা হৈছে। উদাহৰণস্বৰূপে যুমখাইবম জয়চন্দ্ৰৰ 'অহানবা মীতৈ মযেক মপী'তু পুৰণি লিপিৰ পৰিচয় আছে (মেইটেই ভাষাৰ স্বৰ আৰু ব্যঞ্জন আখৰৰ তালিকা দ্ৰষ্টব্য)। কুকিচীন শাখাৰ ভিতৰত এই ভাষা-ভাষী লোকৰ সংখ্যাই অধিক। এইবোৰৰ উপৰিও এই শাখাটোৰ অন্য এটা উল্লেখযোগ্য ভাষা হ'ল লুচাই বা মিজো ভাষা। ই তাহানিৰ লুচাই পাহাৰ আৰু বৰ্তমান মিজোৰামত প্ৰচলিত ভাষা। মণিপুৰতো টাংখুল, কাবুই আদি নগাভাষা পোৱা যায়।



(মেইটেই ভাষাৰ স্বৰ আখৰ)

(মেইটেই ভাষাৰ ব্যঞ্জন আখৰ)

১৩৪ মেঘালয় আৰু ত্ৰিপুৰাৰ ভাষা

ইপিনে মেঘালয়ত প্ৰচলিত গাৰো জনজাতিসকলৰ ভাষাটো তিব্বত-বৰ্মী ঠালৰ বড়ো শাখাৰ অন্তৰ্গত। মেঘালয ৰাজ্যখনত প্ৰধানকৈ দুটা পৃথক পৰিয়ালৰ ভাষা-ভাষী

লোক পোৱা যায়। এটা হ'ল উল্লিখিত তিব্বত-বৰ্মী ঠালৰ গাৰো ভাষা আৰু আনটো হ'ল অষ্ট্রিক পৰিয়ালৰ খাচি ভাষা। অষ্ট্রিক পৰিয়ালৰ মনখ্মেৰ ভাষাবোৰ ভাৰতৰ বাহিৰত প্ৰচলিত। মনখ্মেৰ মানুহবিলাক এসময়ত ইন্দোচীনৰ বিজেতা আৰু প্ৰশাসক আছিল। শ্যাম, ব্ৰহ্মদেশ আদিত মন ভাষাটো প্ৰচলিত। নিকোবৰ দ্বীপৰ ভাষাও এই শাখাৰে ভাষা। মনখ্মেৰ শাখাৰ এইবোৰ ভাষাৰ লগত সম্পৰ্ক থকা মাত্ৰ এটা ভাষা ভাৰতবৰ্ষত প্ৰচলন হৈ থকাৰ কথা নিৰ্দিষ্টকৈ ক'ব পাৰি। আগতেই উল্লেখ কৰি অহা হৈছে যে বৰ্তমানে মেঘালয়ৰ খাচিয়া পাহাৰত খাচিসকলৰ মাজত প্ৰচলিত খাচি ভাষাটোৱেই অষ্ট্রিক পৰিয়ালৰ ভাষা। মনখ্মেৰ আৰু অন্যান্য অষ্ট্ৰ-এছিয়াটিক ভাষাৰপৰা বহুদিন ধৰি নিলগে থকাত বা সেই ভাষাবোৰৰ লগত পোনপটীয়াভাৱে সম্পৰ্ক নথকাত এই খাচি ভাষাটোৰ বিকাশত মূল পৰিয়ালটোৰপৰা কিছু ব্যতিক্ৰম হোৱা লক্ষ্য কৰা যায়। অৱশ্যে বাক্য গঠন আৰু শব্দমালাৰ ক্ষেত্ৰত ব্ৰহ্মদেশৰ মন ভাষাৰ লগত প্ৰায়েই একে। উত্তৰ-পূব ভাৰতত বিস্তৃতভাৱে প্ৰচলিত তিব্বত-বৰ্মী ভাষাৰ অজস্ৰ ভাষা-সমুদ্ৰৰ মাজত অষ্ট্রিক পৰিয়ালৰ উক্ত খাচি ভাষাটো এটি দ্বীপৰ দৰেই ৰৈ গ'ল। ভাষাবিজ্ঞানীসকলৰ কাৰণে ই অতি উল্লেখযোগ্য কথা। অন্যহাতেদি মেঘালয়ৰ দক্ষিণ পিনে থকা ত্ৰিপুৰী আৰু কক্বৰক ভাষাও তিব্বত-বৰ্মী শাখাৰ। কক্বৰক ভাষাৰ লগত বড়ো ভাষাৰ শব্দমালাৰ মিল লক্ষ্য কৰিবলগীয়া।

কক্বৰক হ'ল ত্ৰিপুৰা ৰাজ্যৰ ২,৬৮,৯৪৮ (১৯৭১ চনৰ লোকপিয়ল অনুসৰি) জন মানুহৰ মুখৰ ভাষা। ই তিব্বত-বৰ্মী পৰিয়ালৰ বড়ো শাখাৰ অন্তৰ্গত ভাষা। কক্বৰক ভাষাৰ তেৰটা উপভাষা আছে আৰু তাৰ ভিতৰত দেববৰ্মা, ৰিয়াং, হলম, তিপ্ৰা (নোআতিয়া বুলিও জনা যায) উপভাষাই প্ৰধান।-দেববৰ্মা উপভাষা ৰাজকীয় পৰিয়ালৰ ভাষা আৰু এই ভাষাই আছিল ৰাজ-পৰিয়াল আৰু সাধাৰণ প্ৰজাৰ মাজত ভাব আদান প্ৰদানৰ মাধ্যম। সেয়ে দেববৰ্মা উপভাষা সকলোবোৰ উপভাষী লোকেই বুজি পায়। গতিকে দেববৰ্মা উপভাষাই হ'ল কক্বৰক্ ভাষাৰ মান্যভাষা স্বৰূপ। অৱশ্যে দেববৰ্মা উপভাষাটোৰো অঞ্চল বিশেষে প্ৰভেদ পোৱা যায।

কক্বৰক ভাষা সুৰীয়া (tonal) ভাষা। এই ভাষাত উন্নত (High) আৰু সম (level) দুটা সুৰ পোৱা যায। এই সুৰকেইটা বাদ দিলে সাতোটা স্বৰবৰ্ণ আৰু একৈশটা ব্যঞ্জনবৰ্ণ যোগ কৰি মুঠ একুৰি আঠোটা বৰ্ণ পোৱা যায। একৈশটা ব্যঞ্জনৰ ভিতৰত প, ত, চ, ক, ফ, থ, ছ, খ, ব, দ, জ, গ — এই বাৰটা স্পৰ্শ বৰ্ণ, স, হ ঘৃষ্ট, ম ন ঙ নাসিক্য, তাড়িত ৰ, পাৰ্শ্বিক ল আৰু অৰ্ধস্বৰ ৱ আৰু য। কক্বৰক্ ভাষাৰ ব্যঞ্জনৰ তালিকা এখন তলত প্ৰস্তুত কৰা হল —

	ঔষ্ঠ্য	দন্তমূলীয	তালব্য	পশ্চতালব্য কণ্ঠ্য
স্পৰ্শ	প ফ ব	ত থ দ	চ ছ জ	ক খ গ
ঘৃষ্ট		স		হ
নাসিক্য	ম	ন		ঙ
তাড়িত		ৰ		
পাৰ্শ্বিক		ল		
অৰ্ধস্বৰ	ৱ		য	

(ব্যঞ্জনবৰ্ণৰ তালিকা)

কক্‌বৰক ভাষাৰ স্বৰবৰ্ণৰ তালিকা —

	প্ৰান্তীয	কেন্দ্ৰীয	মূলীয
উচ্চ	ই	ঔ	উ
মধ্য	এ'	অ্	অ'
নিম্ন		আ	

(স্বৰবৰ্ণৰ তালিকা)

কক্‌বৰক্‌ ভাষাৰ কেইটামান বৈশিষ্ট্য :

(ক) কক্‌বৰক্‌ ভাষাৰ প্ৰথম আৰু দ্বিতীয় পুৰুষত লিংগ বিভাজন নাই, অৱশ্যে তৃতীয পুৰুষত মানুহ, জীৱ-জন্তু আৰু জড় পদাৰ্থ অনুসৰি সুকীয়া সুকীয়া ৰূপ পোৱা যায়। মানুহক বুজাবৰ বাবে ব্যৱহাৰ হোৱা তৃতীয় পুৰুষৰ পুৰুষবাচক সৰ্বনাম ব', চৰাই-চিৰিকটি, ভগৱান দেৱতাক বুজাবৰ বাবে সেই একে পুৰুষত ম' আৰু জড় পদাৰ্থক বুজাবৰ বাবে ক' ব্যৱহাৰ হয়। তলত পুৰুষবাচক সৰ্বনামবোৰ তালিকা প্ৰস্তুত কৰি দেখুওৱা হ'ল।

	একবচন	বহুবচন
১ম পুৰুষ	আঙ্	চাঙ্
২য় পুৰুষ	নাঙ্	ন'-ৰ'ক
৩য় পুৰুষ মানুহৰ অৰ্থত	ব'	ব'-ৰ'ক
জীৱ-জন্তুৰ অৰ্থত	ম'	ম'-ৰ'ক
জড় পদাৰ্থৰ অৰ্থত	ক'	ক'-ৰ'ক

(খ) কক্‌বৰক্ ভাষাৰ কেইটামান প্ৰশ্নবোধক সৰ্বনাম শব্দ হ'ল —

বু-ফুৰু	'কেতিয়া'
বি-য়াঙ	'কোন ফালে'
ব'ৰ'	'ক'ত'
বা-হ্ৰায	'কেনেকৈ'
বু-চুক্	'কিমান'

(গ) লিংগ — কক্‌বৰক্ ভাষাৰ লিংগ বিভাজন ব্যাকৰণগত নহয়। পুংলিংগ আৰু স্ত্ৰীলিংগ বুজাবৰ বাবে সুকীয়া সুকীয়া শব্দৰ প্ৰয়োগ আছে।

উদাহৰণ স্বৰূপে

পুংলিংগ	স্ত্ৰীলিংগ
ফা 'পিতা'	মা 'আই'
চু 'ককা'	চুয্ 'বুঢী আই' 'আইতা'
চয 'গিৰিয়েক'	হিক্ 'ঘৈণীয়েক'
ফায়ুং 'ভাই'	হানক্ 'ভনী'
চামাৰি 'জোঁৱাই'	হামজুক্ 'বোৱাৰী'
ৰাক্ 'বন্ধু'	মাৰে 'বান্ধৱী'

(ঘ) ১ম পুৰুষবাচক সৰ্বনাম ৰূপৰ উদাহৰণ —

আঙ্ — মই

আন (অ) — মোক

আনি — মোৰ

চঙ্ — আমি

চিনি — আমাৰ

(ঙ) শব্দ বিভক্তি কি দৰে প্ৰয়োগ কৰা হয় তাৰ উদাহৰণ —

বৰক্ — মানুহ

বৰক(অ) — মানুহক

বৰক্‌বাই — মানুহৰ দ্বাৰা
বৰক্‌নে — মানুহলৈ
বৰক্‌নি — মানুহৰ, ইত্যাদি।

(চ) ইপিনে বহুবচন বুজাবৰ বাবে আকৌ বৰক্‌ৰগ্ — মানুহবিলাক, বা বৰক্‌চঙ্ — মানুহবিলাক ইত্যাদি ৰূপ হয়। তলত এটা ক্ৰিয়াৰ ৰূপ দেখুওৱা হৈছে —

থাঙ্	যা
থাঙ্‌বি	গৈছে
থাঙ-বি-তঙ্	গৈছোঁ
থাঙ বি-তঙ্ আ	গৈ আছে
থাঙ্ বি-তঙ্-খা	গৈ আছিল
থাঙ বি-তঙ্-নাই	যোৱা হ'ব

উল্লেখৰ নিষ্প্ৰয়োজন যে ইতিমধ্যে আলোচনা কৰা অৰুণাচল, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মেঘালয় আৰু ত্ৰিপুৰা কেউখনেই এসময়ত অসমৰ ভিতৰতে আছিল আৰু আজি কিছু বছৰৰ আগতেহে এইবিলাকক সুকীয়া ৰাজ্য হিচাপে স্বীকৃতি দিয়া হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক আৰু সাংস্কৃতিক অসমৰ এই কেইখন ৰাজ্যক বাদ দিলে বৰ্তমানৰ ৰাজনৈতিক সীমাৰ মাজত থকা অসমখনত ইন্দো-ইউৰোপীয়, চীন-তিব্বতীয় আৰু অষ্ট্ৰিক এই তিনিওটা পৰিয়ালৰ ভাষাহে পোৱা যায়। অৱশ্যে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰতো একেকেইটা পৰিয়ালেই পোৱা যায়। উল্লেখযোগ্য যে বহুভাষীৰ এইবোৰ ৰাজ্যত কম বেছি পৰিমাণে ইন্দো-ইউৰোপীয় পৰিয়ালৰ অসমীয়া ভাষাই সংযোগী ভাষাৰূপে স্থিতি লাভ কৰিছে।

১ ৩ ৫ অসমৰ ভাষা :

১ ৩ ৫ ১ **তিব্বত-বৰ্মী ভাষাসমূহৰ চমু পৰিচয় :** অসম ভালেমান জনগোষ্ঠী লোকৰ বাসস্থান। ইয়াৰে কিছুমান জনগোষ্ঠীয়ে ঘৰৰ ভিতৰত বা নিজা জনগোষ্ঠীৰ মাজত আৰু ঘৰৰ বাহিৰৰ সমাজত ভাব আদান-প্ৰদানৰ ভাষাৰূপে অসমীয়া ভাষাকেই ব্যৱহাৰ কৰে। আকৌ অন্য কিছুমান জনগোষ্ঠীয়ে ঘৰৰ ভিতৰত বা নিজা জনগোষ্ঠীটোৰ ভিতৰত এটা ভাষাত কথা কয় আৰু জনগোষ্ঠীটোৰ নিজা মানুহৰ বাহিৰে অন্যৰ লগত কথা পাতিব লগা হ'লেই অসমীয়া ভাষা ব্যৱহাৰ কৰে। সামগ্ৰিকভাৱে চালে অসমৰ ভাষাৰ ক্ষেত্ৰত পোৱা এই দুটা ৰূপৰ অধ্যয়ন অধিক তাৎপৰ্যপূৰ্ণ। ইয়াৰপৰা দেখা যায় যে অসমৰ সকলো জনগোষ্ঠীয়েই অসমীয়া ভাষা ব্যৱহাৰ কৰে, অৰ্থাৎ অসমৰ জনজাতীয় ভাষা-ভাষী লোকসকল দ্বিভাষী।

অসমৰ জনজাতীয় ভাষাবোৰ বৃহৎ চীন-তিব্বতীয় পৰিয়ালৰ। চীন-তিব্বতীয়

পৰিয়ালটোক পণ্ডিতসকলে তিব্বত-বৰ্মী আৰু থাই-চীন এই দুটা ভাগত ভাগ কৰিছে। অসমত পোৱা চীন-তিব্বতীয় পৰিয়ালৰ ভাষা কিছুমান হ'ল বড়ো, মিচিং, কাৰ্বি, ডিমাচা, তিৱা, ৰাভা, দেউৰী আদি, আৰু থাই-চীন পৰিয়ালৰ ভাষাকেইটা হ'ল খামতি, টুৰুং, খাময়াং, ফাকে আৰু আইতন। এই ভাষাবোৰ অধ্যয়ন কৰি চালে কিছুমান উমৈহতীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়। এই বৈশিষ্ট্যবোৰ হ'ল ঃ (১) এই ভাষা-ভাষী লোকসকল নিজে এটা জনজাতি আৰু জনজাতিটোৰ মাজতে তেওঁলোকৰ ভাষাটো সীমাবদ্ধ। (২) এই জনজাতীয় ভাষাবোৰৰ বেছিভাগেই পৰস্পৰে দুৰ্বোধ্য আৰু তেওঁলোকে সমূহীয়া ভাবৰ আদান-প্ৰদানৰ বাবে অসমীয়া ভাষা প্ৰযোগ কৰে। (৩) ভাষাৰ পিনৰপৰা এই ভাষাবোৰ প্ৰধানকৈ সুৰপ্ৰধান ভাষা। অৱশ্যে সুৰ নথকা অসমীয়া ভাষাৰ প্ৰভাৱত দুই-এটা ভাষাৰ সুৰ নাইকিযাও হৈছে। (৪) এই ভাষাবিলাকৰ উচ্চাৰণত স্বৰবৰ্ণৰ হ্ৰস্ব দীৰ্ঘৰ ৰূপ সুকীয়া সুকীয়া, যিটো অসমীয়া ভাষাৰ ক্ষেত্ৰত দেখা নাযায়। অসমীয়া ভাষাত হ্ৰস্ব-দীৰ্ঘ আখৰবোৰ লেখাৰ বাবেহে ৰখা হৈছে, উচ্চাৰণত নাই। (৫) অসমীয়া ভাষাত নথকা দুটা সুকীযা কেন্দ্ৰীয উচ্চ স্বৰবৰ্ণৰ উচ্চাৰণ পোৱা যায।

এইবোৰৰ উপৰি তিব্বত-বৰ্মী ভাষাবিলাকত মহাপ্ৰাণ ধ্বনিৰ প্ৰযোগ বেছিভাগ ভাষাতে নাই। আনহাতেদি থাই-চীন ভাষাবিলাকত ঘোষ-ধ্বনিৰ অভাৱ পৰিলক্ষিত হয। এই থাই-চীন ভাষাবিলাক একাক্ষৰী (monosyllabic) অযোগাত্মক ভাষা। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰাপ্ত তিব্বত-বৰ্মী ভাষাবিলাকৰ কোনোটোতে নিজা লিপি নাই। অৱশ্যে মেইটেই ভাষাত সম্প্ৰতি নিজা প্ৰাচীন লিপি পোৱা গৈছে আৰু এই লিপিতেই 'মীতৈ মযেক তন্নবা লাইবিক অহানবা' আৰু 'অহানবা মীতৈ মযেক মপী'ৰ দৰে পুথি লিখা হৈছে। ইপিনে থাই-চীন ভাষাকেইটাৰ নিজা লিপি আছে। এই সাধাৰণ বৈশিষ্ট্যবোৰ দেখা গ'লেও আচলতে এইবোৰৰ মাজত ৰূপ ৰচনা, বাক্য আৰু শব্দৰ ক্ষেত্ৰত ইমান অমিল যে এইবোৰ পৰস্পৰে-পৰস্পৰৰ বাবে দুৰ্বোধ্য ভাষা।

সম্প্ৰতি এই ভাষাবোৰৰ উন্নতিৰ বাবে সেই সেই ভাষিক জনগোষ্ঠীৰ লোকে প্ৰচেষ্টা চলাইছে যদিও আশানুৰূপ সফলতা লাভ কৰিব পৰা নাই। এই ভাষাবোৰৰ প্ৰথম আৰু প্ৰধান সমস্যা হ'ল ভাষাটো লেখি প্ৰকাশ কৰিবলৈ এটা নিজা লিপিৰ অভাৱ। নতুনকৈ লিপি এটা গ্ৰহণ কৰিবলৈ যাওঁতে নিজা ভাষাটোৰ উচ্চাৰণৰ লগত সংগতি ৰাখি কৰিবলগীয়া হয যাৰ ফল স্বৰূপে ভাষাটোৰ বিশেষ অধ্যযনৰ আৱশ্যক। সম্প্ৰতি এই ভাষাবোৰে সংশোধিত ৰোমক লিপিৰ জৰিযতে নাইবা দেৱনাগৰি লিপিৰে লেখিবলৈ চেষ্টা কৰিছে। আৱশ্যক অনুযাযী আলোচনী পত্ৰিকা আদিও প্ৰকাশ কৰিছে। এটা কথা এই ক্ষেত্ৰত মন কৰিবলগীয়া যে এই পুথিবোৰ বা আলোচনী পঢ়িবৰ বাবে সেই সংশোধিত লিপিৰ লগত পৰিচিত এচাম পাঠকৰ আৱশ্যক আৰু তেনে পাঠকৰ

জৰিযতেহে লেখকসকলেও অনুপ্ৰেৰণা পায আৰু ভাষা এটাও সবল হৈ উঠে। শিক্ষিত লোকসকলেহে কিতাপ-আলোচনী পঢ়া-শুনা কৰিব পাৰে আৰু তেনে ক্ষেত্ৰত ভাষিক জনগোষ্ঠীটোৰ শিক্ষিতৰ শতকৰা হাৰ তাৎপৰ্যপূৰ্ণ। এইখিনিতে উল্লেখ কৰিব পাৰি যে জনজাতীয লোকসকলৰ বৰ্তমান শিক্ষিতৰ হাৰ তেনেই কম যাৰ ফল স্বৰূপে পুথি-পাঁজি প্ৰকাশ পালেও আশা কৰা মতে পাঠক সমাজ এখন পোৱা টান। কোৱা বাহুল্য যে কথিত-ভাষা এটাই বিভিন্ন প্ৰচেষ্টাত সাহিত্যিক ভাষা বা বৌদ্ধিক চৰ্চাৰ ভাষাৰূপে প্ৰতিষ্ঠা লাভ কৰিব পাৰে। এই ক্ষেত্ৰত সেই ভাষিক গোষ্ঠীৰ লোকসকলৰ একান্ত আগ্ৰহৰ কথাই প্ৰধানভাৱে ভূমিকা লয। কথিত ভাষাৰ শ্ৰীবৃদ্ধি নিৰ্ভৰ কৰে বিশেষকৈ সম্প্ৰসাৰণৰ ওপৰত। সম্প্ৰসাৰিত ভাষা এটাই অন্য ভাষিক গোষ্ঠীৰ ওপৰত একোটা প্ৰযোজনভিত্তিক হেঁচা দিযে আৰু সেই হেঁচা অন্য ভাষাটোৱে গ্ৰহণ কৰিবলগীযা হয়। এনেকৈ কালক্ৰমত সম্প্ৰসাৰিত ভাষাটোৱে সান্নিধ্যত থকা অন্য ভাষাৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰে আৰু তেতিযাই ভাষাটোৰ শ্ৰীবৃদ্ধি হয। তেনে এটা ভাষা শিকাৰ প্ৰতি অন্য ভাষিক গোষ্ঠীৰ লোকো আকৰ্ষিত হয। কোনো এটা কথিত-ভাষা প্ৰণালীবদ্ধ অধ্যযন, সাহিত্য-চৰ্চা আদিৰ জৰিযতে উন্নীত হৈ পৰিলেই ভাষা সম্প্ৰসাৰণৰ দুৱাৰ মুকলি হোৱা বুলি ভাবিব নালাগে। কাৰণ জীৱিত ভাষা এটা সৰ্বসাধাৰণৰ মুখৰ মাত, ই কেৱল বৌদ্ধিক সম্প্ৰদাযৰে সমল নহয। প্ৰযোজনৰ তাগিদাতহে স্বাভাৱিকভাৱে সৰ্বসাধাৰণে ভাষা গ্ৰহণ কৰে, অপ্ৰযোজনত নহয।

অসমৰ জনজাতীয ভাষাবোৰৰ বিশেষ অধ্যযন যিমান হ'ব লাগিছিল এতিয়ালৈকে হোৱা নাই। বিশেষ অধ্যযনে ভাষাটোৰ মাজত থকা উপভাষাবিলাক বা আঞ্চলিক ৰূপবিলাক স্পষ্ট কৰি তুলিব আৰু তাৰ মাজতেই ভাষাটোৰ উমৈহতীযা ৰূপ একোটা গঢ় দিযাত সুবিধা হ'ব। তেনে অধ্যযনৰ অভাৱতেই এটা আঞ্চলিক ৰূপৰ ভাষা কোৱা মানুহে একেটা ভাষাৰে অন্য এটা আঞ্চলিক ৰূপক স্বীকৃতি দিব নোখোজে। ফল স্বৰূপেই ব্যাকৰণৰ নীতি-নিযম নিৰ্ধাৰণত নাইবা অভিধান আদি প্ৰণযনত যথেষ্ট বাধা আছে। তদুপৰি বৰ্তমানে স্কুল পৰ্যাযত এনে জনজাতীয দুই-এটা ভাষাক বিষয হিচাপে দিলেও নিখুঁত পাঠ্যপুথিৰ অভাৱ এনেবোৰ কাৰণতেই ৰৈ গৈছে।

প্ৰসংগক্ৰমে কৈ থোৱা ভাল যে পৃথিৱীৰ ভাষাবোৰ ভালকৈ লক্ষ্য কৰিলে কিছুমান বৈশিষ্ট্য চকুত পৰে। কিছুমান ভাষা শ শ বছৰ ধৰি একোটা বিশেষ জনগোষ্ঠীৰ মাজতে আবদ্ধ হৈ থাকে। সেই ভাষাটো জনগোষ্ঠীটোৰ বাহিৰে অন্য জনগোষ্ঠীৰ লোকে শিকি ক'ব লগা হোৱা নাই বা শিকি ক'বলৈ প্ৰয়োজনবোধো কৰা নাই। সেই জনগোষ্ঠীটোৰ জনসংখ্যা যদি এজন বাঢ়িছে তেন্তে এজন সেই ভাষা কোৱা লোক বৃদ্ধি পাইছে আৰু যদি এজনৰ মৃত্যু হৈ জনসংখ্যা কমিছে তেন্তে এজন সেই ভাষী লোকো কমিছে। এনে ধৰণৰ ভাষাবোৰ এক প্ৰকাৰৰ স্থবিৰ ভাষা। এনে ভাষাৰ কোনো সম্প্ৰসাৰণ

নাই, বৰঞ্চ সংকোচনৰ দিশহে অতি প্ৰকট। এনে ভাষা কেতিয়াবা সেই ভাষা কোৱা এচাম লোকে সাহিত্যৰ জৰিয়তে বা ভাষা-চৰ্চাৰ জৰিয়তে সবল ভাষা কৰি তুলিলেও সময়ত ই সম্প্ৰসাৰণ লাভ নকৰে। একোটা বিশেষ ভৌগোলিক আবেষ্টনী বা পৰিধিত (সেই পৰিধি জনগোষ্ঠীগতই হওক বা ভৌগোলিকেই হওক) প্ৰয়োগ হোৱা ভাষা সেই পৰিধি অতিক্ৰম কৰিলেই দ্বিতীয় পৰিধিত হয়তো এটা সুকীয়া ভাষাৰ প্ৰযোজন হৈ পৰে য'ত প্ৰথম পৰিধিৰ ভাষাই কাম নচলে। এনেকৈ দ্বিতীয় পৰিধিত প্ৰযোগ হোৱা ভাষাও সেই পৰিধি পাৰ হৈ তৃতীয় পৰিধিলৈ গ'লে দ্বিতীয় পৰিধিৰ ভাষাই কাম নচলে। তেনেকৈ চতুৰ্থ পৰিধিলৈ গ'লে তৃতীয় পৰিধিৰ ভাষাযো কাম নিদিযে আৰু তেনে পৰিস্থিতিত প্ৰথম পৰিধিৰ গুৰুত্ব তেনেই নাথাকে। গতিকে দেখা যায প্ৰতিটো পৰিধিৰ প্ৰয়োজনৰ তাগিদাতহে মানুহে ভাষা শিকে আৰু কয। তেনে পৰিধিৰ পৰিস্থিতিতেই অসমৰ ভাষিক জনগোষ্ঠীসমূহ দ্বি-ভাষী হৈ পৰিছে আৰু অসমীযা ভাষা ক'লেও হিন্দী ভাষা আৰু ইংৰাজী ভাষাৰো প্ৰযোজন অধিক হৈ পৰিছে। এনে প্ৰযোজনৰ তাগিদাতেই মানুহ দ্বি-ভাষী বা ত্ৰি-ভাষী হৈ উঠে।

ইপিনে দেখা যায় এনেকুৱা কিছুমান ভাষাও পৃথিৱীত আছে, যিবোৰ কোনো সম্প্ৰদায় বিশেষৰ মাজত আবদ্ধ নাথাকি সকলোৰে উমৈহতীযা ভাষা হৈ পৰে। জাতি-বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলোৱেই তেনে ভাষা নিজৰ ভাষাৰূপে হেলাৰঙে গ্ৰহণ কৰে। এনে ধৰণৰ ভাষাবোৰ সাধাৰণতেই সম্প্ৰসাৰণমুখী। এইখিনিতে আৰু এটা কথা মনত ৰখা দৰকাৰ যে ভাষাৰ লগত ভাষাৰ সংঘৰ্ষ হয। এই সংঘৰ্ষ সাধাৰণ পক্ষে নিৰ্ণয় কৰা বা উমান পোৱা সম্ভব নহয। ওচৰা-উচৰিকৈ থকা পৰস্পৰে দুৰ্বোধ্য ভাষাবিলাকৰ মাজত এনে সংঘৰ্ষ সচৰাচৰ চলিযেই থাকে, যাৰ ফল স্বৰূপে এটা ভাষাই অন্য এটা ভাষাৰপৰা ধাৰ লয বা পাৰস্পৰিকভাৱে বিভিন্ন উপাদানৰ সৰবৰাহ ঘটে। সাধাৰণতে বহু ভাষিক পৰিস্থিতিত পৰস্পৰে দুৰ্বোধ্য ভাষাবোৰৰ মাজত তেনে সংঘৰ্ষ অতি তুমুল হয, ফল স্বৰূপেই এটা উমৈহতীযা ভাষা তৎকালীনভাৱে অতি জৰুৰী হৈ উঠে। তেনে সংঘৰ্ষত লিপ্ত হোৱা বহুভাষিক পৰিস্থিতিৰ ভাষাবোৰ সাধাৰণতেই সম্প্ৰসাৰণমুখী ভাষা নহয়। গতিকেই প্ৰয়োজনৰ তাগিদাত বিভিন্ন ভাষা সামাজিক কাৰণত, সংঘৰ্ষত লিপ্ত হৈ থকা ভাষাবোৰৰ মাজত উমৈহতীযা ৰূপ এটাই ঠন ধৰি উঠে। তেনেকৈ ঠন ধৰি উঠা ভাষাটোৱে ভাষা সম্প্ৰদাযসমূহৰ দ্বিতীয পৰিধিৰ চাহিদা পূৰণ কৰিবলৈ ধৰে আৰু বিভিন্ন সন্নিহিত সম্পৰ্কৰ পৰিস্থিতিত (contact situation) ই গতি পায। তেনে চাহিদা পূৰাবলৈকে এটা সমযত অসমীয়া ভাষাই ঠন ধৰি উঠিছিল আৰু কালক্ৰমত উমৈহতীয়া স্বাৰ্থতেই এই ভাষাটোৰ শ্ৰীবৃদ্ধিৰে সৈতে বিকাশ হয। এইখিনি কথাও এই প্ৰসংগতে মনলৈ আহে।

১৩৫১১ বড়ো ঃ অসমত প্ৰচলিত চীন-তিব্বতীয় পৰিয়ালৰ থাই-চীন ভাষাকেইটাৰ কথা পূৰ্বে উল্লেখ কৰি অহা হৈছে। চাৰিওপিনে পাহাৰে আগুৰা এই সমতলভূমিত বসবাস কৰা সকলো লোকেই অসমীয়া ভাষাকেই দৈনন্দিন কাম-কাজৰ কথ্য ভাষাৰূপে প্ৰযোগ কৰিলেও ভালেকেইটা জনগোষ্ঠীৰ কাৰণে অসমীয়া ভাষা দ্বিতীয় মাতৃভাষাহে। অসমৰ এই দ্বি-ভাষীসকলৰ ভালেমান লোকেই তিব্বত-বৰ্মী ভাষা পৰিয়ালৰ। নৃগোষ্ঠী হিচাপে এই ভাষা-ভাষী লোকসকল ইন্দো-মংগোলীয়। ইয়াৰে এটা প্ৰধান ভাষা হ'ল বড়ো ভাষা। বড়ো ভাষা-ভাষী লোকসকল প্ৰধানকৈ গোৱালপাৰা জিলাতেই কেন্দ্ৰীভূত ৰূপত বসবাস কৰে। ১৯৫১ চনৰ পিয়ল অনুসৰি সেই সময়ত অসমৰ বড়ো ভাষা-ভাষী লোকৰ সংখ্যা এক লাখ সত্তৰ হাজাৰ বুলি উল্লেখ কৰিছে। এই হিচাপটো অৱশ্যে বড়ো (ভৈয়ামৰ কছাৰী), বড়ো দোৱান আৰু কছাৰী দোৱানক ধৰিহে কৰা হৈছে; ডিমাছা বা মেছসকলৰ ভাষাক ইয়াৰ লগত সাঙুৰি ধৰা নাই।[২] বড়ো ভাষাৰ নিজা লিপি নাই। খ্ৰীষ্টিয়ান বড়োসকলে ধৰ্মীয় কথাবিলাক লেখাৰ মাধ্যম হিচাপে ৰোমান আখৰকে গ্ৰহণ কৰে আৰু কিছুমানে এসময়ত সংশোধিত ৰূপত অসমীয়া আখৰেৰেও বড়ো ভাষাত লেখিবলৈ চেষ্টা কৰিছিল যদিও পিছলৈ তেওঁলোকে দেৱনাগৰী লিপিকেই গ্ৰহণ কৰিছে (বড়ো ভাষাৰ আলোচনা দ্ৰষ্টব্য)।

১৩৫১২ কাৰ্বি ঃ অসমৰ মাজ-মজিযাৰ কাৰ্বি আংলং জিলাৰ পাহাৰীযা অঞ্চলত বসবাস কৰা কাৰ্বিসকলৰ ভাষা হ'ল কাৰ্বি ভাষা। পূৰ্বে তেওঁলোকক মিকিৰ বুলি জনা গৈছিল যদিও আজিকালি কাৰ্বি শব্দটোহে স্বীকৃত শব্দ। ১০,৩৩২ বৰ্গকিলোমিটাৰ ব্যাপি থকা জিলাখনৰ মুঠ কাৰ্বি লোকৰ জনসংখ্যা ১৯৭১ চনৰ পিয়ল অনুসৰি ১,৭৭,১৯৪ জন, টেৰণ, তেৰাং, তিমুং, ইংহি আৰু ইংতি এই পাঁচটা প্ৰধান ফৈদত বিভক্ত কাৰ্বিসকল মূলতে কৃষিজীৱী। এই প্ৰধান ফৈদবোৰৰো আকৌ ভালেমান শাখা-প্ৰশাখা পোৱা যায়। কাৰ্বিসকলৰ মান্য-ভাষাৰূপে সাধাৰণতে ডিফু অঞ্চলৰ কথিত ভাষাটোকেই ধৰা হয়।[৩] মৌখিক সাহিত্যেৰে ভৰপূৰ এই কাৰ্বি ভাষা তিব্বত-বৰ্মী পৰিযালৰে। এই ভাষাতেই কাৰ্বি ৰামায়ণ 'ছাবিন আলুন্' পোৱাটো তাৎপৰ্যপূৰ্ণ (কাৰ্বি ভাষাৰ আলোচনা দ্ৰষ্টব্য)।

২ Census of India, Paper no I of 1954, pp 51 & ff
Q V Boro language, p 40

৩ *Studies in Sino-Tibetan Languages*, p, 72

১৩৫১৩ ৰাভা ঃ অসমৰ পশ্চিম পিনে গোৱালপাৰা আৰু কামৰূপ জিলাত এমুঠি মানুহে বসবাস কৰে যাক ৰাভা বুলিলে বুজা যায়। তেওঁলোকে কথিত ভাষাৰূপে ব্যৱহাৰ কৰি অহা ভাষাটো ৰাভা ভাষা। ৰাভা ভাষাটো তিব্বত-বৰ্মী পৰিয়ালৰ। এই ভাষাটোৰ এতিয়ালৈকে কোনো বিজ্ঞানসম্মত অধ্যয়ন হোৱা নাই। ৰাভাসকলৰ মাজত ৰংদানি, মাইতৰি, দোহাৰি, পাতি, চুঙ্গা, বিতলিয়া আৰু তোতলা এই সাতোটা ভাগ আছে।[৪] ৰংদানি আৰু মাইতৰি ভাগ দুটাৰ বাহিৰে বাকী ভাগকেইটাৰ মাজত ৰাভা ভাষাটোৰ প্ৰচলন নাই। তেওঁলোকে অসমীয়া ভাষাকেই ভাব প্ৰকাশৰ মাধ্যমৰূপে গ্ৰহণ কৰিছে। উল্লিখিত ৰংদানি আৰু মাইতৰি ভাগ দুটা গাৰোপাহাৰৰ পাহাৰীয়া অঞ্চলত বসবাস কৰে। ভাষাটোৰ কোনো লিপি নাই আৰু বৰ্তমানেও ই দোৱান ৰূপেই চলি আছে।

১৩৫১৪ মিচিং ঃ অসমৰ বিশেষকৈ লখিমপুৰ, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাত বসবাস কৰা মিচিং জনগোষ্ঠীৰ মাজত প্ৰচলিত মিচিং ভাষাও আলোচিত তিব্বত-বৰ্মী শাখাৰে ভাষা। তাহানিতে আবৰ পাহাৰটোৰপৰা ভৈয়ামলৈ নামি অহা মিচিংসকলৰ ভাষাৰ মাজত কেইবাটাও ঠাল পোৱা যায়। তাৰ ভিতৰত দুই এটা ঠালে মিচিং ভাষা ক'বলৈ এৰি দিছে। চামগুৰিয়া, বিহিয়া, বংকোৱাল আৰু তেমাৰ মিচিংসকলে মিচিং ভাষা নকয়। মিচিং ভাষাৰ লগত অৰুণাচলৰ আদী, গাল, হিলমিৰি ইত্যাদি ভাষাৰ যথেষ্ট মিল আছে। ১৯৭১ চনৰ লোকপিয়ল অনুসৰি অসমত মুঠ মিচিং জনসংখ্যা হ'ল ২,৫৯,৫৫১ জন। মিচিং ভাষাৰ নিজা লিপি নাই আৰু এসময়ত অসমীয়া লিপিৰ জৰিয়তে লেখাৰ প্ৰচেষ্টা কৰিছিল যদিও বৰ্তমানে সংশোধিত ৰোমান লিপিতেই পুথি-পাঁজি ৰচনা কৰা দেখা গৈছে। সংশোধিত ৰোমান লিপিতেই বৰ্তমানে মিচিং ভাষা সম্পৰ্কীয় পুথি প্ৰকাশ পালেও ৰোমান লিপিক বুজাবৰ বাবে আকৌ অসমীয়া লিপিকেই প্ৰয়োগ কৰাটো অধিক তাৎপৰ্যপূৰ্ণ কথা। 'মিচিং আগম্ কীবাঙ'ৰদ্বাৰা প্ৰকাশিত 'MISING AGOM LE GA PE ROMAN ABVG' গ্ৰন্থত বৰ্ণ পৰিচয় দিওঁতে প্ৰতিটো ৰোমান আখৰৰ দাঁতিত অসমীয়া আখৰেৰে উচ্চাৰণ নিৰ্দেশ কৰা হৈছে। বৰ্তমানে মিচিং ভাষাত থলুৱাভাৱে পত্ৰিকা (যেনে — লোতাদ্, লীৱাং) আদিও প্ৰকাশৰ চেষ্টা চলিছে আৰু এইবোৰৰ দুই এটা সংখ্যা প্ৰকাশো পাইছে (মিচিং ভাষা দ্ৰষ্টব্য)।

১৩৫১৫ দেউৰী ঃ অসমত পোৱা অন্য এটা তিব্বত-বৰ্মী গোষ্ঠীৰ ভাষা হ'ল দেউৰী ভাষা। কোনো কোনোৱে ইয়াক দেউৰী-চুটিয়া বুলি বুজালেও আজিকালি মানুহবিলাকক দেউৰী মানুহ আৰু তেওঁলোকৰ ভাষাটোক দেউৰী ভাষা বুলিহে জনা

---

৪ Ibid pp 20-22

যায়। দেউৰীসকলৰ মাজত চাৰিটা ফৈদ আছে — টেঙাপনীয়া, বৰগঞা, ডিবঙীয়া আৰু পাটৰগঞা। অৱশ্যে কেউটা ফৈদে আজিকালি দেউৰী ভাষা নকয় আৰু তেওঁলোকে মূল ভাষাটোৰ কিছু শব্দ এতিয়াও অসমীয়া কথাৰ মাজত প্ৰযোগ কৰে। তেনে শব্দ বেছিভাগেই সংস্কৃতিমূলক। মাত্ৰ ডিবঙীয়া ফৈদৰ লোকসকলেহে দেউৰী ভাষাটো দৈনন্দিন কথ্য ভাষা ৰূপে ব্যৱহাৰ কৰি আহিছে। ডিবঙীয়া ফৈদৰ লোকেও অন্য কেইটা ফৈদৰ দৰে অসমীয়া ভাষাকে শিক্ষা-দীক্ষাৰ মূল ভাষাৰূপে গ্ৰহণ কৰি আহিছে। ১৯৭১ চনৰ লোকপিয়ল অনুসৰি অসমত তেওঁলোকৰ জনসংখ্যা হ'ল ২৩০৮০ জন। অলিখিত প্ৰচলিত ভাষা হিচাপে দেউৰী ভাষাত যথেষ্ট মৌখিক সাহিত্য পোৱা যায় (দেউৰী ভাষা দ্ৰষ্টব্য)।

১৩৫১৬ তিৱা : এইবোৰৰ উপৰিও অসমৰ ভিতৰত পোৱা আন কেইটামান তিব্বত-বৰ্মী গোষ্ঠীৰ ভাষা হ'ল লালুং আৰু ডিমাছা ভাষা। লালুংসকলক আজিকালি তিৱা বুলিহে জনা যায়। তেওঁলোকে 'তিৱা' শব্দটো 'তিফ্ৰা' শব্দৰপৰা অহা বুলি ভাবে। 'তিফ্ৰা' শব্দৰ অৰ্থ হ'ল পিতৃ জলদেৱতা। তিৱা ভাষাত 'তি' বা 'দি' শব্দৰ অৰ্থ হ'ল 'পানী' আৰু 'ফ্ৰা' হ'ল পিতৃ। এওঁলোকক প্ৰধানকৈ নগাঁও জিলাৰ কপিলী উপত্যকাত পোৱা যায়। শিৱ-পাৰ্বতীক প্ৰধান উপাস্য দেৱ-দেৱীৰূপে পূজা অৰ্চনা কৰা তিৱাসকলে 'তিৱা লিবিং' বুলিযে নিজকে পৰিচয় দিযে। 'লিবিং' মানে হ'ল মানুহ। বৰ্তমানে তিৱাসকলৰ ভিতৰত প্ৰায বাৰটামান সৰু সৰু ঠাল পোৱা যায।

১৩৫২ অষ্ট্ৰিক পৰিযালৰ ভূমিজ, মুণ্ডাভাষা : ঊনবিংশ শতিকাৰ তৃতীয দশকমানত ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ লোকে জীৱিকা অৰ্জনৰ বাট বিচাৰি অসমৰ চাহ বাগিচাবিলাকত কাম কৰিবলৈ আহে। এওঁলোকৰ ভিতৰত ভূমিজ, মুণ্ডা আদি ভাষা-ভাষী লোকেই বেছিকৈ পোৱা যায। আজিকালি চাহ জনজাতি বুলি জনাজাত এইমুঠি লোকে অসমীয়া ভাষা আৰু সংস্কৃতি গ্ৰহণ কৰি অসমীয়া জাতীয জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। এওঁলোকৰ মূল ভাষাটো অষ্ট্ৰিক পৰিযালৰ।

১৩৫৩ ইন্দো-ইউৰোপীয অসমীয়া ভাষা : ওপৰৰ আলোচনাৰপৰা দেখা গ'ল যে অসমত বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰে আৰু তেওঁলোকৰ বহুতৰে একোটাইত নিজা কথিত ভাষা আছে। কিন্তু অসমীযা ভাষাকেই সকলোৱে প্ৰধান ভাষাৰূপে গ্ৰহণ কৰি শিক্ষা-দীক্ষাৰ মাধ্যমৰূপে প্ৰয়োগ কৰে। অসমীযা ভাষাই অসমৰ ৰাজ্যভাষা। ইন্দো-ইউৰোপীয বা ভাৰত-ইউৰোপীয় এই মূল পৰিযালটোৰ অন্তৰ্ভুক্ত অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন প্ৰায খ্ৰীষ্টীয নৱম-দশম শতিকামানতে চৰ্য্যাপদসমূহত পোৱা গৈছে। তদুপৰি খ্ৰীষ্টীয ত্ৰযোদশ শতিকাত কানাইবৰশীবোৱা শিলালিপিত যি আখৰ পোৱা যায সি পুৰণি সাঁচিপতীয়া পুথিত ব্যৱহাৰ হোৱা অসমীয়া আখৰৰ প্ৰথম

নিদৰ্শন বুলি ক'ব পাৰি। অসমীয়া ভাষা প্ৰাচীন সাহিত্য সম্পদেৰে সমৃদ্ধ আৰু ই ভাষা আৰু সাহিত্য দুয়োপিনৰেপৰাই চহকী। অসমীয়া ভাষাৰ উপভাষা কামৰূপী, গোৱালপৰীয়া আদিৰ উপৰিও অসমৰ কাষৰীয়া পাহাৰীয়া অঞ্চলত বহুলভাৱে প্ৰচলিত অসমীয়া ভাষাৰ আঞ্চলিক ৰূপবোৰ লক্ষ্য কৰিবলগীয়া (অসমীযা ভাষা দ্ৰষ্টব্য)। বৰ্তমানে অসমৰ চুবুৰীযা ৰাজ্যবিলাকত অসমীযা ভাষাক সংযোগী ভাষা হিচাপে ব্যৱহাৰ কৰা হয়। অৰুণাচল প্ৰদেশত অৰুণামিজ বা নেফামিজ আৰু নাগালেণ্ডৰ নাগামিজ ভাষা অসমীয়া ভাষাৰে প্ৰান্তীয় আঞ্চলিক ৰূপৰ পৰিণতি (নাগামিজ ভাষা দ্ৰষ্টব্য)।

০০০

২. থাই-চীন বা শ্যাম-চীন শাখা

এছিয়া মহাদেশৰ বিস্তীৰ্ণ অঞ্চলত সিঁচৰতি হৈ থকা মংগোলীয় লোকসকলৰ বৃহৎ ঠাল এটাক টাই নামেৰে জনা যায়। ইণ্ডোচীনৰ বৃহৎ অঞ্চলত বসবাস কৰা টাইসকল অসমৰপৰা আৰম্ভ কৰি কুৱাংছিলৈকে আৰু বেংককৰপৰা আৰম্ভ কৰি য়ুন্নানৰ ভিতৰ অঞ্চললৈকে বিয়পি আছে, গ্ৰীয়াৰ্ছন চাহাবে অৱশ্যে ইয়াৰো বিস্তৃতিৰ কথা উল্লেখ কৰিছে। জৰ্জ স্কটে চীনদেশৰ য়ুন্নান, কুৱেইচাও, কুৱাংছি আৰু কুৱাংতুং চাৰিওখন প্ৰদেশৰে জনসংখ্যাৰ বৃহদাংশ টাইসকলৰে বুলি উল্লেখ কৰিছে। বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা টাই বা শ্যামসকলক ড° কুছিঙে উত্তৰীয়, দক্ষিণীয় আৰু মধ্যবৰ্তী তিনিটা ভাগত ভাগ কৰিছে। ড° গ্ৰীয়াৰ্ছন চাহাবে অৱশ্যে ভাষাতাত্ত্বিক দৃষ্টিভংগীৰ পিনৰপৰা উত্তৰীয আৰু দক্ষিণীয দুটা ভাগত বিভক্ত কৰিছে। উত্তৰীয শাখাটোৰ ভিতৰত খামতি, চীনীয শ্যান্ আৰু ব্ৰহ্মদেশীয শ্যান্ আৰু আহোম ভাষা অন্তৰ্গত, আৰু দক্ষিণীয শাখাটোত ইণ্ডোচীনৰ লাও আৰু শ্যাম ভাষা অন্তৰ্ভুক্ত। ইয়াৰে আহোমসকল অসমত আৰু খামতিসকলক অসম আৰু অৰুণাচল প্ৰদেশৰ লোহিত আৰু টিৰাপ জিলাত পোৱা যায। ইযাৰ বাহিৰেও উত্তৰীয শাখাটোৰ অন্তৰ্গত চাৰিটা জনগোষ্ঠী অসমত পোৱা যায। সেই কেইটা হৈছে খামযাং, আইতন, ফাকে আৰু টুৰুং। এইখিনিতে উল্লেখযোগ্য যে বিভিন্ন ঠাইলৈ প্ৰব্ৰজন কৰা টাইসকলক বিভিন্ন থলুৱা নামেৰেহে জনা যায। ব্ৰহ্মদেশত যেনেকৈ শ্যাম থাইলেণ্ডত তেনেকৈ শ্যান্ নামেৰে পৰিচিত হৈছে। ইণ্ডোচীনত আকৌ লাও নামেৰেহে জনা যায। জৰ্জ স্কটে বিভিন্ন ঠাইত পোৱা টাইসকলৰ থলুৱা নামবোৰ এনেদৰে উল্লেখ কৰিছে — টাই, থাই, খুন, লু, লাও, খামতি, পাঙ্গি, মুই মুঅঙ, থো নাইবা দো, টাইলুং, টাইন'ই, টাইমাও, টাই খে, পু-টাই, পু-নং, পু-মান, পুজু, পু-ছেই, পু-এন্, পু-য়েই, পু-চুই, পো-অ', প', চুইহান বা হোৱা-পাঙ্গি, পাঙ্গি-জেন, তু-জেন্, পু-মান, হেই বা হোৱা-তু-লাও, নুং বা লুংজেন, চা-জেন, হেই বা পাই-ছা-জেন, হিন-ছিআ, ছুই-ছিআ, ছুং-ছিআ ইত্যাদি। অৱশ্যে তেওঁলোক সকলোৱে নিজকে টাই বুলিহে চিনাকি দিযে।

ড° কুছিং আৰু ড° গ্ৰীয়াৰ্ছন চাহাবে দক্ষিণ-পশ্চিম চীনেই টাইসকলৰ প্ৰাচীন গৃহভূমি বুলি ঠাবৰ কৰি তাৰপৰাই উত্তৰ বৰ্মালৈ প্ৰব্ৰজন কৰাৰ কথা উল্লেখ কৰিছে। উত্তৰ বৰ্মাত থকা টাইসকলক অন্য ঠাইৰ টাই গোষ্ঠীৰ লোকসকলে টাইলুং (ডাঙৰ টাই জাতি) বুলি পৰিচয় দিয়ালৈ চাই টাইলুঙেই আটাইতকৈ পুৰণি শাখা বুলি ধৰিব পাৰি। টাইলুঙৰ বাহিৰে বাকীসকলে নিজকে টাইন'ই (সৰু টাই জাতি) বুলিহে চিনাকি দিয়ে। অসমলৈ প্ৰব্ৰজন কৰা টাইসকলৰ ভিতৰত আহোমসকলেই আটাইতকৈ পুৰণি বুলি জনা যায়। আলমফ্ৰা আৰু তেওঁৰ পৰৱৰ্তী বাৰ্মা ৰজাসকলে শান্সকলৰ ওপৰত

বিভিন্ন ধৰণেৰে অত্যাচাৰ চলোৱাত অষ্টাদশ শতিকাৰ শেষৰ পিনে আন কেইবাটাও টাইগোষ্ঠীয়ে অসমত প্ৰৱেশ কৰে আৰু সেইকেইটা পিছলৈ টাইখামতি, টাই ফাকে, টাই আইতন, টাইখাময়াং, টাই টুৰুং আদি থলুৱা নামেৰে পৰিচিত হ'ল। কোনো কোনোৱে আহোম ভাষাক এটা মৃতভাষা বুলিলেও প্ৰকৃতাৰ্থত আহোম বুলি কোনো ভাষা নাছিল। ই টাই ভাষাৰ এটা ৰূপহে আৰু ই টাইসকলৰ শাসকগোষ্ঠীৰ এটা ঠালৰ থলুৱা নামহে। আহোমসকলে টাইভাষাকেই কৈছিল আৰু সেই টাই ভাষাৰ কেইবাটাও, থলুৱা ৰূপ অসমত পোৱা যায়। ড° গ্ৰীয়াৰ্ছন চাহাবেও অসমৰ টাই গোষ্ঠীকেইটাৰ ভাষাৰ সামান্য থলুৱা ৰূপৰ বাহিৰে বিশেষ প্ৰভেদ নাই বুলি উল্লেখ কৰিছে। জনগোষ্ঠী হিচাপে টাইসকলৰ ছটা গোষ্ঠী ভাৰতবৰ্ষ তথা অসমত পোৱা গ'লেও দৈনন্দিন কথ্যভাষা ৰূপে কেউটা জনগোষ্ঠীয়ে টাইভাষা ব্যৱহাৰ নকৰে। আহোমসকলৰ পুৰোহিত শ্ৰেণীটোৰ মাজত পূজা-পাতল আৰু মাংগলিক অনুষ্ঠান আদিৰ কামত টাইভাষা ব্যৱহাৰ হয়। ডিব্ৰুগড জিলাৰ পাৰৈমুখত বসবাস কৰা খাময়াংসকলৰ ভিতৰত টাইভাষা দৈনন্দিন কথ্যভাষা ৰূপে পোৱা যায়। বাকী খাময়াংসকলৰ বহুলাংশই টাইভাষাত কথা ক'বলৈ এৰি দিছে। অৱশ্যে আহোম আৰু খাময়াংসকলৰ মাজত প্ৰচলিত অসমীয়া ভাষাত যথেষ্ট পৰিমাণে টাই শব্দ সংৰক্ষিত হৈছে। ফাকে, আইতন, খামতি, টুৰুং এই চাৰিটা জনগোষ্ঠীৰ মাজত টাইভাষা দৈনন্দিন কাম-কাজত কথ্যভাষা ৰূপে সদা প্ৰচলিত। টুৰুংসকল বহু বছৰ ধৰি চিংফৌসকলৰ লগত থকাত টুৰুংসকলৰ টাইভাষাই বহুতো নিজ স্বৰূপ হেৰুৱাই চিংফৌসকলৰ ভাষাৰ উপাদান গ্ৰহণ কৰিলে।

অসমীয়া ভাষাত টাই ভাষাৰ যথেষ্ট উপাদান থাকি গৈছে। আহোমসকলৰ ছশ বছৰীয়া শাসনৰ ফলত অসমীয়া ভাষাৰ শব্দমালাত যথেষ্ট টাই শব্দ সংৰক্ষিত হ'ল। এনেকৈ অসমীয়া ভাষাত সোমোৱা টাইভাষাৰ উপাদানসমূহ পৃথক কৈ বিভিন্ন শিতানত আলোচনা কৰিব পাৰি। উল্লেখযোগ্য যে এনেকৈ সোমোৱা বহুতো শব্দই উচ্চাৰণত থলুৱা ৰূপ গ্ৰহণ কৰিছে।

২.১ টাই খামতি

ডেল্টনে উল্লেখ কৰা মতে খামতিসকল ইৰাৱতীৰ ওচৰৰ বৰ খামতি নামৰ ঠাইৰপৰা অসমলৈ প্ৰব্ৰজন কৰিছিল। তেওঁলোকৰ বিভিন্ন ফৈদৰ মাজত হোৱা মনোমালিন্যৰ ফল স্বৰূপে মূল বাসস্থান এৰি অসমৰ পিনে গতি কৰে। সেই বৰ খামতি ঠাইটুকুৰা আলেকজেণ্ডাৰ মেকেন্‌জিয়ে অৱশ্যে অসমৰ পূব প্ৰান্তত আৰু ইৰাৱতী উপত্যকাৰ মাজৰ পাহাৰীয়া অঞ্চল বুলি উল্লেখ কৰিছে। মেকেন্‌জিয়ে এই বুলি উল্লেখ কৰিছে যে খামতিসকল একেবাৰে পাহাৰীয়া জাতি নহয়। তেওঁলোক শানবংশীয়

বৌদ্ধধৰ্মী লোক আৰু তেওঁলোকৰ বিভিন্ন লোক অসম আৰু অৰুণাচলৰ ভৈয়াম অঞ্চলত বসবাস কৰে। অৰুণাচল প্ৰদেশৰ লোহিত আৰু টিৰাপ জিলাত প্ৰায় একত্ৰিশখন খামতি গাঁও থকাৰ উপৰিও বৰ্তমান অসমৰ লখিমপুৰ জিলাত কেইখনমান খামতি গাঁও পোৱা যায়। অৰুণাচল প্ৰদেশত পোৱা প্ৰধান প্ৰধান খামতি গাঁওবিলাক হ'ল — চৌখাম, খেলেম, মিমি, স্পং, ম্ঘুম্, মান্‌কাও, লাথাও, ম'ম'ঙ চাবাঙ্‌তু, চ্যেংচাপ, নানাম, কুঙ্‌য়াং, মান্‌মৌ, ইঙ্গিনপথাৰ, নামচাই, কাইচু, হোৰ্ফাই, নানাম্‌শ্যাম্, মানফাইচেঙ, ইন্‌থেম, চাৰিআলি, নংতাও, নামপং (লোহিত জিলাত), নামপং (টিৰাপ জিলাত), চাংলাই, বিংকু, পিযং, মান্‌ফান্যাং, ম্যাংকিয়েং, পাংযেন, ম্যুংলাং আদি।

অসমত প্ৰথম প্ৰৱেশ কৰিযেই আহোম ৰজাৰ অনুমতি সাপেক্ষে তেওঁলোক টেঙাপানী নদীৰ পাৰত বসবাস কৰে। গৌৰীনাথ সিংহৰ দিনত চিংফৌসকলে তেওঁলোকক আক্ৰমণ কৰি টেঙাপানী অঞ্চলৰপৰা খেদি পঠিয়ায। অসমৰ পুৰণি বুৰঞ্জীবোৰত খামতিৰ উল্লেখ বহুতো ঠাইত পোৱা যায়। স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত খামতিৰ লগত হোৱা ৰণত কেনেকৈ খামতিসকল পৰাজিত হৈছিল তাৰ বিৱৰণ পুৰণি বুৰঞ্জীবোৰে এনেদৰে দিছে — "সেইবেলা খাম্‌টিৰ বুঢ়াৰজা বহু সৈন্যৰ সৈতে ৰণক মনে আহি উত্তৰে নিবোকত কোঠ কৰি আছিল। পিছে ডাঙৰীয়া চিপাহী পঠাই সেই খাম্‌টিৰ বুঢ়া ৰজাক ৰণে জিনি ধৰি সসৈন্যে সৈতে আনিলে। সেই মোৱামৰীযাক জিনি ডাঙৰীযা বিস্তৰ দ্ৰব্য পালে" (তুংখুঙীযা বুৰঞ্জী, পৃঃ ১৪১)।

"উজনিত খামতিযে ৰণ পাতিছয়।
তাহাকে ভঙ্গাইলা যাই চিপাহীক লৈই ।।
খামতিৰ বুঢ়া ৰাজা কিছু সেনা লগে।
ধৰি আনি সিসবক দিলা মন্ত্ৰী আগে।।"
(অসমৰ পদ্য বুৰঞ্জী, পৃঃ ১১৮)

ব্ৰহ্মপুত্ৰ নৈ পাৰ হৈ খামতিসকলে আহোম প্ৰশাসক শদিয়াখোৱা গোহাঁইক খেদি পঠায় আৰু আহোম প্ৰশাসকজনৰ উপাধি লৈ সেই ঠাই নিজৰ দখললৈ আনে। ব্ৰিটিছে অসমখন শাসন কৰিবলৈ লওঁতে শদিয়া অঞ্চলতেই খামতিসকলক পাইছিল আৰু অৱশেষত ১৮৩৯ চনত খামতিসকলে চিংফৌৰ লগ লাগি শদিয়াত থকা ব্ৰিটিছ বিষয়া কৰ্ণেল হোৱাইটকে ধৰি ৮০ জন মানুহক হত্যা কৰা অপৰাধত খামতিসকলক তাৰপৰা খেদি পঠোৱা হয়। তেওঁলোক তেতিয়া উজাই গৈ মিচিমি পাহাৰত থিতাপি লয়। ১৮৪৫ চনত তেওঁলোকক পুনৰ ঘূৰি অহাৰ নিৰ্দেশ দিছিল যদিও তেওঁলোক ঘূৰি অহা নাছিল। এই সংঘৰ্ষৰ ফলতেই খামতিসকলৰ আন এটি দল শদিয়াৰপৰা ব্ৰহ্মপুত্ৰইদি

ভটিয়াই গৈ নাৰায়ণপুৰৰ দিক্ৰং নদীৰ পাৰত বসবাস কৰিবলৈ লয়। এই দলটিত তেওঁলোকৰ বিভিন্ন ফৈদৰ মানুহ আহিছিল। কিছুদিনৰ পিছত তেওঁলোকৰ মাজত মতানৈক্য ঘটাত কিছুসংখ্যক অনুগামীৰ সৈতে মৰিদিক্ৰঙৰ পাৰে পাৰে কিছুদূৰ উজাই গৈ খেৰাজখাত অঞ্চলত হাবি ভাঙি গাঁও পাতিবলৈ আৰম্ভ কৰে। ক্ৰমান্বয়ে এইমুঠি মানুহৰ জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে লখীমপুৰ জিলাৰ ওচৰা-উচৰিকৈ সাতোখন খামতি গাঁৱৰ সৃষ্টি হ'ল। বৰ্তমান অসমত কেৱল লখীমপুৰ জিলাতহে খামতিসকলৰ বসবাস পোৱা যায়। অন্যান্য ভালেমান ঠাইত বসবাস কৰিছিল যদিও সেইবোৰ ঠাইৰপৰা প্ৰব্ৰজন কৰি অন্য ঠাইলৈ গুচি গৈছে। অসমৰ ভিতৰত এনেকুৱা বহুতো ঠাইৰ নাম পোৱা যায় যি ঠাইৰ নামৰ লগত খামতি শব্দটো জড়িত হৈ আছে। যি কি নহওক, লখিমপুৰ জিলাৰ গাঁওকেইখন হ'ল বৰখামতি, শ্ৰীভূঞা, গোসাঁইবাৰী, বৰপথাৰ, দেওতোলা, টিপলিং আৰু টুনীজান। টুনীজান আৰু বৰখামতিৰ বাহিৰে বাকী কেউখন গাঁৱেই খেৰাজখাত মৌজাৰ অন্তৰ্গত। টুনীজান লালুক মৌজাত আৰু বৰখামতি নাৰায়ণপুৰ মৌজাৰ অন্তৰ্গত। প্ৰায় এহাজাৰতকৈ অধিক লোক সাতোখন গাঁৱতে বসবাস কৰে। অৱশ্যে বৰখামতিতেই পৰিয়ালৰ সংখ্যা সৰহ, দেওতোলা আৰু টিপলিঙতেই কম। শেহতীয়াকৈ ১৮৫০ চনতো ৰজাৰ অধীনত চাৰিশমান মানুহৰ খামতি দল এটা অসমত প্ৰৱেশ কৰাৰ কথা উমান পোৱা যায়।

'খামতি' ('সোণৰ ঠাই' খাম = সোণ, তি = ঠাই) বুলি নিজৰ বসতি অঞ্চলক চিনাকি দি পিছলৈ সেই ঠাইৰ নামেৰেই মানুহখিনিৰ পৰিচয় দাঙি ধৰা গৌৰবৰ্ণৰ খামতিসকল টকৌ বা জেঙুপাতেৰে চোৱা ওখ চাংঘৰবোৰত বসবাস কৰে। পুৰুষসকলে 'ফানই' (খামতি লুঙী বিশেষ) আৰু ক'লা ৰঙৰ হাত কটা চোলা পৰিধান কৰে। 'ফাহু' পৰিধান কৰা খামতি তিৰোতাসকলে কঁকালৰপৰা তললৈ তিনিপদ কাপোৰ পৰিধান কৰে। তাৰে ভিতৰত এখন মেখেলা আৰু দুখন কঁকালমৰা। তিনিওখনৰে ৰং সুকীয়া সুকীয়া। মেখেলাৰ ৰং ক'লা আৰু কঁকালমৰা দুখনৰ এখন ৰঙা আৰু আনখন সেউজীয়া ৰঙৰ। চাইচেন্ (ৰঙা কঁকালমৰা কাপোৰবিশেষ), লাঙৱাত্ (সেউজীয়া কঁকালমৰা কাপোৰবিশেষ) আৰু চিন্ (ক'লা মেখেলা) পৰিধান কৰা খামতি তিৰোতা অতি সাহসী, পৰিশ্ৰমী আৰু বুদ্ধিমতী।

স্বভাৱ সৰল খামতিসকলে নাম্লত্খা, লাওচুপপ্ আদি পানীয় দ্ৰব্যৰ উপৰিও লাওহু ঘৰুৱা জীৱনত সচৰাচৰ ব্যৱহাৰ কৰে। নাম্লত্খা আৰু লাও চুপপ্ চাউলৰপৰা বনৌষধৰ জৰিয়তে প্ৰস্তুত কৰা হয়। কিন্তু লাওহু চাউলৰপৰা প্ৰস্তুত কৰা পানীয় দ্ৰব্য নহয়। গুৰ আদি সামগ্ৰীত বিশেষ ধৰণৰ ঔষধ প্ৰয়োগ কৰি বিশেষ প্ৰস্তুত প্ৰণালীৰে লাওহু নিষ্কাষণ কৰা হয়। পানী মিশ্ৰণ নকৰাকৈ বনৌষধি আৰু সিজ্জাৰ সংযোগত

নিগনি পৰা নাম্‌লত্‌থা এবিধ উৎকৃষ্ট ধৰণৰ প্ৰিয় খাদ্য। লাওচুপ্‌পেত অৱশ্যে পানীৰ সংযোগ ঘটোৱা হয়। সাধাৰণতে কোনো ধৰ্মীয় উৎসৱৰ দিনত এনে পানীয় দ্ৰব্যবপৰা আঁতৰি থকাটো তেওঁলোকৰ প্ৰধান নিয়ম।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা অন্য টাইসকলৰ দৰেই খামতিসকলেও 'পয়চাংকেন', 'পয় অকোৱা' আৰু 'মাইকুচুম্‌ফাই' বছৰটোৰ প্ৰধান উৎসৱ হিচাপে পালন কৰে। বিহু উৎসৱৰ লগত এই কেইটাৰ মিল সহজে অনুমেয়। এইবোৰৰ উপৰিও 'নৌন্‌চিতপং' বা 'পৰনৌন্‌চি' আৰু 'কিথিং' উৎসৱো পালন কৰা হয়। 'পয়চাংকেন' বহাগ বিহুৰ সময়ত পতা এক প্ৰকাৰৰ বসন্ত উৎসৱ। এই উৎসৱৰ প্ৰথমৰ দুদিন বা তিনি দিন বুদ্ধমূৰ্তিক গা ধুৱাই পাছত 'পয়' উৎসৱ উদ্‌যাপন কৰে। এনে উৎসৱত ঢোল আদিৰ দৰে বাদ্যযন্ত্ৰৰ ব্যৱহাৰ কৰা হয় যদিও গীতবিলাক সম্পূৰ্ণৰূপে ভক্তিমূলক। এনেবোৰ গীতত আদিৰসে ভুমুকি মৰাৰ কোনো সুৰুঙা নাই। ভগবান বুদ্ধক উপাসনা কৰি গোৱা এনেবোৰ গীতৰপৰা সামান্য নমুনা এটা দাঙি ধৰিলোঁ —

অ কাচা অ কাচা অ কাচা মন্‌ ঐ
চাংনাই খিংখান্‌ তুখাম্‌
(আমি দাসে আপোনালৈ প্ৰণাম জনাইছোঁ)

'পয় অকোৱা'ও বৌদ্ধধৰ্মীয় ৰীতি-নীতিৰে সমাপন কৰা হয়। এই উৎসৱ নৌন্‌চিপেত্‌ মাহত অৰ্থাৎ আহিন-কাতি মাহত পতা হয়। 'পয়অকোৱা'ৰ পাছতে মাঘ বিহুৰ সময়ত পতা 'মাইকুচুম্‌ফাই' উৎসৱত মাঘৰ বিহুৰ মেজিৰ দৰে খৰিৰ মেজি সাজি জ্বলাই দিয়া হয়। অৱশ্যে মাঘৰ বিহুৰ মেজি তলৰপৰা জ্বলোৱা হয় আৰু 'মাইকুচুম্‌ফাই'ৰ মেজি ওপৰৰ পিনৰপৰা জ্বলাই দিয়া হয়। এই উৎসৱত সাধাৰণতে কাহিনীমূলক গীত আৰু ভক্তিমূলক গীতৰ প্ৰাধান্য লক্ষ্য কৰা যায়। তেনেকৈ 'কিথিং' কাতি-আঘোণ মাহত আৰু 'নৌন্‌চিতপং' ফাগুন মাহত পতা সৰু উৎসৱ। 'নৌন্‌চিতপং' উৎসৱত বালি মাটিৰে বিশেষ ধৰণেৰে মৃৎস্তূপতি নিৰ্মাণ কৰি মূল স্তূপতিৰ দাঁতিত সৰু সৰু স্তূপতি সাজি উপৰি পুৰুষৰ নামত উছৰ্গা কৰা হয়। এই উৎসৱবিলাক ব্ৰহ্মদেশৰ পঞ্জিকাৰ লগত সংগতি ৰাখিহে পতা হয়।

থেৰাবাদী বৌদ্ধ ধৰ্মাৱলম্বী খামতিসকলৰ বাবে বৌদ্ধ ভিক্ষুজন অতি আদৰৰ আৰু সন্মানৰ। বৌদ্ধ ভিক্ষুৰ মৃত্যু হ'লে শৱদেহ অতি সন্মানেৰে চাৰিওপিনে বন্তি জ্বলাই সুৰক্ষিত কৰি ৰখা হয়। তাৰ পাছত কাঠৰ চকাৰে চাৰিচকীয়া এখন ৰথত তুলি ৰথৰ দুয়োমূৰে কাছী বান্ধি একালে পুৰুষ আৰু আনকালে মহিলা দুভাগ হৈ টনাটনি কৰে আৰু ইয়াৰ জৰিয়তে তেওঁলোকে কৰা অসৎ কামৰ মোচন হয় বুলি বিশ্বাস কৰা

হয়। ইয়াৰ পাছত তেওঁৰ শৱদেহ কবৰ সৈতে দাহ কৰা হয়।

কৃষিৰ ওপৰত নিৰ্ভৰশীল খামতিসকলৰ আৰ্থিক অৱস্থা মধ্যমীয়া ধৰণৰ। বহুতো ব্যৱসায়ী খামতি লোকে বনজ সম্পদৰ আশ্ৰয়ত ব্যৱসায় কৰি আজিকালি আৰ্থিক অৱস্থা টনকিয়াল কৰিছে। খামতিসকলৰ বৌদ্ধ বিহাৰবোৰত তাহানিৰপৰা পৰম্পৰাগতভাৱে সংৰক্ষিত তুলাপাতৰ পুথি আৰু বৌদ্ধ বিহাৰত শ্ৰমণসকলৰদ্বাৰা টাইভাষাৰ নিত্য অনুশীলনলৈ চাই শিক্ষা-দীক্ষাৰ দিনৰপৰা যিমান আগবঢ়া হ'ব লাগিছিল সিমান আগবঢ়া নহয়। বৰ্তমানে অষ্টম শ্ৰেণীলৈকে টাইভাষাক ঐচ্ছিক চৰকাৰে স্কুলবিলাকত প্ৰৱৰ্তন কৰিছে।

পুনৰ উল্লেখ কৰা নিষ্প্ৰয়োজন যে ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকৰপৰা বিভিন্ন সময়ত ভাৰতবৰ্ষত প্ৰৱেশ কৰা শ্যাম-চীন বা টাই লোকসকলক আহোম, খামতি, নৰা, ফাকে, আইতন আৰু টুৰুং এই ছটা থলুৱা নামেৰে জনা যায় আৰু আহোমসকলৰ বাহিৰে তেওঁলোকে মূলতঃ টাই ভাষাকেই মাতৃভাষাৰূপে ঘৰুৱা জীৱনত ভাবৰ আদান প্ৰদানৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে। আহোমসকলে ধৰ্মীয় উৎসৱ আদিৰ বাহিৰে ঘৰুৱা জীৱনত অসমীয়া ভাষাকেই প্ৰয়োগ কৰে। দ্বিভাষী হিচাপে সুন্দৰকৈ অসমীয়া ভাষা ক'ব পৰা এই ছটা গোষ্ঠীৰ মাজত টাইভাষাৰ আঞ্চলিক ৰূপ সামান্যভাৱে পৰিলক্ষিত হয়। ড° গ্ৰীয়াৰ্চন চাহাবেও সামান্য আঞ্চলিক ৰূপৰ পাৰ্থক্যৰ কথাহে উল্লেখ কৰিছে। নক'লেও হ'ব টাই খামতি ভাষা সুৰীয়া আৰু একাক্ষৰী ভাষা (mono-syllabic)। ইয়াৰ লিপি মূলতঃ টাইলিপি আৰু হাতেলেখা বৃত্তাকাৰী। আজিকালি অৱশ্যে তেওঁলোকে লিপিটোৰ সামান্য সাল-সলনি ঘটাই প্ৰয়োগ কৰিছে। ভাষাটোৰ গাঁথনিক ৰূপৰ সাজ-সজ্জাৰ সামান্য স্বৰূপ ধৰিব পৰাকৈ তলত থূলমূল অধ্যয়ন এটি আগবঢ়োৱা হ'ল।

স্বৰধ্বনি :

খামতি ভাষাত আঠোটা স্বৰধ্বনি পোৱা যায় আৰু প্ৰত্যেকৰে একোটাকৈ 'মেখে' (দীৰ্ঘৰূপ) পোৱা যায়। এনেকৈ হ্ৰস্ব আৰু দীৰ্ঘ দুয়োটা ৰূপ ধৰিলে সৰ্বমুঠ ষোলটা স্বৰধ্বনি ভাষাটোত বিদ্যমান। তাৰে এটা কেন্দ্ৰীয় উচ্চ ধ্বনি। স্বৰধ্বনি কেইটা হ'ল / ই এ উ ও অ অ' আ আঁ /। স্বৰৰ হ্ৰস্ব দীৰ্ঘৰ প্ৰয়োগ অনুসৰি শব্দৰ অৰ্থ সলনি হয়।

স্বৰধ্বনিৰ তালিকা

	সন্মুখ		কেন্দ্ৰীয়		পশ্চ	
উচ্চ	হ্ৰস্ব ই	দীৰ্ঘ ইঃ	হ্ৰস্ব অী	দীৰ্ঘ অীঃ	হ্ৰস্ব উ	দীৰ্ঘ উঃ
উচ্চ-মধ্য	এ'	এ'ঃ			ও	ওঃ
উচ্চ-নিম্ন-মধ্য					অ'	অ'ঃ
নিম্ন-মধ্য					অ	অঃ
নিম্ন			আ	আঃ		

ব্যঞ্জনধ্বনি :

খামতি ভাষাত চৈধ্যটা ব্যঞ্জন ধ্বনি পোৱা যায়। তাৰে ভিতৰত দুটা অৰ্ধস্বৰো আছে। সঘোষ ব্যঞ্জনৰ প্ৰাধান্যৰ অভাৱ ভাষাটোৰ আটাইতকৈ লক্ষণীয় বিষয়। অল্পপ্ৰাণ আৰু মহাপ্ৰাণ স্পৰ্শবৰ্ণৰ কোনো ঘোষ ৰূপ পোৱা নাযায়। টাই আহোম ভাষাত/ৰ/ধ্বনিৰ উচ্চাৰণ আছে। কিন্তু একে গোষ্ঠীৰে টাইভাষা হ'লেও 'ৰ'ৰ উচ্চাৰণ খামতি আৰু ফাকে ভাষাত 'হ' ৰূপে পোৱা যায। অৱশ্যে ধাৰ কৰা কেতবোৰ শব্দত /ৰ/ ধ্বনিৰ উচ্চাৰণ হ'লেও মূল খামতি ভাষাত /ৰ/ ধ্বনিৰ উচ্চাৰণ নাই। ব্যঞ্জনবোৰৰ প্ৰয়োগ সকলো অৱস্থানতে হয়। ব্যঞ্জনধ্বনি কেইটা হ'ল /প ফ ত থ ক খ চ ম ন ঙ ল হ ৱ য়/। পালি ভাষাৰ প্ৰভাৱত যুক্ত ব্যঞ্জনৰ প্ৰয়োগ প্ৰায়ে নাইকিয়া হৈ পৰিছে আৰু যুক্ত ব্যঞ্জনৰ ঠাইত সৰল ৰূপহে পোৱা যায়। তলত ব্যঞ্জনৰ তালিকা এখন দিয়া হ'ল —

ব্যঞ্জনধ্বনিৰ তালিকা

		ওষ্ঠ্য		দন্তমূলীয়		তালব্য		কণ্ঠমূলীয়		কণ্ঠ্য	
		অ	স	অ	স	অ	স	অ	স.	অ	স
স্পৰ্শ	অল্পপ্ৰাণ	প		ত				ক			
	মহাপ্ৰাণ	ফ		থ				খ			
প্ৰবাহ	ঘৃষ্ট			চ							
	নাসিক্য		ম		ন				ঙ		
	পাৰ্শ্বিক				ল						হ
	অৰ্ধস্বৰ		ৱ			য					

স্বৰৰ বিৰোধ :

উ : অ : অ’	উন্চাউ	মাহী
	অন্	সৰু
	অ’ন্	কোমল
আ : ই : এ	আঙ্	চৰিবা
	ইঙ আক্	থু
	এঙ্	কলহ
ই : ও	আই	লাজ
	আও	লোৱা

ব্যঞ্জনৰ বিৰোধ ঃ

অভিন্ন পৰিবেশ - আ

কা	কাউৰী
খা	সোঁহাত
ঙা	তিল
চা	খহতা, ওখ চাপৰ
তা	চকু
না	পথাৰ
পা	মাছ
ফা	কাপোৰ
মা	কুকুৰ
লা	গাধ
ৰা	কোৰা
হা	পাঁচ
যা	দৰব

অভিন্ন পৰিবেশ - আই

কাই	কুকুৰা
খাই	কণী
ঙাই	উজু
চাই	জৰী, বালি
তাই	মৰা
থাই	নাঙল
নাই	মুগা
পাইচান্	দক্ষিণ
ফাই	জুই
মাই	কাঠ
লাই	আঁচুফুল
ৰাই	বেত
হাই	হৰা, পৰাজয় হোৱা

অভিন্ন পৰিবেশ - আউ

কাউ	মই
খাউ	ভাত
ঙাউ	সাৰ
চাউ	পিতৃ
তাউ	ফুটছাই
নাউ	তৰা
ফাউ	কোন
মাউ	তুমি, তই
লাউ/লাও	মদ
হাউ	আমি
যাউ	দীঘল

পৰম্পৰা ঃ পৰম্পৰাগত অধ্যয়ন পদ্ধতি অনুসৰি খামতি ভাষাৰ ব্যঞ্জনধ্বনি হ'ল— কা, খা, ঙা, চা ছা, ঞা, টা, থা, না, পা, ফা, মা, য়া, লা, ৱা, হা আৰু আ এই সোতৰটা। 'আ' আখৰটো খামতি ভাষাৰ পৰম্পৰাগত ভাৱেই ব্যঞ্জনৰ লগতে পোৱা যায়। এইবোৰত 'মেখে' যোগ কৰি কাঃ দীঘল ৰূপটো কৰা হয়। যেনে — কা মেখে কাঃ, খা মেখে খাঃ, ঙা মেখে ঙাঃ। এইবোৰত পূৰ্বৰ কা, খা, ঙা-বোৰ হ্ৰস্ব আৰু পিছৰ কা, খা, ঙা মেখে যোগ হোৱাত দীৰ্ঘ হৈছে। পৰম্পৰাগত গঠন ৰীতি অনুসৰি

এইবোৰ কা, খা, ঙা কৈহে পঢ়া হয় আৰু ক, খ, ঙ কৈ পঢ়া নহয়। কিন্তু শব্দত যোগ হবৰ বেলিকা ই আ-বিহীন হৈহে যোগ হয়। খামতি লিপিৰ আখৰ আৰু পঠনৰ স্বৰূপটো তলত পোৱা যাব।

হ্ৰস্বৰূপ ঃ	দীৰ্ঘৰূপ
কা	কা মেখে কা
খা	খা মেখে খা
ঙা	ঙা মেখে ঙা
চা	চা মেখে চা
ছা	ছা মেখে ছা
ঞা	ঞা মেখে ঞা
তা	তা মেখে তা
থা	থা মেখে থা
না	না মেখে না
পা	পা মেখে পা
ফা	ফা মেখে ফা
মা	মা মেখে মা
যা	যা মেখে যা
লা	লা মেখে লা
বা	বা মেখে বা
হা	হা মেখে হা
আ	আ মেখে আ

সুৰ ঃ টাই ভাষাত শব্দৰ অৰ্থ প্ৰকাশৰ ঘাই আহিলা হ'ল সুৰ। টাই ভাষাৰ শব্দৰ স্বৰধ্বনি ফুৰাশ্ৰয়ী। সেয়ে সুৰৰ আলোচনা অবিহনে টাই ভাষাসমূহৰ অধ্যয়ন অসম্পূৰ্ণ। কিয়নো এনে ভাষাত স্বৰৰ হ্ৰস্ব-দীৰ্ঘ ৰূপো পোৱা যায়। কিন্তু স্বৰৰ হ্ৰস্ব-দীৰ্ঘ আৰু সুৰ একে নহয় অথচ সুৰৰ মাপকাঠিৰে জোখোঁতে কেতিয়াবা ভ্ৰান্তভাৱে স্বৰৰ হ্ৰস্ব-দীৰ্ঘ ৰূপো সুৰৰ ভিতৰতে ধৰা হয়। খামতি ভাষাত সুৰভেদে শব্দৰ বিভিন্ন অৰ্থ পোৱা যায়। একেটা শব্দই সাত প্ৰকাৰৰ অৰ্থ বহুসময়ত প্ৰকাশ কৰিব পাৰে। তাৰে দুটা অৰ্থ অৱশ্যে স্বৰৰ হ্ৰস্ব-দীৰ্ঘৰ ওপৰত নিৰ্ভৰ কৰিহে হয়। এনেকৈ লক্ষ্য কৰিলে খামতি ভাষাত পাঁচোটা সুৰ নিৰ্ণয় কৰিব পাৰি। একে গোষ্ঠীৰ টাই-ফাকে ভাষাতো এইকেইটা সুৰকেই লক্ষ্য কৰা হৈছে। খামতি ভাষাত পোৱা সুৰকেইটা উদাত্ত (high), অনুদাত্ত (low), স্বৰিত বা সম (mid or level), উদাত্ত-উন্নত (high rising) আৰু অনুদাত্ত-অৱনত (low falling)। তলত সুৰ অনুসৰি বিভিন্ন অৰ্থ কেনেকৈ প্ৰকাশ হয় দেখুৱা হৈছে।


ভাষাৰ চিত্ৰ
অসম, অৰুণাচল, নাগালেণ্ড, মণিপুৰ,
মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰা
তিব্বত-বৰ্মী ভাষাৰ অধ্যুষিত অঞ্চল
শ্যাম-চীন ভাষা
ইণ্ডো-ইউৰোপীয় অসমীয়া ভাষা
অষ্ট্ৰিক পৰিয়ালৰ ভাষা
N
S

কা^{১}	কাউৰী
কা^{২}	যোৱা (যেনে ঃ কা না — পথাৰলৈ যোৱা)
কা^{৩}	নাচ-গান
কা^{৪}	'বেলেগ হোৱা'
কা^{৫}	'ব্যৱসায'
খাম্^{১}	সোণ
খাম্^{২}	লাগি ধৰা, খামবন্ধা
খাম্^{৩}	পাৰহৈ যোৱা, ওপৰেদি যোৱা
খাম্^{৪}	শব্দ
খাম্^{৫}	কাপোৰ (খাম ফে — কাপোৰ)
খাও^{১}	ভাত
খাও^{২}	গৰুৰ শিং
খাও^{৩}	আধা পকা
খাও^{৪}	বগা
খাও^{৫}	এজাক (ভুমাখাও — গৰু এজাক) অসমীযা বহুবচন প্ৰত্যয—মখা, গৰু মখাৰ লগত তুলনীয)
তাও^{১}	কাছ
তাও^{২}	ফুটছাই
তাও^{৩}	ভেঁজা লৈ থকা
তাও^{৪}	থু পেলোৱা
তাও^{৫}	এবিধ পানীত গজা উদ্ভিদ
তাও^{৬}	মাকোঁ
তাও^{৭}	সেপিযাই ধৰা
তাই^{১}	টাই জাতি
তাই^{২}	মৰা
তাই^{৩}	দলং নাইবা ৰচিৰ ওপৰেদি খোজকাটি যোৱা
তাই^{৪}	গানৰ সুৰ
থ'^{১}	দলং
থ'^{২}	ইঁহা
থ'^{৩}	কোৰ
থ'^{৪}	থকুৱা
থান্^{১}	বাতি

বান্^{২}	গুটি সিঁচা
বান্^{৩}	মিঠা
বান্^{৪}	দিন (এদিন দুদিন অৰ্থত)
বান্^{৫}	বেলি
চাও^{১}	বিশ
চাও^{২}	থিয় হৈ থকা
চাও^{৩}	ঘৰৰ খুটা
কঙ্^{১}	কাঁহী
কঙ্^{২}	বেঁকা
কঙ্^{৩}	ঢোল

খামতি ভাষাৰ পুৰুষবাচক সৰ্বনামৰ ক্ষেত্ৰত কেইটামান বিশেষ কথা লক্ষ্য কৰা যায়। একবচন আৰু বহুবচনৰ ৰূপৰ উপৰিও দ্বিবচনৰ ৰূপ এটা বিদ্যমান। প্ৰথম পুৰুষৰ বহুবচনৰ ৰূপ দুটা – 'তু' আৰু 'হাউ'। দ্বিতীয় পুৰুষত তিনিওটা বচনতে তুচ্ছাৰ্থ আৰু সন্মানাৰ্থক ভিন্ন সৰ্বনাম শব্দ প্ৰযোগ কৰা হ্য। তৃতীয় পুৰুষত অসমীযা ভাষাৰ দৰেই লিংগ পোৱা যায়। অৱশ্যে পুৰুষবাচক সৰ্বনামবিলাকৰ কোনো তীৰ্য্যক ৰূপ নাই। পুৰুষবাচক সৰ্বনামৰ তালিকা এখন তলত দিযা হ'ল।

পুৰুষ	একবচন	দ্বিবচন	বহুবচন
১ম পুৰুষ	কাউ 'মই'	হাংখে	হাউ 'আমি' তু 'আমি'
২য় পুৰুষ	মাই 'তুমি' মাই চাও 'আপুনি'	চংখে চংচাও	চু 'তোমালোক' চুচাও 'আপোনালোক'
৩য় পুৰুষ	মান্ 'সি' মান্ নাঙ্, 'তাই'	চংখাও চংখাও য়িং	ঙখাও 'সিহঁত'

উল্লেখযোগ্য যে ওপৰত দ্বিবচনত প্ৰয়োগ হোৱা 'চং' দ্বি অৰ্থযুক্ত সংখ্যাশব্দ। গতিকে বহুতো সময়ত দ্বিবচনৰ প্ৰযোগত সন্দেহৰ অৱকাশ নোহোৱাকৈ নাথাকে।

ধাতুৰূপৰ ক্ষেত্ৰত পুৰুষ অনুযায়ী ভিন্নৰূপ প্ৰয়োগ হয। দ্বিতীয় পুৰুষত মান্যাৰ্থ আৰু তুচ্ছাৰ্থৰ বাবে বেলেগ বেলেগ ৰূপ প্ৰযোগ নহয নাইবা তৃতীয পুৰুষত লিংগভেদেও বেলেগ ৰূপ প্ৰযোগ নহয । √কা ধাতু (অসমীয়া √যা ধাতু) একবচন আৰু বহুবচনৰ ৰূপ তলত কৰি দেখুওৱা হ'ল।

√কা বৰ্তমান কাল

	একবচন	বহুবচন
১ম পুৰুষ	কাউ কা কত্	হাউ কা কত্ তু কা কত্
২য় পুৰুষ	মাঁই কালা মাঁই চাও কালা	চু কালা চুচাও কা-লা
৩য় পুৰুষ	মান্ কাউ মান্ নাঙ্ কাউ	ঙখাউ কাউ

স্বৰূপ বৰ্তমান

	একবচন	বহুবচন
১ম পুৰুষ	কাউ কাচুনাম্	হাউ কা-চু-নাম্ তু কা-চু-নাম
২য় পুৰুষ	মাঁই কা-চু-লা মাঁই চাও কা-চু-লা	চু কা-চু-লা চুচাও কা-চু-লা
৩য় পুৰুষ	মান্ কাচু মান্ নাঙ্ কাচু	ঙখাই কাচু

অতীত কাল

	একবচন	বহুবচন
১ম পুৰুষ	কাউ কা-মাই য়	হাউ কা-মাই-য় তু কা-মাই-য়
২য় পুৰুষ	মাই কা-মাই-য় মাইচাও কা-মাই-য়	চু কা-মাই-য় চুচাও কা-মাই-য়
৩য় পুৰুষ	মান্ কা-মাই-য় মান্-নাঙ্ কা-মাই-য	ঙখাউ কা-মাই-য়

ভৱিষ্যৎ কাল

১ম পুৰুষ	কাউ তি কা-মা	হাউ তি-কা-মা তু তি কা মা
২য় পুৰুষ	মাই তি-কা-মা মাই-চাও তি-কা-মা	চু তি-কা-মা চুচাও তি-কা-মা
৩য় পুৰুষ	মান্ তি-কা-মা মান্নাঙ্ তি-কা-মা	ণ্ডখাই তি-কা-মা

লিংগ বুজাবৰ বাবে পুৰুষবাচক-থ্যু আৰু স্ত্ৰীবাচক-মী প্ৰত্যয় সাধাৰণতে শব্দৰ পাছত যোগ হয়। অৱশ্যে প্যচাই (মতা মানুহ), পিইং (মাইকী মানুহ), তুফু (মতা), তিমে (মাইকী), চাংপাই (মতা-হাতী), চাংমেই (মাইকী হাতী) আদিৰ দৰে ৰূপো নথকা নহয়। তলত পুৰুষ আৰু স্ত্ৰী-বাচক শব্দকেইটামান উল্লেখ কৰা হ'ল।

পুংলিংগ	স্ত্ৰীলিংগ
মাথ্যু 'মতাকুকুৰ'	মামী 'মাইকী কুকুৰ'
খা' থ্যু 'মতা ম'হ'	খাইমী 'মাইকী ম'হ'
ণ্ডথ্যু 'মতা গৰু'	ণ্ডমী 'মাইকী গৰু'
ম্যাওথ্যু 'বোন্দা'	ম্যাওমী 'জাঁই'
চুথ্যু 'বাঘ'	চ্যুমী 'বাঘিনী'

খাম্‌তিসকলৰ সম্বন্ধবাচক বিশেষ্য শব্দ কেইটামান তলত উল্লেখ কৰা হ'ল।

চাও	দেউতা
মেই	আই, 'মাক'
পুচাও	বুঢ়াদেউতা
য়াচাও	বুঢ়ীআইতা
নাইচাও	মাকৰ দেউতাক
নাইচে	মাকৰ মাক
আনাই	মাকৰ মাকৰ মাক
পলংচাও	দেউতাকৰ ককায়েক
মিলুং	দেউতাকৰ ককায়েকৰ পত্নী
পুলুংচাও	মাকৰ ককায়েক

অক্‌চি	মাকৰ বায়েক
প'আচাও	মাকৰ ভিনিয়েক
ন্‌চাওচি	মাকৰ ভায়েক
ক্যাউলুং	ককাইদেউ
পিচে	বাইদেউ
নংচাই	ভাই
নংচাও	ভনী
লান্‌চাই	বাযেকৰ পুতেক
লান্‌চাও	বাযেকৰ জীযেক
লুক্‌চাই	পো
লুক্‌চাও	জী
লুক্‌খৈ	জোঁবাই
লুক্‌পা	বোৱাৰী
প'চাও	শহুৰ
মেচাও	শাহু
লুঙ্‌তা	পত্নীৰ ভাযেক, ভনীযেক
পিচাও	পত্নীৰ ককায়েক
পিচে	পত্নীৰ বায়েক
নংখৈ	ভনীযেকৰ স্বামী
লো	ককাযেকৰ পত্নী

নির্দিষ্টতা বুজাবৰ বাবে সাধাৰণতে শব্দৰ পাছত -ন্যাই যোগ কৰা হয। বস্তুৰ আকৃতি নাইবা গুণৰ তাৰতম্য অনুসৰি তেনে ভিন্নৰূপ পোৱা নাযায়। তলত কেইটামান শব্দৰে উদাহৰণ দিযা হ'ল।

পাপ্‌ন্যাই	কিতাপখন
তিনাঙ্‌ন্যাই	চকীখন
ফান্যাই	বেৰখন
তুন্‌ন্যাই	গছডাল
কুন্‌ন্যাই	মানুহটো
ল্যাৰন্যাই	গাড়ীখন
আন্যাই	এইটো

স্থানবাচক আৰু কালবাচক সৰ্বনাম কেইটামান তলত উল্লেখ কৰা হ'ল।

ম্যেই	ইয়াত	ঙাই	এতিয়া
মান্ম্যেই	তাত	য়ান্মেআমী	তেতিয়া
প্যান্ম্যেই	'তাত'		

খামতি ভাষাৰ সংখ্যাশব্দবিলাক তলত দিয়াৰ দৰে দহলৈকে গণনা কৰি তাৰ পাছত দহ এক, দহ দুইকৈ গণনা কৰা হয়। আহোম ভাষাৰ 'ৰ' ধ্বনিৰ উচ্চাৰণ 'হ' হৈছে ।

১ ল্যুং
২ চং
৩ চাম্
৪ চি
৫ হা
৬ হোক্
৭ চ্যেত্
৮ প্যেত্
৯ কাউ
১০ চিপ্
১১ চিপইত্
১২ চিপ্চং
১৩ চিপ্চাম্
১৪ চিপ্চি
১৫ চিপ্হা
১৬ চিপ্ হোক্
১৭ চিপ্চ্যেত্
১৮ চিপ্প্যেত্
১৯ চিপ্কাউ
২০ চাও
২১ চাওএত
২২ চাওচং
২৩ চাওচাম্
২৪ চাওচি
২৫ চাওহা
২৬ চাওহো
২৭ চাওচ্যেত্
২৮ চাওপ্যেত্
২৯ চাও কাউ
৩০ চাম্চিপ্
৩১ চাম্চিপ্যেত্
৩২ চাম্চিপ্চং
৩৩ চাম্চিপ্চাম্
৩৪ চাম্চিপ্চি
৩৫ চাম্ চিপ্ হা
৩৬ চাম্ চিপ্ হো
৩৭ চাম্ চিপ্ চ্যেত্
৩৮ চাম্ চিপ্প্যত্
৩৯ চাম্ চিপ্ কাউ
৪০ চিচিপ্
৪১ চিচ্‌িপ্প্যেত/চিচিপ্ল্যুং
৪২ চিচিপ্চং
৪৩ চিচিপ্চাম
৪৪ চিচিপ্চি
৪৫ চিচিপ্হা
৪৬ চিচিপ্হো

৪৭ চিচিপ্‌চ্যোত্‌
৪৮ চিচিপ্‌প্যোত্‌
৪৯ চিচিপ্‌কাউ
৫০ হাচিপ্‌
৫১ হাচিপ্‌ল্যুং
৫২ হাচিপ্‌চং
৫৩ হাচ্‌িপ্‌চাম্‌
৫৪ হাচিপ্‌চি
৫৫ হাচিপ্‌হা
৫৬ হাচিপ্‌হো
৫৭ হাচিপ্‌চ্যোত্‌
৫৮ হাচিপ্‌প্যোত্‌
৫৯ হাচিপ্‌কাউ
৬০ হোক্‌চিপ্‌
৬১ হোচিপ্‌ল্যুং
৬২ হোচিপ্‌চং
৬৩ হোচিপ্‌চাম্‌
৬৪ হোচিপ্‌চি
৬৫ হোচিপ্‌হা
৬৬ হোচিপ্‌হো
৬৭ হোচিপ্‌চ্যোত্‌
৬৮ হোচিপ্‌প্যোত
৬৯ হোচিপ্‌কাউ
৭০ চ্যোত্‌চিপ্‌
৭১ চ্যোত্‌চিপ্‌ল্যুং
৭২ চ্যোত্‌চিপ্‌চং
৭৩ চ্যোত্‌চিপ্‌চাম্‌
৭৪ চ্যোত্‌চিপ্‌চি
৭৫ চ্যোত্‌চিপ্‌হা
৭৬ চ্যোত্‌চিপ্‌হো
৭৭ চ্যোত্‌চিপ্‌চ্যোত্‌
৭৮ চ্যোত্‌চিপ্‌প্যোত্‌
৭৯ চ্যোত্‌চিপ্‌কাউ
৮০ প্যোত্‌চিপ্‌
৮১ প্যোত্‌চিপ্‌ল্যুং
৮২ প্যোত্‌চিপ্‌চং
৮৩ প্যোত্‌চিপ্‌চাম্‌
৮৪ প্যোত্‌চিপ্‌চি
৮৫ প্যোত্‌চিপ্‌হা
৮৬ প্যোত্‌চিপ্‌হো
৮৭ প্যোতাচিপ্‌চ্যোত্‌
৮৮ প্যোত্‌চিপ্‌প্যোত্‌
৮৯ প্যোত্‌চিপ্‌কাউ
৯০ কাউচিপ্‌
৯১ কাউচিপ্‌ল্যুং
৯২ কাউচিপ্‌চং
৯৩ কাউচিপ্‌চাম্‌
৯৪ কাউচিপ্‌চি
৯৫ কাউচিপ্‌হা
৯৬ কাউচিপ্‌হো
৯৭ কাউচিপ্‌চ্যোত্‌
৯৮ কাউচিপ্‌প্যোত্‌
৯৯ কাউচিপ্‌কাউ
১০০ পা
১০১ পাল্যুং
১০২ পাচং
১০৩ পাচাম্‌
১০০০ হিং ইত্যাদি।

২.২ টাই আইতন বা আইতনীয়া

অসমৰ ভৈয়াম অঞ্চলৰ পাহাৰৰ দাঁতিয়ে দাঁতিয়ে গাঁও পাতি বসবাস কৰা অন্য এটা টাইগোষ্ঠী হ'ল আইতন বা আইতনীয়া। তেওঁলোকে নিজকে টাই আইতন বুলি পৰিচয় দিয়ে। আইতনীয়াসকল বিশেষকৈ গোলাঘাট জিলা আৰু কাৰ্বি আংলং জিলাত পোৱা যায়। আইতনীয়াসকলৰ গাঁৱৰ ওচৰে পাজৰে কেইখনমান টুৰুং আৰু খাময়াং গাঁৱো আছে। কাৰ্বি আংলং জিলাত চাৰিখন আইতনীয়া গাঁও আৰু গোলাঘাট জিলাত চাৰিখন মুঠ আঠখন আইতনীয়া গাঁও পোৱা যায়। চকীহোলা, ভিতৰ কালিয়নী, বালিপথাৰ আৰু আহোমনী আইতন গাঁও কাৰ্বি আংলং জিলাৰ অন্তৰ্গত। অন্যহাতেদি বৰহোলা, টেঙনি, দুবৰণি আৰু বৰগাঁও গোলাঘাট জিলাৰ অন্তৰ্গত। বৌদ্ধ ধৰ্মাৱলম্বী আইতনীয়াসকলৰ কেউখন গাঁৱত প্ৰায় তিনি হাজাৰ মানুহে বসবাস কৰে।

পৰিষ্কাৰকৈ ৰখা চাংঘৰত আইতনীয়াসকল বসবাস কৰে। বাকীকেইটা টাইগোষ্ঠীৰ লগত সকলো ক্ষেত্ৰতে আইতনীয়াসকলৰ মিল অধিক। তেওঁলোকৰ চাংঘৰবোৰ অন্যকেইটা টাইগোষ্ঠীৰ ঘৰৰ দৰেই 'নাতুক্' যুক্ত। 'নাতুক' হ'ল চ'ৰাঘৰৰ বৈঠক কোঠা। এবিধ বিশেষ গছৰপৰা প্ৰস্তুত কৰি ৰং কৰা ক'লা মেখেলা আৰু মুগাৰ চাদৰখন আইতনীয়া তিৰোতাসকলৰ পৰিধেয় পোছাক। টুৰুংসকলৰ দৰে একে ধৰণৰ ঘৰতে বৈ উলিওৱা ৰঙীন লুঙীখন আৰু পাগুৰী হ'ল পুৰুষসকলৰ পৰিধেয় পোছাক। তেওঁলোকৰ বাবে নিজৰ সাজপোছাক অতি আদৰৰ আৰু সন্মানৰ সামগ্ৰী।

আইতনীয়াসকল বিশেষকৈ কৃষিজীৱী আৰু শিক্ষা-দীক্ষাৰ পিনৰপৰা আগ বাঢ়িব পৰা নাই। তেওঁলোকৰ 'পয়' বা উৎসৱবিলাক সাধাৰণতে অন্যকেইটা টাইগোষ্ঠীৰ দৰেই পূৰ্ণিমাৰ দিনতহে হয়। অৱশ্যে 'পযচাঙ্কেন্' আদি উৎসৱ হ'ল সংক্ৰান্তিৰ উৎসৱ আৰু ইয়াক অন্যকেইটা টাইগোষ্ঠীৰ দৰেই বসন্ত উৎসৱ হিচাপে পালন কৰা হয়। সেইদিনা বুদ্ধ মূৰ্তিবোৰ বাহিৰলৈ উলিয়াই পৰম্পৰাগত নিয়মমতে গা ধুউৱা হয়। আইতনীয়াসকলৰ অন্যকেইটা ঘাই উৎসৱ হ'ল পয়নীন্‌চি, পয়নীৱা আৰু 'মাইকুচুম্‌ফাই'। নীন্‌চি হ'ল ফাগুন মাহ আৰু ফাগুন মাহৰ পূৰ্ণিমাৰ দিনা পঞ্চশীল গ্ৰহণ কৰা এই উৎসৱকেই 'পয়নীন্‌চি' বুলি কোৱা হয়। আনহাতে 'মাইকুচুম্‌ফাই' হ'ল মাঘৰ পূৰ্ণিমাত পতা উৎসৱ। এইবোৰ উৎসৱ পতাৰ ক্ষেত্ৰত টুৰুং, খাময়াংসকলৰ লগত মিল অধিক।

আইতনীয়াসকল দ্বিভাষী। তেওঁলোকে টাইভাষা কোৱা মানুহৰ লগত আইতনীয়াতে কথা পাতে আৰু অন্যৰ লগত হ'লে অসমীয়া ভাষাত কথা পাতে। অসমীয়া ভাষা সুন্দৰকৈ ক'ব আৰু লেখিব পৰা আইতনীয়াসকলৰ মাতৃভাষা অসমীয়া। অসমীয়া ভাষাই তেওঁলোকৰ দৈনন্দিন জীৱনত ইমান প্ৰভাৱ পেলাইছে যে তেওঁলোকৰ আইতনীয়া ভাষাত যথেষ্ট অসমীয়া শব্দ সোমাই গৈছে। আইতনীয়াসকলে ব্যৱহাৰ কৰা টাই ভাষাৰ লিপি বৃত্তাকাৰী আৰু ই টুৰুং নাইবা খামতি নাইবা ফাকেসকলৰ লিপিৰ সৈতে

একে। আগতে বহুতোবাৰ কোৱা হৈছে টাই ভাষাটো সুৰীয়া ভাষা আৰু একাক্ষৰী (mono-syllabic) ভাষা। সুৰ অনুধাৱন কৰিব নোৱাৰিলে ভাষাটোৰ অৰ্থ বুজা সহজ নহয়। তলত কেইটামান উদাহৰণ দিয়া হ'ল।

কাই^{১}	কল
কাই^{২}	বেগাই
কাই^{৩}	দূৰ
কাই^{৪}	কুকুৰা
কাই^{৫}	কামোৰণি (যেনে— কাইহো = মূৰ কামোৰণি)
হিত^{১}	কাম
হিত^{২}	ক্ৰম অনুসৰি সজোৱা
হিত^{৩}	তৈয়াৰ কৰা
কা^{১}	কাউৰী
কা^{২}	নাচগান

আইতনীয়া ভাষাটোৰ প্ৰধান প্ৰধান বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণৰ।

(ক) আইতনীয়াত সাতোটা স্বৰধ্বনি আছে আৰু কেউটাৰে একোটাকৈ দীৰ্ঘৰূপ আছে। স্বৰৰ হ্ৰস্ব আৰু দীৰ্ঘ দুযোটা ৰূপ ধৰিলে চৈধ্যটা স্বৰধ্বনি পোৱা যায়। স্বৰৰ হ্ৰস্বদীৰ্ঘ গুণৰ তাৰতম্যৰ বাবেও শব্দৰ অৰ্থ ওলট পালট হ'ব পাৰে। স্বৰধ্বনিকেইটাৰ ভিতৰত কেন্দ্ৰীয় উচ্চ ধ্বনি ঔ উল্লেখযোগ্য। ইয়াৰো দীৰ্ঘৰূপ আছে। ভাষাটোৰ হ্ৰস্ব স্বৰধ্বনি কেইটা হ'ল /অ আ ই উ এ ও ঔ / এইবোৰৰ দীৰ্ঘৰূপটো বুজাবৰ বাবে ধ্বনিটোৰ সোঁকাষে কলন অৰ্থাৎ (ঃ) দি লেখা হ'ব। তলত ইহঁতৰ প্ৰযোগৰ উদাহৰণ দাঙি ধৰা হ'ল — দ্বিস্বৰৰ প্ৰযোগ যথেষ্ট আছে।

/অ/	অই	কুঁহিয়াৰ
/আ/	আ	পেহী
	আও	লোৱা, দদাই
/ই/	কাই	কুকুৰা
/উ/	উহাই	দ্ৰুব
/এ/	কেম্	গাল
/ও/	কোন্	মানুহ
/ঔ/	হৌন	ঘৰ

(খ) ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত আটাইতকৈ উল্লেখযোগ্য কথা হ'ল ঘোষ ধ্বনিৰ অভাৱ। ঘোষ /দ/ ধ্বনিৰ উচ্চাৰণ পোৱা গ'লেও তেনে শব্দ অন্য পৰিয়ালৰ ভাষাৰপৰা

ধাৰ কৰা যেন লাগে। আহোম ভাষাৰ দৰেই /ৰ/* ধ্বনিৰ উচ্চাৰণ পোৱা যায়। /ঙ/, /ব/ ধ্বনি শব্দৰ আদিত অন্যকেইটা টাইভাষাৰ দৰেই প্ৰযোগ হ্য। মুঠতে যোলটা ব্যঞ্জন ভাষাটোত পোৱা যায আৰু তাৰে দুটা অন্তস্থঃ ধ্বনি। ব্যঞ্জন কেইটা হ'ল /প ত ক ফ থ খ ম ন ঙ চ জ ৰ ল ব য় হ/।

তলত ইহঁতৰ প্ৰযোগৰ উদাহৰণ দিয়া হ'ল।

/ক/	কাই	দূৰ
/খ/	খাই	ম'হ
/ঙ/	ঙাই	পোৱা
/চ/	চাই	বালি, ককাই
/প/	পাই	যোৱা
/ব/	ৱাই	বেত
/হ/	হাই	শামুক
/ফ/	ফু	গিৰিযেক
/ম/	মু	মাইকী গাহৰি
/ল/	লু	ন-বৌ
/থ/	থুথেপ্	উৰহী
/জ/	জাম	চোবোৱা
	জাথাও	আইতা
/ত/	তং	পেট
	তিং	জোক
/ন/	নাম্	পানী
/ৰ/	নুৰক	কেৰ্কেটুৱা
	নাৰী	ঘড়ী
	পিৰিউ	কাণ
/য/	পেঙ্যা	ছাগলী
	পেয্	ভেৰা

(গ) লিংগ ভেদ বুজাবৰ কাৰণে পুৰুষ আৰু স্ত্ৰীভেদে সাধাৰণতে পুৰুষসূচব থ'ক আৰু স্ত্ৰীসূচক মে- যোগ হয়। উল্লেখযোগ্য যে লিংগ বুজাব লগা শব্দটোৰ আগত মে- যোগ হয আৰু শব্দটোৰ শেষত থ'ক যোগ হয়। বহুতে সময়ত আকৌ -চাই,

* উল্লেখযোগ্য যে 'ৰ' ধ্বনিৰ উচ্চাৰণ তেনেই সীমিত।

-খাই, -চৌ, -পাব আদি ৰূপবোৰো লিংগ বুজাবৰ কাৰণে প্ৰয়োগ হয়। তলৰ উদাহৰণ কেইটাই আইতন ভাষাৰ লিংগৰ স্বৰূপটো বুজাত সহায় কৰিব।

পুংলিংগ	স্ত্ৰীলিংগ
মাঃ 'ঘোঁৰা'	মে মা ঃ
বুথ'ক 'ষাঁড'	মেৰু
মেঃ 'মতা ভালুক'	মেঃ মি
পিঃ চাও 'ভিনিহি'	নাংনোং 'বাই'
পিঃ চাই 'ককাই'	নাংনোং 'বাই'
প 'পিতা'	মে 'আই', 'মাক'
লুক্চাই 'পো'	লুক্পাব 'বোৱাৰী'
লুক্চৌ 'জী'	লুক্খাই 'জোৱাই'
খুন্চাই 'পুৰুষ'	খুন্জিং 'তিৰোতা'

(ঘ) আইতন ভাষাৰ পুৰুষবাচক সৰ্বনামবোৰ তলত দিয়া ধৰণৰ আৰু এইবোৰৰ কোনো তুচ্ছাৰ্থ মান্যাৰ্থৰূপ পোৱা নাযায়। সম্বন্ধ পদ সূচাবৰ বাবে এই সৰ্বনামবোৰৰ আগত 'খং'-যোগ কৰি লোৱা হয়।

	একবচন		বহুবচন	
প্ৰথম পুৰুষ	কাউ	'মই'	হাউ	'আমি'
দ্বিতীয় পুৰুষ	মাউ	'তুমি'	চু	'তোমালোক'
		'আপুনি'		'আপোনালোক'
		'তই'		'তহঁত'
তৃতীয় পুৰুষ	মান্	তেওঁ, তাই	খাউ	'সিহঁত'

সম্বন্ধ পদত —

খং-কাউ	'মোৰ'	খংহাউ	'আমাৰ'
খংমাউ	'তোমাৰ'	খংচু	'তোমালোকৰ'
	'আপোনাৰ'		'আপোনালোকৰ'
খংমান	'তেওঁৰ' 'তাইৰ'	খংখাউ	'সিহঁতৰ'

(ঙ) আইতনত বহুতো ক্ষেত্ৰত আহোম ভাষাৰ 'ড' ধ্বনি 'ন' হৈছে, 'ৰ' ধ্বনি 'হ' হৈছে আৰু 'ত' ধ্বনি বহুতো সময়ত 'চ' হৈছে। আহোম ভাষাত মাহৰ নামবোৰত ড্যেন্ অংশটো সেয়ে আইতনত নান্ হৈছে । তলত আইতনৰ বাৰটা মাহৰ নামবোৰ দিয়া হ'ল।

নান্‌চিং	আঘোণ-পুহ
নান্‌কাম্	পুহ-মাঘ
নানচাম্	মাঘ-ফাগুন
নান্‌চি	ফাগুন-চ'ত
নান্‌হা	চ'ত-বহাগ
নান্‌হোক্	বহাগ-জেঠ
নান্‌চ্যেত্	জেঠ-আহাৰ
নানপ্যেত্	আহাৰ-শাওণ
নান্‌কাউ	শাওণ-ভাদ
নান্‌চিপ্	ভাদ-আহিন
নানচিপ্যেত্	আহিন-কাতি
নান্‌চিপ্‌চং	কাতি-আঘোণ

(চ) একাক্ষৰী (monosyllabic) হোৱা বাবে সাধাৰণতে মধ্যৱৰ্তী অৱস্থানত ব্যঞ্জন উচ্চাৰণত পোৱা নাযায় আৰু ব্যঞ্জন সংযুতিও সাধাৰণতে পোৱা নাযায়।

(ছ) আইতনীযা সংখ্যাশব্দ

১ ল্যুং
২ চং
৩ চাম্
৪ চি
৫ হা
৬ হোক্
৭ চ্যেত্
৮ প্যেত্
৯ কাউ
১০ চিপ্
১১ চিপ্‌ইত্
১২ চিপ্ চং
১৩ চিপ্ চাম্
১৪ চিপ্ চি
১৫ চিপ্ হা
১৬ চিপ্ হোক্
১৭ চিপ্ চ্যেত্
১৮ চিপ্ প্যেত্
১৯ চিপ্ কাউ
২০ চাউ লুং
২১ চাউ ইত্
২২ চাউ চং
২৩ চাউ চাম্
২৪ চাউ চি
২৫ চাউ হা
২৬ চাউ্ হোক্
২৭ চাউ্ চ্যেত্
২৮ চাউ প্যেত্
২৯ চাউ কাউ
৩০ চাম্ চিপ্
৩১ চাম্ চিপ্ লুং

৩২ চাম্ চিপ্ চং
৩৩ চাম্ চিপ্চাম্
৩৪ চাম্ চিপ্চি
৩৫ চাম্ চিপ্হা
৩৬ চাম্ চিপ্ হোক্
৩৭ চাম্ চিপ্চ্যোত্
৩৮ চাম্ চিপ্প্যোত্
৩৯ চাম্ চিপ্ কাউ
৪০ চি চিপ্
৪১ চি চিপ্ ল্যুং
৪২ চি চিপ্ চং
৪৩ চি চিপ্ চাম্
৪৪ চি চিপ্চি
৪৫ চি চিপ্ হা
৪৬ চি চিপ্ হোক্
৪৭ চি চিপ্ চ্যোত্
৪৮ চি চিপ্ প্যোত্
৪৯ চি চিপ্ কাউ
৫০ হা চিপ্
৫১ হা চিপ্ ল্যুং
৫২ হা চিপ্ চং
৫৩ হা চিপ্ চাম্
৫৪ হা চিপ্চি
৫৫ হা চিপ্হা
৫৬ হা চিপ্ হোক্
৫৭ হা চিপ্ চ্যোত্
৫৮ হা চিপ্ প্যোত্
৫৯ হা চিপ্ কাউ
৬০ হোক্ চিপ্
৬১ হোক্ চিপ্ ল্যুং
৬২ হোক্ চিপ্ চং
৬৩ হোক্ চিপ্ চাম্
৬৪ হোক্ চিপ্ চি
৬৫ হোক্ চিপ্ হা
৬৬ হোক্ চিপ্ হোক্
৬৭ হোক্ চিপ্ চ্যোত্
৬৮ হোক্ চিপ্ প্যোত্
৬৯ হোক্ চিপ্ কাউ
৭০ চ্যোত্ চিপ্
৭১ চ্যোত্ চিপ্ ল্যুং
৭২ চ্যোত্ চিপ্ চং
৭৩ চ্যোত্ চিপ্ চাম্
৭৪ চ্যোত্ চিপ্ চি
৭৫ চ্যোত্ চিপ্ হা
৭৬ চ্যোত্ চিপ্ হোক্
৭৭ চ্যোত্ চিপ্ চ্যোত্
৭৮ চ্যোত্ চিপ্ প্যোত্
৭৯ চ্যোত্ চিপ্ কাউ
৮০ প্যোত্ চিপ্
৮১ প্যোত্ চিপ্ ল্যুং
৮২ প্যোত্ চিপ্ চং
৮৩ প্যোত্ চিপ্ চাম্
৮৪ প্যোত্ চিপ্ চি
৮৫ প্যোত্ চিপ্ হা
৮৬ প্যোত্ চিপ্ হোক্
৮৭ প্যোত্ চিপ্ চ্যোত্
৮৮ প্যোত্ চিপ্ প্যোত্
৮৯ প্যোত্ চিপ্ কাউ
৯০ কাউ চিপ্
৯১ কাউ চিপ্ ল্যুং
৯২ কাউ চিপ্ চং
৯৩ কাউ চিপ্ চাম্
৯৪ কাউ চিপ্ চি
৯৫ কাউ চিপ্হা

৯৬ কাউ চিপ্ হোক্	১০০ পাক
৯৭ কাউ চিপ্ চ্যেত্	১০১ পাক্ ইত্
৯৮ কাউ চিপ্ প্যেত্	১০০০ হিং
৯৯ কাউ চিপ্ কাউ	১০০১ হিং ইত্

(জ) আইতনীয়া সম্বন্ধবাচক বিশেষ্য শব্দ ঃ

আ	পেহী
আখে	পেহা
আউ	দদাই
মেলু	খুৰী
আন্নাই	মাকৰ মাক, বুঢ়ী আইতা
জাথাও	আইতা
প	পিতা
মে	পৰিবাৰ
ফু	স্বামী
লুঙ্দা	খুলশালী
আনন	মোমাই
আলো, লো	নবৌ
চাই	ককাই
পীচাই	ককাই
পীচাও	ভিনিহি
নাঙ্নোঙ্	বাই
নঙ্এন	ভনী
নাঙচাই	ভাই
পাচাও	শহুৰ
মেচাও	শাহু
লুকচাই	পো
লুক্পাও	বোৱাৰী
মেপা	মাকৰ বায়েক,
পা	দেউতাকৰ বায়েক

(ঝ) আইতন শব্দ কেইটামান তলত সন্নিবিষ্ট কৰা হ'ল —

অই	কুঁহিযাৰ
আউমা	আন, অনা
উহাই	জ্বৰ
উপাই	নাযাওঁ
কাম্	গাল
কিন্	খোৱা
কুন	মানুহ
কাঙ্	থুতৰি, পহু
কাঙ্খু	ডিঙি
কা[১]	নচা
কা[২]	কাউৰী
কামে	মাইকী পহু
কোনোক্	বাহিৰত
কোনো	ওপৰত
খঙ্	পাচি
খাম্[১]	সোণ
খাম[২]	সোধা
খাঙচি	সিংহ
খাই	ম'হ
খাও	চাউল
খাওপক	ধান
খিউ	দাঁত
ঙাই	পোৱা
ঙু	সাপ
চাঙ্	হাতী
চি	চাবি
চু[১]	তুমি
চু[২]	মগজু
চু[৩]	বাঘ
চু[৪]	চোলা
চুম	টেঙা

চাই	বালি
জি খাও	ভঁৰাল
তিন্	ভৰি
তিং	জোক
তাও	কাছ
তিম্	সম্পূৰ্ণ
তান্	মিছা
তাক্মুত্	সকলো
তো	ধৰিলোৱা
তোক্	জোখা
থান্ফাই	জুইৰ অঙঠা
থুথেপ্	উৰহী
থাম্	প্ৰশ্ন কৰা
দাম্	ফলা
দি	ভাল
দ্যন্মাও	চন্দ্ৰ
দাঙ্	নাক
নাম্	পানী
নী	এন্দুৰ
নুক্	চৰাই
পা	মাছ
পাই	যোৱা
পো	কোবোৱা
পেয	ভেৰা
পিৰিউ	কাণ
পামাও	ডেকা
ফাফা	বজ্ৰপাত
ফা মুকা	মুগাৰ কাপোৰ (ফা = কাপোৰ)
ফা এৰী	এৰী কাপোৰ, ইত্যাদি।

২.৩ টাই খাময়াং

নগাপাহাৰটোৰ দাঁতিযে দাঁতিযে আৰু অৰুণাচল পাহাৰৰ দাঁতিযে দাঁতিযে সমতল খণ্ডত কেইবাটাও টাই ভাষা-ভাষী গোষ্ঠী পোৱা যায়। তাৰে ভিতৰত খামতি, ফাকে, টুৰুং, খাময়াং আৰু আইতনীয়াসকলৰ নাম বিশেষভাৱে উল্লেখযোগ্য। খাময়াংসকল অসমৰ কেইবাখনো জিলাত সিঁচৰতি হৈ গাঁও পাতি বাস কৰিছে। যোৰহাট জিলাৰ যোৰহাট মহকুমাত তিনিখন খাময়াং গাঁও আৰু গোলাঘাট জিলাত এখন খাময়াং গাঁও পোৱা যায়। ডিব্রুগড় জিলাৰ মাৰ্ঘেৰিটাত পাৱৈমুখ শ্যাম গাঁৱত খাময়াং মানুহৰ বসতি পোৱা যায়। ন শ্যাম গাঁও, বালিজান শ্যাম গাঁও আৰু বেতবাৰী শ্যাম গাঁও তিনিওখন যোৰহাট মহকুমাত আৰু তিনিওখন গাঁৱতে প্ৰায় নব্বৈ ঘৰ মানুহত কমেও ছশমান খামযাং লোক বসবাস কৰে। অন্যহাতেদি শিৱসাগৰ জিলাৰ চলাপথাৰ অঞ্চলত যথেষ্ট সংখ্যক খামযাং লোক বসবাস কৰে। গোলাঘাট জিলাৰ সৰুপথাৰৰ গাঁওখনৰ নাম ১নং ৰজাপুখুৰী শ্যাম গাঁও। এইবোৰ গাঁৱত যথেষ্ট সংখ্যক খামযাং লোক পৰিষ্কাৰ-পৰিচ্ছন্ন চাংঘৰত বসবাস কৰে।

খামযাংসকলক খামযাং বুলি জনা গ'লেও সাধাৰণভাৱে তেওঁলোকক নৰা বুলিহে জনা যায়। নৰা নামটো খুব সম্ভৱ সেইসময়ত থলুৱা মানুহে দিয়া নাম। কিন্তু তেওঁলোকে নিজকে খামযাং বুলি পৰিচয় দিয়ে। অসমৰ বুৰঞ্জীবোৰত নৰা আৰু আইতনৰ উল্লেখ বহুতো ঠাইত পোৱা যায়। মুং খামজাং, মুং আইতন, মুংতিপাম এই তিনিয়োৱে আঠবছৰ ধৰি আহোম ৰজা আৰু নৰা ৰজাৰ ওচৰত কৰখুত নিদিযাত চুডাংফা ৰজাই লাক্‌লি মুৰাও শকত তাপংনাও কটকীৰ হাতত যাঠী নালত কাকত ভৰাই দি চুৰুংফা নৰা ৰজাক ক'বলৈ দিলে, “খামজাং, আইতন, তিপাম এই তিনিখন মোৰহে ৰাজ। ইহঁতে যে মোৰ ঠাইতো সি ঠাইতো কৰখুত নিদি আছে, মই গৈ তিনিখন ৰাজ্য মাৰিব কৰোঁ।” তেতিয়া নৰা ৰজা চুৰুংফাই এই কথা শুনি মুংখুবান নামে কটকী পঠাই টাই টিপামক ক'বলৈ দিলে, “ভাই তিপামে অচম ৰজাক কৰখুত নিদি কিয় আছে? মোৰ ভাই-ককাইক খুত দিবনে নিদিব?” আৰ লগতে নৰা ৰজাই তাপংমাও কটকীক পত্ৰসন্দেশ দি আহোম ৰজাৰ ওচৰলৈ পঠালে (দেওধাই অসম বুৰঞ্জী পৃঃ ১৩)। উল্লেখযোগ্য যে যোৰহাট মহকুমাৰ খামযাংসকল পূৰ্বতে তিতাবৰ অঞ্চলৰ নামনি ধলীকোৱত বসবাস কৰিছিল। আৰু তাৰ পাছতহে নগাপাহাৰৰ দাঁতিত খামজাং নামৰ ঠাইত গাঁও পাতি বসবাস কৰিবলৈ লয়।

খামতি, ফাকে, আইতন আৰু টুৰুংসকলৰ দৰেই একে ধৰণৰ নিজা পোচাক লুঙী পৰিধান কৰা খাময়াংসকল থেৰাবাদী বৌদ্ধধৰ্মী। প্ৰত্যেকখন গাঁৱতে একোটাকৈ বৌদ্ধ বিহাৰ পোৱা যায়। এই বিহাৰবোৰতেই তেওঁলোকে পঞ্চশীল, দশশীল গ্ৰহণ

কৰে আৰু কোনো লোকৰ মৃত্যু হ'লে এখন 'ছঠাম' বিহাৰত উপহাৰ দিয়ে। 'ছঠাম' হ'ল টাইভাষাত হাতে লেখা আৰু বিহাৰত উপহাৰ দিয়া পুথি। তদুপৰি গাঁৱৰ জীয়াৰী-বোৱাৰীহঁতে নিজহাতে ধ্বজা তৈয়াৰ কৰি বিহাৰত উপহাৰ দিয়াটো অতি উল্লেখযোগ্য কথা।

কৃষিৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল খাময়াংসকলৰ অৰ্থনৈতিক অৱস্থা মধ্যমীয়া ধৰণৰ। অৱশ্যে শিক্ষা-দীক্ষাৰ পিনৰপৰা যথেষ্টৰূপে পাছ পৰা। পয অকোৱা, পযচাংকেন, মাইকুচুম্‌ফাই, পযনীনচি আদি উৎসৱ পতা খাময়াংসকলে 'সপ্ত পৰিহানি' নীতি অনুসৰণ কৰি সামাজিক ন্যায়শৃংখলা আৰু পৰম্পৰা ৰক্ষা কৰি আহিছে। সপ্ত পৰিহানি নীতিৰ এটা নীতি হ'ল প্ৰাচীন পৰম্পৰা আৰু ঐতিহ্য পৰিহাৰ কৰিব নাপায়। সেই নীতি অনুসৰিয়েই মোমায়েকৰ জীয়েকক বিয়া কৰাই অনাটো তেওঁলোকৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত নীতি। কেতিয়াবা গন্ধৰ্ব বিবাহ হ'লেও বৌদ্ধ ভিক্ষুৰ আগত দৰা-কন্যাক ধৰ্মত শৰণঁ দিয়া হয়।

খাময়াংসকল মূলতে টাইভাষা কোৱা লোক হ'লেও আহোমসকলৰ দৰেই তেওঁলোকৰ প্ৰায়সকলেই বৰ্তমান অসমীয়া ভাষাকে মাতৃভাষাৰূপে গ্ৰহণ কৰিছে। ঘৰুৱা জীৱনত ব্যৱহৃত বহুতো শব্দ টাইভাষাৰ হ'লেও অসমীয়া ভাষাই তেওঁলোকৰ মাতৃভাষা। অৱশ্যে ডিব্ৰুগড় জিলাৰ মাৰ্ঘেৰিটা অঞ্চলৰ পাৰৈমুখত বসবাস কৰা খাময়াংসকলৰ মাজত খাময়াং ভাষা ৰক্ষিত হৈছে। ঘৰুৱা জীৱনত এইখিনি খাময়াংলোকে টাইভাষাকেই প্ৰয়োগ কৰে। অন্য অঞ্চলত বসবাস কৰা খাময়াংসকলৰ মাজত কিছুমান টাই শব্দ থাকি গৈছে। তেনেধৰণৰ খাময়াংসকলৰ ব্যৱহৃত সম্বন্ধবাচক টাই শব্দ কেইটামান তলত উল্লেখ কৰা হ'ল —

চাই	ককাই
মে	আই, মাক
পো	দেউতা
পু	মাকৰ দেউতাক, পুথাও
পুথাও	মাকৰ দেউতাক, পুথাও
পা	বাপেকৰ বায়েক
জা	মাকৰ মাক
নাঙ্	ভনী

২.৪ টাইফাকে

টাইফাকেসকল বৃহৎ টাইগোষ্ঠীৰ শেহতীয়াভাৱে অসমত প্ৰৱেশ কৰা এটা দল। তেওঁলোকক সাধাৰণভাৱে ফাকিয়াল বুলিয়েই বেচিকৈ জনা যায়। ডিব্ৰুগড জিলাত প্ৰধানকৈ তিনিখন ফাকে গাঁও পোৱা যায়। তাৰে দুখন বুঢ়ীদিহিং আৰু টিপাম নদীৰ পাৰত অৱস্থিত। সেই দুখন হ'ল নাম ফাকে আৰু টিপাম ফাকে। অন্যখন ফাকে গাঁও বৰফাকে এই দুয়োখন গাঁৱৰপৰা বহদূৰত অৱস্থিত। E R Leach এ *Political System of High Land Burma*, 1954 (p 295—296) নামৰ গ্ৰন্থত ফাকেসকলৰ কথা Mongkong Tat নামৰ ঠাইত বসবাস কৰিছিল বুলি উল্লেখ কৰিছে। খুব সম্ভৱ ফাকেসকল অষ্টাদশ শতিকাৰ শেষৰ পিনে অসমত প্ৰৱেশ কৰিছিল। তেওঁলোকে নিজকে খুনলুংখুনলাইৰ বংশধৰ বুলি বিশ্বাস কৰে। তেওঁলোকে ফাকে মানে 'টাই ৰাজবিষয়া' বুলি চিনাকি দিয়ে (ফা=ৰজা, কে=বিষয়া)।

ফাকেসকল পাটকাই পাহাৰৰ মাজেদি প্ৰব্ৰজন কৰি আহি নামটুৰুং নাইবা টুৰুং পানী নদীৰ দাঁতিত বসবাস কৰিবলৈ লয়। সম্ভৱত টুৰুংপানী নামচিক নামৰ ঠাইৰ ওপৰত ভালেমান নিলগৰ বনাঞ্চলত। তেওঁলোক বেহাবেপাৰৰ কাৰণে সঘনাই ভৈয়ামলৈ আহিছিল আৰু অসমীয়া মানুহৰ লগত প্ৰত্যক্ষ পৰিচয় ঘটিছিল। এজন আহোম বিষয়াই ৰজাৰ অনুমতিসাপেক্ষে তেওঁলোকক আনি দিচৈ নদীৰ পাৰত বহুৱাই দিয়ে আৰু আহোম ৰজাৰ ৰক্ষণাবেক্ষণত তাতেই বহু বছৰ ধৰি বসবাস কৰে। তাৰ পাছত কোনোবা এজন আহোম বিষয়াৰ দিনত যোৰহাটলৈ তেওঁলোকক অনা হয় আৰু মানৰ আক্ৰমণৰ দিনত মানসকলে শান বংশীয়সকলক Mogkong লৈ যাবলৈ নিৰ্দেশ দিছিল আৰু ফাকেসকলে সেই নিৰ্দেশ মতে বুঢ়ীদিহিং নদীলৈকে উজাই গৈছিল আৰু তাৰ পাৰতেই থাকি গৈছিল। অৱশ্যে এইটো কথা জানিব পাৰি যে মানসকলৰ নিৰ্দেশত ফাকেসকল নামচিকলৈকে আগবাঢ়ি গৈছিল যদিও তেওঁলোকৰ খাদ্যৰ অনাটন আৰু বৰষুণৰ বতৰত পাহাৰীয়া বাট পথ পিছল হোৱাৰ হেতুকে তাৰপৰা আগবাঢ়িব নোৱাৰিলে আৰু অৱশেষত মানসকলে তাতেই ফাকেসকলক এৰি থৈ গুচি গ'ল। অৱশেষত টাইফাকেসকল ভটিয়াই আহি বুঢ়ীদিহিং নদীৰ পাৰত 'ইং থং' (এহাজাৰ ঘৰ থকা গাঁও) নামৰ গাঁও পাতি নিগাজিকৈ বসবাস কৰিবলৈ লয়। বৰ্তমানে বৰফাকে, টিপামফাকে, নামফাকে, নিগাম, লংগাও, ফানেং আৰু মানমীমুখ আদি গাঁও ডিব্ৰুগড আৰু তিনিচুকীয়া জিলাত পোৱা যায়।

থেৰাবাদী বৌদ্ধধৰ্মৰ টাইফাকেসকল ওখকৈ সজা চাংঘৰত বসবাস কৰে। ঘৰবোৰ সাধাৰণতে টকৌপাত নাইবা জেঙুপাতেৰে চোৱা। চাংঘৰৰ কাষতে চোতালৰ নিচিনাকৈ মুকলি কৰি সাজি থোৱা চাংখনতে ঘৰুৱা কাম-বন আৰু খোৱাৰ বস্তু শুকুৱাবৰ বাবে

ব্যৱহাৰ কৰে। খামতিসকলৰ দৰে নিজাকৈ ঘৰতে বৈ উলিওৱা 'ফা-নো' তেওঁলোকৰ বাবে অতি আদৰৰ। তিৰোতাসকল কঁকালত বান্ধি তাঁত বোৱাত অতি পাকৈত। ফাকে মোনা তাবে পৰিণতি। খামতি তিৰোতাসকলৰ দৰেই ফাকে তিৰোতাই মূৰত সচৰাচৰ 'ফা-হ' (পাগুৰি) মাৰি থাকে।

ফাকেসকল বিশেষকৈ কৃষিৰ ওপৰত নিৰ্ভৰশীল। খাওলাম — টোপোলা ভাত তেওঁলোকৰ মাজত সচৰাচৰ প্ৰচলিত খাদ্য। খাওলাম-বাঁহৰ চুঙাত প্ৰস্তুত কৰা খাওলাম তেওঁলোকৰ একপ্ৰকাৰৰ বিশেষ খাদ্য। কৃষিৰ পথাৰত জুতি লগাই খাব পৰাকৈ প্ৰস্তুত কৰা আৰু সিদ্ধ ব্যঞ্জনেৰে পৰিবেশন কৰা টোপোলা ভাত অতি সুখাদ্য আৰু স্বাস্থ্যানুকূল। সাধাৰণতে তেওঁলোকে ব্যঞ্জনত তেলৰ ব্যৱহাৰ নকৰে আৰু কোনো পানীয় দ্ৰব্য ঘৰত প্ৰস্তুত নকৰে।

পয়-অকোৱা, মাইকুচুম্‌ফাই, পযচাংকেন্ হ'ল তেওঁলোকৰ প্ৰধান উৎসৱ। মাইকুচুম্‌ফাই মাঘী পূৰ্ণিমাৰ দিনা পতা এটা উৎসৱ। পযচাংকেন, বসন্ত উৎসৱ। বহাগৰ গৰু বিহুৰ দিনা বুদ্ধ মূৰ্তিক বাহিৰলৈ উলিযাই গা ধুৱাই পতা পযচাংকেন্ ফাকেসকলৰ ডাঙৰ উৎসৱ। ইযাৰ বাহিৰেও পযনুনহ'ক, পযকাথিন্, পযনীন্‌চি আদিও পালন কৰে। 'খে-খ্যাং' (বিহুগীত) সমূহে তেওঁলোকৰ গ্ৰাম্যজীৱনত যথেষ্ট ভূমিকা গ্ৰহণ কৰি আছে। এই খে-খ্যাংবিলাকত সচৰাচৰ অতীত স্মৃতিৰ বৰ্ণনা অথবা সাময়িক পৰিস্থিতিৰ ঘটনাৱলীৰ বৰ্ণনা থাকে। এনেকুৱা ভালেমান অলিখিত 'খে-খ্যাং' ফাকেসকলৰ মুখে মুখে।

খে-খ্যাংবিলাকৰ উপৰিও ফাকেসকলৰ কেইপ্ৰকাৰমান লোকগীত হ'ল 'ছুই-যই', 'খাম-ম', 'খাম-লাও-লুক' আৰু 'ম-খাম'। ছুই-যই হ'ল ডেকা-ডেকেৰীয়ে গোৱা একপ্ৰকাৰৰ ধেমেলীয়া গীত। এই গীতবোৰত প্ৰেম আৰু ঘৃণা দুযোটা ভাবেই প্ৰকাশ পাব পাৰে। এইবোৰক অসমীয়া 'জোৰানাম'ৰ লগত ৰিজাব পাৰি। 'খাম-ম'বিলাক প্ৰধানকৈ কাহিনী গীত। খাম-কথা, ম'-গীত। খাম-লাও-লুক্ হ'ল নিচুকনি গীত। খাম = কথা, লাও = ওমলোৱা, লুক্ = ল'ৰা। ইপিনে 'ম-খাম' (ছা-ঐ) হ'ল ডেকা-গাভৰুৰ প্ৰেমৰ গীত। এইবোৰত কাহিনীৰ প্ৰাধান্য নাথাকিবও পাৰে। টাইফাকেসকলৰ উক্ত লোকগীতৰ উপৰিও কিছুমান লোককথা পোৱা যায। সেইবোৰৰ ভিতৰত নীতিকথা সম্পৰ্কীয় 'পু-ছুন্-লান্', সাঁথৰ সম্পৰ্কীয 'খাম্-তা', প্ৰবচন সম্পৰ্কীয 'খাম্-বা' আৰু উপদেশ সম্পৰ্কীয খাম্ ছাং-খাম্ ছুন উল্লেখযোগ্য। টাইফাকেসকলৰ মাজত প্ৰচলিত 'খাম্-তা' আৰু 'খাম্-বা'ৰ দুটা উদাহৰণ তলত দিয়া হ'ল।

'খাম্-তা'ৰ উদাহৰণ — তাই চাম্ পি মানাও
(তিনিবছৰ মৰিও পচা নাই) = অৰ্থাৎ মকৰা।

'খাম্-বা'ৰ উদাহৰণ — ফা মী মা অক্ খুন
(হাতৰ তলুৱাত নোম নোলায)।

ফা = তলুৱা
মী = হাত
মা = নঞৰ্থক
অক্ = ওলোৱা
খুন্ = নোম
(অৰ্থাৎ হাতৰ তলুৱাত নোম নোলায।)

খামতি, টুৰুং, খামযাং আৰু আইতনীয়াসকলৰ দৰেই ফাকেসকলে নিজৰ পৰম্পৰা আৰু ঐতিহ্য ৰক্ষা কৰাত অতি আগ্ৰহী। নিজাববীযাকৈ পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰি অহা সাজপোছাক, খাৱন-বোৱন, ধৰ্মীয় আচাৰ-বিচাৰৰ ক্ষেত্ৰত অতি ৰক্ষণশীল। প্ৰতিখন গাঁৱতে থকা বৌদ্ধবিহাৰবিলাকে তেওঁলোকৰ জীৱনত যথেষ্ট ঠাই আগুৰি পেলাইছে। বিহাৰবিলাক বহু ক্ষেত্ৰত গাঁৱৰ সৰু সৰু ল'ৰাছোৱালীৰ বাবে শিক্ষাৰ কেন্দ্ৰও হৈ পৰিছে। সাধাৰণতে গাঁৱৰ ল'ৰাবিলাক যৌৱনপ্ৰাপ্ত নোহোৱালৈকে বিহাৰত শ্ৰমণ হৈ শিক্ষা লোৱাটো নিযম। বিহাৰবোৰত শ্ৰমণসকলে টাইভাষাৰ পুথি-পাঁজি লেখা আৰু পঢ়িবলৈ শিকাটোও এটা বিষয হিচাপে গণ্য হয। কিযনো কোনো মানুহৰ মৃত্যু হ'লে মৃতকৰ উদ্দেশ্যে টাইভাষাত লেখা পুথি এখন বিহাৰত উপহাৰ দিযা নিযম তেওঁলোকৰো আছে। টাইফাকেসকলৰ এই পুথিবোৰক 'লিক্‌বৈ' বুলি কোৱা হয। 'লিক্' মানে পুথি আৰু 'বৈ' হ'ল উৎসৰ্গা অৰ্থাৎ উছৰ্গিত পুথি।

টাইফাকেসকল প্ৰধানকৈ দ্বিভাষী। তেওঁলোকে ফাকে বা অন্য টাইভাষী মানুহৰ লগত কথাবাৰ্তা হওঁতে টাইভাষাকেই ব্যৱহাৰ কৰে। কেৱল অন্যৰ লগত কথাবতৰা পাতিবলৈ হ'লেহে অসমীযা ভাষা ব্যৱহাৰ কৰে। অসমত থকা কেউটা টাইগোষ্ঠীযেই নিজৰ টাইভাষা যিমান সুন্দৰকৈ ক'ব পাৰে অসমীযা ভাষাও সিমান সুন্দৰকৈ ক'ব পাৰে। নামফাকে গাঁৱৰ বৌদ্ধ বিহাৰত টাইভাষাত লেখা ভালেমান পুৰণি পুথি সংৰক্ষণ কৰা হৈছে। তাহানিতে মগুৰপৰা হাতেৰে তৈযাৰ কৰা তুলাপাতত লেখা এই পুথিবোৰ অসমৰ অমূল্য সম্পদ। টাই ৰামাযণ 'লামামাং' — ইয়াৰ দুটা পাঠ পোৱা যায়। এটা ১৮৪০ খ্ৰীষ্টাব্দৰ আৰু আনটো ১৮৬০ খ্ৰীষ্টাব্দৰ। টাই মহাভাৰত 'ধম্মপুত্তম' ১৮৬০ খ্ৰীষ্টাব্দৰ ৰচনা, ইয়াৰ চাৰিটা খণ্ডৰ এটা পাঠ পোৱা গৈছে। মুঠতে ২৩৪ টাতকৈ অধিক শীৰ্ষকৰ মুঠ ৩৬৬০ খন (অন্যান্য গ্ৰন্থৰ সৈতে ৩৯১৯ খন) পুথি সংৰক্ষণ কৰা হৈছে। এইবোৰৰ আটাইতকৈ উল্লেখযোগ্য পুথি হ'ল 'ফুংজেন' (অৰ্থাৎ পৃথিৱীৰ একত্ৰিশখন সমতল)। ফুং = সমতল, জেন = তৰপ। এই পুথিত বৰ্ণনা কৰামতে কুৰিখন ব্ৰহ্মালোক, ছখন দেৱলোক, এখন মনুষ্যলোক আৰু চাৰিখন পাতাল। চাৰিখন

পাতাল হ'ল পশুৰ, অসুৰ, প্ৰেত আৰু নৰক। কম্মবাচা বা লিক্‌খাম (সোণৰ কিতাপ) অন্য এখন উল্লেখযোগ্য পুথি। এই পুথিখন সোণালী পাতৰ ওপৰত ডাঠ ক'লা ৰঙৰ আখৰেৰে লেখা এখন মনোৰম পুথি।

নামফাকে বৌদ্ধ বিহাৰত থকা টাইলিপিৰ পুৰণি পুথিৰ হিচাপ।[৫]

(১) ধৰ্মীয় গ্ৰন্থ

পুথিৰ নাম	শিৰোনামৰ সংখ্যা	মুঠ পুথি
(ক) ত্ৰিপিটক সূত্ৰ	২৬	৯৭
বিনয়	১৫	৬০
অভিধম্ম	১৭	৮০
জাতক	৫৮	৭৯০
(খ) অন্যান্য ধৰ্মীয় পুথি		
ফুংজেন		
লিক্‌খাম বা কম্মবাচা	৮০	২৪০০
কম্মথাম্		
হো-থাম		
(২) অৰ্ধধৰ্মীয় পুথি		
লামামাং (ৰামায়ণ)	২ পাঠ	৩
ধম্মপুত্তম্ (মহাভাৰত)	১ পাঠ (৪টা খণ্ড)	১ (৪টা খণ্ড)
(৩) নীতি শিক্ষা পাঠ		
বুৰঞ্জী, হিতোপদেশ আদি	৩২	২২৬
	২৩৪	৩৬৬০

টাইফাকেসকলৰ নামৰ আগত ল'ৰা আৰু ছোৱালীভেদে ভিন ভিন শব্দৰ প্ৰযোগ মন কৰিবলগীয়া। প্ৰথম ল'ৰা সন্তানক বুজাবৰ বাবে 'আই' আৰু দ্বিতীযজনক বুজাবৰ বাবে 'ঙি' আৰু তৃতীযজনক বুজাবৰ বাবে 'চাম' নামৰ আগত প্ৰয়োগ হয। তেনেকৈ ল'ৰা আৰু ছোৱালী ভেদে প্ৰযোগ কৰা ভিন্ন শব্দবোৰ তলত উল্লেখ কৰা হ'ল।

প্ৰথম ল'ৰা 'আই'	প্ৰথম ছোৱালী 'যে'
দ্বিতীয " 'ঙি'	দ্বিতীয " 'ই'
তৃতীয় " 'চাম'	তৃতীয " 'আম'
চতুৰ্থ " 'চাযে'	চতুৰ্থ " 'আঃঈ'

৫ A K Gohain ৰপৰা প্ৰাপ্ত

পঞ্চম ” ‘ঙো’ পঞ্চম ” ‘ওঃক’
ষষ্ঠ ” ‘নুক’ ষষ্ঠ ” ‘এ’ত’
সপ্তম ” ‘নাক’ সপ্তম ” ‘আত’
অষ্টম ” ‘অ’আত’

টাইফাকেসকলৰ আঠোটা স্বৰবৰ্ণ পোৱা গ'লেও হ্ৰস্ব দীৰ্ঘ অনুসৰি মুঠতে ষোলটা স্বৰবৰ্ণ উচ্চাৰণত পোৱা যায়। অৱশ্যে পৰম্পৰাগত আখৰ হিচাপে তেওঁলোকৰ ওঠৰটা স্বৰ বুলি ধৰা হয়। স্বৰবৰ্ণসমূহৰ হ্ৰস্ব দীৰ্ঘৰ পাৰ্থক্য থকাৰ লগতে সুৰ আৰু শ্বাস বহন কৰাৰ ক্ষমতাও আছে। উল্লেখযোগ্য যে টাইফাকে ভাষাটো সুৰপ্ৰধান (tonal) ভাষা। ভাষাটোৰ স্বৰবৰ্ণসমূহ তলত দিয়াৰ দৰে উচ্চাৰণ হয়।

	প্ৰান্তীয়		কেন্দ্ৰীয়		পশ্চ	
উচ্চ	হ্ৰস্ব		হ্ৰস্ব	দীৰ্ঘ	হ্ৰস্ব	দীৰ্ঘ
	ই	ইঃ	আী	আীঃ	উ	উঃ
উচ্চ-মধ্য	এ	এঃ			ও	ওঃ
নিম্ন-মধ্য					অ’	অ’ঃ
নিম্ন			আ	আঃ	অ	অঃ

স্বৰবৰ্ণসমূহৰ প্ৰয়োগ

ই	লিন্	জিভা	পি	ছোৱালী
আী	খী	দাঁত	মী	হাত
উ	ঙু	সাপ		
এ	মে মী	বুঢ়া আঙুলি	খে	নদী
ও	চোপ্	ওঁঠ	ঙো	গৰু
				উঁই, কুঁহিয়াৰ
অ’	হ’ন্	ঘৰ	ক’ন্	মাৰলি
অ	খ	ডিঙি	অন্	সৰু
আ	কাঙ্	থুতৰি	আইঙ্ এঙু	কলহ

সুৰ ঃ সুৰৰ ওপৰত ভিত্তি কৰি একোটা শব্দৰে ভিন ভিন অৰ্থ হ'ব পাৰে। স্বৰৰ হ্ৰস্ব-দীৰ্ঘৰ কথা বাদ দি পাঁচোটা সুৰ লক্ষ্য কৰা যায়। টাইফাকে ভাষাত উদাত্ত (High), অনুদাত্ত (Low), স্বৰিত বা সম (Mid or Level), উদাত্ত-উন্নত (High Rising), অনুদাত্ত-অৱনত (Low Falling) এইকেইটা সুৰ লক্ষ্য কৰিব পাৰি। এই সুৰবিলাক

আকৌ কেতিযাবা মুক্ত (open) নাইবা বদ্ধ (close) হ'ব পাৰে। তলত সুৰবোৰৰ উদাহৰণ দেখুওৱা হ'ল।

খাও[১]	ভাত
খাও[২]	জোকাৰি দিয়া, বগা
খাও[৩]	শিং
খাও[৪]	সোমোৱা
খাও[৫]	তাঁতৰ ব
ফা[১]	খেৰ
ফা[২]	আকাশ
ফা[৩]	দা
ফা[৪]	ফলা (খৰিফলা)
ফা[৫]	কাপোৰ
নাম[১]	পতাকা
নাম[২]	পানী
নাম[৩]	কাঁইট
নাম[৪]	সৰহ-পৰিমাণ
নাম[৫]	ক'লা

ব্যঞ্জন : টাইফাকে ভাষাত ১৬ টা ব্যঞ্জন পোৱা যায়। সঘোষ ব্যঞ্জনৰ প্ৰাধান্যৰ অভাৱ ভাষাটোৰ লক্ষণীয় বিষয়। কণ্ঠ স্পৰ্শধ্বনি (glottal stop) এটাও পোৱা যায় যিটো ব্যঞ্জনৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। তলত ভাষাটোৰ ব্যঞ্জনৰ তালিকা এখন দিয়া হ'ল।

		দ্বৌষ্ঠ্য	দন্ত মূলীয়	তালব্য	কণ্ঠমূলীয়	কণ্ঠ্য
স্পৰ্শ	অল্পপ্ৰাণ	অঘোষ	অঘোষ সঘোষ		অঘোষ সঘোষ	অঘোষ
		প	ত		ক	সঘোষ
	মহাপ্ৰাণ	ফ	থ	শ	খ	ʔ
প্ৰবাহ	ঘৃষ্ট		চ			
	নাসিক্য	ম	ন		ঙ	
	পাৰ্শ্বিক		ল			হ
	অৰ্ধস্বৰ	ৱ		য়		

টাইফাকে ভাষাৰ প্ৰতীপ বা বিৰোধ বিচাৰ তলত কৰি দেখুওৱা হ'ল। কলন (ঃ)-চিনটোৰে মাজত বিৰোধ সূচাইছে।

(ক) ক ঃ খ ঃ চ ঃ ন ঃ প ঃ ফ ঃ ল। বিৰোধৰ অভিন্ন পৰিবেশ - আ।

উদাহৰণ

কা	কঠীয়া
খা	খেৰ
চা	জখলা
না	পথাৰ
পা	মাছ
ফা	বেৰ
লা	গাধ

(খ) অভিন্ন পৰিবেশ -আও। বিৰোধ ক ঃ খ ঃ চ

কাও	কেঁচা
খাও	ভাত
চাও	খুটা

(গ) অভিন্ন পৰিবেশ -ই। বিৰোধ ন ঃ প ঃ ত ঃ ব ঃ ম

ণ্ডি	হৰিণ
পি	বাইদেউ, বছৰ
তি	ঠাই
বি	বিচনি
মি	ভালুক

(ঘ) অভিন্ন পৰিবেশ -আই। বিৰোধ ম ঃ ফ ঃ থ

নাই	কুঁৱলি
ফাই	জুই
থাই	নাঙল

(ঙ) অভিন্ন পৰিবেশ -ইন্ । বিৰোধক ধ্বনি ল ঃ হ

লিন্	জিভা
হিন্	শিলগুটি

(চ) অভিন্ন পৰিবেশ -আন। বিৰোধক ধ্বনি হ ঃ প ঃ ৰ

হান্	ৰাজহাঁহ

শান্	চাঙ্
ৰান্	ৰাতি

(ছ) অভিন্ন পৰিবেশ -উ/-আ। বিবোধক ধ্বনি ম ঃ ন ঃ ঙ

মু/মা	হাত
নু	এন্দুৰ
ঙু	সাপ

(জ) অভিন্ন পৰিবেশ -এ । বিবোধক ধ্বনি ম ঃ য়

মে	মাইকী জন্তু
য়ে	ওঁৰাল ঘৰ

(ঞ) Glottal Stop ঃ

পা ঃ লে	বাৰাণ্ডা
নাই ঃ	মুগা

কোনো বস্তুৰ আকৃতি, প্ৰকৃতি নাইবা স্বৰূপটো নিৰ্দিষ্টকৈ বুজাবলৈ টাইফাকে ভাষাত সাতোটামান নিৰ্দিষ্টবাচক প্ৰত্যয় ব্যৱহাৰ কৰা হয়।

-কো	কুন খামকো	তিনিজন মানুহ
-নাই	ফানাই	বেৰখন
-হোই	হোই মাক্‌মু	তামোলটো
-মাই	ফা মাই	দাখন
-শীন্	শাই-শীন্	ৰচিডাল
-লাম্	মাই শামলামুনং	বাঁহডাল (কটা বাঁহ)
-ভুন্	মাই শাম্‌ভুন	বাঁহডাল (থিয় বাঁহগছ)

অসমীয়া ভাষাত ব্যৱহৃত হোৱা দুটা স্বাৰ্থিক প্ৰত্যয়-হি আৰু -গৈ। এটা নিকটাৰ্থক আৰু আনটো দূৰত্বজ্ঞাপক। টাইফাকে ভাষাতো এই দুযোটা অৰ্থ বুজাবৰ বাবে যথাক্ৰমে -মা আৰু -কা প্ৰত্যয় ক্ৰিয়াৰ লগত যোগ কৰা হয়। উদাহৰণ —

-মা	খিংমা	পালেহি
-কা	খিংকা	পালেগৈ

টাইফাকে ভাষাটোৰ কালবিশেষে ক্ৰিয়াৰ ৰূপ আৰু ব্যক্তিবোধক সৰ্বনামৰ স্বৰূপটো বুজিবৰ বাবে তলত ধাতু এটাৰ ৰূপ কৰি দেখুওৱা হ'ল।

√কা = √যা

বৰ্ত্তমান কাল

	একবচন		বহুবচন	
১ম পুৰুষ	কাউ কা	মই যাওঁ	হাউ কা	আমি যাওঁ
২য় পুৰুষ	মেই কা	তুমি যোৱা	চু কা	তোমালোক যোৱা
৩য় পুৰুষ	মান কা	সি/তাই যায়	খাউ কা	তেওঁলোক যায়

অতীত কাল

	একবচন	বহুবচন
১ম পুৰুষ	কাউ কামা	হাউ কামা
	মেই কামা	চু কামা
	মান কামা	খাউ কামা

অৱশ্যে কথিত ৰূপত 'কাউ কামা' বুলি ক'লেও লেখিত ৰূপত 'কাউ কামা জাউ' বুলিহে লেখা হয়। মা- আৰু মে-ভাষাটোৰ নঞৰ্থবাচক প্ৰত্যয় নঞৰ্থ বুজাব লগা শব্দৰ আদিত যোগ হয়। উল্লেখযোগ্য যে কথিত ৰূপত তাচা, মাচা আদি উচ্চাৰণ হ'লেও লেখিত ৰূপত তাক্‌চা, মাওচা আদিকেহে লেখা হয়।

তাক্ চা	তাচা	কিনিম
মাও চা	মাচা	নিকিনিম
	ফে	মেলা, খুলি দিয়া
	মেফে	নেমেলা
	ফে পুত	দুৱাৰ মেলা
	মা পুত	দুৱাৰ নেমেলা

বহুবচন অৰ্থ বুজাবৰ বাবে জীৱ আৰু জড় পদাৰ্থ নিৰ্বিশেষে -খাউ প্ৰত্যয় শব্দৰ পাছত যোগ হয়। উদাহৰণ —

লুক্ খাউ	ল'ৰাবোৰ

কেইটামান বাক্যৰ নমুনাই ভাষাটোৰ বাক্যৰ গঠনটো দাঙি ধৰিব —

(ক) আম্মু হেত্ নিনি	কামটো ভালকৈ কৰিবি
	(আমু—কাম, হেত—কৰ, নিনি—ভাল)
(খ) কাউ কিন্ খাও	মই ভাত খাই আছোঁ,
	(কাউ—মই, কিন—খোৱা, খাও—ভাত)
(গ) কাউ খুকনি কিন্	মই খাব লাগিছিল

(ঘ) গীতা ফাত্ লিক্ — গীতাই পঢ়ে (ফাত্—পঢ়া, লিক্—কিতাপ)

(ঙ) লুক অন্ নি তান্ মান — ভাল ল'ৰাই সঁচা কথা কয়

(লুক অন্—ল'ৰা, নি—ভাল, তান—সঁচা, মান—কয়)

টাইফাকে ভাষাটোৰ সংখ্যাবাচক শব্দ, বাৰৰ নাম, মাহৰ নাম, আদি স্থানান্তৰত ভগ্নীভাষাৰ সৈতে তুলনামূলকভাৱে উপস্থাপন কৰা হৈছে। উল্লেখযোগ্য যে টাইফাকে ভাষাটোৰ নিজা লিপি আছে আৰু লিপিৰ ধৰুৱা চৰ্চাও আছে। ওপৰত উল্লেখ কৰি অহা হৈছে যে মৃতকৰ বাবে টাইফাকে লিপিত লেখা তুলাপাতৰ পুথি বিহাৰবোৰলৈ দিয়াটো এটা ধৰাবন্ধা নিয়ম। এনে লিপিত লেখা ভালেমান গ্ৰন্থ বিহাৰবোৰত সংৰক্ষণ কৰা হৈছে। টাইফাকেসকলৰ লিপি মূল টাই আহোমসকলৰ লিপিৰে নামান্তৰ মাত্ৰ। ফাকে লিপিটো বৃত্তাকাৰী আৰু টাই আহোম লিপি কৌণিকাকাৰী। স্থানান্তৰত তুলনামূলকভাৱে টাইফাকে লিপিৰ নমুনা দিয়া হৈছে। তলত টাইফাকে লিপিৰ বাৰেমতৰা সংযোগৰ উদাহৰণ দিয়া হৈছে।









শব্দ :-

ক	কাঙ্	থুতবি
	কাম্	ধবা
	কাম তিকাঙ	থুতবিত ধবা
	কা য়া	গৈছোঁ
	কংনং	কলাফুল
	কাই	কুকুবা
	কা	নিমখ
	কান্‌নাও	বৈঠক কোঠা, বাহিবৰ কোঠা
	কানুনত্র্য	ভিতবব
	কাঙ	বিহাব (বৌদ্ধ বিহাব)
	ক্যাঙ্কু	পেঁওদা
	কু	খাঁট, পালেং
	কুং,	বোকা
	কম	মাখলি
	কাপ্	কামি
	কাইলাও	পাউডাব

	কাঃ ই	দুব
	কাঃ উ	খেঁচা
	কুপ্	জালি
	কাঙ্	এবিধ চিকাৰৰ সঁজুলি, কেটেপা
	ক'ই	কল
	কুই	কপাহ
	কা'	কঠীয়া
	কা'	নচা
	কাঁঃ	বোৰা
	ক্যাঙ্‌বান্	দিন
	ক্যাঙ্‌খ্যম্	ৰাতি
	ক্যাঙ্‌নাএ	ৰাতিপুৱা
	ক্যাঙ্‌খলি	মাজনিশা
	ক্যাচ'প্‌পতে	বৃহস্পতিবাৰ
	কান্	বিৰিয়া
	ক্যাঙ্‌চম্	উখুন
	কাউ	মই
	কুঙ্‌কক্	চেবেকী
খ	খ্যউ	দাঁত
	খ্যউ ভু	গৰুৰ দাঁত
	খ'	শুকুৰা
	খ'	কোৰ
	খ'	ডিঙি
	খ'	অজীৰ্ণ-পাতকী
	খ' মু	আঙুলিৰ পাব
	খাই ক্যাহ	কুকুৰাৰ কণী
	খাই প্যেত	হাঁহৰ কণী
	খাও নউঙ্	বৰাভাত
	খাকাই	জুইশালৰ চাঙ
	খিঙ্	চাঙ
	খ'ন্'	ধোঁৱা
	খ'ন্'	লাঠি

	খ'ন্৩	বমহোৱা
	খা	শেষ
	খিবিকি	খিৰিকি
	খ'হ্	ডুলি
	খুঙ্	চালনি
	খাও১	ভাত, ধান
	খাও২	জোকাৰি দিয়া
	খাও৩	সোমোৱা
	খাও৪	তাতৰ ব সূতা
	খাও৫	বগা
	খাও৬	শিৰ
	খাওমুন	ভঁজা চাউল
	খাওলাম্	চুঙাভাত
	খ্যপ্‌তিন্	জোতা
	খন্	কুঠাৰ
	খাই	ম'হ (জন্তু)
	খাম্‌চি	সিংহ
	খে	জাল
	খামাই	গছৰ ডাল
	খুনটাঙ্	আলি
ঙ	ঙ'	গৰু
	ঙু	সাপ
	ঙ'থুক্	মতাগৰু
	ঙাক্	ঘৰিয়াল
	ঙাউহ'ম্	হাঁ
চ	চাওক্	কিলাকুটি
	চ্য	বাঘ
	চ্যঙন্‌চিন্	গোৰোহা
	চা (tea)	চাহ
	চানেই	চাহপাত
	চেনি	চেনি

	চান (tsan)	চাঙ
	চেক্ (tsek)	জোখা (যেনে ঃ আলিৰ জোখা)
	চাত্ (tsut)	আঁঠুৰা
	চাও	খুটা
	চাও মাইচাঙ্	বাঁহৰ খুঁটা
	চুপ্তু	দুৱাৰ
	চিন (tsin)	মেখেলা
	চা	চোলা
	চাউঙ্	মোখোৰা
	চিনত্	বন্দুক
	চ'পক্যা	শুক্ৰবাৰ
	চাও	বিশ
	চাউঙ্	দুই
	চাওএত্	একৈশ
	চাম্চিপ্	ত্ৰিশ
	চিচিপ্	চল্লিশ
	চিচিপ্ন্যোং	একচল্লিশ
	চ্যোতচিপ্	সত্তৰ
ত	তাপ্খা ঃ	কৰঙণ
	তাওঁ	পেট
	তুংপ্	ঘৰৰ টুপ
	তুপ্	পানীৰে ভৰি যোৱা
	তাও[1]	ছাই
	তাও[2]	মাকো
	তাও[3]	অহা
	তাও[4]	কাহ
	তেন্চেক্	আলিৰ জোখা
	তি	ঠাই
	তিতে	বাকচ
	তোম্	পেৰা
	তিপাত্ফা	ঠাই আঁৰি থোৱা কাপোৰ (কাপোৰ থোৱা ঠাই)

	ত'ংকা	চকী
	ত'ংকাবাই	বেতৰ চকী
	ত'ংকো	টকৌপাত
	তুন্‌মাই	গছ
	তুন্ মাই অন্	গছৰ পুলি
	তুন্‌কই	কলগছ
	তুন্‌প'থি	আঁহত গছ
	তুন্‌কই চাঙ্‌ফ'	অমিতা গছ
	তেনাংলা	সোমবাৰ
	ত'নাঙ্‌নই	দেওবাৰ
	তিন্	ভৰি
	তাকা	যোবা
	তি-পাম্	বলিদিয়া ঠাই
	ত'মহাং	উঘা
থ	থুনাইং	দাইল
	থুং	মোনা
	থাই	নাঙল
	থুক	মতা
	থুঃথেপ্	উৰহী
ন	নাঙ্[১]	ছাল
	নাঙ[২]	বহা
	নিউ-মী	আঙুলি
	নিউ-চি	তৰ্জনী আঙুলি
	নিউ-চয়	কনিষ্ঠা আঙুলি
	নেত্ মী	নখ
	নেত্ চা	বাঘৰ নখ
	নেত্-তিন্	ভৰিৰ নখ
	নাম্‌নেই	চাঁহপানী
	নাম্‌ওই	গুৰ
	নাম্‌মান্	মিঠাতেল
	নাম্‌লোম্	গাখীৰ

নাম্‌তাও	লোটা
ন'ংকায়াহি	কাঠৰ চকী
ন'ছু	ডলা
ন'উ	পুখুৰী
নাম্‌নাত্	গৰম পানী
নাম্‌কাত্	চেঁচা পানী
না১	পথাৰ
না২	মুখ
না৩	কাজিয়া
নাই১	কুঁৱলী
ন্নাই২	মুগা
নু	এন্দুৰ
নি	হৰিণ
নালীঃ	খড়ী
ন'মাক্	চিয়াঁহি
নাম্১	পতাকা
নাম্২	পানী
নাম৩	কাঁইট
নাম৪	সৰহ পৰিমাণ
নাম৫	ক'লা
নউ	গজালি
ন'ই	পাহাৰ
নাউং	মাছমৰা বিল
নাউ১	তৰা
নাউ২	চেঁচা
নাঃই	নিয়ৰ
নান্	মাহ (এমাহ, দুমাহ)
নান্‌চেঙ্	পুহ
নান্‌কাম্	মাঘ
নান-চাম্	ফাগুন
নান্‌চি	চ'ত
নান্‌হা	বহাগ

	নীন্‌হুক্‌	জেঠ
	নীন্‌চ্যেত	আহাৰ
	নীন্‌প্যেত	শাওণ
	নীন্‌কাও	ভাদ
	নীন্‌চিপ্‌	আহিন
	নীন্‌চিপেত্‌	কাতি
	নীন্‌চিপ্‌চাম্‌	আঘোণ
	নী	মাংস
প	পা[১]	মাছ
	পা[২]	আপাদেউ
	পা হাইং	শুকান মাছ
	পেন্‌তাং	পীৰা
	পা'লে	বাৰাণ্ডা
	পুংপিয়াও	দীঘল পেন্ট
	পুংপিলত্‌	চুটি পেন্ট
	পাত্‌ চাই	ল'ৰা
	পাত্‌ চাই	মতা
	পি[১]	মাইকী
	পি[২]	কলম
	পি[৩]	বাইদেউ
	পি[৪]	বাঁহী
	পি[৫]	বছৰ
	পাথাপ্‌	গোলাপ ফুল
	পাকান্‌মাউং	ফুলকবি
	প্লাউ	পিঁয়াজ
	পই	মালা
	পুথু	বুধবাৰ
	প্যেত্‌চিপ	আশী
	পাক্‌নাং	এলা
ফ	ফামা	হাতৰ তলুৱা
	ফাঁছ্‌	ফলা

	ফাক্মিত	দাৰ ফাঁক
	ফেতং	পিতলৰ কাঁহী (তং = পিতল)
	ফে মা	চিনামাটিৰ কাঁহী
	ফ'ক	চাবি
	ফ'কপং	পাতিদৈৰ চাবি
	ফ'কৰাই	বেতৰ চাবি
	ফাঙ্ফাই	জুইশাল
	ফাইত্যেক্	ফিৰিঙতি
	ফাচা	বিছনাচাদৰ
	ফাং	চিপৰাং
	ফ্যুক্নাম্	নদীৰ পাৰ
	ফা-ফুন্	বৰষুণ
	ফানুং	ধুমুহা
	ফাম্যেপ	বিজুলী
	ফা ফা	বজ্রপাত
	ফাইথাম্	আবেলি
	ফুত্	উতলা
	ফুম্	বাঁচ (তাঁত বোৱা সঁজুলি)
	ফাইমাই	জুইয়ে পোৰা
ম	মিয়াং/ম্যাং	নাই
	মা	হাত
	মা পাখা	সোঁহাত
	মা পাচাই	বাওঁহাত
	মে মা	বুঢ়া আঙুলি
	মখাও	ভাতৰ চৰু
	মিখ্যো	জুইশলা
	মক্ষিত্	জলকীয়া
	মান্	আলু
	মান	কেট্‌লি
	মিট্	কটাৰী, দা
	ম'ক্ পাউফাই	(জুই) ফু চুঙা
	মান্ তাপ্	মণ্ডপ

	ম'নহো	গাৰু
	মেইখে থাও	ঢেঁকীৰ বাচনি মাৰি
	মাল্	আইনা
	ম'ই	মৈ
	মেই	মাইকী, পৰিবাৰ
	ম'ত্¹	পৰুৱা
	ম'ত্²	শেষ হোৱা
	মেঙ্মুন্	মাখি
	ম্যনিন্	শিয়াল
	মি	ভালুক
	মাঙ্নিন্	কেন্টেপাণ্ডটি
	মাত্	বৰশী
	মেচাঙ্	বাঁহ
	মাঙ্মাই	গছৰ ফল
	মুক্যা	ফুল
	মুক্মৌ	পদুম
	মাঙ্মু	তামোল
	মাউন্	নাৰিকল
	মালিউ	নেমুটেঙা
	মামুঙ্	আম
	মুঙ্খাম্	লিচু
	মাঁক	বিলাহী
	ম্যেখী	বেঙেনা
	মানাংবান্	নাচপতি
	মাহানক্	মাটিকঁঠাল
ব	বি	বিচনি
ল	লিন্	জিভা
	লিন্কায়ে	আলজিভা
	লিন্ভাও	বুকুৰ খাল
	লাংখা	ঘৰৰ চাল
	লা	গাধ

	লাংতা	শগুণ
	লাকা	কাউৰী
	লালিং	বান্দৰ
	লাম্মাই	গা-গছ
	লোপচিং	এন্ধাৰ
	লান্	লাখ
	লুকত্ৰান	দ'বা
	লোত্মাই	মহবা
	লো মাই	সূতাৰ নেছ
	লাও কাউ	মোৰপৰা
	লাও হাউ	আমাৰপৰা
ৰ	ৰান	বাটি
	ৰিহো	ফণি
	ৰাই	বেত
শ	শ্যতাঙ্	বৰপীৰা, মেজ
	শ্যান্	চাঙ
	শেক্	জোৰা (যেনে — আলিৰ জোৰা)
	শাত্	আঠুৱা
	শিন্	মেখেলা
	শাওঁ	ছাটি
	শুন্ মুক্যা	বাগিচা
	শুক্	থিয় হোৱা
	শাউনান্মাত্ৰ	চন্দ্ৰ
	শ'ম্রেই	শনি
	শাপ্	বিষ
	শাকাউ	মোক, মোলৈ
	শাহাউ	আমাক, আমালৈ
	শুং	গাঁড
হ	হোং মা	কান্ধ
	হাকাঃ	ভঙা
	হোখাও	আঠুমূৰ

	হ'ন্	ঘৰ
	হ'ন অন	পঁজা
	হেতা	হেতা
	হাইং	শুকান
	হ'ন হাঙ্	ঘৰৰ চাঙ্
	হ'নঙু	গোহালি
	হোক্	তাঁতশাল
	হি'ম্না	ধানখেতি
	হোপ্তাঙ্	নমস্কাৰ
	হান্	ৰাজহাঁহ
	হাঙ্ মু	গৰুবাৰ বাঁহ
	হা'মাই	গছৰ শিপা
	হই[১]	গুটি
	হই[২]	জুৰি
	হিন্	শিলগুটি
	হুন'ই পুক্	টিলা
	হুংকিন্ নাম্	ৰামধেনু
	হাচিপ্	পঞ্চাশ
	হাচিপ্নুং	একাবন্ন
	হক্‌চিপ্	ষাঠি
	হিং	হাজাৰ
	হক্লাই	জখলা
য়	য়ে	ভঁৰাল ঘৰ
	য়াথাও	বুঢ়ী আইতা, আথাও
	য়ালাংখেত্	ঢেঁকুলী
	য়ুন্	মহ, দাঁহ
	য়াং	আছে
	য়াউম্	ধপাত

২.৫ টুৰুং বা টাইৰুং ঃ

অসমত পোৱা টাইসকলৰ অন্য এটা প্ৰধান ভাগ হ'ল টুৰুং বা টাইৰুং। বহুতো সময়ত টাইৰুং শব্দটো টাইলুং বুলিও কোৱা দেখা যায়। টুৰুংপানী নামৰ নৈৰ দাঁতিত বসবাস কৰা কাৰণে টুৰুং নামটো হোৱা বুলি তেওঁলোকে ভাবে। অন্যহাতেদি টাইৰুং বা টাইলুং শব্দটোৰ আকৌ অন্য এটা অৰ্থ পোৱা যায়। টাই শব্দটোৰ অৰ্থ হ'ল টাই জাতি আৰু লুং শব্দটোৰ অৰ্থ হ'ল 'ডাঙৰ'। গতিকে বিৰাট টাইসকলৰ এটা অংশ হিচাপে তেওঁলোকে গৌৰৱবোধ কৰে। উত্তৰ বাৰ্মাত বসবাস কৰা টাইসকলক একে অৰ্থতে টাইলুং বুলিয়েই জনা যায়। থেৰাবাদী হীনযানী বৌদ্ধধৰ্ম অৱলম্বন কৰা টুৰুংসকল প্ৰধানকৈ কৃষিজীৱী আৰু পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখা সুন্দৰ চাংঘৰত তেওঁলোক বসবাস কৰে। খামতি, ফাকে, আইতনীয়া আৰু খাময়াংসকলৰ দৰেই বিশেষভাৱে ঘৰতে বৈ উলিওৱা বিশেষ ধৰণৰ ৰঙৰ 'বুকা' পৰিধান কৰে। তিৰোতাসকলে ঘৰতে বৈ লোৱা আৰু গছৰপৰা ৰং উলিয়াই ক'লা কৰি লোৱা 'ম্বাবু' (মেখেলা বিশেষ), 'নুমবত্' (ৰিহা বিশেষ), 'বাঁং মুকাই (তিৰোতাৰ পাগুৰি), 'ম্বাপাই' (চাদৰ বিশেষ) পৰিধান কৰে আৰু পুৰুষসকলে 'বুকা' আৰু 'ফুম্‌বাম্' (পাগুৰি) পৰিধান কৰে। তিৰোতাসকলে সচৰাচৰ 'বাঁং মুকাই' আজিকালি পৰিধান কৰিবলৈ এৰি দিলেও 'চিংকেত্' হ'লে মাৰে। 'চিংকেত্' হ'ল এবিধ কঁকাল মৰা। টুৰুং পুৰুষসকলৰ বাবে ঘৰতে বৈ উলিওৱা পৰম্পৰাগতভাৱে পৰিধান কৰা বুকা'খন বিশেষভাৱে আদৰৰ আৰু অতি সন্মানৰ পোছাক। 'বুকা' ঘৰুৱা জীৱনত পিন্ধাৰ উপৰিও গাঁৱৰ বাহিৰৰ দূৰ ঠাইলৈ বা নগৰ আদিলৈ গ'লেও পৰিধান কৰি যোৱাটো তেওঁলোকৰ বাবে অতি গৌৰৱৰ কথা। সচৰাচৰ সকলো অৱস্থাতে সেই 'বুকা' পৰিধান কৰে। টুৰুংসকলৰ অৰ্থনৈতিক অৱস্থা মধ্যমীয়া আৰু কৃষিভিত্তিক।

নগা পাহাৰৰ দাঁতিয়ে দাঁতিযে বিভিন্ন অঞ্চলত বসবাস কৰা টুৰুংসকলৰ ছখন গাঁৱত প্ৰায় দুশঘৰ মানুহত কমেও দুহাজাৰ মানুহ বসবাস কৰে। টুৰুং আৰু খাময়াংসকলক প্ৰায় ঠাইতে ওচৰা-উচৰিকৈ একেলগে বসবাস কৰা দেখা যায়। এই দুযোটা সম্প্ৰদায়ৰ মাজত ঘনিষ্ঠতাও সকলো পিনৰে পৰাই অধিক। যোৰহাট জিলাত তিনিখন টুৰুং গাঁও পহুকটীয়া, পথাৰশ্যাম আৰু টিপমীয়াৰ দাঁতিতে অন্য তিনিখন খাময়াং গাঁও নশ্যাম, বালিজান শ্যাম গাঁও আৰু বেতবাৰী শ্যাম গাঁও পোৱা যায়। আন তিনিখন টুৰুং গাঁও গোলাঘাট মহকুমাত পোৱা যায়। তাৰে দুখন সৰুপথাৰত আৰু এখন বৰপথাৰত। সৰুপথাৰৰ টুৰুং গাঁও দুখন হ'ল ১নং ভেলেং টুৰুং গাঁও আৰু নাওজান বালিপথাৰ টুৰুং গাঁও। দৰচাপথাৰ টুৰুং গাঁও বৰপথাৰৰ অন্তৰ্গত। এইবোৰ গাঁৱৰপৰা ইতিমধ্যে বহুতো লোক টিৰাপৰ দাঁতিত থকা বৰডোম্‌চাৰ গিদিং পথাৰলৈ প্ৰব্ৰজন কৰিছে। গোলাঘাট জিলাত টুৰুং, আইতন আৰু খাময়াংসকলৰ বসবাস ওচৰা-উচৰিকৈ পোৱা যায়।

টুৰুংসকল দ্বিভাষী। ঘৰুৱা জীৱনত আৰু টুৰুংসকলৰ লগত কথাবাৰ্তা হওঁতে নিজা টাই টুৰুং ভাষা প্ৰয়োগ কৰে আৰু অন্যৰ লগত হ'লে অসমীয়া ভাষা প্ৰযোগ কৰে। টুৰুংসকল মূলতে টাইগোষ্ঠীৰ হ'লেও টাই-টুৰুং ভাষাটো বহু পৰিমাণে অসমত পোৱা আনকেইটা টাইভাষাতকৈ বেলেগ। বহুতো ক্ষেত্ৰত শব্দৰ মিল থাকিলেও বেছিভাগ শব্দ অন্যান্য ভাষাৰ লগত মিল থকা। বিশেষকৈ মণিপুৰী ভাষাৰ লগত মিল থকা বহুতো ৰূপ দেখা যায়। মণিপুৰী ভাষাত 'মই ভাত খাওঁ' বাক্যটো 'আই চাক্‌চাৰে' কিন্তু টুৰুংসকলৰ ভাষাত 'ঙাই চাত্‌চা'। টাইভাষাৰ শব্দ থাকিলেও চিংফৌ, মণিপুৰী, বাৰ্মা ভাষাৰ যথেষ্ট সংখ্যক শব্দই ভাষাটো অসমৰ আনকেইটা গোষ্ঠীৰ টাইভাষাৰপৰা সুকীয়া কৰি পেলাইছে। টাইভাষাৰ বৃত্তাকাৰী লিপিটো তেওঁলোকে লেখাৰ লিপি হিচাপে ব্যৱহাৰ কৰে। কোনো লোকৰ মৃত্যু হ'লে টাই লিপিৰে লেখা পুথি এখন বিহাৰত দান কৰাটো তেওঁলোকৰ পৰম্পৰাগত প্ৰথা। এনেকুৱা অজস্ৰ পুথি গাঁৱৰ বৌদ্ধ বিহাৰবোৰত সংৰক্ষিত হৈ আছে।

টুৰুংসকল এটা উৎকৃষ্ট লিপি আৰু সাহিত্য থকা ভাষাৰ উত্তৰাধিকাৰী হ'লেও শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে পাছপৰা। চৰকাৰী হিচাপত তেওঁলোক অন্যান্য পাছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত। পৰম্পৰাগত ধৰ্ম, ভাষা আৰু সংস্কৃতি সংৰক্ষণৰ বাবে তেওঁলোক অতি আগ্ৰহী। বৌদ্ধধৰ্মৰ পঞ্চশীল, দশশীল নীতিৰ উপৰিও সপ্তপৰিহানী নীতিৰে গৰকা টুৰুংসকলৰ জীৱনত বৌদ্ধ ভিক্ষুজন অতি সন্মানীয় আৰু পূজনীয়। সাধাৰণতে কোনো লোকৰ মৃত্যু হ'লে পুতি থোৱা বা পুৰি পেলোৱাটো নিয়ম। কিন্তু কোনো ভিক্ষু পৰগামী হ'লে তেওঁক যথাযথ নিয়ম কৰি পুতি থোৱা হয় আৰু বৌদ্ধ ধৰ্মৰ বিভিন্ন মানুহৰ উপস্থিতিত এটা বছৰৰ পাছত তেওঁৰ মাংসহীন জঁকাটো মাটিৰ তলৰপৰা উলিযাই আনি 'ৰথযাত্ৰা' কৰা হয়। আৰু ৰথৰ ওপৰতেই এটা অভিনৱ পদ্ধতিৰে এডাল দীঘল বেতৰ এটা মূৰত জুই জ্বলাই ততালিকে জুই জঁকা পোৱাকৈ তেওঁলোকৰ পৰম্পৰাগত কৌশল প্ৰযোগ কৰি জঁকাটো জ্বলাই দিযা হয়।

খাওমুন্ (পিঠা), খাওলাম (চুঙাপিঠা, চুঙাভাত) আদি প্ৰিয খাদ্যৰূপে ব্যৱহাৰ কৰি অহা টুৰুংসকলৰ বিযাবাৰু আযতনীযা, খামযাং আৰু আহোমসকলৰ লগত কোনো বাধা নোহোৱাকৈ হ'ব পাৰে। অসমৰ অন্য টাইগোষ্ঠীকেইটাৰ দৰে টুৰুংসকলে কেইবাটাও উৎসৱ উদ্‌যাপন কৰে। তাৰ ভিতৰত পয অকোৱা, পযচাংকেন, মাইকুচুম্‌ফাই, ফ্ৰানুপয আৰু পযনীন্‌চি উল্লেখযোগ্য। মাইকুচুম্‌ফাই মাঘীপূৰ্ণিমাৰ দিনা পতা এটা উৎসৱ। অসমৰ অন্যান্য লোকৰ দৰে তেওঁলোকে পুহৰ সংক্ৰান্তি দিনা মেজি সাজি বিহু নাপাতে। কিন্তু মাঘীপূৰ্ণিমাৰ দিনা মেজি সাজি, 'বংফাই' উৰুৱাই উৎসৱ পাতে। বংফাই হ'ল চিলা সাজি বিশেষ কৌশলেৰে জুই জ্বলাই চিলা আকাশত উৰুৱা এক প্ৰকাৰৰ আতচবাজী। পয অকোৱা লক্ষ্মীপূজাৰ সমযত অৰ্থাৎ আহিন কাতি মাহত পতা এটা

উৎসৱ। তিনি মাহ ধৰি পালন কৰা ব্ৰত সেই দিনা সমাপ্ত কৰা হয়। পযচাংকেন্ হ'ল এটা বসন্ত উৎসৱ। বহাগৰ গৰুবিহুৰ দিনা পয়চাংকেন্ পতা হয় আৰু বুদ্ধ মূৰ্তিক উলিয়াই যথাবিহিত নিয়মেৰে গা ধুউৱা হয়। পযনীন্চি হ'ল ফাগুনী পূৰ্ণিমাৰ তিথি। সেইদিনা তিথিৰ মূৰত পানীচলু দি বিহাৰত পঞ্চশীল গ্ৰহণ কৰে।

পূৰ্বতে উল্লেখ কৰা হৈছে যে টুৰুংসকলৰ ভাষা অসমৰ অন্য টাইগোষ্ঠীকেইটাৰপৰা কিছু সুকীয়া। টুৰুংসকলৰ কথা বাদ দি অন্যকেইটা টাইভাষাৰ মাজত বৈসাদৃশ্য বেছি দেখা নাযায়, তলৰ অধ্যযনে ভাষাটোৰ স্বৰূপ বুজাত কিছু সহায় কৰিব।

(ক) টুৰুং ভাষাৰ লিপি ঃ

খাম্তি, ফাকে ভাষাৰ দৰে টুৰুং ভাষাৰ লিপি মূলতে টাইলিপি আৰু ই বৃত্তাকাৰী অসমত পোৱা কেউটা টাইভাষাৰ লিপিযেই বৃত্তাকাৰী কিন্তু আহোম ভাষাৰ লিপি কৌণিকাকাৰী। অৱশ্যে আহোম ভাষাৰ ছপাৰূপত প্ৰযোগ হোৱা বাবে আৰু বাকী কেইটা ভাষাত হাতে লেখা আখৰ হোৱা বাবেও এনে পাৰ্থক্য ঘটিব পাৰে। সোঁফালে টুৰুংসকলৰ ভাষাৰ লিপিটো দিযা হ'ল।



(ক) সুৰ ঃ স্বৰৰ হ্ৰস্ব দীৰ্ঘ আৰু সুৰ প্ৰযোগ ভাষাটোৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। সাধাৰণতে দুটা সুৰ স্পষ্টকৈ ধৰিব পাৰি। স্বৰৰ হ্ৰস্ব দীৰ্ঘ আৰু দুটা সুৰ অনুসৰি তলত

কেনেকৈ চাৰিটা অৰ্থ একেটা শব্দতে পোৱা গৈছে চোৱা যাওক —

	চিং^{1}	পানীত তিতা
	চীং^{1}	ঢোল
	চিং^{2}	ঘাঁহ
	চীং^{2}	চুক

তেনেকৈ সুৰ অনুসৰি অৰ্থ সলনি হোৱা শব্দ —

	লাম্^{1}	বাট, পথ
	লাম্^{2}	ৰ'দত দিয়া
	লাঃম্^{2}	তৰপ
আকৌ	না^{1}	কাণ
	না^{1}	নাপায
	না^{2}	পথাৰ
	না^{2}	দেই, দেইবা
	ৰা^{1}	দাঁত
	ৰা^{2}	যোৱা
	খাও^{1}	ভিনিহি
	খাও^{2}	কি

(গ) **স্বৰ আৰু ব্যঞ্জন ঃ** টুৰুংসকলৰ ভাষাত সাতোটা স্বৰধ্বনি আৰু ঊনৈশটা ব্যঞ্জন ধ্বনি পোৱা যায। ঊনৈশটা ব্যঞ্জনৰ ভিতৰত দুটা অৰ্ধস্বৰ ৱ আৰু য অন্তৰ্গত। স্বৰধ্বনিসমূহৰ হ্ৰস্ব দীৰ্ঘ দুটা ৰূপ থাকিলেও সকলো সময়তে সি স্পষ্ট নহয। ই আৰু আ ধ্বনিৰ ক্ষেত্ৰত হ্ৰস্ব দীৰ্ঘ ৰূপটো স্পষ্ট। যেনে ঃ

না (হ্ৰস্ব আ) = কান
না (দীৰ্ঘ আ) = নাপায
চিং (হ্ৰস্ব ই) = ঘাঁহ
চীং (দীৰ্ঘ ঈ) = চুক

স্বৰধ্বনিসমূহৰ ভিতৰত কেন্দ্ৰীয উচ্চধ্বনি ঔ পোৱা যায। স্বৰধ্বনিসমূহে সুৰ শ্বাস বহন কৰে। ভাষাটোত পোৱা স্বৰধ্বনিকেইটা হ'ল/অ, আ, ই, উ, এ, ও, ঔ/।

/অ/ নুম্ৱত্ (ন+উ+ম্+ৱ্+অ+ত্) 'ৰিহা'

/আ/	আপু	'বুঢা দেউতা'
	আনাই	'মাকৰ মাক', 'আনাই'
/ই/	ৰাই	'হয' 'কবা'
/উ/	আতুঙ্	মাকৰ বাযেক
	মুচুম্	তিনি
/এ/	ইফে	আমাক
	চিঙ্লেত্	জিভা
/ও/	তাও	লোৱা
	দাপ্কোপ্	জুইশাল
/ঔ/	গৌবা	ডাঙৰ
	বৌঙ্	মূৰ

স্বৰধ্বনিৰ তালিকা

	প্ৰান্তীয	কেন্দ্ৰীয	পশ্চ
উচ্চ	ই	ঔ	উ
মধ্য	এ		ও
নিম্ন		আ	অ

ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰত ঘোষ মহাপ্ৰাণ ধ্বনিৰ অভাৱ ভাষাটোৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। কেউটা ব্যঞ্জনেই শব্দৰ আদি মধ্য আৰু অন্ত্য অৱস্থানত প্ৰযোগ হয। শব্দৰ আদি অৱস্থানত দ্বিব্যঞ্জনৰ সংযুতি যথেষ্ট পোৱা যায। ভাষাটোৰ ব্যঞ্জনকেইটা হ'ল—
/ক ত প খ থ ফ গ দ ব চ জ হ ম ন ঙ ৰ ল ৱ য/

/ক/	কাত্	কবি টানকৈ বন্ধা অৰ্থত
/খ/	খাত	যুঁজ
/গ/	গাত	পাৰ্গত

/ঙ/	ঙাপ	ছাঁ
/চ/	চাও	নামৰ আগত লেখা শ্ৰী অৰ্থসূচক
/জ/	জাও	ওপৰলৈ উঠা
/ত/	তাও	লোৱা
/থ/	থাও	দুছেও কৰা
/ব/	বাও	ঘণ্টামৰা
/ৰ/	ৰাও	লগত
/ল/	লাও	দিযা, ফুচুলোৱা
/ৱ/	ৱাও	কুকুৰে ভুকা
/দ/	দু	ডিঙি
/ন/	নাদি	নাক
	নাঙ্	তুমি
/প/	পা	হাউলি থকা তৃণ অৰ্থত
/ফ/	ফা	পাতল
/ম/	মা	মূৰ্চ্ছা যোৱা
/হ/	হাক্	আদৰ সাদৰ কৰা
/য/	যাক্	দিগদাৰী, অসুবিধা

শব্দৰ আদি অৱস্থানত পোৱা কেইটামান ব্যঞ্জন সংযুতিৰ উদাহৰণ তলত দিযা হ'ল ঃ

ম্ল	ম্লাভ্	কঠাল
ম্ব	ম্বা	কাপোৰ
	ম্বাপাই	চাদৰ
ন্চ	ন্চা	নাখাওঁ
ন্ৰ	ন্ৰা	নালাগে
ন্ম	ন্মু	নেদেখে
ঙ্গ	ঙ্গু	চাউল
ন্ত	ন্তা	ঘৰ

ব্যঞ্জনধ্বনিৰ তালিকা

		দ্বৌষ্ঠ্য	দন্তমূলীয়	তালব্য	কণ্ঠমূলীয়	কণ্ঠ্য
স্পর্শ	অল্পপ্রাণ	অ স প ব	অ স ত দ		অ স ক গ	অ স
	মহাপ্রাণ	ফ	থ		খ	
প্রবাহ	ঘৃষ্ট		চ জ			
	নাসিক্য	ম	ন		ঙ	
	পার্শ্বিক		ল			হ্
	তাড়িত		ৰ			
	অর্ধস্বৰ	ৱ		য		

(ঘ) ব্যক্তিবোধক সর্বনামৰ ক্ষেত্রত টুৰুং ভাষাত কোনো সন্মানসূচক নাইবা তুচ্ছাৰ্থক ৰূপ পোৱা নাযায়। সম্বন্ধ পদৰ ক্ষেত্রত-না প্রত্যয় আৰু সম্প্রদান কাৰকত -ফে প্রত্যয় ব্যক্তিবোধক সর্বনামৰ পাছত যোগ দিয়া হয়। এনেকৈ প্রত্যয় যোগ কৰোঁতে কোনো তীৰ্যক ৰূপ পোৱা নাযায়।

মূল ব্যক্তিবোধক সর্বনাম ৰূপটোৰ কোনো পৰিৱৰ্তন নোহোৱাকৈ প্রত্যয় যোগ হয়। তলত এইবোৰ দেখুওৱা হ'ল।

	একবচন		বহুবচন	
১ম পুৰুষ	ঙাই	'মই'	ই	'আমি'
২য় পুৰুষ	নাঙ্	'তুমি'	নি	'তোমালোক'
৩য় পুৰুষ	খি	'সি'	খিনি	'সিহঁত'
	ঙাইনা	'মোৰ'	ইনা	'আমাৰ'

একবচন		বহুবচন	
নাঙ্না	'তোমাৰ'	নিনা	'তোমালোকৰ'
খিনা	'তাৰ'	খিনিনা	'সিহঁতৰ'
ঙাইফে	'মোক'	ইফে	'আমাক'
নাঙফে	'তোমাক'	নিফে	'তোমালোকক'
খিফে	'তাক'	খিনিফে	'সিহঁতক'

(ঙ) নঞৰ্থ বুজাবৰ কাৰণে ক্রিয়াৰ আগত ন্-প্রত্যয যোগ হয। এনেকৈ ন্-প্রত্যয যোগ হওঁতে ক্রিয়াৰ আদি ব্যঞ্জনৰ লগত ন্-অংশটোৰ সংযুতি হয।

চা	খাওঁ
ন্চা	নাখাওঁ
বা	লাগে
ন্বা	নালাগে
মু	দেখা
ন্মু	নেদেখা

(চ) সম্বন্ধবাচক বিশেষ্য শব্দবোৰৰ কিছুমান আহোম ভাষাৰ সৈতে একে। তলত কেইটামান টুৰুং সম্বন্ধবাচক বিশেষ্যৰ উদাহৰণ দাঙি ধৰা হ'ল।

আকৃ	'বৰজনা', 'গিৰিযেকৰ ককাযেক'
আপু	বুঢ়াদেউতা
আফু	ককাইদেউ
আনাও	ভাই
আৰাত্	ন-বৌ
আয়া	বুঢ়ী আইতা
আপুনাই	মাকৰ দেউতাক
আনাই	মাকৰ মাক
আবাদি	দেউতাকৰ ককাযেক
আবা	দেউতা
আমে	আই
আনু	আই
আনাও জান্	ভনী
আপী	বাই

আপা	দেউতাকৰ বাযেক
আতুঙ্	মাকৰ বাযেক
খাও	ভিনিহি

(ছ) সৰল বাক্যবিলাকত সাধাৰণতে কৰ্তা, কৰ্ম, ক্ৰিয়া ক্ৰমান্বযে প্ৰযোগ হয। তলত অতীত আৰু ভৱিষ্যৎ কালত √চা (অসমীযা √খা) ধাতু ৰূপ কৰি দেখুওৱা হ'ল।

অতীত কাল

	একবচন	বহুবচন
১ম পুৰুষ	ঙাই চাত্ চা হাদে	ই চাত্ চা হাদে
	মই ভাত খালোঁ	আমি ভাত খালোঁ
২য পুৰুষ	নাঙ্ চাত চা হাদে	নি চাত চা হাদে
	তুমি ভাত খালা	তোমালোকে ভাত খালা
৩য পুৰুষ	খি চাত চা হাদে	খিনি চাত চা হাদে
	সি ভাত খালে	সিহঁতে ভাত খালে

ভৱিষ্যৎ কাল

১ম পুৰুষ	ঙাই চাত্ চা ঙা	ই চাত্ চা ঙা
	মই ভাত খাম	আমি ভাত খাম
২য পুৰুষ	নাঙ্ চাত্ চা ঙা	নি চাত্ চা ঙা
	তুমি ভাত খাবা	তোমালোকে ভাত খাবা
৩য পুৰুষ	খি চাত্ চা ঙা	খিনি চাত্ চা ঙা
	সি ভাত খাব	সিহঁতে ভাত খাব

(জ) টাই আহোম ভাষাৰ /ৰ/ ধ্বনি পোৱাৰ দৰেই টুৰুং ভাষাতো /ৰ/ ধ্বনিৰ উচ্চাৰণ পোৱা যায। কিন্তু অসমৰ অন্য টাইগোষ্ঠীৰ ভাষাত ৰ ধ্বনি পোৱা নাযায। আহোম ভাষাৰ /ৰ/ সেইবোৰ টাই ভাষাত /হ/ হৈ গৈছে। ঠিক তেনেকৈ আহোম ভাষাত /ড/ বাকীবোৰত /ন/ হৈছে। সেযে টাই আহোমৰ মাহৰ নামত থকা ডোন্ বাকী টাইভাষাত নৌন্ হৈছে। টুৰুং ভাষাতো নৌন্চেঙ্ নৌন্কাম আদিকৈ মাহৰ নামবোৰ পোৱা যায। স্থানান্তৰত কেউটা ভাষাৰ তুলনামূলক অধ্যযন এটি দাঙি ধৰা হৈছে।

(ঝ) টুৰুং ভাষাৰ সংখ্যাবাচক শব্দবিলাক অন্যকেইটা টাই ভাষাৰপৰা সুকীযা। এই ক্ষেত্ৰত কিছুমান শব্দৰ মিল থাকিলেও ভালেমান শব্দৰ বেলেগে ৰূপ পোৱা যায। স্থানান্তৰত কেউটা টাইভাষাৰ তুলনামূলক অধ্যযনে কথাষাৰ স্পষ্ট কৰি তুলিব। তলত টুৰুং সংখ্যাবাচক শব্দবিলাক ক্ৰম অনুসৰি এক, দুইকৈ দেখুওৱা হৈছে।

১ আই
২ ঙ্খঙ্
৩ মুচুম্
৪ মিলি
৫ মাঁঙা
৬ ক্রু
৭ চিনিত্
৮ মাঁত্জাত
৯ চুখ্রু
১০ চি
১১ চি আই
১২ চিঙ্খঙ্
১৩ চিমুচুম্
১৪ চিমিলি
১৫ চিমাঁঙা
১৬ চিক্রু
১৭ চিচিনিত্
১৮ চিমাঁত্জাত
১৯ চি চু খ্রু
২০ খুন্
২১ খুন্ আই
২২ খুন্ ঙ্ খঙ্
২৩ খুন্ মুচুম্
২৪ খুন্ মিলি
২৫ খুন্ মাঁঙা
২৬ খুন্ ক্রু
২৭ খুন্ চিনিত্
২৮ খুন্ মাঁত্জাত
২৯ খুন্ চুখ্রু
৩০ দুম্চি
৩১ দুম্চি আই
৩২ দুম্চি ঙ্খঙ্
৩৩ দুম্চি মুচুম্
৩৪ দুম্চি মিলি
৩৫ দুম্চি মাঁঙা
৩৬ দুম্চি ক্রু
৩৭ দুম্চি চিনিত্
৩৮ দুম্চি মাঁত্জাত
৩৯ দুম্চি চুখ্রু
৪০ মিলিচি
৪১ মিলিচি আই
৪২ মিলিচি ঙ্খঙ্
৪৩ মিলিচি মুচুম্
৪৪ মিলিচি মিলি
৪৫ মিলিচি মাঁঙা
৪৬ মিলিচি ক্রু
৪৭ মিলিচি চিনিত্
৪৮ মিলিচি মাঁত্জাত
৪৯ মিলিচি খুখ্রু
৫০ মাঁঙাচি
৫১ মাঁঙাচি আই
৫২ মাঁঙাচি ঙ্খঙ্
৫৩ মাঁঙাচি মুচুম্
৫৪ মাঁঙাচি মিলি
৫৫ মাঁঙাচি মাঁঙা
৫৬ মাঁঙাচি ক্রু
৫৭ মাঁঙাচি চিনিত্
৫৮ মাঁঙাচি মাঁত্জাত
৫৯ মাঁঙাচি চুখ্রু
৬০ ক্রুচি
৬১ ক্রুচি আই
৬২ ক্রুচি ঙ্খঙ্

৬৩ ক্রুচি মুচুম্
৬৪ ক্রুচি মিলি
৬৫ ক্রুচি মাঁঙা
৬৬ ক্রুচি ক্রু
৬৭ ক্রুচি চিনিত
৬৮ ক্রুচি মাঁতজাত
৬৯ ক্রুচি চুখু
৭০ চিনিত্চি
৭১ চিনিত্চি আই
৭২ চিনিত্চি ঙখঙ
৭৩ চিনিতচি মুচুম্
৭৪ চিনিত্চি মিলি
৭৫ চিনিত্চি মাঁঙা
৭৬ চিনিতচি ক্রু
৭৭ চিনিতচি চিনিত
৭৮ চিনিতচি মাঁতজাত
৭৯ চিনিতচি চুখু
৮০ মাঁজাত্চি
৮১ মাঁজাতচি আই
৮২ মাঁজাত্চি ঙখঙ্
৮৩ মাঁজাত্চি মুচুম্
৮৪ মাঁজাত্চি মিলি
৮৫ মাঁজাত্চি মাঁঙা
৮৬ মাঁজাত্চি ক্রু
৮৭ মাঁজাত্চি চিনিত
৮৮ মাঁজাত্চি মাঁতজাত
৮৯ মাঁজাত্চি চুখু
৯০ চুখুচি
৯১ চুখুচি আই
৯২ চুখুচি ঙখঙ
৯৩ চুখুচি মুচুম
৯৪ চুখুচি মিলি
৯৫ চুখুচি মাঁঙা
৯৬ চুখুচি ক্রু
৯৭ চুখুচি চিনিত
৯৮ চুখুচি মাঁতজাত
৯৯ চুখুচি চুখু
১০০ লাঁচা
১০১ লাঁচা আই
১০০০ হিং

(এ) **টুৰুং শব্দমালা ঃ** আগতে উল্লেখ কৰি অহা হৈছে যে টুৰুং শব্দমালা মণিপুৰী, চিংফৌ, বাৰ্মিজ আৰু টাই শব্দেৰে পুষ্ট। তলত টুৰু, শব্দৰ নমুনা দাঙি ধৰা হ'ল।

আকু	বৰজনা
আনাও	ভাই
আনাই	মাকৰ মাক
আপু	বুঢ়া দেউতা
আপুনাই	মাকৰ দেউতাক, পুথাও
আফু	ককাই
আমে	আই, মাক

আৰাত্	নবৌ
আযা	বুঢ়ী আইতা
আবাদি	দেউতাকৰ ককাযেক
আৱা	দেউতা
আনাও জান্	ভনী
আপী	বাই
আপা	দেউতাকৰ বাযেক
আতুং	মাকৰ বাযেক
আই	এক
ই	আমি
কান্	পেট
ক্রা	চুলি
কুন্চু	গৰু
কাঁথান্	কপাল
কিত্চি	সৰু
কাঁচা	তেনেই সৰু, নুমলীযা
কাত্	কবি টানকৈ বন্ধা
খাওত্যেক্	আঁখে
খাওমুন্	পিঠা
খাওলাম্	চুঙাপিঠা
খাওলাম্	চুঙা চাউল
খাও	ভিনিহি
খাও	কি
খা	পানী
খ্রি	টেঙা
খ্রিবান্	টেঙাগছ
খ্রাত	পৰা
খাত	যুঁজ
খি	সি
খিনি	সিহঁত
গাঁবা	ডাঙৰ

গাত	পাৰ্গত
ঙা	মহ
ঙুগু	চাউল
ঙাচান্	মাছ
ঙাও	ছাঁ
ঙা	আছে
ঙাই	মই
চিংলেত্	জিভা
চিংদা	বুকু
চাত	ভাত
চাৰু	লাওপানী
চুন্	বাৰী
চিংকেত	কঁকাল মৰা (বোৱাৰী মানুহৰ)
চাও	নামৰ আগত লেখা শব্দ
চাতু	ভাত
চাত্	মৰা, মৃত্যু
চা	খোৱা
চা	যোৱা
জাও	ওপৰলৈ উঠা
জাত	পুনৰ লোৱা
তাও	লোৱা
তাওৰীন্	কাছ
তাত্	অকস্মাৎ হাতৰপৰা পৰি যোৱা
থাও	দুছেও কৰা
থাত	ডাঠ
দু	ডিঙি
দাপ্	ছাই
দাপ্কোপ্	জুইশাল
না	কান
নাঃ	নাপায
না	পথাৰ

না	দেই, দেইবা
নাদ্দি	নাক
ন্তা	ঘৰ
নিঙ্তেন্	ওঁঠ
নিঙ্ক্রাই	আলজিভা
নুঙ্গুপ্	মুখ
নুম্বত্	ৰিহা
নাত্	ভূত
নাঙ্	তুমি
নি	তোমালোক
পুন্ৰাঙ্	চাং
পুন্ৰাঙ্ ন্তা	চাঙঘৰ
পা	হাউলি থকা বন
পাক্	অলপ দি দিয়া (নিমখ, হালধি অৰ্থত)
পাত্	ঠিলা মৰা
ফা	পাতল
ফাত্	পঢ়া
ফুন্চি	তামোল
ফুন্লাপ্	পাণ
ফুম্ৰাম্	পাগুৰি (মতাৰ)
বুকা	টুৰুং মানুহৰ লুঙি
বাঁঙ্	মূৰ
বাঁঙ্মুকাই	পাগুৰি (মাইকীৰ)
বাও	গটা মৰা
বাত্	গোন্ধ
মি	চকু
মুগুই	হাতী
ম্লাঙ্	কঠাল
ম্লাঙ্বান	কঠাল গছ
মুক্ৰু	বাঁহগাজ

ম্ৰা/স্বা	কাপোৰ
ম্বাবু/স্বাবু	মেখেলা
স্বাপাই	চাদৰ
মা	মূৰ্চ্ছা যোৱা
মাত	হেৰাই যোৱা
ৰা	লাগে
ৰাই	হয
ৰাই	কৰা
ৰাও	লগত
ৰাত	কটা
ৰিং	বেত
ৰি'	সূতা
ৰিহা	গছৰ গুটি বেচি লগা অৰ্থত
লাঁতা	হাত
লাঁনু	ভৰিৰ আঙুলি
লাঁও	হাতৰ আঙুলি
লুগুঙ	ভৰি
লুফুত	আঁঠু
লাও	দিযা
লাও	ফুচুলুৱা
লাত্	ৰোৱা, বৈ থকা
ৱা	দাঁত
ৱা	যোৱা
ৱান্	জুই
ৱান্যাঙ্	ফিৰিঙতি
ৱাও	কুকুৰে ভুকা
হাক্	আদৰ সাদৰ কৰা
হাত	বজাৰ, হাট
যাক্	দিগদাৰী

(ট) টুৰুং ভাষাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে যে কিছুমান বিশেষ শব্দ কিছুমান বিশেষ কথা বা পৰিবেশতহে ব্যৱহাৰ হয। উদাহৰণ হিচাপে 'পাহ্' শব্দটো

কেৱল নিমখ, হালধি অলপ দি দিয়া অৰ্থতহে ব্যৱহাৰ হয়। তেনেকৈ 'পা' শব্দই কেৱল বন, ধান নাইবা তেনে জাতীয় তৃণ হাওলি থকাহে বুজায়। অন্যগছ হাওলি থকা অৰ্থ নুবুজায়। 'কাত্' শব্দ বন্ধা কৰি টানকৈ বন্ধা অৰ্থতহে প্ৰযোগ হয়। 'তাত্' শব্দই অকস্মাৎ পৰি যোৱা বুজালেও কেৱল হাতৰপৰা পৰা অৰ্থতহে ব্যৱহাৰ হয়। তেনেকৈ ফুম্বাম্ আৰু বাঁওমুকাই শব্দৰ প্ৰযোগো উল্লেখযোগ্য।

২৬ আহোম, খামতি আৰু ফাকেসকলৰ মাজত প্ৰচলিত টাইলিপিৰ তুলনামূলক অধ্যয়ন

আহোম, খামতি আৰু ফাকেসকলে প্ৰযোগ কৰা লিপি মূলতে ব্ৰাহ্মী লিপি আৰু কেউটাতে সামান্য প্ৰভেদৰ বাহিৰে বিশেষ প্ৰভেদ লক্ষ্য কৰা নাযায়। আইতন আৰু টুৰুংসকলেও খামতি আৰু ফাকেসকলৰ দৰেই একে লিপিকে প্ৰযোগ কৰে। কেউটা জনগোষ্ঠীয়ে প্ৰযোগ কৰা লিপিৰ কেইটামান আখৰৰ গঢ কিছু বেলেগ যেন লাগিলেও আচলতে বৃত্তাকাৰী আৰু কৌণিক ৰূপটোৱেহে গঢৰ পাৰ্থক্যটো চকুত লগা কৰিছে। উদাহৰণ স্বৰূপে আহোম ভাষাত 'হা' আখৰটো লেখাত , কিন্তু ফাকে আৰু খামতি ভাষাত (হা) হৈছে। এইটোও (হা) আখৰটোৱে কৌণিক ৰূপ লওঁতেই খামতি আৰু ফাকেত হৈছে। কিযনো ব এই অংশটো প্ৰথমে বৃত্তাকাৰী ৰূপলৈ পৰিৱৰ্তন হৈছে আৰু তাৰ তলতেই ∫ চিনডাল যোগ হৈ হৈছে। আকৌ আখৰটো পথালিকৈ বৃত্তাকাৰী হৈছে আৰু তাৰ তলত লাঠিডাল যোগ হৈছে। গতিকে মূলগতভাৱে আখৰটোত কোনো বিশেষ পাৰ্থক্য নাই। খামতি আৰু ফাকেসকলৰ লেখা আখৰৰ মাজত সামান্য ভেদহে চকুত পৰে। ফাকে আখৰবিলাকত পাগুৰিৰ ব্যৱহাৰ সচৰাচৰ কমকৈ দেখা যায় কিন্তু খামতি আখৰবিলাকত পাগুৰিৰ ব্যৱহাৰ প্ৰায়ে পোৱা যায়। উদাহৰণ স্বৰূপে (ফাকে পা) কিন্তু খামতিত (পা) ভেদ দেখা যায়। অৱশ্যে এনে প্ৰভেদ লিপিকাৰ অনুযায়ী ভিন্ন ভিন্ন হ'ব পাৰে। আচল কথাত ক'বলৈ গ'লে আহোমভাষাৰ লিপিত ছপা আখৰৰ কৌণিকাকাৰী ৰূপটো আৰু খামতি ফাকে ভাষাত হাতে লেখা বৃত্তাকাৰী ৰূপটো পোৱা যায়। ফাকিযাল আৰু খামতি দুয়োটাতে আহোম ভাষাৰ 'ৰা' আখৰটোৰ উচ্চাৰণ নাই। কিযনো খামতি আৰু ফাকেসকলে 'ৰা' উচ্চাৰণ 'হা' কৰিহে কৰে। সেয়ে টাই আহোম ভাষাৰ 'ৰিং' (হাজাৰ), 'ৰ্যেন্' (ঘৰ) আদি শব্দ যথাক্ৰমে 'হিং' আৰু হ্য'ন্ হৈছে। আহোম, খামতি আৰু ফাকেসকলৰ মাজত প্ৰচলিত হাতেলেখা আখৰৰ তুলনা —



আহোম, খামতি, ফাকে, টুৰুং, খামযাং আৰু আইতনীয়াৰ দহোটা সংখ্যাবাচক শব্দ। উল্লেখ কৰা ভাল যে টুৰুংসকলে এক, দুই, তিনি বুজাবৰ বাবে যথাক্রমে আই, ঙুখঙ, মুচুম্ ব্যৱহাৰ কৰাৰ উপৰিও টাইভাষাৰ ন্যুং, চং, চাম আদিও ব্যৱহাৰ কৰে।

আহোম	খামতি	ফাকে	টুৰুং	খামযাং	আইতন	অসমীয়া
ল্যুং	ল্যুং	ল্যুং/নুাং	ন্যুং/আই	ল্যু৲	ল্যুং	এক
চং	চং	চ৲	চং/ঙ্খঙ্	চং	চং	দুই
চাম্	চাম্	চাম	চাম্/ম্যুচুম্	চাম	চাম	তিনি
চি	চি	চি	চি/মিলি	চি	চি	চাৰি
হা	হা	হা	হা/মৌঙা	হা	হা	পাঁচ
ৰোক	হোক	হোক্	হোক/ত্রু	হোক	হোক্	ছয়
চ্যোত	চ্যেত্	চ্যোত	চ্যেত/চিনিত	চ্যেত	চ্যেত	সাত
প্যেত	প্যেত	প্যেত	প্যেত/মৌতজাত	প্যেত	প্যেত	আঠ
কাও	কাও	কাও	কাও/চুখু	কাও	কাও	ন
চিপ্	চিপ্	চিপ্	চিপ্/চি	চিপ্	চিপ্	দহ

আহোমসকলৰ টাইভাষাৰ 'ব' ধ্বনি বাকী কেইটা জনগোষ্ঠীয়ে 'হ ধ্বনিকৈ উচ্চাৰণ কৰে আৰু আহোম ভাষাৰ 'ড ধ্বনি তেনেকৈ বাকী কেইটাত 'ন হৈছে। যেনে—

(আহোম) ড্যেন্তি৲ > ন্যেন্চি৲

(আহোম) ডাপৰাও > নাপ্হাও

২.৭ টাই ভাষাকেইটাৰ তুলনামূলক আলোচনা

১) প্রান্তীয় উচ্চ ই, কেন্দ্রীয় উচ্চ আী, মূলীয় উচ্চ উ, প্রান্তীয় উচ্চ-মধ্য এ', মূলীয় উচ্চ-মধ্য ও, মূলীয় নিম্ন-মধ্য অ আৰু কেন্দ্রীয় নিম্ন স্বৰ আ — এই ছটা স্বৰধ্বনি খামতি, ফাকে আইতন আৰু টুৰু৲ভাষাত পোৱা যায়। অৰ্থাৎ /ই এ উ ও অ আী আ/ধ্বনিকেইটা উল্লিখিত টাইভাষাকেইটাৰ উচ্চাৰণত আছে। উচ্চ নিম্ন-মধ্য অ' ধ্বনিৰ উচ্চাৰণ খামতি আৰু যাকে ভাষাত পোৱা গ'লেও টুৰু৲ আৰু আইতন ভাষাত পোৱা নাযায়।

২) কেউটা ভাষাতে স্বৰ হ্রস্ব আৰু দীর্ঘ দুযোটা উচ্চাৰণেই পোৱা যায় আৰু এই হ্রস্ব-দীর্ঘ অনুসৰি শব্দৰ অর্থ ভিন্ ভিন্ হয়। অৱশ্যে টুৰুং ভাষাত সকলো

সময়তে হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য ৰক্ষিত নহয়।

৩) সুৰ এই ভাষাবিলাকৰ অন্যতম বৈশিষ্ট্য। একেকেইটা ধ্বনিৰে গঠিত শব্দটোত ভিন্ ভিন্ সুৰ প্ৰয়োগ কৰি ভিন্ ভিন্ অৰ্থ পোৱা যায়।

৪) খামতি, ফাকে, টুৰুং, খামযাং আৰু আইতন — এই কেউটা ভাষাই এক অক্ষৰযুক্ত ভাষা। অৰ্থাৎ এই ভাষাবিলাকৰ শব্দবোৰ এটা এটা অক্ষৰৰ আৰু এইবোৰ অযোগাত্মক।

৫) কেউটা টাইভাষাৰে নিজা লিপি আছে। কেউটাতে লিপিৰ ক্ষেত্ৰত সামান্য প্ৰভেদৰ বাহিৰে বিশেষ প্ৰভেদ দেখা নাযায়। স্থানান্তৰত এই বিষয়ে আলোচিত হৈছে (২ ৬ চাওক)।

৬) টাই খামতি, টাই ফাকে আৰু টাই আইতন ভাষাত ঘোষ ব্যঞ্জন পোৱা নাযায়। কিন্তু তাৰ বিপৰীতে টুৰুং ভাষাত ঘোষ অল্পপ্ৰাণ ব, দ, গ ধ্বনিৰ উচ্চাৰণ পোৱা যায়। ইফালে আহোম ভাষাতো ঘোষ অল্পপ্ৰাণ ব, দ, গ, আৰু ঘোষ মহাপ্ৰাণ ভ, ধ, ঘ ধ্বনি পোৱা যায়। অৱশ্যে আহোম ভাষাৰ ঘোষ মহাপ্ৰাণ ধ্বনিৰ প্ৰযোগ হোৱা শব্দবোৰ অসমীয়া ভাষাৰপৰা ধাৰ কৰা। দন্তমূলীয় ঘৃষ্ট /জ/ ধ্বনি টুৰুং আৰু আইতন ভাষাতহে পোৱা যায়। মূৰ্ধণ্য ধ্বনিৰ উচ্চাৰণ টাইভাষাকেইটাত পোৱা নাযায়। টাই ফাকে ভাষাত তালব্য স্পৰ্শ /শ/ আৰু কণ্ঠ্য স্পৰ্শ (এই চিনৰ) ধ্বনি দুটাৰ উচ্চাৰণ পোৱা যায় যিটো অন্যকেইটা টাইভাষাত পোৱা নাযায়।

৭) টুৰুং ভাষাৰ শব্দমালা অথবা ব্যাকৰণৰ দিশত চিংফৌ ভাষাৰ মিল দেখা যায়। বাকী কেইটা টাইভাষাত এনে হোৱা দেখা নাযায়।

০০০

৩ অসমৰ তিব্বত-বৰ্মী শাখাৰ কেইটামান

অসমত প্ৰচলিত তিব্বত-বৰ্মী ভাষাসমূহৰ বিষয়ে পূৰ্বে আলোচনা কৰি অহা হৈছে। (১৩৫১১, ১৩৫১২, ১৩৫১৩, ১৩৫১৪, ১৩৫১৫ আৰু ১৩৫১৬ দফা দ্ৰষ্টব্য)। উল্লেখযোগ্য যে এই তিব্বত-বৰ্মী ভাষাসমূহৰ নিজা লিপি নাই। এই শাখাৰ অসমৰ ভাষাবিলাকত প্ৰাচীন লেখিত সাহিত্য নাথাকিলেও সাহিত্যিক গুণসম্পন্ন ৰসাল অজস্ৰ লোক সাহিত্যেৰে পুষ্ট হৈ থকা দেখা যায়। বৰ্তমানে এই ভাষাবোৰৰ দুই এটাই সীমিত পৰিসৰত বিকাশ লাভ কৰিছে আৰু তেনে ভাষা লেখাৰ মাধ্যমলৈ আনোতে প্ৰথমে সংশোধিত অসমীয়া লিপিকেই লোৱা হৈছিল যদিও পাছলৈ সংশোধিত ৰোমক লিপিত লেখাৰ প্ৰচেষ্টা চলিছে। অৱশ্যে এই ক্ষেত্ৰত ৰোমক লিপিৰ উচ্চাৰণ বুজাবলৈ আকৌ অসমীয়া লিপিকেই প্ৰযোগ কৰাটো মন কৰিবলগীয়া। অসমৰ তিব্বত-বৰ্মী ভাষাভাষী লোকসকল দ্বিভাষী। ঘৰুৱা জীৱনত তিব্বত-বৰ্মী শাখাৰ ভাষা প্ৰযোগ কৰিলেও সাধাৰণ কাম-কাজৰ বাবে অসমীয়া ভাষাকেই প্ৰযোগ কৰে। অসমীয়া ভাষা আৰু নিজৰ ঘৰুৱা ভাষা দুয়োটাতেই তেওঁলোকৰ সমান দক্ষতা। দীৰ্ঘদিন ধৰি অসমীয়া ভাষাৰ সান্নিধ্যত থকাৰ হেতুকে এই ভাষাবিলাকত প্ৰচুৰ পৰিমাণে অসমীয়া শব্দ সোমাই পৰাটো লক্ষ্য কৰিবলগীয়া কথা। তলত এই শাখাৰ কেইটামান ভাষাৰ আলোচনা জনগোষ্ঠীটোৰ পৰিচয়ৰ সৈতে সন্নিবিষ্ট কৰা হ'ল।

৩ ১ মিচিং

তাহানিৰ বৰ অসমৰ আবৰ পাহাৰটোৰপৰা কোনোবা অজান দিনতে ভৈয়ামৰ নৈৰ পাৰলৈ নামি অহা মিচিংসকল অসমৰ তেনেই আদিমবাসী। আবৰ পাহাৰটোত থকা আদি গালং হিলমিৰিসকলে তেওঁলোকৰ পূৰ্বপুৰুষৰ বংশধৰৰ উমান দিয়ে। ভৈয়ামলৈ নামি আহি উজনি অসমৰ লখিমপুৰতেই বিশেষভাৱে প্ৰথমে বসতি স্থাপন কৰিবলৈ লোৱা মিচিংসকলৰ সংস্কৃতি মূলতে অসমীয়া সংস্কৃতি আৰু ই কৃষিমুখী। মৌখিক সাহিত্যৰ জৰিয়তে নিজৰ ভাষা আৰু সাহিত্যক চহকী কৰি তোলা মিচিংসকলৰ নিজা লিপি নাই। কিন্তু তেওঁলোকে অন্যান্য জনগোষ্ঠীৰ দৰেই বিশ্বাস কৰে যে মূলতে তেওঁলোকৰ নিজা লিপি আছিল আৰু তাক জন্তুৰ ছালত সুন্দৰভাৱে লেখি ৰখা হৈছিল। কিন্তু সেই জন্তু কোনোবাই মাৰি খাই পেলোৱাত তেওঁলোক লিপিহীন হৈ দিন কটাবলগীয়া হ'ল। অৱশ্যে বৰ্তমানে ৰোমক লিপিকেই সৰ্বসন্মতিক্ৰমে প্ৰযোগ কৰা দেখা গৈছে। অসমীয়া লিপিত দুটামান নতুন ধ্বনিচিহ্ন প্ৰযোগ কৰি মিচিং আগমক প্ৰকাশ কৰিবলৈ যত্ন কৰাসকলৰ ভিতৰত সোণাৰাম পাএগুৰ 'মিৰি-দোৱান' (১৯১৫ চন) খনেই প্ৰথম। পাছত কমলচন্দ্ৰ পাদুনৰ 'মিচিংপাঠ' (ডুমডুমা সাহিত্য সভা, ১৯৫৮

চন) আৰু বিভীষণ পেগুৰ 'মিৰি দোৱান' বা 'মিচিং আগম' (ঢকুৱাখনা ১৯৬৩ চন) উল্লেখযোগ্য ছপাপুথি।

মিচিং আগমত সাধাৰণ মানস্বৰতকৈ দুটা অধিক স্বৰধ্বনি পোৱা যায় যি দুটা অসমীয়া ভাষাটোত পোৱা নাযায়। এটা কেন্দ্ৰীয় উচ্চ (যাৰ প্ৰতীক চিহ্ন অ্) আৰু অন্যটো কেন্দ্ৰীয় উচ্চ-মধ্য (যাৰ প্ৰতীক চিহ্ন অী)। এনেকৈ হিচাপ কৰিলে দেখা যায় মিচিংসকলৰ স্বৰধ্বনি মূলতে সাতোটা পোৱা যায় যদিও হ্ৰস্ব আৰু দীৰ্ঘৰূপ দুযোটা ধৰিলে চৈধ্যটা হয়। প্ৰান্তীয় উচ্চ ই, নিম্ন মধ্য এ, কেন্দ্ৰীয় উচ্চ অ্, কেন্দ্ৰীয় উচ্চ-মধ্য অী, কেন্দ্ৰীয় নিম্ন আ, মূলীয় উচ্চ উ, মূলীয় নিম্ন-মধ্য অ। অৱশ্যে উচ্চাৰণত এই সকলোবোৰৰে একোটাকৈ দীৰ্ঘৰূপ পোৱা যায় আৰু লেখাৰ সময়ত (ঃ) কূটচিহ্ন প্ৰযোগ কৰি দীৰ্ঘৰূপটো নিৰ্দেশ কৰা হয়। এনেকৈ হ্ৰস্ব আৰু দীৰ্ঘ দুযোবিধ স্বৰধ্বনি উচ্চাৰিত হয়। ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰত আটাইতকৈ উল্লেখযোগ্য কথাটো হ'ল মহাপ্ৰাণ ধ্বনিৰ অভাৱ আৰু সকলোবোৰ ধ্বনিযেই শব্দৰ আদি আৰু মধ্য অৱস্থানত প্ৰযোগ। মিচি৲ আগমৰ যোলটা ব্যঞ্জনৰ ভিতৰত ছটা স্পৰ্শবৰ্ণ আছে, তাৰে তিনিটা অঘোষ আৰু তিনিটা ঘোষ। অঘোষ /প ত ক / আৰু ঘোষ /ব দ গ/। চাৰিটা নাসিক্য /ম ন ঙ/ আৰু /এঃ/ পাৰ্শ্বিক /ল / কম্পিত / ৰ /, ঘৃষ্ট /চ জ / আৰু দুটা অৰ্ধস্বৰ /ৱ/ আৰু /য/।

মিচিং ভাষাৰ স্বৰধ্বনি

	প্ৰান্তীয়		কেন্দ্ৰীয়		মূলীয়	
	হ্ৰ	দী	হ্ৰ	দী	হ্ৰ	দী
উচ্চ	ই	ইঃ	অ্	অ্ঃ	উ	উঃ
উচ্চ-মধ্য			অী	অীঃ		
নিম্ন মধ্য	এ	এঃ			অ	অঃ
নিম্ন			আ	আঃ		

মিচিং ভাষাৰ ব্যঞ্জনধ্বনি

		দ্বৌষ্ঠ্য		দন্তমূলীয়		তালব্য		কণ্ঠ্যমূলীয়	
		অ	স	অ	স	অ	স	অ	স
স্পৰ্শ	অল্পপ্ৰাণ	প	ব	ত	দ			ক	গ
	ঘৃষ্ট			চ	জ				
প্ৰবাহ	নাসিক্য	ম		ন			ঞ		ঙ
	পাৰ্শ্বিক				ল				
	কম্পিত				ৰ				
	অৰ্ধস্বৰ		ৱ				য		

মিচিং আগমৰ ব্যক্তিবোধক সৰ্বনামৰ প্ৰধানকৈ তিনিটা মূলৰূপ একবচনত পোৱা যায়। উল্লেখযোগ্য যে মিচিং আগমত ব্যক্তিবোধক সৰ্বনামৰ তিনিটা বচন পোৱা যায়। একবচন, দ্বিবচন আৰু বহুবচন। সন্মানসূচক বা তুচ্ছাৰ্থক কোনো সুকীয়া ৰূপ প্ৰযোগ নহয়। দ্বিবচন বুজাব লগা হ'লে একবচনৰ ৰূপটোত-ঞি মূলৰূপৰ পাছত যোগ হয়, আৰু বহুবচন বুজাব লগা হ'লে মূলৰূপৰ পাছত-লু প্ৰত্যয় যোগ কৰা হয়, আৰু তাৰ পাছতেই স্বৰূপতে অন্যান্য প্ৰত্যযবোৰ যোগ হয়। তৃতীয় পুৰুষৰ একবচনৰ ৰূপটোত -লু যোগ হওঁতে স্বৰসংগতিৰ ফলত একবচনৰ ৰূপটো 'বু' লৈ পৰিবৰ্তিত হৈছে। ব্যক্তিবোধক সৰ্বনামবিলাক তলত দিযাৰ দৰে সজাব পাৰি।

	একবচন	দ্বিবচন	বহুবচন
১ম পুৰুষ	ঙ	ঙঞি	ঙলু
২য় পুৰুষ	ন	নঞি	নলু
৩য় পুৰুষ	বৃ	বৃঞি	বুলু

উল্লিখিত ব্যক্তিবোধক সৰ্বনামবিলাকৰ অসমীযা ভাষাৰ দৰে বিভক্তি যোগ কৰিবৰ কাৰণে কোনো তীৰ্যকৰূপ পোৱা নাযায। মূলৰূপটোত পোনপটীযাকৈ বিভক্তি চিনবিলাক

যোগ কৰিব পাৰি। যেনে নম্, বুম্, বৃগক, ঙক ইত্যাদি। মিচিং আগমৰ শব্দগঠন পদ্ধতিটোলৈ লক্ষ্য কৰিলে দ্বিবচনৰ ক্ষেত্ৰত এটা কথা উল্লেখ কৰিব পাৰি। সেইটো হৈছে ব্যক্তিবোধক সৰ্বনামৰ মূলৰূপত -ঞি যোগ হৈ দ্বিবচন বুজোৱাটো। প্ৰসংগক্ৰমে মিচিং আগমৰ সংখ্যাবাচক শব্দবোৰ চোৱা যাওক। আক (এক), আন্‌ঞি (দুই), আউম (তিনি), আপ্লি (চাৰি), আংঙ (পাঁচ), আক্কীং (ছয়), কীনৃদ্ (সাত), পিঞি (আঠ), কনাং (ন), অৃযিং (দহ), আৰু তাৰ পাছত অৃযিং কলা আক (এঘাৰ) আদিকৈ গণনা কৰা হয়, আন্‌ঞি শব্দই দুই অৰ্থটো প্ৰকাশ কৰিছে। খুবসম্ভৱ ব্যক্তিবোধক সৰ্বনামৰ দ্বিবচনৰ ৰূপটোত 'আন্‌ঞি'ৰ আদ্যস্বৰ লুপ্ত হৈ মূল ৰূপৰ পাছত যোগ হৈছে। অৰ্থাৎ ঙ + আন্‌ঞি > ঙঞি, ন + আন্‌ঞি > নঞি তেনেকৈ বৃ + আন্‌ঞি > বৃঞি। তেনেকৈ 'লীমৃদ্ (ভৰিৰ নোম) শব্দটো আলী + আমৃদ্ শব্দৰপৰা হৈছে। এনেদৰে আদ্যস্বৰ লুপ্ত হৈ শব্দসাধন হোৱা প্ৰক্ৰিয়া মিচিং আগমৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। তলৰ উদাহৰণসমূহে মিচিং আগমৰ শব্দসাধন স্বৰূপটোৰ কিছু আভাস দাঙি ধৰিব।

আদ্যস্বৰ আ-লুপ্ত হৈ হাতৰ লগত সম্পৰ্কিত শব্দ সৃষ্টি —

আলাগ্	—	হাত
লাক্কে	—	বাওঁহাত
লাগ্‌বৃগ	—	সোঁহাত
লাগ্‌গুলুং	—	কিলাকুটি
লাক্‌পঃ	—	হাতৰ তলুৱা
লাগ্‌নী	—	বুঢ়া আঙুলি
লাক্কেঃ	—	কেঞা আঙুলি
লাক্‌চিন্	—	নখ (হাতৰ)
লাক্‌কিদ্	—	হাতৰ গাঁঠি
লাক্‌পুম্	—	এমুঠি

ভৰিৰ লগত সম্পৰ্কিত শব্দ সৃষ্টি —

আলী	—	ভৰি
লীপুম্	—	কলাফুল
লীকেঃ	—	ভৰিৰ আঙুলি
লীচিন্	—	ভৰিৰ নখ
লীপ	—	ভৰিৰ তলুৱা
লীবৃং	—	আঁঠু
লীমৃদ্	—	ভৰিৰ নোম

তেনেকৈ আদ্যস্বৰ 'ও' লুপ্ত হৈ জুইৰ লগত সম্পৰ্কিত শব্দ সৃষ্টি —

ওমী	—	জুই
মীৰেঃ	—	এঙাৰ
মীদ্‌বু	—	ছাই
মীৰাম	—	জুইশাল
মীগাব্‌	—	চেপেনা (জুইশালৰ)
মীতুং	—	জ্বলি থকা খৰি
মীক্‌কি	—	ধোঁৱা
মীত্‌পে	—	ফিৰিঙতি

আকৌ আদ্যস্বৰ 'অ্' লোপ হৈ গছৰ লগত সম্পৰ্কিত শব্দ সৃষ্টি —

অ্চিং	গছ
চিঃ লুং	হাবি
চিঃ তাক্‌	খৰিৰ এফাল
চিংগি	শিমলু গছ
চিঃমাং	বোৱাল গছ ইত্যাদি

মিচিং ভাষাত মানুহ, জীৱ-জন্তু, নিৰ্জীৱ পদাৰ্থ, উদ্ভিদ আদিক বুজাবৰ কাৰণে ভিন্ন ভিন্ন সংখ্যাবাচক শব্দ প্ৰযোগ কৰা কথা মন কৰিবলগীযা। উদাহৰণ স্বৰূপে মানুহৰ ক্ষেত্ৰত আক, আন্‌ঞি, আউম্‌, গৰু-ম'হৰ ক্ষেত্ৰত আদৰ্‌, দৰ্‌ঞি, দৰুম্‌, দৰ্‌পিঃ, কিতাপ-পত্ৰৰ ক্ষেত্ৰত আবৰ্‌, বৰ্‌ঞি, বৰুম্‌, গছ আদিৰ ক্ষেত্ৰত আচং, চঞি, চউম আদিকৈ ভিন্ন সংখ্যাবাচক শব্দ প্ৰযোগ হয। তেনে ধৰণৰ কেইটামান উদাহৰণ সন্নিবিষ্ট কৰা হ'ল —

তানিঃ আন্‌ঞি	—	মানুহ দুজন
যেগ্‌ আদৰ্‌	—	গাহৰি এটা
যেগ্‌ দৰ্‌ঞি	—	গাহৰি দুটা
কিতাপ আবৰ	—	কিতাপ এখন
কিতাপ বৰ্‌ঞি	—	কিতাপ দুখন
অ্চিং চঃঞি	—	গছ দুডাল
জেইং চংঞি	—	বেতগছ দুডাল

কাল অনুযাযী পুৰুষভেদে ভিন্ন প্ৰত্যয ক্ৰিয়াৰ লগত যোগ কৰি ক্ৰিয়াৰ সময নিৰ্দেশ কৰা হয। উল্লেখযোগ্য যে বচন অনুযায়ী কালবাচক প্ৰত্যয়বোৰৰ কোনো সলনি

নহয়। মিচিং আগমত প্ৰযোগ হোৱা কালবাচক প্ৰত্যযবিলাক পুৰুষ অনুযাযী তলত দিযা ধৰণৰ।

পুৰুষ	বৰ্তমান কাল	অতীত কাল
প্ৰথম	-ϕ, -ং	-কা
দ্বিতীয	-ন্	-কা
তৃতীয	-ϕ, -ং	-কা
	ভৱিষ্যৎ কাল	**সম্ভাব্যভূত কাল**
	-যে	-য্যায
	-লাং	-য্যাপী
	-যে	-যযাপী

তলত আটাইকেইটা কালত √ইদ (অসমীযা √কৰ) ধাতুটো ৰূপ কৰি দেখুওৱা হৈছে —

নিত্য বৰ্তমান

	একবচন	দ্বিবচন	বহুবচন
১ম পুৰুষ	ঙ ইদ 'মই কৰোঁ	ঙঞি ইদ	ঙলু ইদ
২য পুৰুষ	ন ইদ	নঞি ইদ	নলু ইদ
৩য পুৰুষ	বৃ ইদ	বৃঞি ইদ	বুলু ইদ

পূৰ্ণ বৰ্তমান কাল (Continuous)

	একবচন	দ্বিবচন	বহুবচন
১ম পুৰুষ	ঙ ইদুং	ঙঞি ইদুং	ঙলু ইদুং
২য পুৰুষ	ন ইদুং	নঞি ইদুং	নলু ইদুং
৩য পুৰুষ	বৃ ইদুং	বৃঞি ইদুং	বুলু ইদুং

অতীত কাল

	একবচন	দ্বিবচন	বহুবচন
১ম পুৰুষ	ঙ ইকা	ঙঞি ইকা	ঙলু ইকা
২য পুৰুষ	নলু ইকা	নঞি ইকা	নলু ইকা
৩য পুৰুষ	বৃ ইকা	বৃঞি ইকা	বুলু ইকা


ARUNACHAL PRADESH
DISTRIBUTION OF TRIBAL GROUPS
AND LANGUAGES
N
S
MEMBAS
KHAMBAS
IDU MISHMIS
BOKARS
BORIS
SHIMMONGS
PAILIBOS
MEMBAS
MINYONGS
MINYONGS
TAGINS
TAGINS
TAGINS
PADAM
PADAM
PASIS
DIGARU MISHMIS
SULUNGS
KARKAS
PANGGIS
MIJU MISHMIS
NISHIS
HILL MIRIS
GALLONGS
GALLONGS
KHAMTIS
SINGPHOS
MIRIS
SINGPHOS
MONPAS
BANGINS
APATANIS
HILL MIRIS
NISHIS
TANGSAS
MIJIS
AKAS
NISHIS
NOCTES
MONPAS
SHERDUKPENS
MIKIRS
WANCHOS

ভৱিষ্যৎ কাল

	একবচন	দ্বিবচন	বহুবচন
১ম পুৰুষ	ঙ ইযে	ঙগ্রি ইযে	ঙলু ইযে
২য় পুৰুষ	ন ইলাং	নগ্রি ইলাং	নলু ইলাং
৩য় পুৰুষ	বৃ ইযে	বৃগ্রি ইযে	বুলু ইযে

সম্ভাব্যভূত কাল

	একবচন	দ্বিবচন	বহুবচন
১ম পুৰুষ	ঙ ইযযায	ঙগ্রি ইয্যায্	ঙলু ইয্যায্
২য় পুৰুষ	ন ইয্যাপী	নগ্রি ইযযাপী	নলু ইয্যাপী
৩য় পুৰুষ	বৃ ইযযাপী	বৃগ্রি ইযযাপী	বুলু ইয্যাপী

চাযেঙ্গীযা, অযান, মযিং, পাগৰ, ডামবুগ, দেলু ইত্যাদি উপদোৱানেৰে সমৃদ্ধ মিচিং আগমৰ কাৰক আৰু বিভক্তিসূচক প্ৰত্যযসমূহ তলত দিযাৰ দৰে নিৰ্ণয কৰিব পাৰি।

বিভক্তি	কাৰক	প্ৰত্যয
প্ৰথমা	কৰ্তা	φ, -বৃ
দ্বিতীযা	কৰ্ম	-ম্
তৃতীযা	কৰণ	-কি, -দগ্
চতুৰ্থী	সম্প্ৰদান	-লঃ, পী
পঞ্চমী	অপাদান	-লক্কীম্, তক্কীম
ষষ্ঠী	সম্বন্ধ পদ	-ক্
সপ্তমী	অধিকৰণ	-চ, -ল, -দ, -ৰ, -ত

উদাহৰণ —

প্ৰথমা বিভক্তি

ঙ আগেৰীম্ গেৰদাগ্ (মই কাম কৰোঁ)

বৃ আগেৰীম্ গেৰদাগ্ (সি কামটো কৰে)

ৰাম্ বৃ আগেৰীম্ গেৰদাগ্ (ৰামে কামটো কৰে)

দ্বিতীযা বিভক্তি

নম্ বিত (তোমাক দিলোঁ)

তৃতীয়া বিভক্তি

যক্তুংকি তাক্ত (দাৰে কাটিলোঁ)
দলং তালীঃ দগ্ গৃকাঃ (দলঙেদি গলোঁ)
দলং তালীঃ দগ্‌কি গৃকাঃ

চতুৰ্থী বিভক্তি

বৃক্ক লঃ পী আদ্‌দুং (তেওঁলৈ লেখিছোঁ)

পঞ্চমী বিভক্তি

বৃক্কলক্কীম্ বম্তাক্কু (তেওঁৰপৰা আনিছোঁ)

ষষ্ঠী বিভক্তি

বৃক্ আততাব্‌ৰে (তেওঁৰ বস্তু)
ঙক্ বস্তুঙে (মোৰ বস্তু)

সপ্তমী বিভক্তি

অকুম্চ দুঃযী (ঘৰত থাকিম)
অল্লুঃল গৃযী (নাবত যাম)
সপ্তমী বিভক্তিত প্ৰযোগ হোৱা -চ'ই 'ইযাত' অৰ্থ বুজায।
ন অকুম্‌দ দুঃলাং (তুমি ঘৰত থাকিবা)
ন অকুমব দুঃলাং (তুমি ঘৰত থাকিবা) [ভাটিত ঘৰ থাকিলে]
ন অকুম কৗঅ্‌ক্ব দুঃলাং (তুমি ঘৰত [তলত অৰ্থ] থাকিবা)
ন অকুম্ত দুঃলাং (তুমি ঘৰত [উজনিৰ অৰ্থত] থাকিবা)
ন অকুল্ তালীংৰত দুঃলাং (তুমি ঘৰত [ওপৰ অৰ্থত] থাকিবা)

নৈৰ পাৰৰ চাংঘৰত গাঁও পাতি বাস কৰা মিচিংসকল দ্বিভাষিক। থলুৱা মিচিং আগমক ৰাখিও অসমীযা ভাষাক মাতৃভাষা স্বৰূপে গ্ৰহণ কৰিছে। এগে, দুমীৰ, গাছেং ইত্যাদি পৰিধান কৰা মিচিংসকলৰ আগমক মৌখিক ঐনিতম্‌বিলাকে আৰু নানান লোককথাই চহকী কৰি তুলিছে। ঐনিতম্‌বিলাকৰ ভাষা অতি প্ৰাঞ্জল আৰু ভাব প্ৰকাশক। মনৰ ভাব সৰল আৰু সাৱলীলভাৱে প্ৰকাশ কৰিব পৰাকৈ মিচিং আগম্ কিদৰে সমৰ্থ হৈছে সেইটো ঐনিতম্‌বিলাকত আটাইতকৈ লক্ষ্য কৰিবলগীযা।

মিচিং আগমক বিশ্লেষণ কৰিলে দেখা যায যে ইযাৰ বহুবচনাৰ্থক প্ৰত্যয কৃদৃদী মূল শব্দৰ পাছত যোগ হয। একবচনত গৰুদী (গৰু), মেন্‌জেক্ (ম'হ), কিন্তু বহুবচনত গৰুকৃদৃদী, মেনজেক্‌কৃদৃদী ব্যৱহাৰ হয। বহুতো সমযত অৱশ্যে বহুবচনাৰ্থক শব্দ জাক, জুম আদিৰ দৰে জাক্ক (এজাক), জুউমক (এজুম) ব্যৱহাৰ কৰা হয়। আকৌ সাধাৰণতে ক্ৰিযাৰ আগত বা পাছত মা বা মাং যোগ কৰি নঞৰ্থ সূচনা কৰা হয়। যেনে— বিযে

(দিযা), বিমা (নিদিযা), তেনেকৈ মমাং (নকৰোঁ), মা গৃমাং/গৃমাং (নাযাওঁ), দমাং (নাখাওঁ) ইত্যাদি।

লিংগ সূচাবৰ বাবে মিচিং আগমত শব্দৰ আগত বা পাছত পুৰুষ বা স্ত্ৰীসূচক শব্দ যোগ কৰি লোৱা হয। পুৰুষসূচক 'মিল্বং' আৰু স্ত্ৰীসূচক 'নাং' প্ৰযোগ কৰা হয। কোনো কোনো ক্ষেত্ৰত আকৌ কোনো বস্তু বা কাৰ্যৰ লগত থকা সম্পৰ্কৰদ্বাৰাইযো লিংগ সূচনা কৰা দেখা যায। অৱশ্যে তেনে উদাহৰণ বেছি নহয। উদাহৰণ স্বৰূপে মতা গৰু বা ষাঁড বুজাবলৈ 'আল্গৃনাম্' (আল = নাঙল, গৃনাম = বোৱা) শব্দও পোৱা যায। অৱশ্যে অসমীযা ভাষাতো 'হালোৱা গৰু' শব্দটো আছে। তলত পুংলিংগ আৰু স্ত্ৰীলিংগসূচক কেইটামান শব্দৰ নমুনা দাঙি ধৰা হল।

পুংলিংগ	স্ত্ৰীলিংগ
ৰক্প' (মতা কুকুৰা)	ৰক্নী
ৰেঃব (মতা ঘোঁৰা)	ৰেঃনী
দুম্ব (হৰিণ)	দুম্নী
যেগব (মতা গাহৰি)	যেগ্নী ইত্যাদি

বহুতো সমযত মিচিং আগমত সুৰ আছে বুলি আমাৰ ধাৰণা হ'ব পাৰে। কিন্তু ভালদৰে বিশ্লেষণ কৰিলে দেখা যায যে প্ৰকৃততে মিচিং ভাষাত সুৰ নাই। স্বৰৰ হ্ৰস্ব-দীৰ্ঘৰ বাবেহে এনে ভ্ৰান্তিযে মাজে মাজে ভুমুকি মাৰেহি। তেনেকুৱা হ্ৰস্ব-দীৰ্ঘ উচ্চাৰণ দেখুৱাই তাৰ অৰ্থবোৰ তলত দেখুওৱা হৈছে।

হ্ৰস্ব	দীৰ্ঘ
বিনাম 'দিযা'	বিঃনাম 'ভৰ্তি হোৱা'
বিনী 'দাতা'	বিঃনী 'ভৰ্তি হোৱা'
বানী 'যি বাচে'	বাঃনী { যি সাঁতোৰে / যি পোৰে }
বতো 'বচা'	বঃতো 'পোৰা
পিত (pɪtɔ) 'চৰমৰা'	পিঃত (pɪ,tɔ) 'বিন্ধা কৰা'
মীমা 'নেৰা'	মীঃমা 'চিন্তা নকৰা'
মীল (malɔ) 'কালি'	মীঃল(mə lɔ) 'মেলি থোৱা ধান লৰাই দিযা'
পুত (pɪɪtɔ) 'বাকা'	পুঃত (pɪɪ tɔ) 'গৈ পোৱা'
তীনী 'মাইকী হাতী'	তীঃনী 'যি গছ কাটে'
নুনী 'ধুবুনী'	নুঃনী 'যি খেলে'
চত (sɔtɔ) 'চনা'	চঃত (sɔ tɔ) 'নচা'

কিনী 'ৰোগী' 'বিষ'	কিংনী 'মাইকী কুকুৰ'
কিনাম 'বেমাৰ, বিষোৱা	কিংনাম 'টানি বেঁকা কৰা

ভাষাৰ লগত ভাষাৰ স'ঘৰ্ষ অতি আমোদজনক। সংঘৰ্ষৰ ফল স্বৰূপে অসমীয়া ভাষাত থলুৱা জনগোষ্ঠীয় ভাষাৰ যথেষ্ট উপাদান ৰৈ গৈছে নাইবা থলুৱা জনগোষ্ঠীয় ভাষাবোৰতো যথেষ্ট অসমীয়া উপাদান সোমাই গৈছে। সেইপিনৰপৰা উভয়েই উপকৃত হৈছে। জুম, জাক আদি ৰূপবোৰ অসমীয়া ভাষা আৰু মিচিং উভয়তে আছে। তেনেকৈ মিচিং আগমৰ অলক্কী, তলক্কী আদি ৰূপৰ লগত অসমীয়া ভাষাৰ একে অৰ্থ বুজোৱা অ'লৈ, তলৈ ৰূপৰ মিল লক্ষণীয়। বিস্তৃত অধ্যয়ন কৰিলে অসমীয়া ভাষাত নিশ্চয় ভাষাতত্ত্বৰ প্ৰতিটো দিশতে মিচিং আগমৰ উপাদান পোৱা যাব পাৰে।

মিচিং শব্দৰ মালাধাৰত খাচ মিচিং শব্দ, ৰূপান্তৰিত দেশজ শব্দ, বিদেশী শব্দ আৰু সাধিত শব্দেৰে গঠিত। গাচৰ, কপাগ্, গাচৗ', তাচৗ, মৗতপি আদিৰ দৰে খাচ মিচিং শব্দ আৰু অন্যহাতেদি পদুম (পদুম ফুল), পাৰিজাদ (পাৰিজাত ফুল), পৰিকাং (পৰীক্ষা), মিতুৰ (মিতুৰ, মিত্ৰ), আলকি (শালিকী), আলদি (হালধি), অমিতাং (অমিতা), লাউ (জাতিলাউ), চলি (চলি খৰি) আদি, ৰূপান্তৰিত দেশজ শব্দ উল্লেখনীয়। তদুপৰি খেতিৰ সঁজুলিৰ নামবিলাক নাইবা খেতি সম্পৰ্কীয় বিভিন্ন শব্দ এই প্ৰসংগতে উল্লেখ কৰিব পাৰি। তেনেধৰণৰ কেইটামান শব্দ হ'ল মৈ (মৈ), জুঙলী (যুঁৱলি), অ'লমাৰি (শ'লমাৰি), জোঁটজৰী (জোঁটজৰী), দিলা (দিলা), পাল (ফাল), আঙতজৰি (আউত জৰী) বেঙা (বেঁৰা), আলিচা (হালিচা বা এবিঘা), অমাৰ (সমাৰ বা দুচাহ বোৱা কাৰ্য), এচা' (এচাহ বোৱা), বৰ বিলা (বৰ দিয়া), ৰোৱনি (ৰোৱনী), আলুংৱা (হালোৱা), আল্ (হাল), আল্গৃনানী (হালোৱা গৰু), কতিযা' (কঠীযা), আচাৰি (এচাৰি), জবকা' (জবকা), ডৰা (ডৰা), কন্তি (খন্তি), টাকুন (টোকোন), ডাঙৰী (ডাঙৰী), কাচি (কাচি), তৰ (থৰ বা ছটা ধানৰ মুঠি), বিৰা (বিৰিযা), আঁচ (আঁচ), চাচি (বাইচ), ডোবা (মাটিৰ ডোবা বা ডৰা), আলি (আলি) ইত্যাদি।

মিচিং ভাষাত অসমীয়া শব্দ

মিচিং শব্দ		অসমীয়া শব্দ
অমাৰ	<	সমাৰ বোৱা, অৰ্থাৎ দুবাৰ হালেৰে চহোৱা
অল্মাৰি	<	শ'লমাৰি
অম্রিতাং/অমিতাং	<	অমিতা
অমনিযাং	<	সমনীযা
আঃল	<	হাল

আঃলগৃনানী	<	হালোৱা গৰু
আলুৱাং	<	হালোৱা
আলিচা	<	হালিচা (এবিঘা)
আলদি	<	হালধি
আলি	<	আলি, শালি (ধান)
আৰু	<	আৰু
আজিৰাং	<	হাজিৰা
আঙত জৰি	<	আউত জৰি
আন্‌তুৰি	<	হাতুৰি
আমলকি	<	আমলখি
আউম বুগৰি	<	আহোম বগৰি
আপদিযা৲	<	আপদীযা
আচাৰি	<	এচাৰি
এচা৲	<	এচাহ (এবাৰ হালেৰে চহোৱা)
এৰেনা	<	এৰাগছ (অসমীযা কথ্যভাষাত 'এৰেনা)
ইন্‌লিকা৲	<	শিনিখা
কতিযা৲	<	কঠীযা
কৰাই	<	খৰাহি
কউবা৲	<	কঁহুৱা
কলিঐ	<	খনিহৈ
কালৈ	<	খালৈ
কিৰিকি	<	খিৰিকি
কেৰেলা৲	<	কেৰেলা
গৰচীযা৲	<	ঘৰচীযা
গৰু	<	গৰু
গুৰে	<	ঘোঁৰা
গুবৰ	<	গোবৰ
গু৲গা৲	<	গগনা
গাংবুৰা	<	গাঁওবুঢ়া
চগন	<	শগুণ

চাপতে	<	হিচাপ
জবকাং	<	জবকা
জুঙলি	<	যুঁৰলি
জুতজৰি	<	জোঁটজৰি
জপনাং	<	জপনা
জাআজ	<	জাহাজ
জৰিমনাং	<	জৰিমনা
তৰ	<	থৰ (ছটা ধানৰ মুঠিৰ গোট)
দাংকুৰ	<	ডাকুৰ
নঙলাং	<	নঙলা
নামগৰ	<	নামঘৰ
পৰিনা	<	পঢ়া (ছাত্ৰ অৰ্থত)
পলং	<	পল
পাৰিজাদ	<	পাৰিজাত
পৰিকাং	<	পৰীক্ষা
পাৰং	<	পাৰ
পাল	<	ফাল (নাঙলৰ ফাল)
পিতাং	<	পিঠা
পেম্পা	<	পেঁপা
বগুলি	<	বগলী
বৰতুকুলাং	<	বৰটোকোলা
বুমুৰাং	<	ভোমোৰা
বিলাই	<	বিলাহী
বনৰিযাং	<	বনৰীযা
বিৰা	<	বিৰিযা
মইনাং	<	মইনা চৰাই
মকৰাং	<	মকৰা
মদুৰি	<	মধুৰি
মাজন	<	মহাজন
ৰোআ	<	ৰোৱা (কঠীযা ৰোৱা)

অসমীয়া ভাষাত যেনেকৈ ইংৰাজী শব্দৰ লগত অসমীয়া শব্দ একোটা যোগ কৰি হেডপণ্ডিত, মাষ্টৰণী, ডাক্তৰণী কৰা হৈছে তেনেকৈ মিচিং ভাষাতো এটা মিচিং শব্দৰ লগত অসমীয়া শব্দ এটা যোগ কৰি লোৱা হৈছে। তেনেকুৱা উদাহৰণ কেইটামান হ'ল —

আলাক গৰি	হাত ঘড়ী (আলাক = হাত)
আদুম অৰাই	গাধন শৰাই (আদুম = গাধন)
কম্পাল কামাং	কপাল নাইকিয়া, দুৰ্ভগীয়া (কম্পাল = কপাল, কামাং = নাই)
মকৰা আকাং	মকৰা জাল (আকাং = জাল)
আজিৰা' ইনে	হাজিৰা কৰা মানুহ (ইনে = কৰা)
আকৌ কুদা	আকৌ

কাপ, প্লেট, ৰিক্সা, ফেৰী, গুলাব আদিৰ দৰে বিদেশী শব্দৰ বেছিভাগেই অসমীয়া ভাষাৰ জৰিয়তে মিচিং ভাষাত সোমাইছে। অৱশ্যে ইংৰাজী শব্দ কিছুমান পোনপটীয়াকৈ ইংৰাজী ভাষা অধ্যয়নৰ ফল স্বৰূপে সোমাই পৰিছে। সাধাৰণতে কথ্য-ভাষাত এনেধৰণৰ শব্দৰ অজস্ৰ প্ৰযোগ হয়। ধ্বন্যাত্মক শব্দবিলাকৰ উপৰিও গমুগ্, গম্লাম্, গমপিৰ আদিৰ দৰে সাধিত শব্দই মিচিং শব্দমালাৰ বাবে নতুন মণিৰ যোগান ধৰিছে। অৱশ্যে আপিন (ভাত) শব্দৰ আদ্যাক্ষৰ আ লুপ্ত হৈ পিনকাং (পইতা ভাত), পিনৰ' (তপত ভাত), আদিৰ দৰে নতুন শব্দ একোটাইঁত সাধন হোৱা পদ্ধতিৰ কথাও এই প্ৰসংগত মনলৈ আহে। উল্লেখৰ নিষ্প্ৰয়োজন যে অসমীয়া ভাষাৰ শব্দৰ ভঁৰালত বিভিন্ন থলুৱা ভাষাৰ শব্দৰ সমাহাৰ ঘটিছে। তেনে বহুতো শব্দৰ মূল ক'ত তাক সঠিককৈ কোৱা টান। অসমীয়া ভাষাত সচৰাচৰ প্ৰচলিত কিছুমান শব্দ, যেনে— অফলাছিগা (বানপানীয়ে ছিঙা মথাউৰিৰ স্থান বিশেষ), দলপা (দলপা হাবি বা ডাঠ হাবি), দলনি (দল থকা অঞ্চল বিশেষ), লোৰি (সৰু খাল), অগৰং বগৰং (অমূলক, যেনে — কি অগৰং বগৰং বলকিছ), ডাকুৰ (ছাগলীৰ ডিঙিত আঁৰি দিয়া মাৰি বিশেষ) আদি শব্দবিলাকৰ একেৰূপ অৰ্থ থকা মিচিং শব্দ কিছুমান পোৱা যায়। মিচিং ভাষাত 'অপলা' শব্দটোৰ কেইবাটাও অৰ্থ আছে, যেনে — আগতে জন্ম দিয়া, আগতীয়া বৰষুণ আদি। গতিকে 'অফলা ছিগা' শব্দটো আগতীয়া বানত ছিগা এনে অৰ্থত অসমীয়া ভাষাত প্ৰযোগ হ'ব পাৰে। মিচিং ভাষাত 'দলপা' শব্দৰ অৰ্থ হ'ল হাবি, কউৱাং শব্দৰ অৰ্থ হ'ল কহুঁৱা বন। অন্যহাতেদি দলনি, লোৰি আদি শব্দবিলাক মিচিং ভাষাত একে ৰূপতে একে অৰ্থতে অসমীয়া ভাষাৰ দৰে পোৱা যায়। অসমীয়া ভাষাৰ 'ডাকুৰ' শব্দটোৰ মিচিং 'ডাংকুৰ'

শব্দৰ লগত সাদৃশ্য মন কৰিবলগীয়া। তদুপৰি মিচিং ভাষাত 'পেম্পা' (পেঁপা), গুংগা (গগনা) শব্দৰ প্ৰয়োগ উল্লেখযোগ্য। এইবিলাক শব্দৰ মূল মিচিং ভাষা বুলি ভবাৰ ভালেমান যুক্তি আছে।

অসমীয়া ভাষাৰ প্ৰত্যয়বিলাকৰ ভিতৰত -উৰা প্ৰত্যয়টো পোৱা যায়। ড° বাণীকান্ত কাকতিয়ে ইয়াক দেশজ প্ৰত্যয় বুলি উল্লেখ কৰিছে। -উৰা প্ৰত্যয়টোৱে কোনো এটা বেয়া কামত একেৰাহে আসক্ত হোৱাকে সাধাৰণতে বুজায়। অসমীয়া ভাষাৰ দৰে একে অৰ্থতেই মিচি ভাষাত প্ৰয়োগ হোৱা -উৰা বা -দুৰা প্ৰত্যয়ে ইয়াৰ মূল মিচিং ভাষাত থকা বুলি সন্দেহ ওপজায়। তলত -উৰা প্ৰত্যয়যুক্ত অসমীয়া ভাষাৰ শব্দ আৰু মিচি শব্দকেইটামান উল্লেখ কৰা হ'ল।

মিচিং ভাষাৰ শব্দ	**অসমীয়া ভাষাৰ শব্দ**
যুবদুৰা /যুবদুৰা	টোপনি দাগুৰা
কাপ্দুৰা/কাপদুৰা	কাদুৰা
চিদুৰাঃ	মুতুৰা
এদুৰা	হাগুৰা
(আপ) তৃদুৰাঃ	মদাহী অৰ্থত
পাঁদুৰা	পাদুৰা
দদুৰা	খকুৰা অৰ্থত

মিচিং সংখ্যাবাচক শব্দ —

১	আ ক	
২	আন্‌ঞ্ৰি	
৩	আউম	
৪	আপ্লি	
৫	আঙ	
৬	আকৰী	
৭	কৃন্দ	
৮	পিঞি	
৯	কনা	
১০	অৃযি	
১১	অৃযি কনা	আ-ক
১২	” ”	আন্‌ঞ্ৰিক
১৩		আউমক

১৪	অৃযিং কলা		আপ্‌পিক
১৫	”	”	আংঙক
১৬	”	”	আক্‌কেংক
১৭	”	”	কৃন্‌দ্‌ক
১৮	”	”	পিত্ৰিঙক
১৯	”	”	কনাংক
২০	অৃযিং আন্‌ত্ৰিঙক		
২১	অৃযিং আন্‌জিকলা		আ-ক
২২	অৃযিং আন্‌ত্ৰিঙকলা		আন্‌ত্ৰিঙক
২৩	”	”	আউম্‌ক
২৪	”	”	আপ্‌পিক
২৫	”	”	আংঙক
২৬	”	”	আক্‌কেংক
২৭	”	”	কৃন্‌দ্‌ক
২৮	”	”	পিত্ৰিঙক
২৯	”	”	কনাংক
৩০	অৃযিং আউম্‌ক		
৩১	অৃযিং আউম্‌কলা		আ-ক
৩২	”	”	আন্‌ত্ৰিঙক
৩৩	”	”	আউম্‌ক
৩৪	”	”	আপ্‌পিক
৩৫	”	”	আংঙক
৩৬	”	”	আক্‌কেংক
৩৭	”	”	কৃন্‌দ্‌ক
৩৮	”	”	পিত্ৰিঙক
৩৯	”	”	কনাংক
৪০	অৃযিং আপ্‌পিক		
৪১	অৃযিং আপ্‌পিকলা		আ-ক
৪২	”	”	আন্‌ত্ৰিঙক
৪৩	”	”	আউম্‌ক
৪৪	”	”	আপ্‌পিক
৪৫	”	”	আংঙক

৪৬	অৃযিং আপ্‌পিকলা আক্‌কেংক		
৪৭	”	”	কৃন্দ্‌ক
৪৮	”	”	পিত্রিক
৪৯	”	”	কনাংক
৫০	অৃয়িং আংঙক		
৫১	অৃযিং আংঙকলা আ-ক		
৫২	”	”	আন্‌ত্রিক
৫৩	”	”	আউম্‌ক
৫৪	”	”	আপ্‌পিক
৫৫	”	”	আংঙক
৫৬	”	”	আক্‌কেংক
৫৭	”	”	কৃন্দ্‌ক
৫৮	”	”	পিত্রিক
৫৯	”	”	কনাংক
৬০	অৃযিং আক্‌কেংক		
৬১	অৃযিং আক্‌কেংকলা আ-ক		
৬২	”	”	আন্‌ত্রিক
৬৩	”	”	আউম্‌ক
৬৪	”	”	আপ্‌পিক
৬৫	”	”	আংঙক
৬৬	”	”	আক্‌কেংক
৬৭	”	”	কৃন্দ্‌ক
৬৮	”	”	পিত্রিক
৬৯	”	”	কনাংক
৭০	অৃয়িং কৃন্দ্‌ক		
৭১	অৃযিং কৃন্দ্‌কলা আ-ক		
৭২	”	”	আন্‌ত্রিক
৭৩	”	”	আউম্‌ক
৭৪	”	”	আপ্‌পিক
৭৫	”	”	আংঙক
৭৬	”	”	আক্‌কেংক
৭৭	”	”	কৃন্দ্‌ক

৭৮	অৃযিং	কৃনৃদ্কলা	পিত্ৰিঞক
৭৯	”	”	কনাংক
৮০	অৃযিং	পিত্ৰিঞক	
৮১	অৃযিং	পিত্ৰিঞকলা আ-ক	
৮২	”	”	আন্ত্ৰিঞক
৮৩	”	”	আউম্ক
৮৪	”	”	আপ্পিক
৮৫	”	”	আংঙক
৮৬	”	”	আক্কেংক
৮৭	”	”	কৃনৃদ্ক
৮৮	”	”	পিত্ৰিঞক
৮৯	”	”	কনাংক
৯০	অৃযিং	কনাংক	
৯১	অৃযিং	কনাংকলা আ-ক	
৯২	”	”	আন্ত্ৰিঞক
৯৩	”	”	আউম্ক
৯৪	”	”	আপ্পিক
৯৫	”	”	আংঙক
৯৬	”	”	আক্কেংক
৯৭	”	”	কৃনৃদ্ক
৯৮	”	”	পিত্ৰিঞক
৯৯	অৃযিং	কনাংকলা কনাংক	
১০০	একংক বা লৃংক, অৃযিং অৃযিংক		
১০১	লৃংকলা আ-ক বা একংকলা আ-ক		

৩ ১ ১ মিচিং ভাষাৰ লগত আদী ভাষাৰ তুলনা :

অৰুণাচল প্ৰদেশৰ কামলা, খ্ৰু, চিপি, পলিন, পানিওৰ, প'মা, পপুম আৰু পাৰ নদীৰ পাৰে পাৰে ভালেমান ডাঠ হাবি। এইবোৰৰ মাজে মাজে ভালেমান গাঁৱত বসবাস কৰে নিচিসকল (যাক আগতে ডফলা বুলি কোৱা হৈছিল), আপাটানিসকল, হিলমিৰি আৰু চুলুংসকল। নিচিসকলে আপাটানি, চুলুং, মিৰি, তাগিন আৰু বাংগৰুসকলৰ দৰেই নিজকে 'আব' 'তানি'ৰ বংশধৰ বুলি চিনাকি দিযে। 'আব' মানে হ'ল পিতা বা 'পিতৃ' আৰু 'তানি' মানে হ'ল মানুহ। 'আব' 'তানি'যেই হ'ল তেওঁলোকৰ প্ৰথম মানুহ।

'আব'তানি'ৰপৰাই তেওঁলোক যে পিতৃপ্ৰধান সেই কথা সহজে অনুমেয় হৈ উঠে।

কামলা নদীৰ পাৰত হিলমিৰিবিলাকে বসবাস কৰে। হিলমিৰিবিলাকৰ ভালেমান ফৈদ পোৱা যায় যদিও গাচি মিৰি আৰু চাৰক মিৰিসকলেই প্ৰধান। ৰজনীকান্ত বৰদলৈদেৱে 'মিৰিজীয়ৰী' উপন্যাসত সম্ভৱ এই মিৰিবিলাকৰ কথাই উল্লেখ কৰিছিল। গাচি মিৰিবিলাক সোৱণশিৰি আৰু ধল নদীৰ মাজৰ অংশত বসবাস কৰে। তেনেকৈ পাৰ নদীৰ পাৰত বসবাস কৰা চুলুংসকলক এসময়ত চুলু নামেৰেই জনা গৈছিল। তেওঁলোকে নিচিসকলৰ মাজে মাজে বসবাস কৰে আৰু ভুটান সীমান্তৰপৰা পূবপিনে সোৱণশিৰি অঞ্চললৈকে বিযপি আছে। সেইদৰে চিযাং জিলাৰ প্ৰধান জনগোষ্ঠীটো হ'ল আদী জনগোষ্ঠী যাক আগতে 'আবৰ' বুলি জনা গৈছিল। 'আদী' শব্দটোৰ অৰ্থ হ'ল 'পাহাৰীয়া মানুহ'। অৰুণাচলৰ পাহাৰীয়া মানুহবিলাকৰ মাজত এওঁলোক বেচ আগবঢ়া আৰু আগৰণুৱা। আদী মানুহখিনিয়ে বসবাস কৰা অঞ্চল অনুসৰি দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। (১) পাদাম, মিঞং, পংচি, পাংগি, চিমুং, ব'ৰি, আচিং আৰু তাংগাম, (২) গালং, ৰামু, বোকাৰ্ আৰু পাইলিবু, পাদাম্, মিঞং আৰু চিমুং সংখ্যাত সৰহ। গালংসকল যমচা যম্‌কম্, কম্‌বো, বাঃমে, গেন্‌চি, কাৰবাক্, লিকাবালি, কামবা, বাগ্‌ৰা ইত্যাদি প্ৰধান প্ৰধান গাঁওবিলাকত বসবাস কৰে। তেনেকৈ মিঞংসকল, তাৰাক, পাংগিন আৰু পাদামসকল মেঃব, আযেং, ডাম্‌ৰ, ৰইং আদি গাঁৱত বসবাস কৰে। এইবোৰৰ উপৰিও কাৰকো আৰু তাগিন্‌সকলো আদী সকলৰে উপজাতি বুলি ঠাৱৰ কৰিব পাৰি। আজিকালি অৱশ্যে তাগিন্‌সকলে নিজকে সুকীয়া বুলি চিহ্নিত কৰিছে। ওপৰত উল্লেখ কৰা জনগোষ্ঠীবিলাকে দঃঞি পঃল (চন্দ্ৰ সূৰ্য্য) উপাস্যদেৱতা হিচাপে গ্ৰহণ কৰে। সেইদৰেই বৰ অসমৰ আবৰ পাহাৰটোৰপৰা কোনোবা অজান দিনতে ভৈযামৰ নৈৰ পাৰলৈ নামি অহা মিচিংসকল অসমৰ প্ৰধান অধিবাসী। আবৰ পাহাৰটোত থকা আদী, গালং, হিলমিৰিসকলে ভৈযামৰ মিচিংসকলৰ পূৰ্বপুৰুষৰ উমান দিযে। দঃঞি পঃলক উপাসনা কৰা মিচিংসকলে নিজৰ ভাষাটোক 'তানি আগম্' অৰ্থাৎ মানুহৰ ভাষা বুলি উল্লেখ কৰে। উল্লিখিত জনগোষ্ঠীবোৰ সাংস্কৃতিক দিশত চালে দেখা যায় সকলোৱেই কৃষিজীৱী। তদুপৰি ভাষাৰ ক্ষেত্ৰতো মিল প্ৰচুৰ। তলত 'মিচিং' ভাষাৰ সৈতে 'আদী' ভাষাৰ কেইটামান বৈশিষ্ট্য বিজাই চোৱাৰ চেষ্টা কৰা হৈছে।

তলৰ শব্দবোৰত সংশোধিত ৰোমান আখৰৰ উচ্চাৰণ নিৰ্দেশনা —

হ্ৰস্বধ্বনি	A	E	I	O	U	C	V
	আ	এ	ই	অ	উ	অ৾	অৃ
দীৰ্ঘধ্বনি	A ঃ	E ঃ	I ঃ	O ঃ	U ঃ	C ঃ	V ঃ
	আঃ	এঃ	ইঃ	অঃ	উঃ	অ৾ঃ	অৃঃ

আদী শব্দ (সম্বোধনত)			মিচিং শব্দ (সম্বোধনত)		
Abu	—	পিতা	Bu bu	—	পিতা
Anc	—	আই	Na nc	—	আই
Akv	—	মোমাই	Ka kv	—	মোমাই
Ato	—	ককা	Ta to	—	ককা
Anyı	—	পেহী	Nya nyı	—	পেহী
Ayo/ya yo	—	আইতা	ya yo	—	আইতা
Abboı/Ba boı	—	দদাই	Ba boı	—	দদাই
Annoı/Na noı	—	খুৰী	Na noı	—	খুৰী
Abbatta	—	বৰদেউতা	Ba batta	—	বৰদেউতা
Annatta	—	বৰমাক	Na natta	—	বৰমাক
Amo	—	বৌ	Mo mo	—	নবৌ
Sa Sv	—	ককাই	Kaı	—	ককাই
Bvro	—	ভাই	Bvro	—	ভাই
Bvrnc	—	বাই ভনী	Bvrnc	—	ভনী

ওপৰত উল্লেখ কৰা সম্বোধন শব্দবিলাক চালে দেখা যায় আদীসকলৰ সম্বন্ধবাচক শব্দৰ বেছিভাগেই আ'ৰে আৰম্ভ হৈছে। যেনে— আব', আনী ইত্যাদি। কিন্তু মিচিং ভাষাত এই শব্দবোৰ বাঃবো, নাঃনী হৈছে। অৰ্থাৎ আদীসকলৰ সম্বোধন শব্দবোৰত থকা ব্যঞ্জনটোকে পুনৰাবৃত্তি কৰি শব্দটোৰ আগত বহুৱাই মিচিং সম্বন্ধ শব্দবিলাক গঢ় দিয়া হৈছে। উদাহৰণ ৰোমান লিপিৰে দিয়া হৈছে।

Adı		Mısıng
Abo	—	ba bo
Akv	—	ka kv
Anyı	—	nya nyı
Ato	—	ta to
Ayo	—	ya yo
Abboı	—	ba boı
Annoı	—	na noı

ইত্যাদি এনেধৰণৰ ভালেমান উদাহৰণ সংশোধিত ৰোমান আখৰৰ মিচিং লিপিতে ইতিমধ্যে দিয়া হৈছে। পুনৰাবৃত্তি হ'লেও ৰোমান আখৰেৰে দিলে স্পষ্টকৈ বুজিব

পাৰিব বুলি ভাবি ৰোমান আখৰত এই উদাহৰণখিনি দিয়া হৈছে। এইবোৰৰ উপৰিও মিচিংসকলে সচৰাচৰ ব্যৱহাৰ কৰি থকা অন্যান্য কিছুমান সম্বন্ধ শব্দ আছে, যিবোৰ আদী ভাষাৰ লগত ৰিজাই চোৱাৰ যথেষ্ট অৱকাশ আছে। তেনে মিচিং শব্দ কিছুমান হ'ল —

Kcdan	—	বিয়ে
Kcdan-nc ng	—	বিয়নি
Magbo	—	ভিনিহি
Magbodc	—	জোঁৱাই
Omcdc	—	জী
Yıgo	—	বৈনাই, খুলশালী (পুৰুষ)
Yıgnc	—	বৈনায়েকৰ ভনীয়েক, নন্দেক, খুলশালী (ছোৱালী)
Ajon	—	সখী, বন্ধু
Yamcng	—	বোৱাৰী (শাহুৱেকে মাতে)

মিচিং ভাষাৰ এটা বৈশিষ্ট্য হৈছে কোনো এটা বস্তুৰ লগত সম্পৰ্ক থকা অন্যান্য শব্দবোৰক বুজাবলৈ হ'লে মূল শব্দটোৰ আদ্যস্বৰ লুপ্ত কৰি সম্পৰ্কিত শব্দবোৰ সাধন কৰি লোৱা হয়। আদী ভাষাতো একেদৰেই আদ্যস্বৰ লোপ কৰি সম্পৰ্কিত শব্দবোৰ গঠন কৰি লোৱা হয়।

মিচিং ভাষাৰপৰা উদাহৰণ —

Alag	—	আলাগ = হাত
Lakke	—	বাওঁহাত
Lagbvg	—	সোঁহাত
Laggulung	—	কিলাকুটি
Lakpo	—	হাতৰ তলুৱা
Lagn c	—	বুঢ়া আঙুলি
Lakke	—	কেঞা আঙুলি
Laksın	—	হাতৰ নখ ইত্যাদি।

এনেধৰণেৰে গঠন হোৱা আদী ভাষাৰ শব্দকেইটামান চোৱা যাওক —

Alag	—	হাত
Lakke	—	হাতৰ আঙুলি
Laggvd	—	হাতৰ সৰু গাঁঠি

Lagmvd	—	হাতৰ নোম
Laksın	—	হাতৰ নখ

মিচিং ভাষাত যিদৰে 'Umv' মানে জুই, আদী ভাষাতো সেইদৰেই 'Umv' মানে জুই। ইয়াৰপৰা হোৱা শব্দবোৰ যেনে —

Umv	—	জুই
Mere	—	এঙাৰ
Mcsımere	—	ফিৰিঙতি
Mcram	—	জুইশাল
Mcgab	—	চেপেনা
Mctung	—	আধা জ্বলা খৰি
Mcru	—	জোৰ (জ্বলি থকা জোৰ) ইত্যাদি।

তেনেকৈ আদী ভাষাত 'Vsvng' শব্দৰ অৰ্থ হ'ল গছ। ইয়াৰপৰা সৃষ্টি হোৱা শব্দবোৰ যেনে —

Vsvng	—	গছ
Svrnc	—	গছ
Svgo	—	কাঠ
Svŋo	—	শিমলু গছ ইত্যাদি।

তিব্বত-বৰ্মী পৰিয়ালৰ ভাষাত সাধাৰণতে সুৰ দেখা যায়। উল্লেখযোগ্য কথা যে মিচিং ভাষাত সুৰ নাই। স্বৰবৰ্ণৰ হ্ৰস্ব দীৰ্ঘৰ পাৰ্থক্যই কেতিয়াবা সুৰ বুলি ভৱাই তুলিলেও সি সুৰ নহয়। স্বৰবৰ্ণৰ হ্ৰস্ব দীৰ্ঘৰ ৰূপটোৱেহে অৰ্থৰ পাৰ্থক্য ঘটায়। তেনে কিছুমান শব্দৰ উদাহৰণ তলত দিয়া হ'ল —

হ্ৰস্ব ৰূপ			দীৰ্ঘ ৰূপ		
Bınam	—	দিয়া	Bı nam	—	পূৰ্ণ
Binc	—	দাতা	Bı nc	—	পূৰ্ণ পাত্ৰ
Banc	—	যি বাচে	Bn nc	—	যি সাঁতোৰে
Pato	—	কটা	Pa·to	—	বুটলি পোৱা
Bato	—	বচা	Ba to	—	পোৱা, সাঁতোৰা
Pıto	—	চৰমৰা	Pı·to	—	বিন্ধা কৰা
Mcmang	—	নেৰা	Mc·mang	—	চিন্তা নকৰা

Mclo	—	কালি	Mc lo	—	ধান লবোৱা, মেলা
Pvto	—	পানী বকা	Pv·to	—	গৈ পোৱা
Tcnc	—	মাইকী হাতী	Tc.nc	—	গছ কটোৱাল
Manc	—	বিচৰাজন	Ma nc	—	লতা,কাই যোৱা অৰ্থত
Peto	—	শাও দিয়া	Pe to	—	ৰেপি কটা
Dvnam	—	বাকলি এৰোৱা	Dv nam	—	কোবোৱা
Nvnc	—	ধুবুনী	Nv nc	—	টৌলোঠা
Soto	—	টনা	So·to	—	নচা
Kınc	—	বেমাৰী, বিষ	Kı nc	—	মাইকী কুকুৰ
Kınam	—	বেমাৰ	Kı·nam	—	বেঁকা কৰা

আদী ভাষাতো একেদৰেই স্বৰৰ হ্রস্ব দীৰ্ঘ ৰূপ পোৱা যায়। এনেদৰে বিশ্লেষণ কৰি চালে দেখা যায় যে উল্লিখিত আবতানি ঠালৰ ভাষাবোৰৰ মাজত ভালেমান মিল বৰ্তমান। এই ভাষাবোৰৰ সম্পৰ্কে বিশদ আলোচনাৰ বাট মুকলি হৈ আছে।

৩ ১ ২ মিচিং আৰু গালং ভাষাৰ সাদৃশ্য

গাল বা গালংবিলাক অৰুণাচল প্ৰদেশৰ চিযাং জিলাৰ এটা প্ৰধান জনগোষ্ঠী। তেওঁলোক আদীসকলৰে এটি ঠালৰ। পূব চিযাং আৰু পশ্চিম চিযাং জিলা আদীসকলৰ গৃহভূমি। পূৰ্বেই উল্লেখ কৰি অহা হৈছে যে ভৌগোলিকভাৱে আদীসকলক দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি — (১) পাদাম, মিএঃং, পাচি, পাঞ্জি, চিমুং, বৰি, আচিং আৰু টাংগাম (২) গালং, ৰামু, ব'কাৰ আৰু পাইলিবু। আদীসকলৰ উল্লিখিত ভাগবোৰৰ মানুহখিনিৰ মাজত ভাষিক আৰু সাংস্কৃতিক মিল লক্ষ্য কৰা যায়। অন্যহাতেদি মিচিংসকল হ'ল আদীসকলৰ দৰেই দঃগ্রি পঃলঃৰ উপাসক। তেওঁলোক উভয়েই 'আব'তানি'ৰ বংশধৰ বুলি বিশ্বাস কৰে (আব' - পিতা, তানি - মানুহ)। উল্লেখযোগ্য যে মিচিংসকল এসময়ত আবৰ পাহাৰটোৰপৰা ভৈয়ামলৈ নামি আহিছিল আৰু সেই আবৰ পাহাৰটোৱেই হ'ল আদীসকলৰ বাসস্থান। গতিকে মিচিং আৰু গালং ভাষাৰ মাজত সম্পৰ্ক থকাটো স্বাভাৱিক। তলত মিচিং আৰু গালং ভাষাৰ মাজত থকা সাদৃশ্যসমূহ দেখুওৱা হ'ল।

(১) মিচিং ভাষাত স্বৰবৰ্ণৰ উচ্চাৰণত হ্রস্ব দীৰ্ঘৰ ৰূপ থকাৰ দৰেই গালং ভাষাতো স্বৰবৰ্ণৰ হ্রস্ব দীৰ্ঘৰ ৰূপ বৰ্তমান। তদুপৰি মিচিং ভাষাৰ স্বৰবৰ্ণৰ উচ্চাৰণৰ লগত গালং ভাষাৰ উচ্চাৰণ একেধৰণৰ। তলত মিচিং আৰু গালং ভাষাত থকা কেইটামান স্বৰবৰ্ণৰ হ্রস্ব দীৰ্ঘ ৰূপবোৰ উদাহৰণেৰে সৈতে দেখুওৱা হৈছে।

মিচিং ভাষাৰপৰা উদাহৰণ —

মিচিং উচ্চাৰণ	মিচিং শব্দ	অসমীয়া অৰ্থ
ই	বিনাম	'দিযা'
ইঃ	বিঃনাম	'প্ৰৱেশ কৰা'
অ	বতু	'নিৰ্বাচন কৰা'
অঃ	বঃতু	'পোৱা'
ও	চোতো	'টনা'
ওঃ	চোঃতো	'নচা'

গালং ভাষাৰপৰা উদাহৰণ —

ই	ইনাম	'কৰা'
ইঃ	ইঃনাম	'নামি অহা'
উ	বুনাম	'খং কৰা'
উঃ	বুঃনাম	'শুহি লোৱা'
অ	আল (আলঅ)	'নিমখ'
অঃ	আলঃ (আলঅঃ)	'হাড'
আ	কানাম	'হোৱা'
আঃ	কাঃনাম	'চোৱা'

(২) মিচিং আৰু গালং দুযোটা ভাষাতে বিশেষ্য শব্দবিলাক বচন, লিংগ আৰু কাৰক অনুসৰি ৰূপ হয। উভয ভাষাতেই বচন ব্যাকৰণগত নহয়। মিচিং ভাষাত বহুবচন বুজাবৰ বাবে ব্যৱহাৰ হোৱা প্ৰত্যয - কিদিং (পাগ্‌ৰ, অযান্ আৰু দেলু উপভাষাত পোৱা যায), -কিদাৰ্, (চাযাং উপভাষাত পোৱা যায়) আৰু -কিৰিং (মযিং আৰু দাম্বুগ উপভাষাত পোৱা যায) গালং ভাষাৰ সৈতে সাদৃশ্য পৰিলক্ষিত হয। মিচিং ভাষাৰ এই -কিদিং প্ৰত্যয কেতিযাবা -কিলিং উচ্চাৰণ পোৱা যায়। অৰ্থাৎ -কিদিং -কিৰিং > কিলিং । -কিদাৰ্ প্ৰত্যয আকৌ বহুত সময়ত -কাঁদাৰ্দী, -কাঁদাঁদী উচ্চাৰণ কৰা শুনা যায। ইপিনে গালংসকলে বহুবচন বুজাবৰ বাবে -গদ্‌দে প্ৰত্যয় শব্দৰ পাছত যোগ কৰে। মিচিং -কাঁদাৰদী, -কাঁদাঁদী গালং ভাষাৰ -গদ্‌দেৰ লগত মিল আছে। ক > গ বা গ > ক। অৰ্থাৎ গালং ভাষাত ঘোষ আৰু মিচিং ভাষাত অঘোষ উচ্চাৰণ পোৱা গৈছে।

বিশেষ্য শব্দবোৰৰ বচন, লিংগ আৰু কাৰক অনুসৰি কেনেকৈ উভয় ভাষাতে ৰূপ হয তলত উদাহৰণেৰে সৈতে সিবোৰ দেখুওৱা হৈছে।

(ক) বচন অনুসৰি বিশেষ্য ৰূপৰ উদাহৰণ ঃ

মিচিং		গালং	
একবচন	**বহুবচন**	**একবচন**	**বহুবচন**
ইকি 'কুকুৰ'	ইকি কিদাৰ্দী	ইকি 'কুকুৰ'	ইকি-গদ্দা
পীত(p'eta) চৰাই	পীত্তাংকীদাৰদী	পীত(p eta)'চৰাই'	পীত-গদদা
অকুম্ 'ঘৰ'	অকুমকীদাৰদী	নাম 'ঘৰ'	নাম-গদ্দা

(খ) লিংগ অনুসৰি বিশেষ্য ৰূপৰ উদাহৰণ ঃ

মিচিং			গালং		
উভয়লিংগ	**পুংলিংগ**	**স্ত্রীলিংগ**	**উভয়লিংগ**	**পুংলিংগ**	**স্ত্রীলিংগ**
ইকি 'কুকুৰ'	কিব' (kibo)	কিনী	ইকি 'কুকুৰ'	কিব'	কিনী
পৰক 'কুকুৰা'	ৰকপ'	ৰগ্নী	পৰক 'কুকুৰা'	ৰকপ'	ৰংনী
দুমচুং 'হৰিণ'	দুম্ব'	দুম্নী	চদুম্ 'হৰিণ'	দুম্ব'	দুম্নী

(গ) কাৰক অনুসৰি বিশেষ্য ৰূপৰ উদাহৰণ ঃ

কাৰক	**মিচিং**	**গালং**
কৰ্তা	-বী	-আঁ
কৰ্ম	-ম্	-এম্
কৰণ	-কি, দগ্	-এ
সম্প্ৰদান	-লঃপী	-লেগাবী
অপাদান	-লক্কেম	-লক্, -লক্কে
সম্বন্ধ	-গে, -কে	-ক
অধিকৰণ	-লু', -চ'	-লু', চ'

(৩) গালং আৰু মিচিং ভাষাৰ পুৰুষবাচক সৰ্বনামবিলাক প্ৰায়ে একে আৰু ইহঁতৰ বচন অনুসৰিহে ৰূপ হয়, লিংগ অনুসৰি ৰূপ নহয়। উভয় ভাষাতে বহুবচন বুজাবৰ বাবে -লু প্ৰত্যয় একবচনৰ ৰূপটোৰ পাছত যোগ হয়। অৱশ্যে গালং ভাষাত বহুবচন বুজাবৰ বাবে -নু প্ৰত্যয়ো একবচনৰ ৰূপটোৰ পাছত যোগ হয়। এই -নু প্ৰত্যয়ৰ প্ৰয়োগ মিচিং ভাষাত নাই। ইপিনে তৃতীয় পুৰুষৰ একবচনৰ ৰূপ বৃ স্বৰসংগতিৰ কাৰণে বহুবচনত -বু লৈ পৰিবৰ্তন হয়। গালং ভাষাত তৃতীয় পুৰুষৰ একবচনত বৃ আৰু মি দুটা ৰূপ পোৱা যায়। ইয়াৰে মি ৰূপটো মিচিং ভাষাত পাবলৈ নাই। অতি সম্মানাৰ্থক কোনো ৰূপ দুযোটা ভাষাতে পাবলৈ নাই। তলত মিচিং আৰু গালং ভাষাৰ পুৰুষবাচক সৰ্বনামৰ তালিকা এখন দাঙি ধৰা হ'ল।

একবচন			বহুবচন	
পুৰুষ	গালং	মিচিং	গালং	মিচিং
প্ৰথম পুৰুষ	ঙ 'মই'	ঙ 'মই'	ঙলু, ঙনু, 'আমি'	ঙলু 'আমি'
দ্বিতীয় পুৰুষ	ন 'তুমি 'আপুনি'	ন 'তুমি 'আপুনি'	নলু, নুনু 'তোমালোক', 'আপোনালোক'	নলু 'তোমালোক', 'আপোনালোক'
তৃতীয় পুৰুষ	বৃ, মি 'সি' 'তাই'	বৃ 'সি', 'তাই'	বুলু, মুনু 'সিহঁত' 'তেওঁলোক'	বুলু 'সিহঁত', 'তেওঁলোক'

(৪) গালং ভাষাৰ সংখ্যা শব্দবিলাক মিচিং ভাষাৰ লগত প্ৰায়ে একে। গালং ভাষাত দহ, বিশ, পঞ্চাশ আৰু এশ বুজাবৰ বাবে সংখ্যা শব্দবোৰ হ'ল যথাক্ৰমে ইৰি, চাম-ঞি, চামঙো আৰু চাম্‌ৰি। এইকেইটাৰ মিচিং ভাষাৰ লগত মিল নাই। মিচিং ভাষাত দহ, বিশ, পঞ্চাশ আৰু এশ বুজাবৰ বাবে ব্যৱহাৰ হোৱা সংখ্যা শব্দবোৰ হ'ল যথাক্ৰমে ইযিং, ইযিং আঞিক, ইযিং আঙক, লিংক বা ইযিং ইযিংক। তলত দুযোটা ভাষাৰে দহোটাকৈ সংখ্যা শব্দ দেখুৱা হ'ল।

গালং শব্দ		মিচিং শব্দ
আক' / আকেন	'এক'	আক'
আঞি	'দুই'	আঞি
আউম্	'তিনি'	আউম্
আপ্‌পি	'চাৰি'	আপ্‌পি
আঙ্‌ঙ	'পাঁচ'	আঙ্‌ঙ
আক্‌কী	'ছয়'	আক্‌কীঙ্
কানী	'সাত'	কীনাদ
পিনী	'আঠ'	পিঞি
কেংঙা	'ন'	কনাং
ইৰি	'দহ'	ইযিং

উল্লেখযোগ্য যে গালং আৰু মিচিং ভাষাৰ নিৰ্দিষ্টতাবাচক সংখ্যা শব্দবিলাক একে। দুযোটা ভাষাতে জীৱ আৰু জড পদাৰ্থ, আৰু আকৃতি-আকাৰ আদি বুজাবৰ

বাবে সুকীয়া নির্দিষ্টতাবাচক সংখ্যা শব্দ ব্যৱহাৰ হয়। জীৱ থকা বস্তুক বুজাবৰ বাবে দৰ্ (দৰ্ < আদৰ্) ব্যৱহাৰ হয়। অন্যহাতেদি চ' (চ' < আচ') আৰু বাৰ্ (বাৰ্ < আবাৰ্) জড় পদাৰ্থৰ ক্ষেত্ৰত যথাক্ৰমে দীঘল আৰু চেপেটা বস্তুক বুজাবৰ বাবে ব্যৱহাৰ হয়। এই আদৰ্, আচ' আৰু আবাৰ্ শব্দৰ পাছত যথাযোগ্য সংখ্যা শব্দৰ যোগ হয় আৰু তেতিয়া আদ্যাক্ষৰ লোপ পাই শব্দকেইটা দৰ্ চ' আৰু বাৰ্ হয়। একেধৰণৰ আদ্যাক্ষৰ লোপ প্ৰক্ৰিয়াটো সংখ্যাশব্দৰ ক্ষেত্ৰতো অব্যাহত থাকে। উদাহৰণ স্বৰূপে আদৰ্ + আগ্ৰিঞ > দৰ্গ্ৰিঞ, আচ' + আগ্ৰিঞ > চগ্ৰিঞ, আবাৰ্ + আগ্ৰিঞ > বাৰ্গ্ৰিঞ ইত্যাদি। তলত কেইটামান উদাহৰণ দুয়োটা ভাষাৰপৰা দিয়া হ'ল।

গালং		মিচিং
চ'ৱ' দৰঙো	'পাঁচটা গৰু'	গৰু দৰ্ঙো
উপুক্ চ'গ্ৰিঞ	'দুপাত কাঁড'	উপুক চগ্ৰিঞ
মুৰক' বাৰ্গ্ৰিঞ	'দুটকা'	মুৰক' বাৰগ্ৰিঞ

(৫) ওপৰত উল্লিখিত আদ্যাক্ষৰ লোপ প্ৰক্ৰিয়াটো মিচিং আৰু গালং উভয় ভাষাতে দেখা যায়। সম্পৰ্কিত বিষয়ৰ শব্দবোৰ আদ্যাক্ষৰ লোপৰ জৰিয়তে সূচনা কৰা হয়। প্ৰত্যযযোগৰ সময়ত ধ্বনিৰ সমতা ৰক্ষা লক্ষ্য কৰা যায়।

মিচিং শব্দ

আলাক্	'হাত'
লাক্কে'	'বাওঁহাত'
লাগ্বৃগ্	'সোঁহাত'
লাগ্-গুলুং	'কিলাকুটি'
লাগ্ পী	'হাতৰ তলুৱা'
লাগ্নী	'বুঢা আঙুলি' (হাতৰ)
লাক্কে	'কেঁঙা আঙুলি'
লাক্চিন	'নখ' (হাতৰ)

গালং শব্দ

আলাক্	'হাত'
লাক্ প'	'বাহু'
লাগ্ দ'়	'হাতৰ ঠাৰি'
লাক্ বি	'কিলাকুটি'
লাক্তাম	'হাতৰ তলুৱা'

লাক্ চে 'আঙুলি' (হাতৰ)
লাক্‌চিন্ 'হাতৰ নখ'

(৬) দ্বিঅক্ষৰিক শব্দ দুটাৰ সংযোগত পুনৰ এটা দ্বিঅক্ষৰিক শব্দ গঠন কৰা নিয়ম দুযোটা ভাষাতে দেখা যায়। সংযোগ হ'বলগীয়া শব্দ দুযোটাৰে প্ৰথমৰ অক্ষৰ দুটা লোপ পায় আৰু তাৰ পাছতে এটা নতুন দ্বিঅক্ষৰিক শব্দৰ গঠন হয়। এনেধৰণেৰে শব্দ গঠন হোৱা পদ্ধতি অৱশ্যে কাৰ্বি ভাষাতো দেখা যায়। কাৰ্বি ভাষাৰ উদাহৰণ কেইটামান চোৱা যাওক —

কাৰ্বি শব্দৰ উদাহৰণ ঃ

আৰ্লং + কেচৰ > লংচৰ

তমন্ + কেদেং > মনদেং

আৰ্নি + কেচি > নিচি ইত্যাদি।

মিচিং ভাষাৰপৰা উদাহৰণ ঃ

আবাৰ্ + আগ্ৰিঙ > বাৰ্‌গ্ৰিঙ

আচ' + আউম > চ'উম্

আদৰ + আগ্ৰিঙ > দৰগ্ৰিঙ

আগম + আপিৰ > গম্‌পিৰ

আলে + আনে > লেনে

আগেৰ্ + ইতেন > গেৰতেন্

আলে + আচিগ্ > লেচিগ্

গালং ভাষাৰপৰা উদাহৰণ ঃ

আদৰ্ + আকেন্ > দৰকেন্, 'এটা জন্তুৰ অৰ্থত'

আতাক্ + আকেন্ > তাৰ্কেন্, 'এটা চেপেটা বস্তু'/এচটা অৰ্থত

আচ' + আকেন্ > চ'কেন, 'এটা দীঘল বস্তু /এডাল অৰ্থত'

আবাৰ্ + আগ্ৰিঙ > বাৰ্‌গ্ৰিঙ, 'দুটা চেপেটা ঘূৰণীয়া বস্তুৰ ক্ষেত্ৰত'

আপি + আকেন্ > পিকেন, 'এটা আঙঠিৰ দৰে বস্তুৰ ক্ষেত্ৰত'

আক' + আগ্ৰিঙ > কগ্ৰিঙ, 'ঘৰ বুজায়, পকী স্থাপত্য বুজায়'

আনে + আকেন্ > নেকেন্, 'গছ বুজুৱা অৰ্থত ব্যৱহাৰ হয়'।

(৭) গালং আৰু মিচিং ভাষাৰ ক্ৰিয়াপদৰ বচন আৰু পুৰুষ অনুসৰি ৰূপ নহয়। কালবাচক প্ৰত্যয় ধাতুৰ পাছত যোগ হয়। দুযোটা ভাষাতে নিত্য বৰ্তমান, অতীত কাল

আৰু ভৱিষ্যৎ কাল বুজাবৰ বাবে যথাক্ৰমে -দ’ -ত’ আৰু -যে প্ৰত্যয ধাতুৰ পাছত যোগ হয়। উদাহৰণ —

	গালং	মিচিং
নিত্য বৰ্তমান	ঙ দদ’ মই খাওঁ	ঙ দদ’ ‘মই খাওঁ
অতীত কাল	ঙ আচিন দত’ ‘মই ভাত খাইছিলোঁ’ ঙুনু আচিন দত’ ‘আমি ভাত খাইছিলোঁ’	ঙ আপৃণ দত’ ‘মই ভাত খাইছিলোঁ’ ঙলু আপৃন দত’ ‘আমি ভাত খাইছিলোঁ’
ভৱিষ্যৎ কাল	ঙ আচিন দযে ‘মই ভাত খাম’ ঙলু আচিন দযে ‘আমি ভাত খাম’	ঙ আপৃন দযে ‘মই ভাত খাম’ ঙলু আপৃন দযে ‘আমি ভাত খাম’

(৮) গালং আৰু মিচিং উভয ভাষাতে নঞাৰ্থবাচক-মা প্ৰত্যয ক্ৰিযাৰ শেষত পোনপটীযাকৈ যোগ হয। অৱশ্যে কালবাচক প্ৰত্যযৰ পাছতহে নঞাৰ্থবাচক-মা প্ৰত্যয যোগ হয। তেনে ক্ষেত্ৰত ক্ৰিযাৰ গঠন হ’ব ধাতু + কালবাচকতা + নঞৰ্থবাচকতা। উদাহৰণ —

গালং	মিচিং
ঙ আচিন্ দমা ‘মই ভাত নাখাওঁ	ঙ আপৃন দমা ‘মই ভাত নাখাওঁ’
মুনু এআ তি-ত’মা ‘সিহঁতে চাহ নাখায’	

এইখিনিতে উল্লেখ কৰিব পাৰি যে দুযোটা ভাষাৰে শব্দমালাৰ বহুলাংশই একেধৰণৰ।

৩ ২ দেউৰী

দেউৰীসকল মূলতে তিব্বত-বৰ্মী শাখাৰ ভাষা কোৱা লোক আৰু তেওঁলোকৰ ভাষাটোও তিব্বত-চীন পৰিযালৰ। বুৰঞ্জীবিদসকলে দেউৰীসকলক বৃহৎ চুটিযা জাতিৰ অন্তৰ্ভুক্ত কৰি ৰাখিছে আৰু সাধাৰণভাৱে তেওঁলোকৰ ভাষাটোক দেউৰী-চুটিযা বুলি জনা যায। মূলতে তেওঁলোক শক্তিৰ উপাসক। গিৰা-গিৰাচি (বুঢ়া-বুঢ়ী), পিচ্ছাডেমা (বলীযাবাবা) আৰু পিচ্ছাচি ডেমাচি (তাম্ৰেশ্বৰী মাতৃ) এই তিনিও আছিল তেওঁলোকৰ উপাস্য দেৱতা। প্ৰকৃতপক্ষে দেউৰীসকলৰ খেল চাৰিটা — (১) টেঙাপনীযা (২) বৰগঞা (৩) ডিবঙীযা আৰু (৪) পাটৰগঞা। দেউৰীসকলৰ মাজত থকা জনশ্ৰুতিমতে পাটৰগঞাসকলক কোনোবা ৰজাৰ দিনত নৰবলি দিবলৈ নিযোগ কৰা

হৈছিল আৰু পাছত নৰবলি দিব নোৱৰা হোৱাত তাম্রেশ্বৰী মাতৃৰ খণ্ড উঠি সকলোকে তেজ বমি কৰোৱাই মাৰিলে। আৰু সেযে পাটৰগএগ্ৰা খেলৰ মানুহ নোহোৱা হ'ল। অৱশ্যে পাটৰগএগ্ৰা খেলৰ লোক আজিও দুই এঠাইত পোৱা যায়। এওঁলোকৰ প্ৰত্যেকৰে সুকীয়া সুকীয়া উপাস্যদেৱতা আছিল আৰু প্ৰতিটো খেলৰে কেইবাটাকৈও ভাগ পোৱা যায়। উদাহৰণ স্বৰূপে টেঙাপনীয়া খেলত চেনাববীয়া টিকা, খুঁটীয়া টিকা, মাচীয়া টিকা, ফাগি-মেগেৰা টিকা, বিৰকুমীয়া টিকা, চাকুচাৰুটিকা আৰু ফাফৰীয়া টিকা এই সাতোটা ভাগ পোৱা যায়। বৰ্তমানে পোৱা তিনিটা খেলৰ ভিতৰত ডিবঙীয়াসকল হ'ল গিৰাগিৰাচি বা বুঢ়াবুঢ়ীৰ উপাসক, টেঙাপনীয়াসকল হ'ল পিচ্চাডেমা বা বলীয়াবাবাৰ উপাসক আৰু বৰগএগ্ৰাসকল হ'ল পিচ্চাচি ডেমাচি বা তাম্রেশ্বৰী দেৱীৰ উপাসক। কেউটা খেলেই নদীৰ নামৰ ওপৰত ভেটি কৰিযেই হোৱা। কিযনো দেউৰীসকল প্ৰধানকৈ নদীৰ কাষত বাস কৰা লোক। আব'ৰব', হোৰাই, ৰাঙলী, হাঁচতি গীতসমূহ দেউৰীসকলৰ আপুৰুগীয়া সাহিত্য সম্পদ। সম্প্রতি এই লেখাটিত দেউৰীসকলৰ অন্যান্য সামাজিক-সাংস্কৃতিক দিশবোৰৰ আলোচনা নকৰি কেৱল দেউৰী গীত কেইপ্ৰকাৰমানৰ পৰিচযমূলক বিৱৰণ এটিহে দিযা হ'ল। দেউৰীসকলৰ মাজত বিহু উৎসৱৰ স্ৰষ্টা গিৰা-গিৰাচি বুলিযেই প্ৰবাদ আছে। সেযে দেৱ-দেৱীক সন্তুষ্ট কৰিবৰ বাবে থানঘৰত বিহুপূজা আৰু থানঘৰৰ প্ৰাংগণত বিহু-উৎসৱ পতা প্ৰথা অতি পুৰণি কালৰপৰাই আজিলৈকে প্ৰচলিত হৈ আহিছে। সেযে দেউৰীসকলৰ বিহুনাম বা বিহুগীতৰ বিহুপূজা উৎসৱৰ লগত অঙ্গাঙ্গী সম্বন্ধ আছে। সাদিন জুৰি পালন কৰা বহাগ বিহু উৎসৱ দেউৰীসকলে থানঘৰ আৰু গাঁৱৰ ভিতৰত দুযোঠাইতে সুকীযাকৈ সমূহীযাভাৱে পালন কৰে। নিৰ্দিষ্ট দিনত থানঘৰত আবেলিৰপৰা সন্ধিযালৈকে বিহু পাতে আৰু বাকী দিনবোৰত গাঁৱত পাতে। এই বিহু বহাগ মাহৰ প্ৰথম তাৰিখৰপৰা নাপাতি সেই মাহৰ প্ৰথম বুধবাৰৰপৰাহে পালন কৰে। বুধবাৰ দেউৰীসকলৰ শুভবাৰ। দেউৰীসকলৰ মাজত ৰাতি বিহু দেখা নাযায়।

দেউৰীসকলৰ মাজত প্ৰচলিত বিহুগীতবোৰক পৰিবেশনৰ স্থান অনুসৰি প্ৰধানকৈ দুভাগত ভাগ কৰিব পাৰি। (ক) দেৱালয বা থানঘৰত গোৱা নাম আৰু (খ) গাঁৱৰ ভিতৰত গোৱা নাম। দেৱালয বা থানঘৰত গোৱা নামবোৰ ধৰ্মমূলক আৰু ইবোৰ বাহিৰত গোৱা নহয। এই গীতবোৰ হ'ল (১) আবৰব' (২) হোৰাই ৰাঙলী (৩) হাঁচতি (৪) দেওধনী গীত আৰু (৫) হুঁচৰি গীত। ইযাৰে হোৰাই ৰাঙলী আৰু হুঁচৰি গীতসমূহ গাঁৱতো গোৱা হয। এই গীতবোৰৰ ভাষালৈ চালে কিছুমান গীত দেউৰী ভাষা আৰু অসমীয়া ভাষাৰ মিশ্ৰিতৰূপ বুলি ঠাৱৰ কৰা যায। এই গীতবোৰৰ মাজত দেউৰীসকলৰ আৱেগ-অনুভূতি প্ৰকাশ পোৱাৰ উপৰিও ভালেমান নীতিমূলক আৰু ধৰ্মীয আচৰণ-ৰীতিৰো উল্লেখ পোৱা যায। গীতসমূহৰ বহুতো ঠাইত দেহবিচাৰৰ

গীতৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। উদাহৰণ স্বৰূপে হাঁচতি গীত এটি দাঙি ধৰা হ'ল —

কালে সাঁচিলি জপাৰ বৰকাপোৰ
কালে সাঁচিলি ধন।
জপাৰ বৰকাপোৰ জপাতে পচিব
হাড়তো গজিব বন ।। (দেউৰী সংস্কৃতি)

উক্ত হাঁচতি গীতটি তলৰ দেহবিচাৰৰ গীতটিৰ লগত তুলনা কৰিব পাৰি —

অ' মন কালে ঘটিছ্ ধন
তেজকে পানী কৰি হাড়ক মাটি কৰি
কালে ঘটিছ্ ধন
ইনো কোমল দেহা হৈ যাব ছন্
হাড়তো গজিব দুবৰি বন। (দেহবিচাৰ গীত)

দেউৰীসকলৰ হুঁচৰি গীতবোৰৰ ভাষা অতি সৰল আৰু বৰ্ণনাধৰ্মী। কিছুমান গীত সোণোৱাল-কছাৰীসকলৰ হুঁচৰি গীতৰ লগত মিল থকাটো লক্ষণীয় বিষয়। গীতৰ স্বৰূপটো বুজিবৰ বাবে দেউৰীসকলৰ হুঁচৰি গীত কেইটিমান দাঙি ধৰা হ'ল। প্ৰসংগ অনুযায়ী সোণোৱাল কছাৰী গীতৰ লগতো তুলনা কৰি দেখুওৱা হৈছে। সংস্কৃতীয়া শব্দ পৰিহাৰ কৰি সৰল অসমীয়া শব্দেৰে প্ৰকাশ কৰা দেউৰী হুঁচৰি গীত এটি হ'ল—

ঐ হুঁচৰি ঐ হুঁচৰি হুচৰ চৰৰ চৰ,
ক'ৰ পৰা আহিলা ক'ত দিলা ভৰি।
চোতালখন ফাটিলে চেৰ চেৰ কৰি।।
বেজি আন বটিযা আন চ'তাল সিঙি যাওঁ।
ঢৰা আন পিৰা আন তাতে বহি যাওঁ।।
টেমি আন কটাৰী আন তামোল কাটি খাওঁ ।
(দেউৰী হুঁচৰি বিহুগীত)

উজনি অসমৰ সোণোৱাল কছাৰীসকলে বহাগ বিহুত পাৰ্বতীৰ দেহত্যাগৰ পাছৰ ভঁকাস্বৰূপ বাঁহৰ ডাংডাল লৈ বাঁহৰ মাৰিৰে কোবাই কোবাই গায —

(ক) হুৰে হুৰে বায জেলেপ্ কাপোৰ হুৰে
লাউ দিলে জেং জিকা দিলে জেং
হুৰে হুৰে বায জেলেপ্ কাপোৰ হুৰে।

আকৌ গায -

(খ) এলেং পেলেং সৰু সূতাৰ চেলেং
সৰু সূতাৰ চেলেংখনি বৈ দিযা ঐ ঐযা ।

ঠিক তেনেকৈ দেউৰীসকলেও গোৱা গীতৰ লগত তুলনীয় ঃ

(ক) শুৱে শুৱে বায় দৌলত কাপোৰ ঘূৱে,
শুৱে শুৱে নামকে কোনে সৰজিলে,
আই সৰস্বতী দেৱী পাৰেবতী
সিয়ে সৰজুৱা নাম ঐ দেওহঁত। (দেউৰী হুঁচৰি বিহুগীত)

(খ) এলেং চেলেং সৰু সূতাৰ চেলেং।
কোনে বৈএদিব পাৰ ল হইয়া।
মই বৈএদিব পাৰ ল হইয়া।
আয়ে সৰু সূতা কাটে ল হইয়া ।   (দেউৰী হুঁচৰি বিহুগীত)

আবৰব' গীতবোৰৰ এটা প্ৰধান বিশেষত্ব হ'ল গীতবোৰ দেউৰী ভাষাৰ লগত অসমীযা ভাষা মিশ্ৰিত। মন কৰিবলগীযা যে ডিবঙীযা দেউৰীসকলে নিজৰ ভাষাতে গীত গায। বাকী দেউৰীসকলেহে অসমীযা মিহলি কৰি গায। এই গীতবোৰ বেছি পুৰণি যেন ধাৰণা হয। আবৰব' গীতৰ উদাহৰণ দুটি দিযা হ'ল —

(ক) আবৰব'ৰ নাহাঙা জাবৰ বাছেৰে হেই।
আমাৰ সমনীযা ওলাইযে আহিছে।
জৰিযে ধৰিছে খোলা কি না ।
চাঁ খোৰমৈ মোৰ সমনি ঐ
চাঁ খোৰমৈ খোদিয মৰঙ ঐ
খোদিয মহঙ ঐ ৰণে ৰজা ঐ
নিজিযা চাৰম ঐ অনিযা চাৰম ঐ।   (দে হুঁ বিহুগীত)

(খ) শুধ সহজ সৰল অসমীয়া ভাষাত গোৱা আবৰব'ৰ নমুনা এটি এনেধৰণৰ —

জোনৰে সাৰথি জোনাকী পৰুৱা
সৰগৰ সাৰথি তৰা কি না
আমাৰে গোসাঁনী আমাৰে সাৰথি
গা ধুই কৰি যাওঁ সেৱা কি না।
শদিযাত আছে ঐ চাৰিশাল গোসাঁনী
তালৈ মানি যাওঁ ছাগে কি না ।
সূৰ্যক এসেৱা স্বৰাজক এসেৱা
কৰোঁ বসুমতীক সেৱা কি না।   (দেউৰী সংস্কৃতি)

ঠিক সেইদৰে হোৱাই ৰাঙলী গীতবোৰ উল্লেখযোগ্য। ইবোৰতো সাংস্কৃতিক জীৱনৰ সৰু সৰু ছবি একোখন পোৱা যায়। এটি হোৱাই ৰাঙলী গীতৰ উদাহৰণ —

হুৱাই ৰাঙলী যে হেই
ৰাঙলী ৰাঙলী বান্ধিছোঁ ডাঙৰী হুৱাই ৰাঙলী যে হেই
ডাঙৰী ডাঙোতা নাইযে ল হুৱাই ৰাঙলী যে হেই
ডাঙৰী ডাঙোতা আছে বৌ এজনী হুৱাই ৰাঙলী যে হেই
ককাই ন পঠিযাই বৌৱে ল হুৱাই ৰাঙলী যে হেই
(দেউৰী হুঁচৰি বিহুগীত)

ওপৰৰ আলোচনাৰপৰা দেখা যায় দেউৰীসকলৰ মাজত ভালেমান লোকগীতৰ প্ৰচলন আছে যিবোৰ আজিও একত্ৰে পদ্ধতিগতভাৱে সংকলিত হোৱা নাই। এনেকৈ সংকলিত হোৱা বিচিত্ৰ কুমাৰ দেউৰীৰ 'দেউৰী হুঁচৰি বিহুগীত' নামৰ গ্ৰন্থখন সম্প্ৰতি ২০০১ খ্ৰীঃতহে প্ৰকাশিত হৈছে। নৃপেন দেউৰীৰ 'জিমচ্চাযা চ্চু বিচু চাজেবা' নামৰ গীতৰ পুথিখন অৱশ্যে সম্পূৰ্ণৰূপে দেউৰী ভাষাৰ। ডম্বৰুধৰ দেউৰীৰ 'দেউৰী সংস্কৃতি' নামৰ গ্ৰন্থখনতো প্ৰসংগক্ৰমে কিছু গীতৰ উদাহৰণ দিয়া হৈছে। সম্প্ৰতি আলোচিত প্ৰবন্ধটোত অসমীয়া ভাষাৰ উক্ত পুথি দুখনৰপৰাই গীতসমূহ উদ্ধৃত কৰা হৈছে। এনেধৰণেৰে বিভিন্ন ঠাইত অনাদৃত হৈ থকা গীতসমূহ এতিযাই সংগ্ৰহ নকৰিলে ইবোৰ লুপ্ত হোৱাই স্বাভাৱিক। এই গীতসমূহ সংগ্ৰহ কৰি সুসংস্কৃত ৰূপত সজাই পুনৰ বিশ্লেষণ কৰা নিতান্তই প্ৰযোজন।

অসমৰ ভিতৰত প্ৰায় দুকুৰি আঠখনমান আৰু অৰুণাচল প্ৰদেশত প্ৰায় দহখনমান সৰু-বৰ দেউৰী গাঁও পোৱা যায়। উল্লিখিত তিনিওটা খেলৰ ভিতৰত কেৱল ডিবঙীযাসকলৰ মাজতহে দেউৰীভাষাৰ প্ৰচলন আছে। বৰগঞা আৰু টেঙাপনীযাসকলে অসমীয়া ভাষাকেই নিজৰ মাতৃভাষা আৰু ধাত্ৰীভাষা ৰূপে গ্ৰহণ কৰি আহিছে। যোৰহাটৰপৰা কিছু নিলগত কেইখনমান ডিবংগীযা গাঁও পোৱা যায়। দেউৰীভাষাৰ মৌখিক সাহিত্য থাকিলেও তেওঁলোকৰ নিজা লিপি আৰু সাহিত্য নাই। তলৰ আলোচনাই ভাষাটোৰ স্বৰূপটো দাঙি ধৰিব।

স্বৰ আৰু ব্যঞ্জন : দেউৰী ভাষাত ছটা স্বৰ আৰু পোন্ধৰটা ব্যঞ্জন পোৱা যায়। মহাপ্ৰাণ ব্যঞ্জনৰ অভাৱ দেউৰী ভাষাৰ এটি মূল বৈশিষ্ট্য। ভাষাটোত / ই এ উ ও অ আ /স্বৰবৰ্ণ আৰু / ক ত প গ দ ব চ জ হ ম ন ঙ ল ৰ য / ব্যঞ্জনবৰ্ণ।

স্বৰধ্বনি

স্বৰবৰ্ণসমূহৰ প্ৰয়োগ

	প্ৰান্তীয়	কেন্দ্ৰীয়	মূলীয়
উচ্চ	ই		উ
উচ্চ-মধ্য	এ		ও
নিম্ন-মধ্য			অ
নিম্ন		আ	

বিৰোধ ঃ

অ ঃ ই	ক (ক + অ)	আহিবি, ছিণ্ডিবি
	কি (ক + ই)	বিচনী
আ ঃ ই ঃ এ	আগু	আঁঠু
	ইকু	বান্দৰ
	ইকু	ধুতি
ও ঃ উ	ওতু	হাত
	উতু	পেত
আ ঃ ই ঃ উ	আঁ	মই
	ই	কাপোৰ
	উ	সানমিহলি

সুৰ ঃ দেউৰী ভাষাত দুটা সুৰ পোৱা যায়। সেই সুৰকেইটা উচ্চ আৰু নিম্ন। অৱশ্যে বহুতো সময়ত শ্বাসৰ (stress) ফলতো এনে হোৱা দেখা যায। তলত সুৰভেদে অৰ্থ কেনেকৈ সলনি হয় দেখুওৱা হৈছে।

চা^{১}	কলপাত	চ^{১}	শৰীৰ
চা^{২}	বেয়া	চ^{২}	জীয়াই থকা
চিৰ্যাঁ^{১}	নোসোধে	গুজু^{১}	বৰলা
চিৰ্যাঁ^{২}	মাছ	গুজু^{২}	কাঁইট
চিযা^{১}	ভাই বোৱাৰী	চু^{১}	ওখ

চিয়া^{২}	নমৰে	চু^{২} (su)	গাহৰি
জা^{১}	নাই	চু (su)	কথা
জা^{২}	দলিয়াই দিয়া	চু	ভাল
. চি	কুকুৰ	চেইমেই	তাল
চ্চি	তেজ (stressed)	দুকম্	ঢোল
চ্চিঃ	পৰে (পৰি যোৱা)		

ব্যঞ্জনধ্বনি

		ওষ্ঠ্য		দন্তমূলীয়		তালব্য		কণ্ঠমূলীয়		কণ্ঠ্য	
		অ	স	অ	স	অ	স	অ	স	অ	স
নিযত	স্পর্শ অল্পপ্রাণ	প	ব	ত	দ			ক	গ		
অনিযত	ঘৃষ্ট				জ						হ্
	অনুনাসিক		ম		ন				ঙ		
	পার্শ্বিক				ল						
	কম্পিত						ৰ				
	অন্তস্থ						য				

বিবোধ :

দ : চ	দাঁ	মহ, দাঁহ
	চা	পাত, কোন
ত : জ : ক	উতু	পেট
	উজু	নাভি
	উকু	এচলু
প : চ : দ	পু	খৰি
	চু	ছুটিওৱা, সিঁচা
	দু	কুকুৰা
ক : চ	কিঙ্	চুলি
	চিঙ্	নিমখ, লোহা
জ : চ	জি	পানী
	চি	কুকুৰ
চ : য	চেঁ	বুকু
	য়েঁ	জুই
হ : প	হাৰ্	হাড
	পাৰ	পাৰ
গ : ক	আগু	আঁঠু
	আকুঁ	কাণ
গ : ম : দ : চ / ত : চ : ব : চ	গুতুঁ	নাক
	মুচু	গৰু
	দুবু	সাপ
	চুচু	মাংস
ন : ব	নহ	তোমাত
	ৰহ	কত
ৰ : হ	নৰ	তোমাৰ
	নহ	তোমাত
ল : ৰ	লহ	ইয়াত
	ৰহ	তাত

‘ঙ’ ধ্বনিৰ বাহিৰে বাকী সকলোবিলাক ব্যঞ্জনেই শব্দৰ আদি মধ্য আৰু অন্ত্য

অৱস্থানত প্ৰয়োগ হয়। 'ঙ' ধ্বনি শব্দৰ আদিত প্ৰয়োগ নহয়। য় ধ্বনি কেতিযাবা শ্ৰুতিৰূপে পোৱা যায়।

ভাষাটোৰ প্ৰধান প্ৰধান বৈশিষ্ট্যসমূহ হ'ল ঃ

(ক) সাধাৰণতে শব্দবিলাক স্বৰান্ত। খুব কম সংখ্যক শব্দহে ব্যঞ্জনান্ত; ব্যঞ্জনান্ত ৰূপৰ শেষত কেৱল ম, ন, ঙ আৰু ৰ ধ্বনিহে পোৱা যায়। তাৰ ভিতৰত ধাৰ কৰা শব্দও আছে। কেইটামান ব্যঞ্জনান্ত শব্দৰ উদাহৰণ তলত দিয়া হ'ল।

লেপেদুৰ্	ছাগলী
চিঙ্	নিমখ
দেকুমুৰ	হাঁহ
বাঙ্	দেউতা
যাঙ্	মাক
দাম্	কি
হাৰ	হাড
কিঙ্	চুলি
চগন্	শগুণ

(খ) স্বৰান্ত শব্দৰ উদাহৰণ ঃ

গোম	মূৰ
পিচ্চ	কপাল
মাৰ্ক	ভাত
গাৰ	কলহ্
মেচা	বাঘ
জকা	কঁকাল
চি	কুকুৰ
মেই	মহ
উজু	নাভি
দুপাদু	মতা কুকুৰা
চেঁ	বুকু
চুজে	মদ
পাযোঁ	দেউতাকৰ ককায়েক
মাযোঁ	দেউতাকৰ ককায়েকৰ পত্নী

(গ) খোৱা অৰ্থত হ্বায়, হ্বাবে, হ্বাবেমা আদিবোৰ শব্দত -য, -বে, বেমা প্ৰত্যয, পুৰুষ আৰু বচন ভেদে মূল ধাতুৰ অন্তত যোগ হ্য। কিন্তু শব্দৰ মধ্যৱৰ্তী স্থানতো প্ৰত্যযৰ প্ৰযোগ দেখা যায়। যেনে — হ্বাপামাই, 'খুৱাব পাৰোঁ।'

(ঘ) সম্বন্ধবাচক বিশেষ্য শব্দবোৰৰ বেছিভাগেই অসমীযা ভাষাৰ লগত মিল থকা। কিছুমান এনে শব্দৰ সামান্য প্ৰভেদৰ বাহিৰে আন পাৰ্থক্য নাই।

পুংলিংগ	স্ত্ৰীলিংগ
বা/চিপা/বাচ/বাক 'দেউতা'	যক 'আই'
কাইক 'ককাইদেউ'	বাই/বাইক 'বাইদেউ'
(cf অস ককাই, কাই)	(cf অস বাই, বাইদেউ)
গঁগে 'ভাই'	গৈ 'ভনী'
মমাই 'পেহীযেকৰ স্বামী'	পেই 'দেউতাকৰ ভনীযেক'
(cf অস মোমাই)	(cf অস পেহী, পেহীদেউ)
দাই 'দেউতাকৰ ভাযেক'	মাকু 'দেউতাকৰ ভাযেকৰ পত্নী'
(cf অস দাই, দদাই)	
চিগিৰা 'শহুৰ'	চিগিৰাচি 'শাহু'

(ঙ) পুৰুষবাচক সৰ্বনামৰ ক্ষেত্ৰত তুচ্ছাৰ্থ মান্যাৰ্থত ভিন্ন ভিন্ন শব্দৰ প্ৰযোগ নাই। নতুবা তৃতীয পুৰুষৰ পুংলিংগ, স্ত্ৰীলিংগ ৰূপো পোৱা নাযায। লোক, হঁত আদি বুজাবৰ কাৰণে বহুবচনৰ ৰূপৰ লগত -কেতা প্ৰত্যয যোগ হয। যেনে — জৌ কেতা 'আমালোক'।

পুৰুষ		একবচন	বহুবচন
১ম পুৰুষ		আঁ 'মই'	জৌ 'আমি'
		আঁযঁ 'মোৰ'	জাৰ 'আমাৰ'
		আঁনা 'মোক'	জৌনা 'আমাক'
২য পুৰুষ	ন	তুমি, আপুনি, নৌ তই	তোমালোক আপোনালোক তহঁত
	নিয়	তোমাৰ, আপোনাৰ, তোৰ নৰ	তোমালোকৰ, আপোনালোকৰ, তহঁতৰ

	ননা	তোমাক আপোনাক তোক	নৌনা	তোমালোকক আপোনালোকক তহঁতক
তৃতীয় পুৰুষ	বা	সি, তাই তেওঁ	বৌ	সিহঁত তেওঁলোক তাইহঁত
	বাৰ্যঁ	তাৰ, তেওঁৰ, তাইৰ	বাৰ	সিহঁতৰ তেওঁলোকৰ তাইহঁতৰ
			বৌনা	সিহঁতক তেওঁলোকক তাইহঁতক

(চ) দেউৰীভাষাৰ সংখ্যাবাচক শব্দবোৰ তলত দিযাৰ দৰে। উল্লেখযোগ্য যে পাঁচ সংখ্যালৈকে গণনা কৰি পাঁচ এক, ছয় এক আদিকৈ গণনা কৰে। এনেকৈ দহক সংখ্যাতহে মাত্ৰ বেলেগ বেলেগ শব্দ প্ৰযোগ হয। তাৰ পাছত পুনৰ দহ এক, দহ দুইকৈ গণনা হয। বিশৰ পাছৰ দহকবোৰত দহ বুজোৱা শব্দ ব্যৱহাৰ হয। তলত সংখ্যাবাচক শব্দবিলাক ক্ৰম অনুসৰি অসমীয়া সংখ্যাৰে দেখুওৱা হৈছে ঃ

১ মুজা
২ মুহুনি
৩ মুংদা
৪ মুচ্চি
৫ অতুপেচা
৬ অতুপেচা মুজা
৭ অতুপেচা মুহুনি
৮ অতুপেচা মুংদা
৯ অতুপেচা মুচ্চি
১০ অতুপেকিনি
১১ অতুপেকিনি মুজা
১২ অতুপেকিনি মুহুনি
১৩ অতুপেকিনি মুংদা
১৪ অতুপেকিনি মুচ্চি
১৫ অতুপেক্দা
১৬ অতুপেক্দা মুজা
১৭ অতুপেগ্দা মুহুনি
১৮ অতুপেগ্দা মুংদা
১৯ অতুপেগ্দা মুচ্চি
২০ অতুপেচ্চি, কু আঁচা
২১ কুআঁচা মুজা
২২ কুআঁচা মুহুনি
২৩ কুআঁচা মুংদা
২৪ কুআঁচা মুচ্চি
২৫ কুআঁচা অতুপেচা
২৬ কুআঁচা অতুপেচা মুজা

২৭ কুআঁচা অতুপেচা মুহ্নি
২৮ কুআঁচা অতুপেচা মুংদা
২৯ কুআঁচা অতুপেচা মুচ্চি
৩০ কুআঁচা অতুপেকিনি
৩১ কুআঁচা অতুপেকিনি মুজা
৩২ কুআঁচা অতুপেকিনি মুহ্নি
৩৩ কুআঁচা অতুপেকিনি মুংদা
৩৪ কুআঁচা অতুপেকিনি মুচ্চি
৩৫ কুআঁচা অতুপেগ্দা
৩৬ কুআঁচা অতুপেগ্দা মুজা
৩৭ কুআঁচা অতুপেগ্দা মুহ্নি
৩৮ কুআঁচা অতুপেগ্দা মুংদা
৩৯ কুআঁচা অতুপেগ্দা মুচ্চি
৪০ কুআঁকিন্
৪১ কুআঁকিন্ মুজা
৪২ কুআঁকিন্ মুহ্নি
৪৩ কুআঁকিন্ মুংদা
৪৪ কুআঁকিন্ মুচ্চি
৪৫ কুআঁকিন্ অতুপেচা
৪৬ কুআঁকিন্ অতুপেচা মুজা
৪৭ কুআঁকিন্ অতুপেচা মুহ্নি
৪৮ কুআঁকিন্ অতুপেচা মুংদা
৪৯ কুআঁকিন্ অতুপেচা মুচ্চি
৫০ কুআঁকিন্ অতুপেকিনি
৫১ কুআঁকিন্ অতুপেকিনি মুজা
৫২ কুআঁকিন্ অতুপেকিনি মুহ্নি
৫৩ কুআঁকিন্ অতুপেকিনি মুংদা
৫৪ কুআঁকিন্ অতুপেকিনি মুচ্চি
৫৫ কুআঁকিন্ অতুপেগ্দা
৫৬ কুআঁকিন্ অতুপেগ্দা মুজা
৫৭ কুআঁকিন্ অতুপেগ্দা মুহ্নি
৫৮ কুআঁকিন্ অতুপেগ্দা মুংদা
৫৯ কুআঁকিন্ অতুপেগ্দা মুচ্চি
৬০ কুআঁংদা
৬১ কুআঁংদা মুজা
৬২ কুআঁংদা মুহ্নি
৬৩ কুআঁংদা মুংদা
৬৪ কুআঁংদা মুচ্চি
৬৫ কুআঁংদা অতুপেচা
৬৬ কুআঁংদা অতুপেচা মুজা
৬৭ কুআঁংদা অতুপেচা মুহ্নি
৬৮ কুআঁংদা অতুপেচা মুংদা
৬৯ কুআঁংদা অতুপেচা মুচ্চি
৭০ কুআঁংদা অতুপেকিনি
৭১ কুআঁংদা অতুপেকিনি মুজা
৭২ কুআঁংদা অতুপেকিনি মুহ্নি
৭৩ কুআঁংদা অতুপেকিনি মুংদা
৭৪ কুআঁংদা অতুপেকিনি মুচ্চি
৭৫ কুআঁংদা অতুপেগ্দা
৭৬ কুআঁংদা অতুপেগ্দা মুজা
৭৭ কুআঁংদা অতুপেগ্দা মুহ্নি
৭৮ কুআঁংদা অতুপেগ্দা মুংদা
৭৯ কুআঁংদা অতুপেগ্দা মুচ্চি
৮০ কুআঁচ্চি
৮১ কুআঁচ্চি মুজা
৮২ কুআঁচ্চি মুহ্নি
৮৩ কুআঁচ্চি মুংদা
৮৪ কুআঁচ্চি মুচ্চি
৮৫ কুআঁচ্চি অতুপেচা
৮৬ কুআঁচ্চি অতুপেচা মুজা
৮৭ কুআঁচ্চি অতুপেচা মুহ্নি
৮৮ কুআঁচ্চি অতুপেচা মুংদা
৮৯ কুআঁচ্চি অতুপেচা মুচ্চি
৯০ কুআঁচ্চি অতুপেকিনি

৯১	কুআঁচ্চি অতুপেকিনি মুজা	৯৭	কুআঁচ্চি অতুপেগ্‌দা মুহুনি
৯২	কুআঁচ্চি অতুপেকিনি মুহুনি	৯৮	কুআঁচ্চি অতুপেগ্‌দা মুংদা
৯৩	কুআঁচ্চি অতুপেকিনি মুংদা	৯৯	কুআঁচ্চি অতুপেগ্‌দা মুচ্চি
৯৪	কুআঁচ্চি অতুপেকিনি মুচ্চি	১০০	কুআঁচ্চি কুআঁচা, দেঁ মুজা
৯৫	কুআঁচ্চি অতুপেগ্‌দা	১০১	কুআঁচ্চি কুআঁচা মুজা
৯৬	কুআঁচ্চি অতুপেগ্‌দা মুজা	১০২	কুআঁচ্চি কুআঁচা মুহুনি ইত্যাদি।

(ছ) টকা-পইচা আৰু ভগ্নাংশৰ হিচাপ তলত দিযাৰ দৰে —

তৰচা	এটকা
তৰাকিন্	দুটকা
তৰাংদা	তিনিটকা
তৰাচি	চাৰি টকা
তৰচা গুআচা	ডেৰ টকা
তৰাকিন্ গুআচা	আঢৈ টকা
তৰাংদা গুআচা	চাৰে তিনি টকা

(জ) তামোল, কণী, মুগা আদিৰ হিচাপ চাৰিটাকৈ কৰা হয। চাৰিটা হ'লেই 'জুগিচা' নাইবা 'তিচ্চি' বুলি কোৱা হয। অসমীযা ভাষাৰ অঁৰা, গণ্ডা আদিকৈ কৰা গণনা পদ্ধতিৰ লগত তুলনা কৰিব পাৰি।

তিচা	এটা
তিকিনি	দুটা
তিক্‌দা	তিনিটা
তিচ্চি বা জুগিচা	চাৰিটা বা এঅঁৰা
জুগিচা তিচা	পাচোঁটা বা এঅঁৰা এটা
জুগিচা তিকিনি	ছটা বা এঅঁৰা দুটা
জুগিচা তিক্‌দা	সাতোটা বা এঅঁৰা তিনিটা
জুগিচা তিচ্চি বা জুগিকিন্	দু অঁৰা বা আঠোটা

তেনেকৈ,

জুগিংদা	তিনি অঁৰা বা বাৰটা
জুগিচ্চি	চাৰি অঁৰা বা ষোলটা

তামোল আশীটা হ'লে পুন্‌চা (অস -পোণ) বুলি কোৱা হয। উল্লেখযোগ্য যে অসমীয়া ভাষাৰ দৰেই পাণৰ গুছিক 'গুছি কৈ হিচাপ কৰা হয়।

গুচিচা	এগুছি
গু'চিকিন্	দুগুছি
গুচিংদা	তিনিগুছি
গুচিচ্চি	চাৰিগুছি

(ঝ) প্ৰথম, দ্বিতীয আদি বুজাবৰ বাবে যথাক্ৰমে 'দুজ্জু', 'বাইচিমিহ্' আদি শব্দৰ প্ৰযোগ উল্লেখযোগ্য।

(ঞ) কোনো বস্তুক নিৰ্দিষ্টকৈ দেখুৱাবলৈ বস্তুৰ গুণ আৰু আকৃতি অনুযায়ী কিছুমান প্ৰত্যয মূল বিশেষ্য শব্দৰ পাছত যোগ হয। অসমীযা ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যযবোৰৰ লগত দেউৰীভাষাৰ এই প্ৰত্যযবোৰৰ প্ৰযোগ আৰু ব্যৱহাৰৰ তুলনা অতি তাৎপৰ্যপূৰ্ণ। দেউৰীভাষাৰ এনে প্ৰত্যযবোৰৰ প্ৰযোগ আৰু অসমীয়া ভাষাৰ লগত ইবোৰৰ তুলনা তলত দিযা ধৰণৰ —

-আ	মচুআ	গৰুটো
-উকু	জি উকুচা	পানী এচলু
-কুৰা	কিঙকুৰা	চুলিকোচা
-কেপা	তিৰিকেপা	কল আখি
-কানি	মককানি	ভাতখিনি
-কাৰ্চা	চু কাৰ্চা	মাতষাৰ
-কতিচা	অতুঁ কতিচা	কঁাডপাত
-গতাচা	জিগতাচা	পানীটোপা
-গুজা	যুৱাগুজা	বাঁহডাল
-চেকল্	চেকলচা	এচকল
-দকচা	কাত্দকচা	কাঠডোখৰ
-পেকাচা	চিযাপেকাচা	মাছ খুতুৰা
	চুচুপেকাচা	মাংস টুকুৰা
-বাজা	ইবাঁবাজা	ফুলপাহ
-হাচা	পেনচাহাচা/ পেম্চুহাচা	পাণখিলা
-যা	মচিযা	মানুহটো

(ট) নিৰ্দেশবোধক সৰ্বনামৰ ক্ষেত্ৰত নিকটাৰ্থক '-লা' প্ৰত্যয় আৰু দূৰত্বজ্ঞাপক '-বা' প্ৰত্যয় শব্দত যোগ হয। এনে প্ৰত্যয় শব্দৰ প্ৰান্ত আৰু মধ্য অৱস্থানত যোগ হ'ব পাৰে। যেনে —

নিকটাৰ্থক

-লা	লাচা	ইমান
	লহ	ইয়াত
	হেলাচি	এইটো
	হেলাজু	এইবিলাক

দূৰত্বজ্ঞাপক

-বা	বহ	তাত
	বাচা	সিমান
	বাবাচি	সেইটো
	বাবাজু	সেইবিলাক

(ঠ) বহুবচন বুজাবঁৰ বাবে -কানি, -লাজু আৰু -ৰুৰ প্ৰযোগ শব্দটোৰ অন্তত হয়। অন্যহাতেদি লোক, হঁত আদি বুজাবৰ বাবে পুৰুষবাচক সৰ্বনামৰ বহুবচনৰ ৰূপৰ পাছত -কেতা প্ৰত্যয যোগ হয। -ৰু প্ৰত্যযো কেতিয়াবা -হঁত অৰ্থত প্ৰযোগ হয। যেনে — বামৰু। আকৌ সম্ভ্ৰমসূচক ৰূপত -চিগা প্ৰত্যয় শব্দটোৰ অন্তত যোগ হয।

-কানি	ইকাঁনি	কাপোৰবোৰ
	য়াকানি	মাটিবোৰ
-লাজু	ইলাজু	কাপোৰবোৰ
	মইচালাজু	ল'ৰাবোৰ
	পপলাজু	গছবোৰ
-ৰু	কাইৰু	ককাইদেউসকল
	বামৰু	বামহঁত
কেতা	জৌকেতা	আমালোক
	বৌকেতা	সিহঁত
চিগা	গিৰাচিগা	বুঢ়াসকল
	গিৰাচিচিগা	বুঢ়ীসকল

(ড) দেউৰীভাষাত বোৱাৰীসকলে পিন্ধা বিভিন্ন কাপোৰ বুজোৱা শব্দবিলাক এনেধৰণৰ ঃ

বাইগা - বুকুৰ মেখনি
গাতিগি - চুলি বন্ধা গামোচা
জকাচিবা - কঁকাল মৰা (মেখেলাৰ ওপৰত পিন্ধে, সৰু টঙালি)

জিমা - চোলা
এগ্ৰঁু - মেখেলা

জীয়াৰীসকলে বাইগা, এগ্ৰঁু, পাতেগি আৰু লুগুকইচা (চাদৰ) পৰিধান কৰে। পুৰুষে পৰিধান কৰা চোলাকো উক্ত 'জিমা' শব্দটোৱে বুজোৱা হয়।

চাংঘৰৰ আগপিনে থকা মানুহ বহা খালী ঠাইডোখৰক দেউৰীসকলে 'মিচং' বোলে। আহোম ৰজাৰ কাৰেঙৰ বৰ্ণনা দিওঁতে 'মিচাঙ' শব্দ পোৱা যায়। আনহাতে 'আবৰৰ', 'হাঁচতি' আৰু 'হোবাই বাঙলী' এই তিনিটা শব্দই দেউৰীসকলৰ তিনিবিধ ধৰ্মীয় গীতক বুজায়। দেউৰী ভাষাৰ কিছু শব্দ অসমীযা অৰ্থেৰে সৈতে তলত দিয়া হ'ল ঃ

দেউৰী শব্দ	অসমীয়া অৰ্থ
অচ্তি	আঙুলি
অচিগি	নখ
আকুঁ	কাণ
আপাচু	ভৰি
আগ্ৰঁু	আঁঠু
আঁযাঁ	বোৱাৰী
আৰ্জি	জোঁৱাই
আমৰ	বৈনাই
আঁ	মই
আঁযঁ	মোৰ
আনা	মোক
ইমাৰি	পিঠি
ইচা	খাল কাপোৰ
ইকুঁ	ধুতি
ইঁ	কাপোৰ
উঁতু	হাত
উঁতু তলুৱা	হাতৰ তলুৱা
উতু	পেট
উজু	নাভি
এগ্ৰঁু	ছোৱালীৰ কাপোৰ বিশেষ, পেনি
কিঙ্	চুলি

কাঁউ	থুঁতৰি
কৰানি	উৰু
কাত্‌	কাঠ
কাই (শিৱসাগৰত)	ককাই
কাইক (লখিমপুৰত)	ককাই
গোম	মূৰ
গুঁতু	নাক
গাম্‌চা	গামোচা
গৈ	ভনী
গগে	ককাই
গুমি	খুলশালি
চাল	চাল (গাৰ)
চেঁ	বুকু
চু	গাহৰি
চি	কুকুৰ
চিমা	আই (মাক)
চেকেঁ	নিগনি, এন্দুৰ
চিযাঁ	মাছ
চিঙ্‌	নিমখ
চুচু	মাংস
চুঁজেঁ	মদ
চেপেৰা	দুৱাৰ
চিপা	দেউতা
চিগিৰা	শহৰ
চিগিৰাচি	শাহু
চিযাঁ	বোৱাৰী
জোকাচিৰা	কঁকালমৰা
জি	পানী
জোকা	কঁকাল
জিবা	জিভা
দুম্‌জু	ওঁঠ
দিত	ডিঙি

দু	কুকুৰা
দুকুচিমা	মাইকী কুকুৰা
দুপাদু	মতা কুকুৰা
ডেকেৰুবা	ডেকেৰুবা পোৱালি
দাঁ	দাঁহ
দাকিৰি দাঁ	ম'হ
দুআ	চৰাই
দুকা	কাউৰী
দেকুমুৰ	হাঁহ
দুবু	সাপ
দাই	দদাইদেউ
পিচ	কপাল
পাৰোঁ	পাৰ-চৰাই
পুঁ	খৰি
পপ	গছ
পপলাজু	গছবোৰ
পিচা	পুত্ৰ
পিচাচি	জী
পাযোঁ	দেউতাকৰ ককাযেক
পেই	পেহী
বাউৰি	কান্ধ
বেকুলা	ভেকুলী
বাদুলি	বাদুলি
বাইগা	মেথনি কাপোৰ
বা	দেউতা
বাক	দেউতা
বাঙ্	দেউতা
বাই (যোৰহাটত)	বাইদেউ
বাইক (লখিমপুৰত)	বাইদেউ
বুজি	নবৌ, ককাযেকৰ পত্নী
মুকুতি	চকু
মেচা	বাঘ

মুচু	গৰু
মুচুচিমা	গাই গৰু
মিদিগেঁ	মেকুৰী
মুকাগো মিদিগেঁ	বোন্দা
মিচিগো মিদিগেঁ	জাঁই
মিদিগেঁচিমা	জাঁই
মচি	মানুহ
মুকাগো মচি	মতা মানুহ, মুনিহ
মিচিগোমচি	মাইকী মানুহ, তিৰোতা
মে'ই	ম'হ (buffallo)
মে'চৰু	শিয়াল
মকঁ	ভাত
মুচুমে'জে'	গাখীৰ
মইচা	ল'ৰা-ছোৱালী
মমাই	মোমাই
মাযোঁ	বৰমাক
মাকুঁ	খুৰী
মুকাগো পিচা	পুতেক (কাজিয়াত প্ৰয়োগ হোৱা শব্দ সাধাৰণতে নকয়)
মিচিগো পিচাচি	জী (")
লেপেদুৰ্	ছাগলী
লেপেদুৰ্ চিমা	মাইকী ছাগলী
য়াঁ	ঘৰ
যেঁ	জুই
য়ুৱা	বাঁহ
যা	মাটি
যা	মাক
যাঙ্	মাক
য়ক	মাক

৩ ৩ বড়ো ভাষা :

বড়ো ভাষা বৃহৎ চীন-তিব্বতীয় পৰিয়ালৰ অন্তৰ্গত তিব্বত-বৰ্মী শাখাৰ অন্তৰ্গত এটি ভাষা। বড়ো ভাষা সম্পৰ্কে পূৰ্বে (১ ৩ ৫ ১ ১ দ্ৰষ্টব্য) আলোচনা কৰি অহা হৈছে। ইয়াত বড়ো ভাষাৰ সাধাৰণ আলোচনালৈ নগৈ মাত্ৰ ভাষাটোৰ কেইটামান বৈশিষ্ট্যহে উল্লেখ কৰা হ'ল।

ধ্বনিগত বৈশিষ্ট্য :

স্বৰবৰ্ণ : বড়ো ভাষাৰ স্বৰবৰ্ণসমূহ জিভাৰ অৱস্থান আৰু উচ্চতা অনুসৰি তলত দিয়াৰ দৰে ভাগ কৰিব পাৰি। বড়ো ভাষাত দুটা প্ৰান্তীয় স্বৰ ই আৰু এ', দুটা কেন্দ্ৰীয় স্বৰ অৗ আৰু আ, আৰু দুটা পশ্চ স্বৰবৰ্ণ উ আৰু ও পোৱা যায়। সুৰৰ ওপৰত নিৰ্ভৰ কৰি এই ছটা স্বৰবৰ্ণৰ হ্ৰস্ব দীৰ্ঘ ৰূপৰ পাৰ্থক্য হয়। উল্লেখযোগ্য যে বড়ো ভাষা সুৰীয়া ভাষা (Tonal language) আৰু ইয়াত উন্নত (high), সম (level) আৰু নিম্ন বা অৱনত (low) এই তিনিটা সুৰ লক্ষ্য কৰা যায়। স্বৰবৰ্ণবিলাকে তেনে সুৰ বহন কৰে আৰু সুৰ অনুসৰি শব্দবিলাকৰ অৰ্থৰ পৰিবৰ্তন ঘটে। তলত বড়ো ভাষাৰ স্বৰবৰ্ণৰ তালিকা এখন প্ৰস্তুত কৰি দেখুওৱা হৈছে।

স্বৰবৰ্ণৰ তালিকা

	প্ৰান্তীয়	কেন্দ্ৰীয়	মূলীয়
উচ্চ	ই		উ
মধ্য	এ	অৗ	ও
নিম্ন		আ	

ওপৰৰ স্বৰবৰ্ণসমূহৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানত প্ৰযোগ দেখুওৱা হৈছে।

	আদ্য	মধ্য	অন্ত্য
/ই/	ই˴ফু 'পোক' ইন্‌জুৰ 'বেৰ'	গীৰ্কিনা 'গৰৈমাছ' গিচিফ্‌ 'বিচনী'	আংনি 'মোৰ' আখাই 'হাত'
/এ/	এ˴লা 'পৰুৱা' এন্‌জৎ 'এন্দুৰ'	চেলা 'চেলা' জেন্নাই 'হৰা'	চে 'এক'
/উ/	উংখি 'লগৰীযা' উচিংগ্রা 'উইঁচিৰিঙা'	গুমা 'ফৰিং' গুণ্ঠুং 'নাক'	খু 'কাঁইট' চামু 'শামুক'
/ও/	ওচি˴ 'বিষাক্ত পোক'	হোআ 'মতামানুহ' গোয 'তামোল'	গোথো 'সন্তান' গোদো 'ডিঙি'
/অ/	আঁদী 'দুৰ'	খীমা 'কান'	বী 'টনা' চী 'ভৰোৱা'
/আ/	আ˴খান 'ভাত' আথায 'বজায'	আথায 'বজাৰ' খানাই 'চুলি'	হা 'মাটি'

ব্যঞ্জনবৰ্ণ ঃ বড়ো ভাষাত মুঠ ষোলটা ব্যঞ্জনবৰ্ণৰ উচ্চাৰণ পোৱা যায়। ইযাৰে ফ, ব, থ, দ, খ, গ এই ছটা স্পৰ্শ, ম, ন, ঙ তিনিটা নাসিক্য, আৰু চ, জ, হ এই তিনিটা ঘৃষ্ট ধ্বনি। তাড়িত ধ্বনি ৰ আৰু পাৰ্শ্বিক ধ্বনি ল, আৰু দুটা অৰ্ধস্বৰ হ'ল ৱ আৰু য। এইখিনিতে উল্লেখ কৰিব পাৰি যে বড়ো ভাষাত অঘোষ অল্পপ্ৰাণ আৰু ঘোষ মহাপ্ৰাণ ধ্বনিৰ উচ্চাৰণ পোৱা নাযায। উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুসৰি তলত বড়ো ভাষাৰ ব্যঞ্জন বৰ্ণৰ এখন তালিকা দিযা হ'ল।

ব্যঞ্জনবৰ্ণৰ তালিকা

		দ্বৌষ্ঠ্য	দন্তমূলীয়	দন্তমূলীয় তালব্য	কণ্ঠ্য
স্পৰ্শ	অল্পপ্ৰাণ	ব	দ		গ
	মহাপ্ৰাণ	ফ	থ		খ
নাসিক্য		ম	ন		ঙ
ঘৃষ্ট	অঘোষ			চ	হ
	সঘোষ			জ	
তাড়িত			ৰ		
পাৰ্শ্বিক			ল		
অৰ্ধস্বৰ		ৱ		য	

বড়ো ভাষাৰ ব্যঞ্জনবৰ্ণসমূহ শব্দত প্ৰয়োগৰ উদাহৰণ, যেনে —

/ফ/	আফা 'পিতা'	মুফুৰ 'ভালুক'
/ব/	আবৈ 'আইতা'	খবায 'মাটিমাহ'
/থ/	থৈ 'তেজ'	বিথাং 'তেখেত', মেথায 'গান'
/দ/	দান্‌চে 'এমাহ'	বেদলাও 'জোক'
/খ/	খান্‌জং 'ফণি'	চাখিনায 'সোৱাদ লোৱা'
/গ/	গং 'শিং'	মেগন্ 'চকু'
/ম/	মাওজি 'মেকুৰী'	জুমায্ 'মদ', 'মেঘ'
/ন/	লিত্‌নায 'লিখা'	বেনৌ 'এইটো', জ্ঞান 'জ্ঞান'

/ঙ/	দঙ্গা 'চুঙা'	দং 'আছে'
/চ/	চান 'দিন'	মাঁচৗ 'ম'হ', মাঁচা 'বাঘ'
/জ/	জি 'কাপোৰ',	জাওনায 'খন্দা' গাঁজৗ 'ওখ'
/হ/	বিহামজু 'কন্যা'	জাঁংহানি 'আমাৰ'
/ৰ/	ৰাইনাই 'গালি দিযা'	চাঁৰাং 'পোহৰ'
/ল/	লামা 'বাট'	চাল্থে 'খুলশালি'
/ৱ/	দাঁহোৱ 'ঢৌ',	দুংহাৱ 'গৰম অনুভৱ কৰা'
/য/	খাত্নায 'দৌৰা'	জাওনায 'খন্দা'

কেইটামান ৰূপগত বৈশিষ্ট্য :

(১) বড়োভাষাত পুৰুষবাচক সৰ্বনামৰ দ্বিতীয় পুৰুষত সম্মানাৰ্থক আৰু তুচ্ছাৰ্থক দুটা সুকীযা ৰূপ পোৱা যায। মুল পুৰুষসূচক সৰ্বনাম শব্দৰ পাছত বহুবচনৰ প্ৰত্যয ফাঁৰ্, মাঁন্ আৰু চাঁৰ্ যোগ কৰি বহুবচনৰ অৰ্থ বুজোৱা হয। ইপিনে তৃতীয পুৰুষৰ লিংগভেদ নাই যদিও মানুহ আৰু ইতৰ বস্তুক বুজাবৰ বাবে ভিন ভিন ৰূপৰ প্ৰযোগ আছে। তলত বড়ো ভাষাৰ পুৰুষবাচক সৰ্বনামবোৰ পুৰুষ আৰু বচনভেদে উল্লেখ কৰি দেখুওৱা হৈছে।

	একবচন	**বহুবচন**
প্ৰথম পুৰুষ	আঙ 'মই'	জাঁঙ্ 'আমি' জাঁঙ্-ফাঁৰ 'আমি সকলো'
দ্বিতীয পুৰুষ	নাঁঙ্ 'তই' (তুচ্ছাৰ্থক) নাঁঙ-থাম্ 'তুমি' (সম্মানাৰ্থক)	নাঁঙ্-চাঁৰ 'তহঁত' নাঁঙ্-থাম-ফাঁৰ্ 'তোমালোক সকলো' নাঁঙ্-থাম্-মাঁন্ 'তোমালোক'
তৃতীয পুৰুষ	বি 'সি', 'তাই'	বি-চাঁৰ্ 'সিহঁত' বে-চাঁৰ্ 'সিহঁত' (মানুহৰ ক্ষেত্ৰত) বি-ফাঁৰ্ 'সিহঁত' বি-ফাঁৰা 'সিহঁত' (মানুহ ভিন্ন অন্য বস্তুৰ ক্ষেত্ৰত)

বড়ো ভাষাৰ কেইটামান সম্বন্ধবাচক বিশেষ্য শব্দ তলত উল্লেখ কৰা হ'ল। মন কৰিবলগীয়া যে ৰূপ কৰাৰ সময়ত পুৰুষবাচক সৰ্বনামটোৱে সম্বন্ধ শব্দটোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। পুৰুষবাচক সৰ্বনামটো সম্বন্ধ শব্দটোৰ আগত যোগ হয় আৰু সম্বন্ধ শব্দটোৰ শেষৰ এটা অংশহে থাকি যায়। এনেকৈ দুযোটা শব্দৰ সংযোগত সৃষ্টি হোৱা নতুন শব্দটো দ্বি-অক্ষৰীযা (disyllabic) হয়। তলত এনেধৰণেৰে হোৱা ৰূপ কেইটামান দেখুওৱা হৈছে।

ó ±ó আঙ্নি + আফা (আঙ্নি = মোৰ, আফা = দেউতা)

নৌংফা < নৌংনি + আফা (নৌঙ্নি = তোমাৰ, আফা = দেউতা)

বিফা < বিনি + আফা (বিনি = তেওঁৰ/তাইৰ, আফা = দেউতা) ইত্যাদি।

তলত বড়োভাষাৰ সম্বন্ধবাচক বিশেষ্য শব্দ কেইটামান অসমীয়া সমাৰ্থক শব্দেৰে সৈতে উল্লেখ কৰা হ'ল।

বড়ো শব্দ	অসমীযা শব্দ/অৰ্থ
আফা	পিতা
আমাই	মোমাই (তুল অস মোমাই)
আবৈ	আইতা
আবৌ	ককাদেউতা (তুল অস আবু)
আদা	ককাই (তুল অস দাদা)
আদই	খুৰা (তুল অস দদাই)
আইঐ	আই (তুল অস আই)
আয়ং	মাকৰ ককাযেক
চালথে	খুলশালি
বাজ্জৈ	নবৌ
ফিচা	পো

(২) লিংগ ঃ

লিংগৰ পাৰ্থক্য বুজাবৰ বাবে বড়ো ভাষাত তিনিটা সুকীয়া পদ্ধতি দেখা যায়। সেইকেইটা হ'ল —

(ক) পুং আৰু স্ত্ৰীভেদে সুকীয়া বিশেষ্য শব্দ প্ৰয়োগ কৰি, যেনে— হোৱা 'মতা মানুহ', হিন্জাব 'মাইকী মানুহ', ফোংবায় 'ভাই', বিনানাব 'ভনী'।

(খ) লিংগ বুজাব লগা বিশেষ্য শব্দটোৰ আগত মাওজি, ওমা, বাব্মা, মাৰ্, মাচুৰ, চায়্মা, মায়দাৰ্ শব্দ যোগ কৰি পুংলিংগ স্ত্ৰীলিংগ বুজোৱা হয়। এইখিনিতে উল্লেখ কৰিবলগীয়া কথা যে মূল বিশেষ্য শব্দটো স্ত্ৰীবাচক ৰূপ লওঁতে অসমীয়া ভাষাৰ দৰেই

-ই/-ঈ প্ৰত্যযান্ত হয। উদাহৰণ —

পুংলিংগ	স্ত্ৰীলিংগ
মাওজি বোন্দা 'বোন্দা'	মাওজি বোন্দি 'জাঁই' 'মাইকী মেকুৰী'
ওমা বোন্দা 'মতাগাহৰি'	ওমা বোন্দি 'মাইকী গাহৰি'
বীৰমা ফান্থা 'মতা ছাগলী'	বীৰমা ফান্থি 'মাইকী ছাগলী'
মীয ফান্থা 'মতা হৰিণ'	মীয ফান্থি 'মাইকী হৰিণ'
মীচুৰ্ দাস্ৰা 'দমৰা'	মীচুৰ্ দাস্ৰি 'দামুৰী' 'চেঁউৰী'
চায্মা বাংৰা 'মতা-কুকুৰ'	চায্মা বাংৰি 'মাইকী কুকুৰ'
মীয্দাৰ্ মাখুন্দা 'মখনা হাতী'	মীয্দাৰ মাখুন্দি 'মাখুন্দী হাতী'

ইত্যাদি।

(গ) লিংগভেদ কৰিবলগীযা বিশেষ্য শব্দৰ পাছত জ্ৰা ঃ জী, -ট্ৰান্, ট্ৰি , আ ঃ -ই প্ৰত্যয যোগ হয। ইযাৰে -জ্ৰা পুৰুষসূচক আৰু -জী স্ত্ৰীলিংগসূচক, তেনেকৈ -ট্ৰান্ পুংলিংগসূচক আৰু -ট্ৰি স্ত্ৰীলিংগসূচক, -আ পুংলিংগসূচক আৰু -ই স্ত্ৰীলিংগসূচক প্ৰত্যয ৰূপে যথাযোগ্য যোগ হয। -জ্ৰা কেতিযাবা -দ্ৰা ৰূপেও উচ্চাৰণ হয। তলত এইবোৰৰ কিছুমান উদাহৰণ দিযা হৈছে।

	পুংলিংগ	স্ত্ৰীলিংগ
-জ্ৰা/-দ্ৰা ঃ -জৌ	দাও-জ্ৰা/দাওদ্ৰা, 'মতাকুকুৰা'	দাওজৌ 'মাইকী কুকুৰা'
	হাংচৌজ্ৰা 'মতা হাঁহ'	হাংচৌজী 'মাইকী হাঁহ'
	ফিচাজ্ৰা, বিচাজ্ৰা, ফিচাদ্ৰা } পো	ফিচাজী, বিচাজী } জী
-ট্ৰান ঃ -ট্ৰি	গোয্ট্ৰান্	গোয্ট্ৰি (গোয=তামোল)
	লায্ট্ৰান্	লাযট্ৰি (লায=পাত)
	এম্ব্ট্ৰান্	এম্বুট্ৰি (এম্বু=ভেকুলি)
-আ ঃ -ই	বোন্দা 'মতা মেকুৰী'/ 'মতা গাহৰি'	বোন্দি 'মাইকী মেকুৰী'/ 'মাইকী গাহৰি'

(৩) এইখিনিতে উল্লেখযোগ্য যে অসমীযা ভাষাত বড়ো ভাষাৰ ভালেমান উপাদানৰ কথা পণ্ডিতসকলে উল্লেখ কৰিছে। নামৰ আগত 'দি'-যুক্ত নদীৰ নামবোৰ, যেনে— দিবং, দিহং, দিখৌ আদি বড়ো ভাষাৰ বুলি উল্লেখ কৰিছে। তদুপৰি -মা, -চা প্ৰত্যযযুক্ত শব্দ, যেনে— লোথোমা, ধেপেচা আদিবোৰো বড়ো ভাষাৰে উপাদান বুলি ধৰা হৈছে। ড° বাণীকান্ত কাকতিযে তেখেতৰ Assamese, Its Formation And

Development নামৰ গৱেষণা গ্ৰন্থত এই সম্পৰ্কে দীঘলীয়া আলোচনা দাঙি ধৰিছে। বৰ্তমানে সেই আলোচনালৈ নগৈ বড়ো ভাষাত অসমীয়া ভাষাৰপৰা সোমোৱা সম্ভাব্য উপাদানবিলাক চোৱাৰ চেষ্টা কৰা হৈছে। কোৱা ভাল যে উপাদানবিলাকৰ সৰহ ভাগেই শব্দগত। বড়ো ভাষাত পোৱা অসমীয়া শব্দবিলাক বড়ো উচ্চাৰণৰ সাঁচত ঢালি লোৱা বাবে অসমীয়া ভাষা-ভাষীৰ বাবেই শব্দবোৰ আচহুৱা হৈ পৰাটো স্বাভাৱিক। তলৰ শব্দবিলাকৰপৰাই এই কথাৰ উমান পোৱা যাব। কেতিযাবা অসমীয়া ক > খ নাইবা 'থ' হৈছে। তেনেকৈ পৰিবৰ্তন হোৱা অসমীয়া ধ্বনিবোৰ হ'ল এনেধৰণৰ — (প্ৰথমৰ ধ্বনিটো অসমীয়া ভাষাৰ প > ফ, ত > থ, ৰ > ল। ইপিনে কেতিযাবা মহাপ্ৰাণো অল্পপ্ৰাণ হৈছে। যেনে— ভ > ব, ধ > দ। সচৰাচৰ অল্পপ্ৰাণবৰ্ণ মহাপ্ৰাণ হোৱাই অধিক দেখা যায়। তলত অসমীয়া শব্দৰ লগত একে অৰ্থযুক্ত বড়ো শব্দ কিছুমান উল্লেখ কৰা হ'ল।

বড়ো শব্দ	অসমীয়াত একে অৰ্থৰ শব্দ
আখয	আখৈ
চুখে	সখী
আলায আফদ	আলৈ আপদ
আলু	আলু (আলুগুটি)
আন্থু/হানথু	আঁঠু (প্ৰাচীন অসমীয়া -আণ্ঠু)
আযনা/আৰ্চি	আইনা
বাহাগ	ভাগ
বাদা	বাধা
বাখনায	বখান (প্ৰশংসা কৰা)
খালি	চিযাহি, কালি
বালা	বালি
বোৰোলা	বৰলা
বোন্দা	বোন্দা
বান্দী	বান্ধ
বাৰি	বাৰী
বাচি	বাহী (যেনে বাহীভাত)
বাথো	ভাটো
বাওনা	বাওনা
বিজ্জি	বেজ্জী

বৰ্চা	ভৰষা
বালা	বল, শক্তি
বাৰ্চি	বৰশি
বাচাৰ	বছৰ
বোন্দি	বোন্দী, জাঁই
দিংখি	ঢেঁকী
দুম্রু	ডম্বৰু
দুনা	ধূনা
এন্জাৰ	এন্দুৰ
ইংগিনি	নিগনি
গামি	গাঁও (সংস্কৃত গ্ৰাম শব্দ)
গান	গান
গান্দু	গাৰু
ঘিউ	ঘিউ
গিৰ্গিৰ্	গিৰ্গিৰ্
গোহ্নো	গহ্না
গোলা	ঘোলা
গোৰায	ঘোঁৰা
গালাম্	গৰম
গালাম্ বাথাৰ্	গৰম বতৰ, গৰমকালি
গাম্ গাম্	গোম-গোমনি
গাৰবা	গৰ্ভ
হাল্দায্	হালধি
হালি	নাঙল, হাল
হালোআ	হালোৱা
হাফা	হেপা
হাফামুআ	হেপামুৱা
হাৰা	হাড
হাথুৰা	হাতুৰি
হোগ্	হক (ন্যায অৰ্থত, যেনে— হক কথাত)
হোংখা	হোকা
ইথা	ইটা

খাণ্ঠাল	কঠাল
খাফাল	কপাল
খুণ্ঠা	খুটা
খাচেউ	কাছ
খাচি	কাচি
খাতুআ	কঠুৱা
খেৰাই	কেৰাহি
খেংখায়	কেঁকাই থকা
খেংগ্ৰা	কেকোঁৰা
খমলা	কমলা
খোমোৰ	কোমোৰা
খণ্ঠা	খন্তি
খীলীম্	কলমৌ
লেখা	লেখা
মানি	মানি (সম্মতি জনাই - অৰ্থত)
মাজি	মাজি (যেনে— কাঁহী, বাতি মজা বা ঘঁহা)
নাব্	নাম
নাব্	নাও
নেম্	নিয়ম
নিহৰি	নিয়ৰ
ফাগলা	পাগলা
ফাখ্ৰা চিখ্ৰা	পখৰা-চিখৰা
ফাৰেউ/ফাৰোব্	পাৰ চৰাই
ফেচা	ফেঁচা
ফিথা	পিঠা
ফোখ্ৰি	পুখুৰী
ফৰব্	পৰব, পৰ্ব (উৎসৱ অৰ্থত)
বাথি	বাথ, বাথি থোৰা
বআ	বোৰা (কঠীয়া বোৰা)
বফা	ৰূপ (যেনে— সোণ-ৰূপ)
চাগীৰ্	সাগৰ
চাহা	চাহ

চাখা	চকা
শিংগি	শিঙিমাছ
চোনা	সোণ
চীম্‌ব্রি	শিমলু
থাচু	কচু
থোফি	টুপী
উআল	উৰাল
উদাং	উদং
জিংখা	জিকা (জিকা গছ আৰু জিকা শাক)
জোংখায়	জোকোৰা
জীচা	জহাধান
দাম্ব্রা	দমৰা
দাম্ব্রি	দামুৰী
মাখুন্দা	মখনা হাতী
মাখুন্দি	মাখুন্দী হাতী
বীৰায়/ব্রায় (যেনে— বাথৌ বীৰায়)	বুঢ়া (মানুহ)
বুৰি/ব্রি (যেনে— বুম্লিব্রি = ভৰলী বুঢ়ী)	বুঢ়ী
আওখলায়	আওখাল (কাঁহী-বাটি ধোৱা অৰ্থত)
কানা	কণা, চকুৰে নেদেখা
খাবৈনা	কাৱৈ মাছ
গহালি	গোহালি
জুথা	জোতা
থৈলা	থৈলা, মোনা, বস্তা
ৰানি	ৰাণী
ৰাজা	ৰজা ইত্যাদি। *

---

* বিস্তৃত অধ্যয়নৰ বাবে P C Bhattacharyya-ৰ "A Descriptive Analysis of the Boro Language" দ্রষ্টব্য।

৩ ৪ ডিমাছা ভাষাৰ কেইটামান দিশত আলোচনা ঃ

(১) ডিমাছা ভাষাত অসমীয়া ভাষাৰ উপাদান ঃ

বড়ো ভাষাৰ দৰেই ডিমাছাসকলৰ ডিমাছা ভাষাতো অসমীযা ভাষাৰ লগত মিল থকা ভালেমান শব্দ পোৱা যায। অসমীযা ভাষাৰপৰাই ডিমাছা ভাষালৈ সোমোৱাটো বেছি সম্ভৱ যেন দেখা তেনে কেইটামান শব্দ অসমীযা শব্দেৰে সৈতে উল্লেখ কৰা হৈছে। এইখিনিতে মন কৰিবলগীযা যে উজনি অসমৰ ডিব্রুগড অঞ্চলত 'ৱাথই' (এবিধ বাঁহ), মেগলৌ পৰুৱা আদি শব্দবোৰ প্ৰচলিত। তেনেধৰণৰ শব্দ ডিমাছা ভাষাতো পোৱা যায। ডিমাছা ভাষাত 'ৱাথি' মানে হ'ল এবিধ বাঁহ, মাৰলি বাঁহ। এই ক্ষেত্ৰত অসমীযা ভাষাতো ডিমাছা শব্দৰ উপাদান সম্পৰ্কে আলোচনা কৰাৰ থল নিশ্চয আছে। তলত অসমীযা শব্দৰ লগত মিল থকা ডিমাছা শব্দ অথবা অসমীযাৰপৰা ডিমাছা ভাষাত সোমোৱা শব্দৰ তালিকা এখন দেখুওৱা হৈছে।

ডিমাছা শব্দ	অসমীযা শব্দ
আৰ্	আৰু
ইগৰ্	ইকৰা
খাৱাই	কাঁৱৈ (মাছ)
খানা	কনা
খিৰি	খেৰ
গৰাই	ঘোঁৰা
গদা (লাঠি অৰ্থ বুজায)	গদা
গামচা	গামোচা
গুৰু (কুঁহিযাৰক বুজায)	গুৰ
গুৰুলুং (কুঁহিযাৰণি অৰ্থত)	কুঁহিযাৰণি
গামান	কামান
গুৱাই	গুৱা (তামোল)
থেন্থ্রি	তেতেলি
দলিযা	ঢোলীযা
দাদা/দা	দাদা
দিনি (আজি অৰ্থ বুজায)	দিন
দালেম	ডালিম
দুখিচা	দুখীযা

সাপ্তাচ	সপ্তাহ
দবা	ধোবা
নাদিগাল	নাৰিকল
পইচা	পইচা
পৃথিমা	পৃথিৱী
ফাগুাৰ	ভাণ্ডাৰ
ফোৱাল	প্ৰবাল
বতৰ (বতৰ বুব্লি)	বতৰ
বাৰ (বতাহ্ অৰ্থত)	বাৰ (যেনে— বাৰ দিয়া ধান)
বান্দলা	বৰলা
বুবাৰী	বুধবাৰ
জাদ্দি	জাতি
শোল	শ'লমাছ

এইখিনিতে উল্লেখযোগ্য যে অসমীয়া ভাষাৰ 'ৰিহা' শব্দত যেনেকৈ ৰি যুক্ত হৈ আছে, তেনেকৈ ডিমাছা ভাষাত কাপোৰ বুজাবৰ বাবে শব্দৰ আদিত ৰি-যুক্ত কৰা হয়। ডিমাছা ভাষাৰপৰা উদাহৰণ, যেনে — ৰিচা = গামোচা, ৰিথাপ্ = লেপ, ৰিজু = মেখেলা, ৰিখাওচা = চাদৰ, ৰিমচাও = এৰীচাদৰ আদি। তেনেকৈ মিচিং ভাষাতো 'ৰিবিগাচেং' উল্লেখযোগ্য। এই ক্ষেত্ৰত পুংখানুপুংখ অধ্যয়নৰ বাট পৰি আছে।

(২) ডিমাছা ভাষাৰ সম্বন্ধবাচক বিশেষ্য শব্দ কেইটামান তলত উল্লেখ কৰা হ'ল —

ডিমাছা	অসমীয়া
আদাই	আইতা
আজু/বুজু	ককা (তুলনীয় - অসমীয়া আজোককা)
আমাই	মোমাই
চুমা	শাহু
দা, দাদা, বাদা	দাদা, ককাইদেউ
বোবা-উ-জি	নবৌ
বুফা	পিতা
বুমা	আই
বাজামাদি	জোঁৱাই

বাহাম্‌জক্ / বাহামজুক্	বোৱাৰী
বুবি	বাইদেউ
বাদাই	বুঢ়ীমা
বিদি	দদাই, খুৰা
বুমাদি	খুৰী
বিগমি	খুলশালি (ল'ৰা)
বুব্রাউলুং	খুলশালী (ছোৱালী)
বিগিনি	ভিনিহি
বোবাগানাই	ভাগিন (ল'ৰা)
বোবাগানাইজুক্	ভাগিনী 'ছোৱালী'
বাহাউ	শহুৰ
বদা-ববদা	মাকৰ ককাযেক
বুমায়ুং	মাকৰ ককাযেকৰ পত্নী
বেবি, বিবি	ভনী ইত্যাদি।

৩.৫ কাৰ্বি ভাষা ঃ

কাৰ্বিসকল প্ৰধানকৈ অসমৰ কাৰ্বি আংলং পাহাৰত বসবাস কৰে। এই কাৰ্বি আংলঙক আগেযে মিকিৰ পাহাৰ বুলি কোৱা হৈছিল আৰু তাত বসবাস কৰা মানুহ মুঠিক মিকিৰ বুলি কোৱা হৈছিল। আজিকালি মিকিৰ শব্দৰ ঠাইত কাৰ্বি শব্দ ব্যৱহাৰ কৰা হয। অসমৰ ভৈযাম অঞ্চলতো ভালেমান কাৰ্বি লোক বসবাস কৰে। ভৈযামৰ অসমীযা ভাষী লোকৰ লগত সঘন সম্বন্ধ ৰাখিবলগীযা হোৱাত ভৈযামবাসী কাৰ্বিসকলৰ (ডোম্‌ৰা) ভাষা আৰু মিকিৰ পাহাৰত বাস কৰা কাৰ্বিসকলৰ ভাষাৰ লগত পাৰ্থক্য লক্ষ্য কৰা যায। উদাহৰণ স্বৰূপে নগাঁও জিলাৰ যমুনামুখ অঞ্চল আৰু কামৰূপ জিলাৰ দক্ষিণৰ পাহাৰীযা অঞ্চলবিলাকত বসবাস কৰা কাৰ্বিসকলৰ ভাষা মূল কাৰ্বি ভাষাৰপৰা কিছু পৃথক হৈ পৰিছে। অৱশ্যে ভৈযামবাসী কাৰ্বি, যেনে— যমুনামুখীযা, কামৰূপীযা আৰু ধৰমতুলীযা ভাষাৰ মাজতো পৰস্পৰ পাৰ্থক্য দেখা যায। উদাহৰণ স্বৰূপে মূল কাৰ্বি ভাষাত কুকুৰক বুজাবলৈ 'মেথান' শব্দ প্ৰযোগ কৰা হয। যমুনামুখী কাৰ্বি ভাষাত 'মেথান' শব্দই আছে, কিন্তু কামৰূপীয়া কাৰ্বি ভাষাত 'হীক' শব্দৰ প্ৰযোগ আছে। তেনেকৈ মূল কাৰ্বি ভাষাত গোমধান বা মাঁকে বুজাবলৈ থেংথে, যমুনামুখী কাৰ্বি ভাষাত 'থেংথে' আৰু কামৰূপীয়া কাৰ্বি ভাষাত 'মিখৰ' শব্দৰ ব্যৱহাৰ হয। ইযাৰপৰা দেখা যায় যে

যমুনামুখীয়া কাৰ্বি ভাষা কামৰূপীয়া কাৰ্বিতকৈ মূল পাহাৰীয়া কাৰ্বি ভাষাৰ বেচি ওচৰচপা।

কাৰ্বি ভাষাত সাতোটা স্বৰবৰ্ণ আৰু উনৈশটা ব্যঞ্জনবৰ্ণ উচ্চাৰণ হয় আৰু দুযোটা মিলি মুঠতে ছাব্বিশটা বৰ্ণ উচ্চাৰিত হয়। স্বৰবৰ্ণবোৰৰ হ্ৰস্বদীৰ্ঘৰ পাৰ্থক্য নাই। স্বৰবৰ্ণকেইটা হৈছে অ, আ, ই, উ, এ', এ আৰু অ'।

	প্ৰান্তীয়	কেন্দ্ৰীয	মূলীয
উচ্চ	ই		উ
উচ্চ-মধ্য	এ'		
উচ্চ-নিম্ন-মধ্য	এ		অ'
নিম্ন-মধ্য			অ
নিম্ন		আ	

(স্বৰবৰ্ণৰ তালিকা)

কাৰ্বি ভাষাৰ ব্যঞ্জনবৰ্ণ কেইটা হ'ল / প, ত, ক, ফ, থ, খ, ব, দ, ভ, জ, চ, ছ, ম, ন, ঙ, ল, হ, ৰ, ৱ, /। তলত এইবোৰৰ এখন তালিকা প্ৰস্তুত কৰা হ'ল।

		দ্বৌষ্ঠ্য	দন্তমূলীয	তালব্য	পশ্চতালব্য
স্পৰ্শ	অল্পপ্ৰাণ	অ ঘো প ব	অ ঘো ত দ		অ ঘো ক
	মহাপ্ৰাণ	ফ ভ	থ		খ
	ঘৃষ্ট		জ	চ	
			ছ		
	নাসিক্য	ম	ন		ঙ
[illegible]	পাৰ্শ্বিক		ল		
	লুণ্ঠিত		ৰ		হ
	অন্তঃস্থ	ৱ			

ব্যঞ্জনবৰ্ণৰ তালিকা

কাৰ্বি ভাষাত ভালেমান অসমীয়া মূলৰ শব্দ পোৱা যায় যিবোৰ শব্দ থলুৱা কাৰ্বি উচ্চাৰণ পদ্ধতিৰে গৰকি নতুন ৰূপ লোৱাত শব্দবোৰ আচহুৱা যেন লাগে।

উদাহৰণ ঃ-

কাৰ্বি শব্দ		**অসমীয়া শব্দ**
চাৰবুৰা	<	চাৰিজন বুঢা
কাংবুৰা	<	গাঁওবুঢা (অসমীয়া)
কহ্‌ৰ	<	ঘৰ (অসমীয়া)
দহ্‌ন	<	ধন (")
মাদুৰাম	<	মধুৰি আম (অসমীয়া)
চেকে	<	সিকি
কিতাপ	<	কিতাপ
আহম (অসমীয়া অৰ্থত)	<	আহোম (এটা জাতি)
আলহী	<	আলহী
আপদ (দুৰ্ঘটনা)	<	আপদ
কবি	<	কবি
কেৰাহী	<	কেৰাহী
ক' আন	<	কিমান
কাদ	<	গাধ
খৰম	<	খৰম
খন্তা	<	ঘণ্টা
চেনি	<	চেনি
তুলহী আৰং	<	তুলসী গছ
দেউৰী (সেৱক অৰ্থত)	<	দেউৰী
দেৱাই	<	দেৱায
দলং	<	দলং
নাৰিকই	<	নাৰিকল
ফলং	<	ফৰিং
ফুটনি	<	ফুটনি (অহংকাৰ অৰ্থত)
ৰূপ	<	ৰূপ (ধাতু)

এজন	<	এজন

(জীৱ-জন্তুৰ ক্ষেত্ৰত প্ৰযোগ হয)

ক'বে	<	গুৱা (তামোল)
ৰবা	<	ৰভা
বেলেকি	<	ভেলেকি
খৰি	<	ঘড়ী
বিদি	<	বুদ্ধি
লাপ	<	লাভ
কপাই	<	কপাল
নাঙই	<	নাঙল
আদিন	<	দিন
আদৰম	<	ধৰম

সৰ্বনাম ঃ কাৰ্বি ভাষাত ব্যক্তিবোধক সৰ্বনামৰ ৰূপ কৰোঁতে পদৰ শেষত -তুম ব্যৱহাৰ কৰিলে বহুবচন বুজায, সন্মানাৰ্থ বুজাবলৈ একবচন আৰু বহুবচনৰ মূল পদৰ পাছত -লি বিভক্তি যোগ কৰা হয। এনে সন্মানাৰ্থক ৰূপে ক্ৰিযা পদৰ ওপৰতো প্ৰভাৱ পেলায, ফল স্বৰূপে মূল ক্ৰিযা পদত -ইক প্ৰত্যয যোগ হয। কেতিযাবা ব্যক্তিবোধক সৰ্বনামে কওঁতাজনকো সাঙুৰি লয (inclusive) আৰু কেতিযাবা কওঁতাজনক সাঙুৰি নলয (exclusive) । বক্তাকো সাঙুৰি ক'বলগীয়া হলে পদৰ আগত ই- নাইবা এ-ৰ প্ৰযোগ হয, যেনে— ইলি বা এলি, ইলিতুম বা এলিতুম। কাৰ্বি ভাষাৰ ব্যক্তিবোধক সৰ্বনামবোৰ তলত দিযাৰ দৰে তালিকাত দেখুৱাব পাৰি।

	একবচন	**বহুবচন**
প্ৰথম পুৰুষ	নে (মই) নেলি (মই-সন্মানাৰ্থত)	নেতুম্ (আমি) নেলিতুম (সন্মানসূচক, আমালোক, আমি)
২য পুৰুষ	নাং (তুমি, তই)	নাং তুম (তোমালোক, তহঁত), নালিংতুম, আপোনালোক (সন্মানসূচক)
৩য পুৰুষ	আলাং (তেওঁ, সি, তাই)	আলাংতুম (তেওঁলোক, সিহঁত, তাইহঁত)

আলাংলি (তেওঁ, তেখেত সম্মানসূচক) আলাংলিতুম (তেওঁলোক, তেখেতসকল - সম্ভ্রমসূচক)

কার্বি ভাষাৰ স্থানবাচক শব্দবোৰত নিকটার্থক বুজাবৰ বাবে মূল শব্দৰ পাছত -হেত্ অংশ যোগ হয় আৰু দূৰত্বজ্ঞাপক অর্থত মূল শব্দৰ আগত হা- অংশ যোগ হয়। উদাহৰণ স্বৰূপে দাক (ইযাত), দাকহেত্ (বৰ ওচৰৰ-ইযাত), লাদাক (ইয়াত), হালাদাক (তাত), হাদাকহেত (বৰ আঁতৰৰ-তাত) ইত্যাদি।

ঠিক তেনেকৈ কালবাচক সর্বনাম শব্দ কেইটামান তলত উল্লেখ কৰা হ'ল —আনকে (তেতিযা), আতুমি (কালি), নন্ (এতিযা), নন্পুতা (এতিযাও), পিনি (আজি), পিনাপং (কালিলৈ), পিনাপ্দিক (পৰহি) আদি।

বচন ঃ কার্বি ভাষাত একবচন আৰু বহুবচন বুজাবৰ বাবে শব্দৰ পাছত -তুম, -আতুম, -মাৰ, -হুৰ, -মখা, পেনাং আৰু -ফাই যোগ কৰা হয়। মন কৰিবলগীযা যে কার্বি ভাষাত দ্বিবচন নাই। মানুহৰ অর্থ বুজাবলগীযা হ'লে শব্দৰ শেষত -তুম যোগ কৰা হয়। ওপৰত পুৰুষবাচক সর্বনামৰ বহুবচনৰ ৰূপত -তুম যোগ কৰি দেখুওৱা হৈছে। ঠিক তেনেকৈ বীৰেন আতুম্ (বীৰেনহঁত), মনিত আতুম্ (মানুহবোৰ), ছপী আতুম (জীযেকবিলাক), আৰলেং আতুম্ (কার্বিসকল) ইত্যাদি। মানুহৰ অর্থ বুজাবৰ বাবে বহুবচনত শব্দৰ পাছত -মাৰ প্রত্যযো যোগ হয। যেনে— আছ'পী-মাৰ (ছোৱালীহঁত)। জীৱ-জন্তুৰ অর্থত বহুবচনৰ প্রত্যয -হুৰ প্রযোগ কৰা হয়। যোগ হওঁতে -হুৰ প্রত্যয -আহুৰ হয। উল্লেখযোগ্য যে কার্বি ভাষাত -তুম, -হুৰ আৰু -মখা বহুবচনৰ প্রত্যয হিচাপে যোগ দিবৰ সময়ত তিনিওটাৰে আগত আ-ৰ আগম হয়। যেনে— কিপি আহুৰ (বান্দৰবোৰ), মণিত আমখা (মানুহবোৰ)। উল্লেখযোগ্য যে উক্ত 'কিপি' শব্দ প্রাচীন অসমীযাৰ 'কপি' (বান্দৰ), যেনে — অনন্তৰে কপিগণে মাথা তুলি চাইলা বিস্তৰ গম্ভীৰ সাগৰক ভেট পাইলা — ৰঘুনাথ মহন্তৰ 'শত্রুঞ্জয') শব্দ আৰু 'মখা' শব্দ অসমীযা ভাষাৰ 'মখা' (যেনে— গৰুমখা) আদিৰ লগত তুলনা কৰি চাব পাৰি।

শব্দৰ গঠন ঃ মিচিং ভাষাৰ দৰে কার্বি ভাষাত লোপৰ (Elision) জৰিযতে শব্দ গঠন হোৱা প্রক্রিযা দেখা যায। মিচিং ভাষাত যেনেকৈ দুটা শব্দৰ সংযোগত এটা নতুন শব্দৰ সৃষ্টি হোৱা দেখা যায ঠিক তেনেকৈ কার্বি ভাষাতো দুটা শব্দৰ সংযোগত এটা নতুন শব্দ সৃষ্টি হয। এনেকৈ নতুন শব্দ এটা সৃষ্টি হওঁতে সচৰাচৰ যোগ হ'ব লগা শব্দ দুটাৰ প্রথম অংশ লোপ পায আৰু দুযোটা শব্দৰ দ্বিতীয় অংশ ৰৈ যায। অৱশ্যে কার্বি ভাষাৰ বেলিকা ইযাৰ ব্যতিক্রমো দেখা যায যিটো মিচিং ভাষাত দেখা নাযায। মিচিং ভাষাত আলে + আমৃদ > লেমৃদ, হোৱাৰ দৰেই কার্বি ভাষাত গঠন হোৱা শব্দ কেইটামান হ'ল —

আৰ্নি + কেচি > নিচি

আৰলং + কেচৰ > লংচৰ

তমন + কেদেং > মনদেং

কিন্তু থেংপি + আফাং > থেংফাং

কেল'ক + পিক > লক্‌পিক

কেএৰ্ + ছিপ > এৰছিপ

সংখ্যাশব্দ ঃ অন্যান্য তিব্বত-বৰ্মী ভাষাবিলাকৰ দৰেই কাৰ্বি ভাষাতো সংখ্যাবিলাক একৰপৰা দহলৈকে হিচাপ কৰি দহ এক, দহ দুই ধৰণেৰে হিচাপ কৰা হয়।

কাৰ্বি ভাষাৰ একৰপৰা দহলৈকে সংখ্যা শব্দকেইটা হ'ল -

ইছি	'এক'
হিনি	'দুই'
কেথম্	'তিনি'
ফ্লি	'চাৰি'
ফ'	'পাঁচ'
থ্রক	'ছয়'
থ্রক্‌ছি	'সাত'
নেৰ কেপ্	'আঠ'
ছিৰ কেপ্	'ন'
কেপ্	'দহ'

কাৰ্বি ভাষাৰ সম্বন্ধবাচক শব্দ কেইটামান তলত অসমীয়া সমাৰ্থক সম্বন্ধ শব্দেৰে সৈতে দিয়া হৈছে।

কাৰ্বি শব্দ	অসমীয়া অৰ্থ
অং	মোমাই
অং, অংহেই, হুপ'	শহুৰ
অংছাৰ	জেঠেৰী, খুলশালী
অ'ছ্র	জোঁৱাই, ভাগিন
ইক্	ককাই
ক'ৰ্প'	ননদ
ক'ৰ্পি	ভাইবোৱাৰী, ছোৱালী খুলশালী
ছ'ছ'প'	পো

ছ'পী	জী
ছু	নাতি
নি	পেহী
নি অম্‌পি	মামী
নেং	নবৌ
পেই, পী	আই, মা
প', চাব্ বোৰা	দেউতা, পিতা
পুনু	দদাই, খুৰা
পিনু	খুৰী, মাহী
ফু	ককাদেউতা
ফিলিপি	ভাগিনী
ফি	বুঢ়ী আই
মু	ভনী, ভাই
মেহেই	ভিনিহি
লক্	পেহা
লখেই	শহুৰ

এইখিনিতে মন কৰিবলগীয়া কথা হ'ল ভৈয়ামৰ কাৰ্বিসকলে সম্বন্ধ দেখুৱাবৰ সময়ত দুটা সম্বন্ধ শব্দৰ ভিতৰত এটা অসমীয়া সম্বন্ধ শব্দ ব্যৱহাৰ কৰে । উদাহৰণ স্বৰূপে —

ভৈয়ামৰ কাৰ্বি সম্বন্ধ শব্দ	অসমীয়া সম্বন্ধ শব্দ
আতা - আবু	আতা - আবু
কাকা - তাপেই	ককাই - বৌ
দাদা - নু	দদাই - খুৰী
পা - ৰাই (যমুনামুখী)	
পা - আই	দেউতা - আই
বাই - তাপ', বাই তেপ'	বাইভিনিহি, ইত্যাদি।

৩.৬ টাই ভাষাকেইটাৰ লগত তিব্বত-বৰ্মী ভাষাৰ সাধাৰণ তুলনামূলক আলোচনা :

১) টাই ভাষাকেইটা (আহোম, খামতি, খাময়াং, টুকং, ফাকে আৰু আইতন) এক অক্ষৰযুক্ত, কিন্তু তিব্বত-বৰ্মী ভাষাবোৰ (যেনে — বড়ো, মিচিং, কাৰ্বি, দেউৰী, আদী, আও, ইত্যাদি ভাষা) এক অক্ষৰযুক্ত ভাষা নহয়।

২) টাই ভাষা অযোগাত্মক, কিন্তু তিব্বত-বৰ্মী ভাষাবোৰ যোগাত্মক।

৩) টাই ভাষা সুৰীয়া ভাষা (Tonal), কিন্তু সকলোবোৰ তিব্বত-বৰ্মী ভাষাত সুৰ পোৱা নাযায়। উদাহৰণ স্বৰূপে বডো, কাৰ্বি, দেউৰী ভাষাত সুৰ পোৱা গ'লেও মিচিং ভাষাত সুৰ পোৱা নাযায়।

৪) টাই ভাষাত স্বৰৰ হ্ৰস্ব, দীৰ্ঘ দুযোটাৰে উচ্চাৰণ আছে। স্বৰৰ হ্ৰস্ব দীৰ্ঘ অনুসৰি শব্দৰ অৰ্থ সুকীয়া সুকীয়া হয়। কিন্তু সকলোবোৰ তিব্বত-বৰ্মী ভাষাতে স্বৰৰ হ্ৰস্ব আৰু দীৰ্ঘ দুযোটা উচ্চাৰণ পোৱা নাযায। মিচিং, আদী, নিছি, পাদাম ইত্যাদি ভাষাত স্বৰৰ হ্ৰস্ব দীৰ্ঘ উচ্চাৰণ আছে যদিও অন্যবোৰত দেখা নাযায।

৫) টাই ভাষাকেইটাৰ নিজা লিপি আছে আৰু এই লিপিক টাইলিপি বুলিযেই সাধাৰণভাৱে জনা যায। এনে লিপিত লেখা ভালেমান পুৰণি পুথি অসমৰ বিভিন্ন ঠাইত সিচঁৰতি হৈ আছে। কিন্তু তিব্বত-বৰ্মী সকলোবোৰ ভাষাতে লিপি পোৱা নাযায। মণিপুৰৰ মেইটেই ভাষাৰ 'মেইটেই লিপি' পোৱা গ'লেও উত্তৰ পূব ভাৰতৰ বাকী কোনো ভাষাতে নিজা লিপি পোৱা নাযায। অৱশ্যে সম্প্ৰতি ৰোমান অথবা দেৱনাগেৰী লিপিৰ সংশোধিত ৰূপত এই ভাষাবোৰক লিখিত ৰূপ দিবলৈ চেষ্টা কৰা দেখা যায়।

৬) টাই ভাষাকেইটাত মহাপ্ৰাণ ধ্বনিৰ উচ্চাৰণ আছে, কিন্তু তিব্বত-বৰ্মী শাখাৰ বেছিভাগ ভাষাতে মহাপ্ৰাণ ধ্বনিৰ উচ্চাৰণ পোৱা নাযায। বডো, কাৰ্বি ইত্যাদি ভাষাত অৱশ্যে অঘোষ মহাপ্ৰাণ /ফ থ খ/ ধ্বনিকেইটা পোৱা যায, কিন্তু ঘোষ মহাপ্ৰাণৰ /ভ ধ ঘ / উচ্চাৰণ পোৱা নাযায। আহোম ভাষাত ঘোষ মহাপ্ৰাণ আখৰকেইটা থাকিলেও প্ৰয়োগৰ ক্ষেত্ৰত অসমীযা বা আন ভাষাৰপৰা ধাৰকৰা শব্দতহে ব্যৱহাৰ হোৱা দেখা যায। ইপিনে তিব্বত-বৰ্মী বডো ভাষাত অঘোষ অল্পপ্ৰাণ /প ত ক/ ধ্বনিৰ উচ্চাৰণ নাই। টাই ভাষাকেইটাত /প ত ক/ ধ্বনিকেইটাৰ উচ্চাৰণ আছে।

৭) টাই ভাষা আৰু তিব্বত-বৰ্মী ভাষাবোৰত দন্ত্য ধ্বনিৰ উচ্চাৰণ পোৱা নাযায, দন্তমূলীয ধ্বনিৰহে উচ্চাৰণ পোৱা যায। সেযে মূল সংস্কৃত ভাষাৰ দন্ত্য ধ্বনি অসমীযা ভাষাত দন্তমূলীয হোৱাৰ ইযে প্ৰধান কাৰণ বুলি অভিহিত কৰিব পাৰি।

৮) টাই ভাষাকেইটাত থকাৰ দৰে তিব্বত-বৰ্মী ভাষাবোৰতো কেন্দ্ৰীয উচ্চ স্বৰৰ উচ্চাৰণ পোৱা যায। এই ধ্বনিকেইটা বুজাবৰ বাবে অী আৰু অ্ ধ্বনিচিহ্ন বা ধ্বনিপ্ৰতীক দুটা ব্যৱহাৰ কৰা হৈছে।

টাই ভাষা আৰু তিব্বত-বৰ্মী ভাষাৰ উক্ত সাধাৰণ তুলনামূলক আলোচনাৰ উপৰিও দুয়োটা শাখাৰ ভাষাৰ মাজত ধ্বনি, ৰূপ ৰচনা, বাক্য আৰু শব্দৰ দিশত বিশদ সুকীযা আলোচনা কৰাৰ অৱকাশ আছে। এনে বিশদ বৈজ্ঞানিক আলোচনাইহে প্ৰকৃতাৰ্থত দুযোটা শাখাৰ ভাষাৰ মাজত থকা মিল অমিলসমূহৰ এটি পূৰ্ণ ধাৰণা দিবলৈ সমৰ্থ হয।

চিংফৌ ভাষা

ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলত অৱস্থিত অৰুণাচল প্ৰদেশ আৰু অসমৰ উজনি অংশত চিংফৌসকলৰ বসবাস পোৱা যায়। অৰুণাচল প্ৰদেশৰ চাংলাং আৰু লোহিত জিলাত আৰু অসমৰ মাৰ্ঘেৰিটা অঞ্চলত বসবাস কৰা চিংফৌসকল বৌদ্ধধৰ্মী। অৰুণাচল প্ৰদেশত একুৰি চাৰিখন গাঁৱত চিংফৌসকল বসবাস কৰে। ১৯৭১ চনৰ লোকপিয়ল অনুসৰি অৰুণাচল প্ৰদেশত চিংফৌ জনগোষ্ঠীৰ জনসংখ্যা হ'ল ১৫৬৭ জন, তাৰে ৭৭৬ জন পুৰুষ আৰু ৭৯১ গৰাকী তিৰোতা। অৰুণাচল প্ৰদেশৰ গাঁও কেইখনমান হ'ল — বৰডোম্‌চা, সৰুডোম্‌চা, গজু, খেৰেম্, ইম্বু, ৰাখেতনা, মুদই, ইনাও, ডুম্ব, গগম্, ফুপ্, লেবাং, খমুক, বিছি, মিযাও, নামফাই, চিকাও, নিংবাং, গিলন্‌জা ইত্যাদি। উল্লেখযোগ্য যে উক্ত চিংফৌ গাঁৱৰ নামবোৰৰ সৰহভাগেই চিংফৌসকলৰ বংশৰ (clan) নামৰপৰা হোৱা। অসমৰ ভিতৰত তিনিচুকীয়া জিলাত থকা গাঁওকেইখনমানৰ নাম হ'ল — মুগং, ইনথেম্, উলুপ, দুৱামৰা, বাঁহবাৰী, লং, কেটেটং, ইনথং, দিবং, পাণবাৰী, ভিতৰপাৰে, ইত্যাদি। বাৰ্মিজসকলে 'কা খ্যেন' বা 'কাকু' বুলি পৰিচয় দিয়া চিংফৌসকলৰ মূল বাসস্থান ইৰাৱতী নদীৰ পাৰত বুলি জনা যায়। আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকালত হোৱা মোৱামৰীয়া বিদ্ৰোহৰ সময়ত ১৭৯৩ খ্ৰীষ্টাব্দত চিংফৌসকলক এই অঞ্চলত দেখা যায় বুলি ডেল্টনে ক'ব বিচাৰে। চিংফৌ শব্দটোৰ তেওঁলোকৰ ভাষাত অৰ্থ হ'ল 'মানুহ'। 'গাত্' অৰ্থাৎ বিভিন্ন ভূত-প্ৰেতৰ বিশ্বাস কৰিলেও চিংফৌসকল ধৰ্মীযভাৱে বৌদ্ধ ধৰ্মত বিশ্বাসী। তেওঁলোকৰ মাজত বৌদ্ধ ধৰ্মৰ প্ৰচলন আজিৰপৰা খুব বেছি এশবছৰমানৰ আগৰপৰাহে হ'বলৈ ধৰে। তেওঁলোকৰ মতে তিংলা লা চ্ৰাতু নামেৰে এজন বৌদ্ধ সন্ন্যাসী ব্ৰহ্মদেশৰ হুকং উপত্যকাৰপৰা এশবছৰমানৰ আগতে নামি আহিছিল আৰু তেওঁক পিঠিত বোকোচা কৰি মানুহে লৈ আহিছিল। চিংফৌসকলক বৌদ্ধ ধৰ্মৰ নিয়ম-নীতি, আচাৰ-ব্যৱহাৰবিলাকৰ জ্ঞান সেই তিংলা লা চ্ৰাতু নামৰ বৌদ্ধ সন্ন্যাসীজনে দিছিল। চিংফৌ গাঁওবিলাক ভ্ৰমণ কৰাৰ পিছত তেওঁ কামৰূপ জিলালৈ যায় আৰু গুৱাহাটীত এজন ব্ৰিটিছ বিষযাক লগ পায়। মাংস খোৱা আৰু মদ্যপানত অভ্যস্ত ব্ৰিটিছ বিষযাজনে তিংলা লা চ্ৰাতু নামৰ সন্ন্যাসীজনক মাংস আৰু মদ্যপানৰ বাবে আমন্ত্ৰণ জনোৱাত তেওঁ প্ৰত্যাখ্যান কৰিছিল আৰু তেতিয়াই ব্ৰিটিছ বিষয়াজনে জানিব পাৰিছিল যে তেওঁ এজন ধাৰ্মিক মানুহ। তাৰ পাছত তিংলা লা চ্ৰাতু গুৱাহাটীৰপৰা বুদ্ধগয়ালৈ যায় আৰু বহু ঠাই ভ্ৰমণ কৰাৰ পিছত তেওঁ পুনৰ মাৰ্ঘেৰিটালৈ ঘূৰি আহে আৰু এখন ফাকে গাঁৱত চামোকচিং নামৰ এটা বৌদ্ধ মন্দিৰ নিৰ্মাণ কৰে। ইয়াৰ পাছতে তেওঁ দোৱনীয়াসকলক বৌদ্ধ ধৰ্মত দীক্ষিত কৰে। তেৰেঁই চিংফৌসকলক প্ৰতি গাঁৱতে বৌদ্ধ মন্দিৰ নিৰ্মাণ কৰি বৌদ্ধ ভিক্ষু ৰাখিবলৈ পৰামৰ্শ দিয়ে আৰু তেতিয়াৰেপৰাই প্ৰতি

ঘৰৰে এটা চুকত বুদ্ধ মূৰ্তি ৰখাটো নিয়ম হৈ পৰে। তেতিয়াৰপৰাই 'চুম্‌তান্ ঘ্ৰা' চিংফৌসকলৰ ঘৰৰ এটি অংগ হৈ পৰে। এই 'চুম্‌তান ঘ্ৰা' হ'ল বুদ্ধ মূৰ্তি ৰখা আৰু পূজা কৰা ঠাই।

চিংফৌসকলে বহাগ মাহত (ইংৰাজী এপ্ৰিল মাহ) 'চাংকেন' উৎসৱ পাতে আৰু তাৰপৰাই নতুন বছৰটো আৰম্ভ হয়। এটা পূৰ্ণিমাৰপৰা আনটো পূৰ্ণিমালৈকে এটা চান্দ্ৰমাহ হিচাপে ধৰি বাৰমাহে এটা বছৰ হিচাপ কৰে। বহাগ মাহক বছৰটোৰ প্ৰথম মাহ হিচাপে ধৰি বাৰটা মাহৰ নাম এইদৰে হিচাপ কৰে — ৰাতা (বহাগ), ৰত্‌তা (জেঠ), ঘ্ৰাতা (আহাৰ), চিশুম্ তা (শাওন), চিঙাম্ তা (ভাদ), চিম্‌ৰি তা (আহিন), গুপ্‌চি তা (কাতি), গুপ্‌তং তা (আঘোণ), ক্লা তা (পুহ), মিচি তা (মাঘ), মুকা তা (ফাগুন) আৰু খু তা (চ'ত)। উল্লিখিত 'চাংকেন' উৎসৱ তেওঁলোকৰ সামাজিক উৎসৱ। আন জনগোষ্ঠীৰ দৰে চিংফৌসকলৰ মাজত একাধিক সামাজিক উৎসৱ এটা দেখা নাযায। 'চপৱ যং' নামৰ চিংফৌ জাতীয় উৎসৱ এটা দেখা যায। আজিকালি এই উৎসৱ ফেব্ৰুৱাৰী মাহৰ ১৪ তাৰিখত পতা হয়। সচৰাচৰ এই উৎসৱ তিনিদিনীয়াকৈ পতা হয়। ইয়াত থংকামানাউ, চ্চু মানাউ, কুম্‌ৰামানাউ আদি চিংফৌ নৃত্য পৰিবেশন আৰু প্ৰদৰ্শন কৰা হয়।

চিংফৌসকলৰ নিজা এটা ভাষা আছে আৰু এই ভাষাটো চীন-তিব্বতীয পৰিযালৰ অন্তৰ্গত তিব্বত-বৰ্মী শাখাৰ ভাষা। তিব্বত-বৰ্মী শাখাৰ ভাষাক চাৰিটা ভাগত ভাগ কৰা হৈছে — তিব্বত-হিমালয়ী, উত্তৰ-অসম শাখা, মধ্য আৰু দক্ষিণ অসম শাখা আৰু আৰাকান বাৰ্মা শাখা। চিংফৌভাষা মধ্য আৰু দক্ষিণ অসম শাখাৰ অন্তৰ্গত এটি ভাষা। এই ভাষাৰ লগত ব্ৰহ্মদেশৰ অৰ্থাৎ ম্যানমাৰৰ কাছিন ভাষাৰ হুবহু মিল আছে। নিম্নাংশত এই ভাষাটোৰ পৰিচয়মূলক টোকা এটি দিযাৰ চেষ্টা কৰা হৈছে।

(ক) চিংফৌ ভাষাত সাতোটা স্বৰধ্বনি আৰু কুৰিটা ব্যঞ্জনধ্বনি পোৱা যায। কুৰিটা ব্যঞ্জনৰ ভিতৰত /ৱ/ আৰু /য/ অৰ্ধস্বৰ দুটাও আছে। স্বৰধ্বনিৰ হ্ৰস্ব দীৰ্ঘ ৰূপো পোৱা যায। অৱশ্যে এই হ্ৰস্ব দীৰ্ঘ ৰূপ সকলো স্বৰধ্বনিৰ ক্ষেত্ৰত স্পষ্ট নহয। /আ/ ধ্বনিৰ ক্ষেত্ৰত হ্ৰস্ব দীৰ্ঘ উচ্চাৰণ স্পষ্ট । উদাহৰণ—

খা (হ্ৰস্ব আ) = পানী, জগৰ লগোৱা
খাঃ (দীৰ্ঘ আ) = পানীৰে তিতা
চা (হ্ৰস্ব আ) = জিৰণি লোৱা
চাঃ (দীৰ্ঘ আ) = বোৱা
ৰাত্ (হ্ৰস্ব আ) = কটা
ৰাঃত্ (দীৰ্ঘ আ) = দেৱা ভাত
খাত্ (হ্ৰস্ব আ) = পৰি যোৱা
খাঃত্ (দীৰ্ঘ আ) = জুইয়ে পোৰা

চিংফৌ ভাষাত কেন্দ্ৰীয় উচ্চধ্বনিৰ উচ্চাৰণ আছে। ভাষাটোৰ স্বৰধ্বনি কেইটা হ'ল /অ, আ, ই, উ, এ, ও, ঔ

/অ/	নুম্বত্	'ৰিহা'
/আ/	আচা	'মাকৰ বাযেক'
/ই/	ৰাই	'হয', বস্তু
/উ/	আতুঙ্	'মাকৰ বাযেক', বুম্ 'পাহাৰ'
/এ/	ইফে	'আমাক'
/ও/	তাও	'লোৱা'
/ঔ/	গৌবা	'ডাঙৰ'

	প্ৰান্তীয	কেন্দ্ৰীয	মূলীয
উচ্চ	ই	ঔ	উ
মধ্য	এ		ও
নিম্ন		আ	অ

(চিংফৌ ভাষাৰ স্বৰধ্বনি)

চিংফৌ ভাষাত ঘোষ মহাপ্ৰাণ ধ্বনিৰ অভাৱ উল্লেখযোগ্য বৈশিষ্ট্য। তদুপৰি দন্তমূলীয় ঘৃষ্ট চ আৰু তালব্য ঘৃষ্ট ছ দুটাৰ সুকীয়া উচ্চাৰণ আছে। ভাষাটোত থকা ব্যঞ্জন উনৈশটা হ'ল —

/ক, ত, প, খ, থ, ফ, গ, দ, ব, চ, ছ, জ, হ, ম, ন, ঙ, ৰ, ল, ৱ, য। তলত উক্ত ব্যঞ্জনসমূহৰ উদাহৰণ চিংফৌ শব্দত দেখুওৱা হৈছে। দাঁতিত উৰ্ধ্বকমাৰ ভিতৰত অসমীয়া অৰ্থ দিয়া হৈছে।

/ক/	কাত্	'ৰচীৰে বন্ধা'
	কাঙ্	'আৰোগ্য'
/খ/	খাত্	'পৰিযোৱা'
	খা	'জগৰ লগোৱা'
/গ/	গাত্	'কটা'
	গই	'কুকুৰাই ডাক দিয়া'
/ত/	তাত্	'এৰি যোৱা'

	তাই	'হে যোৱা'
	তন্	'থোৱা'
/থ/	থাত্	'ডাঠ'
	থং	'ঢোল'
	থঙ্কা	'এবিধ চিংফৌ নৃত্য'
/দ/	দাত্	'দিয়া'
	দাম্	'ফুৰিবলৈ যোৱা'
	দান্	'সিদ্ধান্ত হোৱা'
/ন/	নাত্	'ভূত প্ৰেত'
/প/	পাত্	'বন্ধ কৰা'
	পাত্থুপ্	'নিতৌ'
/ম/	মাত্	'হেৰুৱা'
	মা	'উদ্দেশ্যবিহীনভাৱে ঘূৰা'
/ৰ/	ৰাত্	'কটা'
	ৰঙ্	'সজাত ভৰোৱা'
/ঙ/	ঙাই	'মই'
	ঙাচান্	'মাছ'
	ঙা	'আছে' বা 'থকা অৰ্থ বুজায'
/চ/	চা	'জিৰণি লোৱা'
/ছ/	ছা	'জেওত লাগি ধৰা'
	ছা	'লাওপানী', 'পানীয দ্ৰব্য'
/জ/	জাই	'টেঙৰ'
	জইৱা	'বিননি' (মানুহ ঢুকালে বিনায)
/ফ/	ফালাপ্	'চাহপাত'
	ফা	'পাতল'
/ব/	বুম্	'পাহাৰ'
	বাও	'ঘণ্টা'
/ল/	লাং	'ধৰা'
	লাই	'পাৰ হোৱা'
	লাই তাং ক্যাং	'স্বভাৱ চৰিত্ৰ'
/হ/	হাক্	'আদৰ সাদৰ কৰা'
	হত্	'ঘপ্‌কৰে বুজি পোৱা'

/য/	যং	'সকলো'
	য়ু	'বৈ যোৱা'
/ৱ/	ৱাদপান্	'তৃতীয়'
	ৱাদই	'দেউতাকৰ ভাযেক'

উচ্চাৰণ অনুসৰি উক্ত ব্যঞ্জন ধ্বনিসমূহৰ তালিকা এখন তলত প্ৰস্তুত কৰি দেখুৱা হৈছে। উল্লেখ কৰা ভাল যে দন্তমূলীয় ঘৃষ্ট উচ্চাৰণৰ বাবে ধ্বনিপ্ৰতীক 'চ' আৰু তালব্য ঘৃষ্ট (Palatal affricate) বুজাবৰ বাবে 'ছ' ধ্বনিপ্ৰতীক ব্যৱহাৰ কৰা হৈছে।

		দ্বৌষ্ঠ্য	দন্তমূলীয়	তালব্য	কণ্ঠমূলীয়	কণ্ঠ্য
স্পর্শ	অল্পপ্ৰাণ	প ব	ত দ		ক গ	
	মহাপ্ৰাণ	ফ	থ		খ	
প্ৰবাহ	ঘৃষ্ট		চ জ	ছ		
	নাসিক্য	ম	ন		ঙ	
	পাৰ্শ্বিক		ল			হ
	তাড়িত		ৰ			
	অৰ্ধস্বৰ	ৱ		য		

(চিংফৌ ভাষাৰ ব্যঞ্জনধ্বনি)

(খ) চিংফৌ ভাষাৰ ব্যক্তিবোধক সৰ্বনামৰ কোনো সন্মানসূচক অথবা তুচ্ছাৰ্থক ৰূপ পোৱা নাযায়। ব্যক্তিবোধক সৰ্বনাম শব্দটোৰ পাছত -না যোগ কৰি সম্বন্ধ পদ আৰু -ফে প্ৰত্যয় যোগ কৰি কৰ্মকাৰকৰ ৰূপ কৰা হয়। মূল ব্যক্তিবোধক সৰ্বনামটোৰ ৰূপৰ

কোনো পৰিৱৰ্তন নোহোৱাকৈ প্ৰত্যয় যোগ হয়। তলত চিংফৌ ভাষাৰ ব্যক্তিবোধক সৰ্বনামবোৰ আৰু কেইটামান ৰূপসহ উদাহৰণ দিয়া হ'ল।

	একবচন		বহুবচন	
১ম পুৰুষ	ঙই	'মই'	ই	'আমি'
২য় পুৰুষ	নাঙ্	'তুমি'	নি	'তোমালোক'
৩য় পুৰুষ	খি	'সি'	খিনি	'সিহঁত'
	ঙইনা	'মোৰ'	ইনা	'আমাৰ'
	নাঙনা	'তোমাৰ	নিনা	'তোমালোকৰ'
	খিনা	'তাৰ'	খিনিনা	'সিহঁতৰ'
	ঙইফে	'মোক'	ইফে	'আমাক'
	নাঙ্ফে	'তোমাক'	নিফে	'তোমালোকক '
	খিফে	'তাক'	খিনিফে	'সিহঁতক'

(গ) নঞৰ্থক ৰূপ দিবৰ কাৰণে ক্ৰিয়াৰ আগত ন্-প্ৰত্যয় যোগ হয়। এই ন্-প্ৰত্যয় যোগ হওঁতে ক্ৰিয়াৰ আদি ব্যঞ্জনৰ লগত ইয়াৰ সংযুতি হয়। উদাহৰণ—

চা	'খাওঁ'	ন্চা	'নাখাওঁ'
চা	'যায'	ন্চা	'নাযায'
ছুই	'খেলা'	ন্ছুই	'নেখেলা'
জ্জ	'দিয়া'	ন্জ্জ	'নিদিয়া'
গ্ল	'সজা', তৈযাৰ কৰা'	ন্গ্ল	'নসজা'
পিয'	'ভাল লগা'	ন্পিয'	'ভাল নলগা'
য়ু	'চাওঁ'	ন্য়ু	'নাচাওঁ' ইত্যাদি।

(ঘ) চিংফৌ ভাষাৰ সম্বন্ধবাচক বিশেষ্য শব্দকেইটামান ভাষাটোৰ বৈশিষ্ট্য লক্ষ্য কৰিবৰ বাবে দিয়া হ'ল।

আচা	মাকৰ ককাযেক বা ভাযেক
আনি	মাকৰ ককাযেকৰ পত্নী
আনু/নু	আই, মাক
আনাও	ভনী
আবা/বা	দেউতা
আবা	বাইদেউ
আবা বা	ডাঙৰ বাইদেউ

আবাচি	দ্বিতীয় বাযেক
আবাপান	তৃতীয় বাযেক
আবাযুত	সৰু বাযেক
ৱাদি	দেউতাকৰ ককাযেক
ৱাদই	দেউতাকৰ ভাযেক, দদাই
ৱাদবা	ডাঙৰ দদাযেক
ৱাদচি	দ্বিতীয় দদাযেক
ৱাদপান	তৃতীয় দদাযেক
ৱাদ যুত	চতুৰ্থ দদাযেক

(ঙ) টাই ভাষাৰ দৰেই চিংফৌ ভাষাত সন্তানৰ নামৰ ক্ষেত্ৰত বৈশিষ্ট্য দেখা যায। ল'ৰা আৰু ছোৱালীৰ নামৰ আগত থকা শব্দটোৰ অংশৰপৰাই প্ৰথম, দ্বিতীয় অথবা তৃতীয়, চতুৰ্থ ইত্যাদিকৈ সন্তানবোৰৰ পৰিচয় পোৱা যায। উভযক্ষেত্ৰত সুকীযা সুকীযা শব্দৰ ব্যৱহাৰ হয। উদাহৰণ—

চিংফৌ ভাষাত ল'ৰাৰ নাম

প্ৰথম ল'ৰা	গাম	যেনে — গামজা, গামথই, গামত
দ্বিতীয় ল'ৰা	নং	যেনে — নংজা, নংমাই, নংলন, নং
তৃতীয় ল'ৰা	লাঃ	যেনে — লাঃমাই, লাঃৰিন্, লাঃখে
চতুৰ্থ ল'ৰা	দু	যেনে — দুমাই, দুৰিন্, দুৰং
পঞ্চম ল'ৰা	টাং	যেনে — টাংমাই, টাংখিং, টাংৰুং
ষষ্ঠ ল'ৰা	যং	যেনে — যংথই, যংকাই
সপ্তম ল'ৰা	খা	যেনে — খামাই, ইত্যাদি।

চিংফৌ ভাষাত ছোৱালীৰ নাম

প্ৰথম ছোৱালী	ক'	যেনে — ক'মাই, ক'ৰিন
দ্বিতীয় ছোৱালী	লু	যেনে — লুমাই
তৃতীয় ছোৱালী	ৰই	যেনে — ৰইখেপ্, ৰইগু়া, ৰইজা, ৰই
চতুৰ্থ ছোৱালী	থু	যেনে — থুমাই, থুৰিন, থুজাই
পঞ্চম ছোৱালী	কাই	যেনে — কাইজা, (জা=সোণ)
ষষ্ঠ ছোৱালী	দিম্	যেনে — দিম্চেং
সপ্তম ছোৱালী	পি	যেনে — পিচেং, ইত্যাদি।

(চ) অসমৰ ঠাই নাম কেইটামান চিংফৌ ভাষাৰ বুলি ভাবিবৰ থল আছে। তেনেকুৱা কেইখনমান ঠাইৰ নাম হ'ল —

লাজুম (মাৰ্ঘেৰিটাত আছে) এটা চিংফৌ পৰিয়ালৰ নাম।
মাছে (মাৰ্ঘেৰিটাত আছে) এটা চিংফৌ পৰিয়ালৰ নাম।
চু (মাৰ্ঘেৰিটাত আছে) এটা চিংফৌ পৰিয়ালৰ নাম।
জাগুন এটা চিংফৌ পৰিয়ালৰ নাম।
লিডু (লিদ এটা চিংফৌ পৰিয়ালৰ নাম।)
ফালতু (মাৰ্ঘেৰিটাত আছে), ফাল = চাহখোৱা চুঙা, তু = গজা অৰ্থাৎ চাহখোৱা চুঙাৰ বাঁহ গজা ঠাই।*

(ছ) চিংফৌ ভাষাৰ সংখ্যাবাচক শব্দবিলাক টুৰুং ভাষাৰ সৈতে একে। তলত চিংফৌ সংখ্যাবাচক শব্দবিলাক ক্ৰম অনুসৰি এক, দুইকৈ দেখুওৱা হৈছে।

১ আই	১৮ চিমাঁত্‌জাত
২ ঙ্‌খঙ্	১৯ চি চু খু
৩ মুচুম্	২০ খুন্
৪ মিলি	২১ খুন্ আই
৫ মাঁঙা	২২ খুন্ ঙ্ খঙ্
৬ ক্ৰু	২৩ খুন্ মুচুম্
৭ চিনিত্	২৪ খুন্ মিলি
৮ মাঁত্‌জাত	২৫ খুন্ মাঁঙা
৯ চুখু	২৬ খুন্ ক্ৰু
১০ চি	২৭ খুন্ চিনিত্
১১ চি আই	২৮ খুন্ মাঁত্‌জাত
১২ চিঙ্‌খঙ্	২৯ খুন্ চুখু
১৩ চিমুচুম্	৩০ দুম্‌চি
১৪ চিমিলি	৩১ দুম্‌চি আই
১৫ চিমাঁঙা	৩২ দুম্‌চি ঙ্‌খঙ্
১৬ চিক্ৰু	৩৩ দুম্‌চি মুচুম্
১৭ চিচিনিত্	৩৪ দুম্‌চি মিলি

* এই তথ্য ৰাজীৱ নিংখিৰপৰা প্ৰাপ্ত।

৩৫ দুম্‌চি মাঁঙা
৩৬ দুম্‌চি ক্ৰু
৩৭ দুম্‌চি চিনিত্
৩৮ দুম্‌চি মাঁত্‌জাত
৩৯ দুম্‌চি চুখ্ৰু
৪০ মিলিচি
৪১ মিলিচি আই
৪২ মিলিচি ঙ্‌খঙ্
৪৩ মিলিচি মুচুম্
৪৪ মিলিচি মিলি
৪৫ মিলিচি মাঁঙা
৪৬ মিলিচি ক্ৰু
৪৭ মিলিচি চিনিত্
৪৮ মিলিচি মাঁত্‌জাত
৪৯ মিলিচি খুখ্ৰু
৫০ মাঁঙাচি
৫১ মাঁঙাচি আই
৫২ মাঁঙাচি ঙ্‌খঙ্
৫৩ মাঁঙাচি মুচুম্
৫৪ মাঁঙাচি মিলি
৫৫ মাঁঙাচি মাঁঙা
৫৬ মাঁঙাচি ক্ৰু
৫৭ মাঁঙাচি চিনিত্
৫৮ মাঁঙাচি মাঁত্‌জাত
৫৯ মাঁঙাচি চুখ্ৰু
৬০ ক্ৰুচি
৬১ ক্ৰুচি আই
৬২ ক্ৰুচি ঙ্‌খঙ্
৬৩ ক্ৰুচি মুচুম্
৬৪ ক্ৰুচি মিলি
৬৫ ক্ৰুচি মাঁঙা
৬৬ ক্ৰুচি ক্ৰু
৬৭ ক্ৰুচি চিনিত্
৬৮ ক্ৰুচি মাঁত্‌জাত
৬৯ ক্ৰুচি চুখ্ৰু
৭০ চিনিত্‌চি
৭১ চিনিত্‌চি আই
৭২ চিনিত্‌চি ঙ্‌খঙ্
৭৩ চিনিত্‌চি মুচুম্
৭৪ চিনিত্‌চি মিলি
৭৫ চিনিত্‌চি মাঁঙা
৭৬ চিনিত্‌চি ক্ৰু
৭৭ চিনিত্‌চি চিনিত্
৭৮ চিনিত্‌চি মাঁত্‌জাত
৭৯ চিনিত্‌চি চুখ্ৰু
৮০ মাঁজাত্‌চি
৮১ মাঁজাত্‌চি আই
৮২ মাঁজাত্‌চি ঙ্‌খঙ্
৮৩ মাঁজাত্‌চি মুচুম্
৮৪ মাঁজাত্‌চি মিলি
৮৫ মাঁজাত্‌চি মাঁঙা
৮৬ মাঁজাত্‌চি ক্ৰু
৮৭ মাঁজাত্‌চি চিনিত্
৮৮ মাঁজাত্‌চি মাঁত্‌জাত
৮৯ মাঁজাত্‌চি চুখ্ৰু
৯০ চুখ্ৰুচি
৯১ চুখ্ৰুচি আই
৯২ চুখ্ৰুচি ঙ্‌খঙ্

৯৩ চুখ্রুচি মুচুম্
৯৪ চুখ্রুচি মিলি
৯৫ চুখ্রুচি মাঁঙা
৯৬ চুখ্রুচি ব্রু
৯৭ চুখ্রুচি চিনিত্
৯৮ চুখ্রুচি মাঁত্জাত
৯৯ চুখ্রুচি চুখ্রু
১০০ লাঁচা
১০১ লাঁচা আই
১০০০ হিং

দ্ৰ ঃ চিংফৌ ভাষাৰ লগত টুৰুং ভাষা তুলনীয়।

০০০

৪ ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল ঃ

অসমত প্ৰচলিত ইন্দো-ইউৰোপীয় পৰিয়ালৰ প্ৰধান ভাষা হ'ল অসমীয়া ভাষা। প্ৰাচীন কালৰেপৰাই নিজা লিপি আৰু লেখিত সাহিত্যেৰে পুষ্ট হৈ অসমীয়া ভাষাই বিৱৰ্তনৰ সাক্ষৰ বহন কৰি আহিছে। পাৰস্পৰিকভাৱে বুজি নোপোৱা বিভিন্ন জনগোষ্ঠীয় ভাষাবোৰৰ মাজত সংযোগী ভাষা হিচাপে কাম কৰা অসমীয়া ভাষা বৰ্তমানে কম বেছি পৰিমাণে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে সংযোগী ভাষা হৈ পৰিছে। অসমীয়া ভাষাৰ আলোচনাত পূব অসমৰ ভাষা আৰু পশ্চিম অসমৰ কামৰূপী উপভাষা, গোৱালপৰীয়া উপভাষাৰ কথা কৈয়েই অন্ত পেলালে সামগ্ৰিকভাৱে ভাষাটোৰ কথা কোৱা নহয় বা অসমীয়া ভাষাৰ প্ৰকৃত স্বৰূপ আৰু অৱস্থিতি প্ৰকাশ নাপায়। অসমীয়া ভাষাৰপৰা উদ্ভৱ হোৱা অৰুণাচলৰ অসমীয়া ভাষা বা অৰুণামিজ (পূৰ্বে যাক নেফামিজ বুলি কোৱা হৈছিল) আৰু নাগালেণ্ডত প্ৰচলিত নাগামিজ ভাষাৰ কথাও অসমীয়া ভাষাৰ সামগ্ৰিক আলোচনাৰ প্ৰসংগত উল্লেখ কৰিবই লাগিব। বিভিন্ন ভাষাৰ সামাজিক কাৰণত কালক্ৰমত অসমীয়া ভাষাৰপৰাই সৃষ্টি হোৱা আৰু বিকাশ লাভ কৰা সংযোগী ৰূপকেইটাৰ পৃথক বিস্তৃত আলোচনা অতীব প্ৰয়োজন। কিয়নো ইতিমধ্যেই এই সংযোগী ৰূপকেইটাই নিজস্ব বৈশিষ্ট্যৰে প্ৰদেশ দুখনত পূৰ্ণ থিতাপি লৈছে আৰু সেই ভাষাতে সাহিত্য, ব্যাকৰণ আদি প্ৰণয়নৰ প্ৰচেষ্টাও চলিছে। বৰ্তমানে ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত প্ৰচলিত ইন্দো-ইউৰোপীয় পৰিয়ালৰ ভাষাৰ তালিকা এখন তলত দিয়াৰ দৰে প্ৰস্তুত কৰি আলোচনা কৰিব পাৰোঁ।

অসমীয়া ভাষা

অৰুণামিজ বা নেফামিজ	নাগামিজ

৪ ১ অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ :

অসমীয়া ভাষা ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসমৰ ভাষা। পূৰ্বে অসম দেশখনক প্ৰাগজ্যোতিষপুৰ আৰু তাৰ পাছত কামৰূপ নামেৰে জনা গৈছিল। ত্ৰয়োদশ শতিকাত আহোমসকল অসমলৈ অহাৰ পাছৰপৰাই পূৰ্বৰ কামৰূপ নামৰ ঠাইখন অসম নামেৰে জনাজাত হ'ল। বিভিন্ন ক্ষুদ্ৰ জনগোষ্ঠী আৰু সৰু সৰু ভাষা-ভাষীলোকে বসবাস কৰা অসমৰ প্ৰধান ভাষা হ'ল সংবিধানৰ অষ্টম অনুচ্ছেদ অনুসৰি স্বীকৃত অসমীয়া ভাষা। অসম নামৰ ঠাইখনৰপৰাই প্ৰত্যয় যোগ কৰি অসমীয়া শব্দটোৰ সৃষ্টি হৈছে। উল্লেখৰ নিষ্প্ৰয়োজন যে আজি কিছু বছৰৰ আগলৈকে অসম বুলি ক'লে বৰ্তমান

সাতোখন ৰাজ্য ধৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলকে বুজোৱা হৈছিল, আৰু বৰ্তমানে পাহাৰীয়া অঞ্চলবিলাকক বাদ দি অৱশ্যে কাৰ্বি আংলং পাহাৰটো অসমৰ ভিতৰত ধৰি ভৈয়ামৰ সমতল খণ্ডকহে অসমৰ ৰাজনৈতিক সীমাই অসম বুলি চিহ্নিত কৰিছে। সময়ত ৰাজনৈতিক কাৰণত অসমৰ সীমা ঠেক হৈ পৰিলেও ভৌগোলিক আৰু প্ৰাকৃতিক অসমখনৰ ভাষিক আৰু সাংস্কৃতিক সম্পৰ্ক তেনেকৈয়ে থাকি গ'ল।

অসমীয়া ভাষাৰ মূল আঁতডালৰ পমখেদি গৈ থাকিলে এটা সময়ত আমি বৃহৎ ইন্দো-ইউৰোপীয় বা ভাৰত-ইউৰোপীয় পৰিয়ালটোৰ ওচৰ পামগৈ। আজিকালি অৱশ্যে ইন্দো-ইউৰোপীয় পৰিয়ালটো তাৰো পূৰ্বৰ ইন্দো-হিট্টাইট বা ইন্দো-হিট্টী বা ভাৰত হিট্টীৰপৰা উদ্ভৱ হোৱা বুলি নিৰ্ণয় কৰা হয়। ভাৰত-ইউৰোপীয় পৰিয়ালটোক ১৮৭০ চনত এচ্‌কোলি নামৰ এজন পণ্ডিতে দুটা ভাগত স্পষ্টকৈ ভাগ কৰি দেখুৱাইছে। সেই দুটা ভাগ হ'ল শতম্ আৰু কেণ্টুম্। তেওঁ আঙুলিয়াই দেখুৱাইছে যে মূল ইন্দো-ইউৰোপীয় ভাষাটোত তালব্য ধ্বনি আছিল আৰু তাৰে 'ক' ধ্বনিটো পৰৱৰ্তী কালছোৱাত দুটা বেলেগ ধ্বনিৰূপে বিকাশ লাভ কৰিছিল। এটা শাখাত তালব্য 'ক' ধ্বনিটো কণ্ঠ্য 'ক' ধ্বনিৰূপে আৰু আনটো শাখাত উষ্ম 'শ' বা 'স' ধ্বনিৰূপে বিকাশ লাভ কৰে। শতবাচক শব্দটোকেই আৰ্হি হিচাপে লৈ এই দুটা ভাগ নিৰ্ণয় কৰিছে। উদাহৰণ স্বৰূপে ইন্দো-ইউৰোপীয় kmtom, লেটিন centum, গ্ৰীক hı-katom, প্ৰাচীন আইৰিচ ce't, গোথিক hund, টোখাৰীয় kandh, সংস্কৃত শতম্, আবেস্তা Satam, লিথুৱনীয় Szımtas, ৰুছ Sto। প্ৰাচীন আইৰিচত cet শব্দটো কেট্ বুলি উচ্চাৰণ কৰা হয়। অন্যহাতেদি লেটিন ভাষাত centum শব্দটো কেণ্টুম্ বুলিহে উচ্চাৰণ কৰা হয়, চেণ্টুম্ নহয়।

ইন্দো-ইউৰোপীয় পৰিয়ালটো জগতৰ ভিতৰতে এটি বৃহৎ পৰিয়াল। ইয়াৰ কেণ্টুম শাখাৰ ছটামান ভাগ আৰু শতম্ শাখাৰ চাৰিটামান ভাগ পোৱা যায়। কেণ্টুমৰ প্ৰধান শাখাবোৰ হ'ল কেল্টীয়, জাৰ্মেনীয় বা টিউটনীয়, ইটালীয়, গ্ৰীক বা হেলেনীয়, হিট্টী আৰু টোখাৰীয়। শতমৰ ভাগবোৰ হ'ল আলবেনীয়, লেট্টোশ্লাভীয় বা বাল্টোশ্লাভীয় আৰ্মেনীয়, আৰ্য বা ইন্দো-ইৰাণীয়। অসমীয়া ভাষাৰ বংশলতিকাৰ আলোচনাত ইন্দো-ইৰাণীয় শাখাটোৰ ইতিহাস পৰ্যালোচনা কৰা দৰকাৰ। ইন্দো-ইৰাণীয় ঠালটোৰ দুটা প্ৰধান ভাগ হ'ল ইৰাণীয় আৰ্য্য আৰু ভাৰতীয় আৰ্য। ইৰাণীয় ভাষাৰ নিদৰ্শন কুৰুখৰ সময়ৰ (খ্ৰী পূ ৫৫৮—৫৩০) শিলালিপিত পোৱা যায়। ইয়াৰে Behıstun শিলত লেখা দাৰিউচ (Darıus) শিলালিপি (খ্ৰী পূ ৫২২—৪৮৬) উল্লেখযোগ্য। ইয়াক প্ৰাচীন পাৰ্চীভাষা বুলি জনা যায়। অন্যহাতেদি ভাৰতীয় আৰ্যভাষাৰ ঠালটোত প্ৰাচীনতম নিদৰ্শন হ'ল বেদ। দৰ্দিক শাখাটো আৰ্যভাষাৰে এটা শাখা আৰু ইয়াক ইৰাণীয় আৰু ভাৰতীয় দুয়োটাৰে মাজতে বুলি স্থিৰ কৰা হৈছে।

এইটো অতি সৌভাগ্যৰ বিষয় যে ভাৰতৰ ভাষাৰ অধ্যয়ন কৰিব পৰাকৈ নিৰৱচ্ছিন্নৰূপে তথ্যপাতি পোৱা যায়। প্ৰাচীন ব্যাকৰণকাৰসকলে ভাষাৰ বিভিন্ন আকৃতি-



DIAGRAM OF NAGALAND
SHOWING TRIBES AND LANGUAGES
TRIBES
AREA
KONYAK
AO
LOTHA
SEMA
SANGTAM
CHANG
KHENMUNGAM
YIMCHUNGER
POCHURI
CHOKRI
KHEZA
KUKI
ANGAMI
ZEMI
LIANGMEI
ASSAM
BURMA
MANIPUR
TIRAP DIST
MOKOKCHUNG
TSEMINYU
N

প্ৰকৃতি, উচ্চাৰণ আদি সম্পৰ্কে অধ্যয়ন কৰিব পৰাকৈ যথেষ্ট সমল দি গৈছে। আনকি কথ্যভাষাৰ ৰূপবিলাকৰ কথাও দিবলৈ পাহ্‌ৰা নাই। ভাৰতীয় আৰ্যভাষাৰ তিনিটা প্ৰধান স্তৰ পোৱা যায়। সেইকেইটা হ'ল (১) প্ৰাচীন ভাৰতীয় আৰ্যভাষা (২) মধ্যভাৰতীয় আৰ্যভাষা আৰু (৩) নব্য-ভাৰতীয় আৰ্যভাষা। এইকেইটাক (১) মুখ্য প্ৰাকৃত (Pnmary Praknt) (২) গৌণ প্ৰাকৃত (Secondary Praknt) আৰু (৩) ভৌগোলিক প্ৰাকৃত (Tertiary Praknt) নামেৰেও যথাক্ৰমে জনা যায়। প্ৰাচীন ভাৰতীয় আৰ্যভাষা বুলিলে বৈদিক আৰু সংস্কৃত ভাষাক বুজা যায়। উল্লেখযোগ্য যে বৈদিক ভাষাই ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীনতম সাহিত্যিক ৰূপটোৰ নিদৰ্শন দাঙি ধৰিব পাৰে। নক'লেও হ'ব যে খ্ৰী পূ ১২ শতিকামানত ৰচনা কৰা ঋকবেদেই ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাৰ ভিতৰত আটাইতকৈ পুৰণি ৰচনা বুলি অভিহিত হৈ আহিছে। প্ৰকৃততে বেদৰ শ্লোকসমূহ সংগ্ৰহ কৰা বা সজাই উলিওৱাতকৈ হয়তো বহুত দিনৰ আগতেই ৰচিত হৈছিল। এইবোৰৰ বহুতো স্তোত্ৰ ভাৰতবৰ্ষৰ বাহিৰত ৰচনা কৰা হৈছিল। যজুৰ্বেদৰ কিছুমান স্তোত্ৰ বহুত পুৰণি সংস্কৃত যেন লাগে। অন্যহাতেদি অথৰ্ববেদ মন্ত্ৰযুগৰ শেহতীয়া সৃষ্টি। ঋকবেদৰ ভাষাৰ ব্যাকৰণ ৰূপৰ মাজত আকৌ যথেষ্ট পাৰ্থক্য লক্ষ্য কৰা যায়। এই কালছোৱাতেই ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ জাতীয় শেহতীয়া বৈদিক সাহিত্যৰাজি সৃষ্টি হৈছিল। এই সকলোবিলাকক সাঙুৰি এই ভাষাটোক সাধাৰণতে বৈদিক সংস্কৃত নামেৰে জনা যায়।

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ দুটা সাহিত্যিক ৰূপ পোৱা গৈছে। এটাত উল্লিখিত ঋকবেদ আৰু পৰৱৰ্তী বৈদিক সাহিত্যৰ ভাষা পোৱা যায়। অন্যহাতেদি শিক্ষিত লোকসকলে লৌকিক আখ্যান-উপাখ্যান আদিত এক প্ৰকাৰ কথ্য ভাষা ব্যৱহাৰ কৰিছিল আৰু সেই ভাষাকেই পাণিনিয়ে (খ্ৰী পূ ৫ম শতিকাৰ) নিৰ্দিষ্ট কৰি দিয়া শিষ্ট সন্মতৰূপেই হৈছে সংস্কৃত ভাষা। (পাণিনিয়ে বৈদিক সংস্কৃত তথা 'ছান্দস্' আৰু সংস্কৃতক 'ভাষা' আখ্যা দি তাৰ পাৰ্থক্য স্পষ্টভাৱে দেখুৱাইছে।) পণ্ডিতসকলে প্ৰাচীন-ভাৰতীয় আৰ্যভাষাৰ কাল খ্ৰী পূ ১২০০ শতিকাৰপৰা খ্ৰী পূ ষষ্ঠ শতিকালৈকে বুলি ঠাৱৰ কৰিছে।

ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰটোক মধ্যভাৰতীয় আৰ্যভাষা বা গৌণ প্ৰাকৃতৰ স্তৰ বুলি ক'লেও সাধাৰণতে ইয়াক প্ৰাকৃত বুলিহে জনা যায়। এই প্ৰাকৃত ভাষাবোৰ দেশখনত প্ৰচলিত আৰ্যভাষাৰে প্ৰধান কথ্যভাষা আছিল। পাছলৈ এই প্ৰাকৃত ভাষাবোৰতেই সাহিত্য সম্পদো সৃষ্টি হৈছিল। বৌদ্ধধৰ্মই যেতিয়া ভাৰতবৰ্ষত গা কৰি উঠিল আৰু বুদ্ধদেৱৰ বাণীবিলাক যেতিয়াই সৰ্বসাধাৰণে বুজিব পৰাকৈ প্ৰচাৰ কৰাৰ দিহা কৰিলে তেতিয়াই স্বাভাৱিকতে কথ্যভাষাবিলাকৰ আশ্ৰয় গ্ৰহণ কৰিব লগা হ'ল। মধ্যভাৰতীয় আৰ্যভাষাৰ সাহিত্যৰ প্ৰথম চানেকি হ'ল পালি ভাষা। পালি ভাষা বুলিলে পালিৰ পবিত্ৰ গ্ৰন্থ 'তিপিটক'ৰ ভাষাক বুজায়। 'তিপিটক' শব্দটো সংস্কৃত 'ত্ৰিপিটক' অৰ্থাৎ 'তিনিটা পাছি'ৰ (Three-fold basket) সূচনা কৰে। কিয়নো তিপিটকৰ তিনিটা প্ৰধান ভাগ হ'ল

বিনয় পিটক, সুত্ত পিটক আৰু অভিধম্ম পিটক। এইবোৰ হ'ল প্ৰধানকৈ থেৰাবাদী বৌদ্ধসকলৰ ধৰ্মীয় সাহিত্য। তিপিটকৰ অন্তৰ্গত এখনি মূল্যবান গ্ৰন্থ হ'ল 'থেৰগাথা'। তাৰেপৰাই পালি-ভাষাৰ চানেকি হিচাপে এটি গাথা উল্লেখ কৰা হ'ল —

উচ্চে কুলে অহং জাতা বহুবিত্তে মহদ্ধনে
ৱন্নৰূপেণ সম্‌পন্না ধীতা মজঝস্‌স অত্তজা।

অন্যহাতেদি ব্ৰাহ্মণ আৰু বিদ্বান লোকসকলে সংস্কৃত ভাষাত সাহিত্য ৰচনা কৰিবলৈ ধৰিলে। বিশেষকৈ সংস্কৃত নাটবিলাকত প্ৰাকৃত ভাষাক মুকলিমূৰীয়াকৈ গ্ৰহণ কৰা হ'ল। ৰজা, মহাৰজা বা তেনেধৰণৰ শীৰ্ষস্থানীয় ব্যক্তিৰ মুখত সংস্কৃত ভাষাকেই দিয়া হৈছিল যদিও সকলোবিলাক তিৰোতা আৰু নিম্নশ্ৰেণীৰ লোকৰ মুখত প্ৰাকৃত ভাষাকে দিয়া হৈছিল। বোধ হয় এই কথাই সেইখিনি সময়ৰ ভাৰতবৰ্ষৰ ভাষিক অৱস্থাটোৰ ছবি এখনকেই দাঙি ধৰিছে।

গৌণ প্ৰাকৃতক তিনিটা প্ৰধান ভাগত বিভক্ত কৰা হৈছেঃ (১) প্ৰাচীন প্ৰাকৃত স্তৰ (২) মধ্যপ্ৰাকৃত স্তৰ আৰু (৩) অন্ত্যপ্ৰাকৃত স্তৰ বা অপভ্ৰংশ স্তৰ।

প্ৰথম দুটা স্তৰে প্ৰাকৃত সাহিত্যসমূহক প্ৰতিনিধিত্ব কৰে আৰু শেষৰ স্তৰটোৱে সম্পূৰ্ণৰূপে কথ্যৰূপটোক দাঙি ধৰে। প্ৰথম স্তৰটোৰ নিদৰ্শন পোৱা গৈছে অশোকৰ শিলালিপিসমূহত, খৃষ্টপূৰ্ব অন্যান্য শিলালিপিত আৰু হীনযানী থেৰাবাদী বৌদ্ধসকলৰ পালি গ্ৰন্থসমূহত। দ্বিতীয় স্তৰৰ নিদৰ্শন পোৱা যায় খ্ৰীষ্টীয় প্ৰথম শতিকাৰ শিলালিপিত, মহাৰাষ্ট্ৰী শৌৰসেনী, অৰ্ধমাগধী, মাগধী, পৈশাচী আদি প্ৰাকৃত সাহিত্যত আৰু বৌদ্ধ সংস্কৃতত। বৌদ্ধ সংস্কৃত হ'ল — উত্তৰ ভাৰতৰ বৌদ্ধ সম্প্ৰদায়বিলাকে গ্ৰন্থ ৰচনাৰ ক্ষেত্ৰত পালি ভাষা ব্যৱহাৰ নকৰি সংস্কৃত আৰু প্ৰাকৃত মিশ্ৰিত ভাষা এটাৰ প্ৰযোগ কৰিছিল। কথ্য সংস্কৃত ভাষাৰপৰাই ইয়াৰ সৃষ্টি আৰু এই ভাষাটোকেই বৌদ্ধ সংস্কৃত বুলি কোৱা হৈছে। প্ৰথমতে বৌদ্ধ ধৰ্মৰ শাস্ত্ৰতে এই ভাষা সীমাবদ্ধ আছিল যদিও পাছলৈ দেখা যায় কুষাণ সম্ৰাটসকলে তেওঁলোকৰ অনুশাসন আদিতো এই ভাষাকেই ব্যৱহাৰ কৰিছিল। ভগবান বুদ্ধই সাধনাত সিদ্ধিলাভ কৰাৰ পাছত পিতাকৰ লগত সাক্ষাৎ হওঁতে মানুহৰ জীৱন আৰু ধৰ্ম সম্পৰ্কে বহু কথা আলোচনা কৰিছিল আৰু সেই সকলোবোৰ থেৰাবাদী হীনযানী বৌদ্ধ সম্প্ৰদায়ৰ শাস্ত্ৰ 'মহাবস্তু'ত সন্নিবিষ্ট হৈছে। বৌদ্ধ সংস্কৃতৰ নমুনা পাবৰ কাৰণে তাৰপৰাই কবিতাৰ শাৰী কেইটামান তুলি দিয়া হ'ল—

ধৰ্মো হ্ৰদো গৌতম শীলতীৰ্থো
অনাৱিলো সদ্‌ভিঃ সদা প্ৰশস্তো।

যস্মিং হ্রদে দেৱগণেহি স্নাতো
পৃথ্বীং প্রবাহেতি স্বপুণ্যগন্ধাং ।।

মধ্যভাৰতীয় আৰ্যভাষাৰ কাল পণ্ডিতসকলে খ্ৰী পূৰ্ব ষষ্ঠ শতিকাৰপৰা খ্ৰীষ্টীয় দশম শতিকালৈকে বুলি নিৰ্ণয় কৰি প্ৰাকৃত ভাষাৰ তিনিওটা স্তৰৰ সময়-বিভাজন এইদৰে কৰিছে ঃ

(১) প্ৰাচীন প্ৰাকৃত স্তৰ — খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰপৰা খ্ৰীষ্টীয় প্ৰথম শতিকালৈ।
(২) মধ্য প্ৰাকৃত স্তৰ — খ্ৰীষ্টীয় প্ৰথম শতিকাৰপৰা খ্ৰীষ্টীয় ষষ্ঠ শতিকালৈ।
(৩) অন্ত্য প্ৰাকৃত বা অপভ্ৰংশ স্তৰ — খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰপৰা খ্ৰীষ্টীয় দশম শতিকালৈ।

উল্লিখিত প্ৰথম স্তৰৰ অশোকৰ শিলালিপিৰ ভাষাত গিৰ্ণাৰ, কাল্চী ধৌলি, জৌগড, মান্‌সেহ্‌ৰা, শাহ্‌বাজগৰ্হি আদি ঠাইত শিলালিপিসমূহ পোৱা গৈছে। অশোকৰ শিলালিপিসমূহক উত্তৰ-পশ্চিমা, দক্ষিণ-পশ্চিমা, প্ৰাচ্য-মধ্যা আৰু প্ৰাচ্য এই চাৰিওটা ভাগত ভাগ কৰা হয়। আবিষ্কৃত মুঠ ১৫৪ খন শিলালিপি আৰু স্তম্ভলিপিৰ ভিতৰতে ব্ৰাহ্মী আৰু খৰোষ্ঠী দুযোটা লিপিতেই পোৱা যায়। মান্‌সেহ্‌ৰা আৰু শাহ্‌বাজগৰ্হীত পোৱা শিলানুশাসনৰ বাহিৰে বাকী সকলোবোৰ প্ৰাচীন ব্ৰাহ্মী আখৰেৰে লেখা। মান্‌সেহ্‌ৰা আৰু শাহ্‌বাজগৰ্হীত পোৱা অনুশাসনবিলাক খৰোষ্ঠী লিপিৰ। ভাৰতীয় লিপিতত্ত্ববিদসকলে খৰোষ্ঠী শব্দটো সংস্কৃত খৰ + ওষ্ঠ্য (অৰ্থাৎ গাধৰ ওঁঠ) শব্দ দুটাৰ সংযোগত উদ্ভব হোৱা বুলি মন্তব্য কৰে। গাধৰ ওঁঠৰ আকৃতিৰ বক্ৰগতিৰ আখৰ হোৱাৰ বাবেই খৰোষ্ঠী বুলি কোৱা কথাষাৰ সঁচা নহয় যেন লাগে। কিযনো হিব্ৰু ভাষাত[৬] kharoseth বুলি এটা ছেমিটিক শব্দ পোৱা যায় যাৰ অৰ্থ হ'ল 'লেখা' (writing)। খৰোষ্ঠী লিপি সোঁফালৰপৰা বাওঁফাললৈ আৰু ব্ৰাহ্মী লিপি বাওঁপিনৰপৰা সোঁফাললৈ লেখা হয়। অশোকৰ অনুশাসনৰ একেখন শিলালিপিৰেই বেলেগ বেলেগ ঠাইত কেনেকৈ ভাষা পৃথক হৈছে তাক তলৰ নমুনাকেইটাই স্পষ্ট কৰিব ঃ

গিৰ্ণাৰ — ১ ঃ

ইযং ধংমলিপী দেবানং প্ৰিযেণ প্ৰিযদসিনা ৰাঞা
লেখাপিতা ইধ ন কিংচি জীবং আৰভিত্পা
প্ৰজুহিতব্যং ন চ সমাজো কতব্যো।

---

৬ Sen, A.C *Asoka's Edict* p 4

মানসেহ্ৰা ঃ

অয়ি ধ্ৰমদিপি দেৱন প্ৰিযেন প্ৰিয়দ্ৰশিন ৰঞিন
লিখপিত হিদ নো কিচি জিবে অৰভিতু প্ৰয়হোতবিয়ে
নো পি চ সমজে কটৱিয়ে।

শাহ্বাজগৰ্হী ঃ

অযং ধ্ৰমদিপি দেৱন প্ৰিঅস ৰঞো লিখপিতু হিদ নো
কিচি জিবে অৰভিতু প্ৰযুহোতৱে নো পি চ সমজ কটৱ।

কাল্সী ঃ

ইযং ধংমলিপি দেৱানং পিযেনা পিযদসিনা লেখিতা
হিদা নো কিছি জিবে আলভিতু পজোহিতৱিনে নো
পি চা সমাজে কটৱিযে।

জউগড ঃ

ইযং ধংমলিপি খেপিংগলৰি পৱতসি দেৱানং
পিযেন পিযদসিনা লাজিনা লিখাপিতা। হিদ
নো কিছি জীৱং আলভিতু পজোহিতৱিযে
নো পি চ সমাজে কটৱিযে।

মধ্য প্ৰাকৃতৰ নিদৰ্শনৰ ভিতৰত সংস্কৃত নাটৰ প্ৰাকৃত, হালৰ 'গাহাসত্তসঈ' (গাথা সপ্তশতী), বাকপতিৰাজৰ 'গউৰবহো' (গৌড়বধ), প্ৰবৰসেনৰ 'ৰাৱণবহো' (সেতুবন্ধ) আৰু জৈন ধৰ্ম সম্পৰ্কীয় সাহিত্যসমূহ উল্লেখযোগ্য। 'গাহাসত্তসঈ', 'ৰাৱণবহো' আৰু 'গউৰবহো'ৰ ভাষা মহাৰাষ্ট্ৰী প্ৰাকৃত। ৰাজশেখৰৰ কৰ্পূৰমঞ্জৰী নাটকৰ পদ্যাংশ মহাৰাষ্ট্ৰী প্ৰাকৃতত লেখা আৰু গদ্যভাগৰ ভাষা শৌৰসেনী প্ৰাকৃতত লেখা। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাটো মহাৰাষ্ট্ৰী প্ৰাকৃতলৈ কেনেকৈ সৰল হৈছে তাৰে নমুনা কেইটামান তলত দিয়া হ'ল। স্বৰধ্বনিৰ বহুল প্ৰযোগ আৰু স্বৰমধ্যস্থিত ব্যঞ্জনৰ লোপ ভাষাটোৰ দুটি প্ৰধান বৈশিষ্ট্য।

(১) অমঅমঅ গঅণসেহৰ ৰঅণিমুহতিলঅ চন্দ দে ছিৱসু
ছিত্তো জেহিং পিঅঅমো মমং পি তেহিং চিঅ কৰেহিং। (গাহাসত্তসঈ)
[টোকা — অমঅমঅ < অমৃতময়, গঅণসেহৰ < গগণশিখৰ, ৰঅণিমুহতিলঅ < ৰজনীমুখতিলক]

(২) ললিএ মহুৰক্খৰ এ জুৱঈজনল্লহে সসিংগাৰে।
সংতে পাইযকৱ্বে কো সক্কট সক্কৱং পটিউং ।। (ৰজ্জালগ্গ)

[টোকা — ললিএ < ললিতে, মহুৰক্খৰএ < মধুৰ অক্ষৰে। জুৰঈজন < যুৱতীজন। পাইয়কব্বে < প্রাকৃতকাব্যে। সক্কযং < সংস্কৃতং] ইত্যাদি।

ভাৰতৰ পূবদিশত থকা ভাষাবিলাকৰ ক্ষেত্ৰত মাগধী প্ৰাকৃত উল্লেখযোগ্য। মগধ অঞ্চলত কথ্য ভাষাৰূপে প্ৰচলিত মাগধী প্ৰাকৃতৰ শাকাৰী, চাণ্ডালী আৰু শাবৰী তিনিটা প্ৰধান উপভাষা আছে। মৃচ্ছকটিকা নাটকত ৰজাৰ খুলশালিয়েক শকাৰৰ মুখৰ ভাষা শাকাৰী। কালিদাসৰ অভিজ্ঞান শকুন্তলম্ নাটকতো মাগধী প্ৰাকৃতৰ প্ৰযোগ আছে। যোগীমাৰা, শুতনুকা গুহালেখ আৰু অশ্বঘোষৰ নাটকত মাগধী প্ৰাকৃতৰ নিদৰ্শন দেখা যায়। ড° সুনীতি কুমাৰ চট্টোপাধ্যাযে মাগধী প্ৰাকৃতক নাটকত নিম্নশ্ৰেণী লোকৰ মুখৰ ভাষা বুলি কৈ অৰ্ধমাগধী আৰু মাগধী অঞ্চলত শৌৰসেনী প্ৰাকৃতকেই সাহিত্যৰ ভাষা হিচাপে লোৱা হৈছিল বুলি মত প্ৰকাশ কৰিছে। তেওঁৰ মতে সম্ভৱতঃ সেই সময়ৰ শৌৰসেনীযেই সেই অঞ্চলৰ শিষ্ট সম্মত ভাষা আছিল। ড° চট্টোপাধ্যাযে এইদৰে কৈছে— "In the East, the local patois does not seem to have been cultivated after the days of As oka in any case Magadhi never seems to have been It was a despised dialect — the speech of the lowest classes in the drama S aurasem was established for literary purposes in the Ardha Magadhi and Magadhi areas Possibly S aurasem was the polite language of the day when people employed a vernacular, and in Apabhrams a period, eastern poets employed the S aurasem Apabhrams a to the exclusion of their local patois (O D B L Introduction, p 91)

ড° সুকুমাৰ সেনে[৭] অৱশ্যে মাগধী প্ৰাকৃতক একেবাৰে কৃত্ৰিম সাহিত্যিক ভাষা বুলি কৈ ইযাক মাত্ৰ কৌতুক সৃষ্টিৰ কাৰণেহে প্ৰযোগ কৰা হৈছিল বুলি উল্লেখ কৰিছে। মাগধী প্ৰাকৃত ধ্বনিৰ পিনৰপৰা যথেষ্ট ধৰণে বৈশিষ্ট্যপূৰ্ণ হৈ পৰিছে। ধ্বনিৰ ক্ষেত্ৰত এই বৈশিষ্ট্যই দেখা দিযাৰ মূল কাৰণ হ'ল অনাৰ্য ভাষাৰ লগত মাগধী ভাষাৰ ঘনিষ্ঠ সম্পৰ্ক[৮]। মাগধী প্ৰাকৃতৰ নমুনা হিচাপে কালিদাসৰ অভিজ্ঞান শকুন্তলম্ নাটকৰ ধীবৰকৰ মুখত দিযা মাগধী প্ৰাকৃতৰ অংশ এটা তলত তুলি ধৰা হ'ল —

"অধ একদিঅশং মএ লোহিদমশ্চকে খণ্ডশো কপ্পিদে।
য়াব তশ্শ উদলব্ভন্তলে এদং মহালদণভাশুলং
অঙ্গুলীঅঅং পেক্খামি। পশ্চা ইধ বিক্কঅন্তং শং

---

৭ সেন, ড° সুকুমাৰ : ভাষাৰ ইতিবৃত্ত, পৃ ১০৪

৮ Taraporewala *Elements of Science of Language*, p 248

দংশঅন্তেয়ৱেব গহিদে ভাৱমিশ্‌শেহিং ।এত্তিকে
দাৱ এদশ্‌শ আগমে। অধুনা মালেধ বা
কুস্‌টেধৱা।"

মাগধী প্রাকৃতৰ কিছুমান বিশেষত্ব হ'ল — (১) ৰ > ল,
যেনে — ৰোহিতমৎস্য (সং) > লোহিদমশ্চ (মা)।
(২) শ, ষ, স > শ, যেনে — পুৰুষ (সং) > পুলিশে (মা)
সপ্ত (সং) > শত্ত (মা)
(৩) ন্য, ঞ, ঞ্জ > ঞ ঞ, যেনে — অন্য (সং) > অঞঞ (মা)
অঞ্জলি (সং) > অঞ্‌ঞলি (মা)
(৪) ৰেফ্‌যুক্ত র্জ, র্য আৰু য্য > যয, যেনে — অদ্য (সং) > অযয (মা)
অর্জুন (সং) > অয়্য়ুন (মা)
(৫) জ > য, যেনে — জাযতে (সং) > যাযদে (মা) ইত্যাদি।

ড° সুকুমাৰ সেনৰ[৯] মতে প্রাকৃত ভাষাটো প্রথমে উদীচ্য, মধ্যদেশীয আৰু প্রাচ্য তিনিটা আঞ্চলিক ৰূপত জীপ লৈ পৰবর্তী কালছোৱাত পৈশাচিক, শৌৰসেনী, মহাৰাষ্ট্রী, অর্ধমাগধী, মাগধী এই পাঁচোটা থলুৱা ৰূপ পৰিগ্রহণ কৰিছে। কালক্রমত এই প্রাকৃত সমূহেই সৰলীকৃত হৈ অপভ্রংশ স্তৰত উপনীত হ'লহি। খ্রীষ্টীয ষষ্ঠ শতিকামানৰপৰাহে অপভ্রংশ ভাষাটোৱে ক্রমান্বয়ে সাহিত্যিক ৰূপ ল'বলৈ ধৰে । ড° সুকুমাৰ সেনে উল্লেখ কৰা মতে খ্রীষ্টীয অষ্টম শতিকাতেই মাগধী প্রাকৃতে পূব আৰু পশ্চিমত দুটা আঞ্চলিব ৰূপ পোৱাৰ পাছত খ্রীষ্টীয নৱম শতিকাৰপৰা খ্রীষ্টীয দশম একাদশ শতিকামানত পূব মাগধীৰপৰা উৰিযা, বঙলা, অসমীযা আৰু পশ্চিম মাগধীৰপৰা ভোজপুৰী, মহগী, মৈথিলী ভাষাৰ উদ্ভব হয। ড° চট্টোপাধ্যাযে[১০] অৱশ্যে মাগধীক তিনিটা প্রধান ভাগত ভাগ কৰি তাৰপৰা উদ্ভৱ হোৱা আধুনিক ভাৰতীয ভাষাবোৰৰ নামকেইটা উল্লেখ কৰিছে। তেওঁ উল্লেখ কৰা মতে প্রাচ্য মাগধীৰপৰা বঙলা, অসমীযা আৰু উৰিয়া ভাষা, মধ্য মাগধীৰপৰা মৈথিলী আৰু মগহী ভাষা আৰু পশ্চিম মাগধীৰপৰা নাগপুৰীয়া বা সাদানীৰ সৈতে ভোজপুৰীযা ভাষাৰ উদ্ভৱ হৈছে। উল্লেখযোগ্য যে অপভ্রংশৰ স্তৰ অৱহট্‌ঠৰপৰাই আধুনিক ভাৰতীয আর্য ভাষাসমূহৰ উদ্ভৱ হৈছে।

অন্ত্য প্রাকৃত বা অপভ্রংশ স্তৰৰ সাহিত্যিক নিদর্শন হিচাপে গ্রন্থৰ সংখ্যা বৰ বেছি নহয। জৈন সাহিত্যৰ অন্তর্গত স্বযম্ভুৰ পউমচৰিঅ, পুপ্‌ফদন্তৰ মহাপুৰাণ, সোমদেৱৰ

৯ Sen, Dr Sukumar, *Comparative Grammar of Middle Indo Aryan* 1960, p 5
১০ O D B L Introduction, p 92

যশস্তিলক, হৰিভদ্ৰৰ সমৰাইচ্চকহা আৰু নেমিণাহচৰিঅ, শ্ৰীশচন্দ্ৰৰ কথাকোষ, ৰামসিংহৰ পাহুডদোহা আৰু জীৱনদত্তৰ উপদেশৰসায়নৰস আদি গ্ৰন্থ অপভ্ৰংশ ভাষাৰ অন্যতম নিদৰ্শন। তদুপৰি পিঙ্গলাচাৰ্যৰ প্ৰাকৃতপৈঙ্গল আৰু আব্দুৰ ৰহমানৰ শৃংগাৰ ৰসযুক্ত প্ৰণয় কাব্য সংনেহৰাসয (সন্দেশৰাসক) এই যুগৰে শেষৰ ফালৰ অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠত ৰচিত আন দুখন অন্যতম গ্ৰন্থ। উল্লেখযোগ্য যে এই অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠই অপভ্ৰংশৰ শেষ স্তৰ আৰু নব্য ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্বৰ্তীকালীন ভাষা। অৱহট্‌ঠ ভাষাত ৰচিত সৰহপাদৰ দোহাকোষ উল্লেখযোগ্য গ্ৰন্থ। এই ভাষাৰ শেষ উল্লেখনীয় গ্ৰন্থ দুখন হ'ল বিদ্যাপতিৰ কীৰ্তিলতা আৰু কীৰ্তিপতাকা। অৱহট্‌ঠ ভাষাৰ নিদৰ্শন হিচাপে সন্দেশৰাসক গ্ৰন্থৰ অসমীয়া অনুবাদসহ নমুনা এটা দাঙি ধৰা হ'ল।

তং জি পহিয পিক্‌খেৱিণু পিঅউক্কং খিৰিয
  মন্থৰসয সৰলাইৱি উত্তাৱলি চলিয।
তহ মানহৰ চল্লন্তিয ৰমণ ভৰি
  চুডৱি খিসিয ৰসনাৱলি কিংকিনিৰৱ পসৰি।

[সেই পথিকক দেখা পাই প্ৰিয়জনৰ প্ৰতি উৎকণ্ঠিতা গৰাকীয়ে মন্থৰ গতি এৰি উত্ৰাৱল হৈ পোনাই আগবাঢ়িল। উত্ৰাৱল হোৱাৰ কাৰণে তেওঁৰ চঞ্চল নিতম্বৰপৰা কৰধ্বনি চিগি পৰি গ'ল আৰু কিংকিনীৰ ধ্বনি শুনা গ'ল।[11]]

সৰহৰ দোহাৰ এটি নমুনা —

ঘৰেং অচ্ছই ৱাহিৰে পেচ্ছই
পই দেক্‌খই পডিৱেসি পুচ্ছই
সৰহ ভণই ৱঢ জাণউ অপ্পা
নউ সো ধেঅ ন ধাৰণ জপ্পা।

উল্লেখযোগ্য যে প্ৰতিটো প্ৰাকৃতেই সময়ৰ বিৱৰ্তনৰ লগে লগে ভাষাৰ ৰূপৰ পৰিৱৰ্তন হৈ একোটাইঁত সৰলীকৃত ৰূপত প্ৰকাশিত হৈছিল যাক অপভ্ৰষ্ট বা অপভ্ৰংশ বুলি অভিহিত কৰা হয়। পটঞ্জলিয়ে শাস্ত্ৰহীনৰ ভাষাকে অপভ্ৰংশ বুলি কৈছিল।

অপভ্ৰংশ ভাষাৰ ভালেমান উপভাষা থকা বুলি জনা যায় আৰু এইবোৰৰ ভিতৰত নাগৰক প্ৰধান। ইয়াৰ অন্যান্য উপভাষাসমূহ হ'ল উপনাগৰক, ব্ৰাচডক, বৈদৰ্ভী, গোডী, পাঞ্চালী, ঢক্কী, সিংহলী, শাকাৰী, চাণ্ডালী, অৱন্তী, কৈকেয় পৈশাচিকা আৰু চুলিকা পৈশাচিকা ইত্যাদি। এইকালৰ চৰ্য্যাসমূহ সেয়ে সন্ধিক্ষণৰ ধুঁৱলী কুঁৱলী ভাষা এটাত ৰচিত বুলি কোৱা হয়। সেই কাৰণেই মাগধী প্ৰাকৃতৰপৰা কালক্ৰমত উদ্ভৱ হোৱা

১১ গোস্বামী, ড° কেশৱানন্দদেৱ, সন্দেশৰাসক (অনূদিত)

কেউটা ভাষাই চৰ্য্যাপদক নিজ নিজ ভাষাৰ প্ৰাচীনতম নিদৰ্শন বুলি দাবী কৰে। কিয়নো চৰ্য্যাসমূহৰ ৰচিত কালত মাগধী সম্ভূত ভাষাকেইটাই স্বতন্ত্ৰভাৱে স্থিতি লাভ কৰি প্ৰকাশ হোৱা নাছিল। চৰ্য্যাপদৰ ভাষাৰ লগত থকা অসমীয়া ভাষাৰ সম্পৰ্কৰ স্বৰূপটো বুজিবৰ কাৰণে তলত এটি চৰ্য্যা অসমীয়া অৰ্থসহ দেখুওৱা হৈছে।

ভবণই গহণ গম্ভীৰ বেগেঁ বাহী।
দুআন্তে চিখিল মাঝেঁ ন থাহী।।
ধামাৰ্থে চাটিল সাঙ্কম গঢ়ই।
পাৰগামি লোঅ নিভৰ তৰই ।।
ফাড়িঅ মোহতৰু পাটি জোৰিঅ।
আদঅ দিঢ়ি টাঙ্গী নিবাণে কোড়িঅ।।
সাঁঙ্কমত চড়িলে দহিণ বাম মা হোহী।
নি অড্ডী বোহি দূৰ মা জাহী।।
জই তুম্হে লোঅ হে হোইব পাৰগামী।
পুচ্ছতু চাটিল অনুত্তৰ সামী ।।

[**শব্দাৰ্থ**:- ভবণই = ভৱনদী, গহণ = গহীন, গম্ভীৰ = গভীৰ, বেগেঁ = গতিৰে, বাহী = বয, দুআন্তে = দুইধাৰে, চিখিল = (সংস্কৃত - শৃঙ্খল) বোকাময, থাযী = ঠাই, ধামাৰ্থে = ধৰ্মৰ অৰ্থে, সাঙ্কম = সাঁকো, গঢ়ই = গঢ়ে, পাৰগামী = পৰগামী, লোঅ = লোক, নিভৰ = নিৰ্ভৰ, নিৰ্ভযে, তৰই = তৰে বা পাৰ হয, ফাড়িঅ = ফলা হ'ল, মোহতৰু = মোহতৰু, মোহবৃক্ষ, পাটি = কাঠৰ পাট, তক্তা, জোড়িঅ = জোৰা লগোৱা, আদঅ = অদ্বয, দিঢ়ি = দৃঢ়, টাঙ্গী = শিলকটা বটালি, নিবাণে = নিৰ্বাণ, কোড়িঅ = কুটিত অৰ্থাৎ কটাকটি হ'ল, সাঙ্কমত = সাঁকোত, চড়িলে = উঠিলে, দহিণ = দক্ষিণ বা সোঁদিশ, বাম = বাওঁ, মা হোহী = নহ'বা, নি অড্ডী = ওচৰত, বোহি = বোধি, জ্ঞান, দূৰ মা জাহী = দূৰলৈ নাযাবা, জই = যদি, তুম্হে = তুমি, হোইব = হ'ব, পুচ্ছতু = সোধা, অনুত্তৰ সামী = অনুত্তৰ স্বামী।]

উল্লিখিত দোহাটোৰ শব্দাৰ্থবিলাকৰপৰা এই কথা সহজে অনুমেয যে চৰ্য্যাৰ ভাষা অসমীয়া ভাষাৰ তেনেই ওচৰ চপা। এই কালছোৱাতেই প্ৰাকৃতৰ সমীভূত দ্বিত্বব্যঞ্জন সৰলীভূত হৈ একক ব্যঞ্জনত পৰিণত হ'ল। চৰ্যাপদেই অসমীয়া ভাষাৰ প্ৰত্নৰূপ বুলি বিবেচিত হ'লেও তাৰ পাছত ত্ৰয়োদশ শতিকালৈকে (অৰ্থাৎ হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিতৰ ৰচনা কাললৈকে) এই কালছোৱাত কোনো সাহিত্যিক নিদৰ্শন এতিয়ালৈকে পোৱা হোৱা নাই। অৱশ্যে হেম সৰস্বতী, মাধৱ কন্দলী আদি সাহিত্যিকসকলৰ ৰচনাৰ উৎকৃষ্টতালৈ চাই এই নীৰৱ কালছোৱাত সাহিত্য সাধনাৰ অনুশীলন যে হৈছিল তাক

সহজেই অনুমান কৰিব পাৰি। হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত ৰচনাৰ পৰৱৰ্তী কালছোৱাত অৰ্থাৎ ত্ৰয়োদশ শতিকাৰপৰা আৰম্ভ কৰি বৰ্তমান কাললৈকে অসমীয়া ভাষাত লেখা ৰচনাৰাজি বা বিভিন্ন সাহিত্য গ্ৰন্থ ধাৰাবাহিকভাৱে পোৱা যায়। এইখিনিতে উল্লেখযোগ্য যে আহোমসকল অসমলৈ অহাৰ পূৰ্বে অসম নামটো ঠাইখনক বুজাবলৈ প্ৰয়োগ হোৱা নাছিল। অসম নামৰ ভূখণ্ডক তাহানিতে প্ৰাগ্‌জ্যোতিষপুৰ আৰু তাৰ পাছত কামৰূপ নামেৰে বুজোৱা হৈছিল। ৰামায়ণ, মহাভাৰতৰ উপৰিও হৰিবংশ, বিষ্ণুপুৰাণ আৰু ব্ৰহ্মাণ্ড-পুৰাণত প্ৰাগজ্যোতিষপুৰ নামৰ উল্লেখ পোৱা যায়। কালিদাসৰ ৰঘুবংশম্ কাব্যৰ চতুৰ্থ সৰ্গৰ ৮১ আৰু ৮৩ সংখ্যক শ্লোকত প্ৰাগ্‌জ্যোতিষপুৰ আৰু কামৰূপ উভয় নামৰেই উল্লেখ আছে। তদুপৰি পঞ্চম শতিকাৰ সমুদ্ৰগুপ্তৰ এলাহাবাদ শিলালিপিতেই কামৰূপ নামটিৰ প্ৰথম উল্লেখ লক্ষ্য কৰিবলগীয়া। চীনা পৰিব্ৰাজক হিউৱেনচাং ৬৪৩ খ্ৰীত ভাৰতলৈ আহোঁতে কামৰূপ শব্দটি 'কামলুপ' নামেৰে উল্লেখ কৰিছে।[১২] ১২২৮ খ্ৰীষ্টাব্দৰ ১৬ আঘোণৰ দিনা আহোমৰ আদিৰজা চুকাফা সৌমাৰলৈ নামি আহে আৰু তেওঁলোকে ৬০০ বছৰ ধৰি অসমত শাসন চলায়। এই সময়ছোৱাৰ ৰাজশাসনে অসমখনত শদিয়াৰপৰা ধুবুৰীলৈকে সাতৰাজ মাৰি একৰাজ কৰি অসমীয়া মানুহক মাৰ বন্ধালে। এই কালছোৱাতেই লেখিত দুই চাৰিখন ফলিৰ সংস্কৃত অংশত 'অসমাক্ষৰেণ লিখিতম' বুলি উল্লেখ আছে। অসম আখৰ মানে আহোম আখৰকেই বুজোৱা যেন ধাৰণা হয়, কিয়নো ফলিৰ আনটো পিঠিত আহোম আখৰত ফলিৰ একেখিনি কথাকেই দোহৰা হৈছে। এই ফলিবিলাকত 'অসম' নাম থকাটো উল্লেখযোগ্য। 'অসম' শব্দৰ উৎপত্তি সম্পৰ্কে ছাৰ্ এডৱাৰ্ড গেইট, ড° গ্ৰীয়াৰ্ছন, ড° সুনীতি কুমাৰ চট্টোপাধ্যায়[১৩] আদিয়ে শ্যান্‌সকলৰ আহোম নামটোৰ লগত সম্পৰ্কিত বুলি মত প্ৰকাশ কৰিছে। উল্লিখিত 'অসম' শব্দৰ লগত 'ঈয়া' প্ৰত্যয় (ঈয়া < ইকা প্ৰত্যয় + আক স্বাৰ্থিক) যোগ হৈ 'অসমীয়া' এই শব্দটোৰ সৃষ্টি হৈছে আৰু সেই শব্দটোৱেই কালক্ৰমত ঠাইডোখৰৰ মানুহ আৰু ভাষাক বুজাবলৈ ধৰিলে।

অসমীয়া ভাষাক ড° বাণীকান্ত কাকতিয়ে তিনিটা প্ৰধান ভাগত ভাগ কৰিছে।

(ক) **প্ৰাচীন অসমীয়া** — চতুৰ্দশ শতিকাৰপৰা ষোড়শ শতিকাৰ শেষ ভাগলৈকে। এই কালছোৱাক প্ৰাক্‌বৈষ্ণৱ আৰু বৈষ্ণৱ দুটা ভাগত ভাগ কৰিব পাৰি।

(খ) **মধ্য অসমীয়া** — সপ্তদশ শতিকাৰপৰা ঊনবিংশ শতিকাৰ আদি ভাগলৈকে। আহোম ৰাজসভাৰ বুৰঞ্জীৰ গদ্যলৈকে মধ্য অসমীয়া কালছোৱা পৰিব্যাপ্ত।

(গ) **আধুনিক অসমীয়া** — ঊনবিংশ শতিকাৰ প্ৰাৰম্ভৰপৰা বৰ্তমান কাললৈকে।

১২ Kakoti, Banikanta AFD p 56

১৩ Chetterji, Dr S K. "The name Assam — Ahom', published in Journal of the Asiatic Society Vol. XXII 1956, No 2, pp 147-153

প্ৰাচীন অসমীয়াৰ অন্তৰ্গত প্ৰাক্ বৈষ্ণৱ কালৰ প্ৰধান লেখকসকল হ'ল হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী, মাধৱ কন্দলী। হেম সৰস্বতীৰ প্ৰহ্লাদ চৰিত, কবিৰত্ন সৰস্বতীৰ জয়দ্ৰথ বধ, হৰিবৰ বিপ্ৰৰ অশ্বমেধ পৰ্ব, ৰুদ্ৰ কন্দলীৰ দ্ৰোণ পৰ্ব আৰু মাধৱ কন্দলীৰ ৰামায়ণৰ অসমীয়া অনুবাদ এই কালছোৱাৰ উল্লেখযোগ্য সাহিত্য। এই কালছোৱাত অসমীয়া ভাষাৰ খণ্ডবাক্য আৰু জতুৱা ঠাঁচে নিজস্বৰূপ পৰিগ্ৰহণ কৰিছে। অতীত কালত-ইবা প্ৰত্যয়ৰ প্ৰযোগ লক্ষণীয়। যেনে — মাৰিবাৰ প্ৰজা, দিবাৰ অন্ত্ৰ ইত্যাদি। তদুপৰি সম্বন্ধবাচক বিশেষ্যত যোগ হোৱা প্ৰত্যযবোৰে এইখিনি সময়তেই থিতাপি লৈছে আৰু সেইবোৰেই পাছলৈ থাকি গৈছে।[১৫]

প্ৰাচীন অসমীযাৰ দ্বিতীয ভাগটো হ'ল বৈষ্ণৱ যুগ। প্ৰাক্‌বৈষ্ণৱ কালৰ লেখকসকলৰ ৰচনাত পোৱা বহুতো ভাষিক বৈশিষ্ট্য বৈষ্ণৱ যুগৰ ৰচনাত পোৱা নাযায। প্ৰাক্‌বৈষ্ণৱ অসমীযাত প্ৰযোগ হোৱা সংযোজক ৰূপ, যেনে — হানি-এৰে (খোচে), কৰি-এৰে, গুচাই-এৰে আদি ৰূপবোৰ এই কালত সম্পূৰ্ণৰূপে নাইকিয়া হৈছে। কিন্তু অন্য কিছুমান সংযোজক ৰূপ দেখা যায, যেনে — কহোঁ, -কহ দুযোটাই অংকীযা নাটবিলাকত স্পষ্টভাৱে প্ৰযোগ হৈছে। তদুপৰি ভৱিষ্যৎ কাল বুজাবৰ বাবে -ইব আৰু অতীতকাল বুজাবৰ বাবে -ইল প্ৰযোগ লক্ষ্য কৰিবলগীযা। আকৌ প্ৰথম পুৰুষৰ ভৱিষ্যৎ কালৰ পুৰুষসূচক -ম প্ৰত্যয় প্ৰথম বাৰৰ বাবে দেখা যায। ইপিনে প্ৰথম পুৰুষত ভৱিষ্যৎ কালৰ পুৰুষসূচক -বো প্ৰত্যযৰ প্ৰযোগ পৰম্পৰাগতভাৱে চলিযেই আছে। -লাহা, -বাহা, -লিহি, -বিহি, -লন্ত, -বন্ত ইত্যাদি সম্প্ৰসাৰিত ধাতুপ্ৰত্যয আৰু -হা (যেনে— আম্‌হাৰ), -সা-(যেনে— আমাসাৰ, তোমাসাৰ) আদি পুৰুষবাচক সৰ্বনামৰ সম্প্ৰসাৰিত প্ৰত্যযৰ প্ৰযোগ মন কৰিবলগীযা। উল্লেখযোগ্য যে এই যুগত শংকৰদেৱে ৰচনা কৰা বৰগীত আৰু নাটবিলাক ব্ৰজাবলী ভাষাত লেখা হৈছে। অসমীযা গদ্যৰ উদ্ভৱ এই কালছোৱাৰ এটি প্ৰধান বৈশিষ্ট্য। ভট্টদেৱে 'কথা ভাগৱত' আৰু 'কথাগীতা' নামৰ দুখন পুথি অসমীযা গদ্যত লেখি অসমীযা ভাষা আৰু সাহিত্য জগতলৈ অনুপম বৰঙণি আগবঢাই গৈছে। পুথিকেইখনৰ গদ্যৰ ভাষা সংস্কৃতীযা শব্দেৰে ভাৰাক্ৰান্ত আৰু ই কথ্য-ভাষাৰ নিদৰ্শন দাঙি ধৰিব নোৱাৰে। বৈয়াকৰণিক ৰূপবোৰতো আধুনিক অসমীযা ভাষাৰ সৰলীকৃত দিশটো দেখা পোৱা নাযায। এইখিনিতে উল্লেখযোগ্য যে প্ৰাচীন অসমীযা ভাষাৰ যুগটোত পদান্ত স্বৰবিলাকৰ উচ্চাৰণ ৰক্ষিত হৈছে আৰু ই মধ্য অসমীযা ভাষাৰ যুগটোত পদান্ত স্বৰবিলাকৰ উচ্চাৰণ ৰক্ষিত হৈছে আৰু ই মধ্য অসমীযা ভাষা কালছোৱাৰপৰাহে সম্পূৰ্ণৰূপে অব্যৱহিত হৈ

১৪ A F D p 13

১৫ Kakoti, Dr Banikanta A F D p 14

পৰিছে, যিটো পাছৰ আধুনিক অসমীয়া ভাষাৰ এটি অন্যতম বৈশিষ্ট্যৰূপে উল্লেখ কৰা যায়।

এই কালছোৱাৰ অসমীয়া ভাষাৰ স্বৰূপটো বুজিবলৈ অলপ আলোচনা কৰা যাওক। 'কীৰ্তন' পুথি শংকৰদেৱৰ কবি প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন আৰু ই বৈষ্ণৱ সাহিত্যৰ কীৰ্তিস্তম্ভ স্বৰূপ। ইয়াৰ বিষয়বস্তুৰ সৰহ ভাগেই ভাগৱত পুৰাণৰপৰা সংগ্ৰহ কৰা। নামাপৰাধ বৰ্ণনা, পাষণ্ডমৰ্দন, ওৰেষা বৰ্ণন, সহস্ৰ নাম বৃত্তান্ত আৰু ঘুনুচা কীৰ্তনৰ বিষয়বস্তু ভাগৱতৰপৰা সংগ্ৰহ কৰা নহয়। গতিকে স্বাভাৱিকতেই ভাগৱত পুৰাণৰ সংস্কৃতীয়া ৰূপে বা সংস্কৃত তৎসম শব্দই কীৰ্তন পুথিত যথেষ্ট স্থান পাব। তথাপি কীৰ্তনৰ ঠায়ে ঠায়ে স্বৰভক্তি বা বিপ্ৰকৰ্ষৰ জৰিয়তে সংস্কৃত তৎসম শব্দৰ যুক্তব্যঞ্জন বিযুক্ত কৰি শব্দবোৰ সৰল কৰি লোৱা হৈছে। বহুত ক্ষেত্ৰত ছন্দৰ বাবেও তেনে কৰিব লগাত পৰিছে। স্বৰভক্তি বা বিপ্ৰকৰ্ষৰ জৰিয়তে সৰল হোৱা শব্দ কিছুমান হ'ল —

কীৰ্তনৰ শব্দ		সংস্কৃত শব্দ
আৰকত	।। ২৫৫	(< আৰক্ত)
বেকত	।। ২৫৭	(< ব্যক্ত)
দৰশনে	।। ২২৭১,২২৫৯	(< দৰ্শন)
অগনি	।। ৮০০	(< অগ্নি)
ভকত	।। ৮০১, ৭১০	(< ভক্ত)
ৰতন	।। ৭১১	(< ৰত্ন)
সুবৰ্ণ	।। ৭১১	(< স্বৰ্ণ)
বৰিষণ	।। ৭২০	(< বৰ্ষণ)
বিৰকতি	।। ১৮১৭	(< বিৰক্তি)
পূৰণ	।। ২৫৫	(< পূৰ্ণ)

ওপৰৰ কেইটামান শব্দৰ কীৰ্তনৰ পদ পংক্তিত উদাহৰণ চোৱা যাওক —

তাসম্বাৰ ভৈল মনোবাঞ্ছিত পূৰণ।
চাহিলা কৃষ্ণৰ দুনাই দুখানি চৰণ ।।

আৰকত নখ-পান্তি আছে প্ৰকাশন্তে।
চিত্তো চিন্তিলা দুনাই বাহিৰৰ হন্তে ।। ২৫৫

সমস্ত ভূতৰে যদি তুমি হৃদিগত।
তথাপি কৰ্মীৰ মনে নুহিকা বেকত ।। ২৫৭

বাজসূয় অশ্বমেধৰ ফল ।
বট দৰশনে পাবে সকল ।। ২২৭১

তোহ্মাৰ হস্তক ভৰি দিলা ফল বাছি ।
সুৱৰ্ণ ৰতনে তাইৰ উপচিল পাচি ।। ৭১১

ওপৰৰ উদাহৰণৰপৰা দেখা যায় যে বহুত ক্ষেত্ৰত অন্ত্যমিল বা ছন্দ ৰক্ষাৰ বাবেও তেনেকৈ শব্দবোৰ সৰল কৰি লোৱা হৈছে।

বৰগীতসমূহত শংকৰদেৱে যেনেকৈ মঞি, মেৰি, হামি, তুহু, তেৰা, তেৰি, তযু আদি পুৰুষবাচক সৰ্বনামবোৰ প্ৰযোগ কৰিছে তেনেকৈ 'কীৰ্তন' পুথিত প্ৰযোগ কৰা নাই। এইবোৰৰ ঠাইত মই, আমি, তুমি, তোহ্মৰ আহ্মাৰ, তোৰ, তই আদি ৰূপবোৰ প্ৰযোগ কৰিছে। তলত কেইটামান উদাহৰণ চোৱা যাওক —

ওচৰ চাপিযা পুছন্ত হাসিযা
সৰ্ব সুখদাতা হৰি।
তই কোন কাৰ চন্দন লৈ যাহ
কৈযো কথা শীঘ্ৰ কৰি।। ১১৪২
দুভাইক চন্দন দিযো আজি তোৰ
হৈবেক কল্যাণ আসি।
সৈৰিন্ধ্ৰী বোলয শুনিযো সুন্দৰ
মই কংসৰাযৰ দাসী ।।
ভোজ নৃপতিৰ অতি প্ৰীতিকৰ
মোৰেসে চন্দন মাত্ৰ
তোৰা দুই বিনে ইটো চন্দনৰ
আছে আন কোন পাত্ৰ।। ১১৪৩

ক্ৰিযাৰ অসমাপিকা অৰ্থ বুজাবৰ বাবে ক্ৰিযাৰ দুই ধৰণৰ ৰূপ পোৱা যায়। শুনিযা, লৈযা, আলিঙ্গিযা, বাটিযা, বান্ধিযা আদিৰ উপৰিও অন্য এটা ৰূপ ভুঞ্জি, জানি পোৱা যায়। ওপৰৰ প্ৰাথমিক আলোচনাৰপৰা দেখা যায় যে এইবোৰৰ বিভিন্ন দিশত বহল আলোচনাৰ থল পৰি আছে।

এইখিনিতে এটা কথা মনত ৰখা ভাল যে ইতিমধ্যে কমতাপুৰ বা কোচবিহাৰৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত সৃষ্টি হোৱা সাহিত্যৰ কেন্দ্ৰস্থল সলনি হ'ল। পশ্চিম অসমত কোচৰাজ্য পতন আৰু পূব অসমত আহোম ৰাজশাসনৰ পযোভৰে সাহিত্য চৰ্চাৰ কেন্দ্ৰ পশ্চিম অসমৰপৰা পূব অসমলৈ সলনি কৰিলে। আহোম ৰাজসভাত তেওঁলোকৰ

পাৰম্পৰিক ৰীতি অনুসৰি বুৰঞ্জী লেখাৰ কাম আৰম্ভ হ'ল। প্ৰথম অৱস্থাত টাই ভাষাতেই বুৰঞ্জীবোৰ লেখা হ'লেও পাছলৈ বিভিন্ন লেখকে সেইবোৰ অসমীয়া ভাষাত লেখিবলৈ ধৰে। কিয়নো আহোমসকলে পাছলৈ অসমীযা ভাষাকেই আহোম ৰাজসভাৰ ভাষাৰূপে গ্ৰহণ কৰিছিল। বুৰঞ্জীসমূহ গদ্য আৰু পদ্য উভয় ভাষাতেই লেখা হৈছিল যদিও বেছিভাগ বুৰঞ্জীযেই আছিল গদ্যত লেখা। বুৰঞ্জী গদ্যৰ এই কালছোৱাকেই মধ্য অসমীযা ভাষা বুলি চিহ্নিত কৰা হৈছে। প্ৰাচীন অসমীযা ভাষাৰ ধৰ্মীয় লেখকসকলৰ ভাষা ৰীতিৰপৰা আঁতৰি আহি বুৰঞ্জী সাহিত্যই অসমীযা ভাষাৰ এটি নতুন কীৰ্তি প্ৰৱৰ্তন কৰিলে। প্ৰাচীন অসমীযা কালছোৱাত উচ্চাৰণত পোৱা পদান্ত অ-ৰ ব্যৱহাৰ লুপ্ত পালে। পদান্তত যুক্তাক্ষৰ থকা বা তেনে আন কিছুমান বিশেষ শব্দতহে পদান্ত -অ ৰক্ষিত হৈছে। সমকালীন সমাজৰ কথ্যভাষাৰ পৰিচয দিবপৰা বুৰঞ্জীৰ ভাষাত আধুনিক অসমীযা ৰূপবোৰ প্ৰাযেই কম বেছি পৰিমাণে দেখা যায। বহুবচনৰ প্ৰত্যয -বোৰ, -হঁত আদিৰ প্ৰযোগ বুৰঞ্জীৰ গদ্যতেই প্ৰথমে পৰিলক্ষিত হয। মন কৰিবলগীযা যে দ্বিতীয পুৰুষৰ অতিমান্যাৰ্থৰ পুৰুষবাচক সৰ্বনাম 'আপুনি'ৰ ব্যৱহাৰ ইযাতেই প্ৰথমে দেখা যায। তুংখুঙ্গীযা বুৰঞ্জীৰ দুঠাইত তেনে প্ৰযোগ লক্ষ্য কৰা যায। যেনে — "আপুনি যি কৈছে উত্তম কৈছে।" (তুংখুঙ্গীযা বুৰঞ্জী, ১৯৬৪, পৃঃ ১০৬), "এতেকে ডাঙৰীযা আপুনি ব্যৱস্থা কৰি ৰণ কৰালেহে হ'ব।" (তুংখুঙ্গীযা বুৰঞ্জী, ১৯৬৪, পৃঃ ১২২)। অৱশ্যে ইযাৰ পূৰ্বৰ ৰচনাৰাজিতো 'আপুনি' শব্দৰ প্ৰযোগ দেখা যায আৰু সেইবোৰত ই নিজবাচক (Reflexive) অৰ্থতহে ব্যৱহৃত হৈছে পুৰুষবাচক সৰ্বনামৰূপে নহয। বুৰঞ্জীসমূহ কথ্যভাষাত ৰচনা কৰা কাৰণে ইযাৰ ভাষা সহজ আৰু প্ৰাঞ্জল, অন্যহাতেদি ভাবপ্ৰৱণতা আৰু অত্যধিক বাক্যালংকাৰৰপৰা নিলগত। শব্দযোজনা আৰু জতুৱা ঠাঁচসমূহ তেনেই চিনাকি ঘৰুৱা অসমীযা। সাহিত্যিক গুণসম্পন্ন বুৰঞ্জীসমূহৰ ভাষা ৰসাল আৰু তেজস্বী। চুটি চুটি বাক্যেৰে গভীৰ অৰ্থপ্ৰকাশ কৰাটো লক্ষ্য কৰিবলগীযা।

(১) বুৰঞ্জী গদ্য ভাষাৰ নমুনা —

(ক) " এনেতে বঙ্গালে আমাৰ সলাৰ গড বেৰি ঘৰত জুই লগাই তিনি বেঞ্জো পুৰিলে। পাছে আমাৰ লোকে তপত পানী ঢালিলে বঙ্গালৰ গাত পৰি পানী-ফোহোঁৰা বান্ধি ছাল নিকুটি গ'ল। বঙ্গালে তৎ নাপাই লৰ মাৰি পানীত পৰিলগৈ। পাচে সিহঁতে বৰহিলৈ, চেঙ্গাহিলৈ মাৰিলে। আমাৰ লোকে কোঁঠত ৰলহি। পাচে মাঘৰ দিনত থাওমুং-কটক, হুনন দুয়ো কোঁঠৰপৰা ওলাই বালিত খেদি ধৰিলে, বঙ্গালেও ঘোঁৰাৰে বেৰি ধৰিলে। আমাৰ লোকে হাতীযেৰে ধৰিলে। (দেওধাই অসম বুৰঞ্জী, পৃঃ ৩১)

(খ) "আৰু কাঠৰ গড বান্ধিম পচিব, মাটিৰ গড বান্ধিম খহিব। মই কথাৰ গড বান্ধি দিছোঁ, প্ৰাণ-পৰিভুগী হ'ব।" (দেওধাই অসম বুৰঞ্জী, পৃঃ ১৩১)

(২) পদ্য বুৰঞ্জী ভাষাৰ নমুনা —

(ক) "চাঙ্গকাকতী গোবিন্দ শৰ্ম্মা নাম
মধু শৰ্ম্মা খাওন্দ খাওন্দ তনুশ্যাম।।
কমলাবৰীযা বৰা দোলা কাষৰীযা।
সবে গৈয়া চিপাহী-সৰঞ্জ আনা গৈযা।।
আজ্ঞা পাযা সিসকলে নথাকিল বৈই।
শীঘ্রে কৰি গৈযা পাচে কলিকাতা পায।।
গৰ্ব্বৰ্ণৰ চাহাবৰ আগত জনায।
হিলৈই বাৰুদ লৈযা আসিল উজাই।।
মন্ত্রীৰ আগত দিলা সিসব আহিলা।
আজ্ঞা কৰি চিপাহীসবৰ হাতে দিলা।।
সঙ্গীযা ফুৰুনৰ আপাহ্ লৈলা বৰ।
দ্বিতীয কাপ্তান পাতি দিলা পল্টনৰ ।।
(অসমৰ পদ্য বুৰঞ্জী, পৃঃ ১১৯)

(খ) ৰাত্রিপুৰা আসে ঘৰে লোটা-বাটি নিলে তাৰে
নথাকিল পঁইতা চৰুত
সেহিমতে নিতে নিত ঘৰত নাহিকে থিত
বাগৰি ফুৰয লোক যত ।।
মান দোৰুৱীযা হয তাত পৰে ভাল নাই
ফুৰে লোককেসে ডাবি মাৰি।
ছোৰালীযো মন খায যদি লোকে খুজি থয
তথাপিতো তাইক নিযে ধৰি।।
(অসমৰ পদ্য বুৰঞ্জী, পৃঃ ১৭৮)

তাৰ পাছত ১৮১৩ চনত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে অসমীযা গদ্যত ভাঙনি কৰি বাইবেল প্রকাশ কৰাৰ লগে লগে অসমীযা ভাষাৰ আধুনিক যুগটোৰ সূচনা হয। মিছনেৰীসকলে শিবসাগৰ অঞ্চলত প্রচলিত কথ্যভাষাকেই প্রধানকৈ তেওঁলোকৰ সাহিত্যৰ কামত খটুৱাইছিল আৰু ১৮৪৬ চনত এই ভাষাকেই মাহেকীযা কাকত 'অৰুনোদই' প্রকাশ কৰিছিল। উল্লেখযোগ্য যে ১৮৩৯ চনত শ্রীৰামপুৰ প্রেছৰপৰা Rev W Robinson-এ অসমীযা ভাষাৰ প্রথম ব্যাকৰণ *A Grammar of the Assamese Language* ছপা কৰি প্রকাশ কৰে। আৰু তাৰ পাছতেই ১৮৪৮ খ্রীষ্টাব্দত শিবসাগৰ মিছন প্রেছৰপৰা ডক্টৰ নাথান ব্রাউনৰ *Grammatical Notes on The Assamese Language* প্রকাশ পায। ইপিনে ডক্টৰ মাইলছ ব্ৰনসনে ১৮৬৭ খ্রীষ্টাব্দত

শিৱসাগৰৰ আমেৰিকান বেপ্টিষ্ট মিছন প্রেছৰপৰা 'অসমীয়া আৰু ইংৰাজী অভিধান' নামে অসমীয়া ভাষাৰ প্রথম অভিধানখন প্রকাশ কৰি উলিয়ায়। মিছনেৰীসকলৰ প্রভাৱত ভালেসংখ্যক অসমীয়া লেখকেও সেই ভাষাতেই বিভিন্ন লেখনি প্রকাশ কৰিবলৈ ধৰে। এহাতেদি আহোম ৰাজসভাৰ পৰম্পৰা আৰু অন্যহাতেদি মিছনেৰীসকলৰ প্রচেষ্টা, এই দুমুখীয়া ধাৰাৰ ফল স্বৰূপেই উজনি অসমৰ ভাষাই কালক্রমত সাহিত্যিক ৰূপ পৰিগ্রহণ কৰাৰ ইন্ধন পালে। আহোম ৰাজসভাৰ সমপ্রভাৱে পূব অসমৰ কথ্য ভাষাবিলাকৰ মাজত এটা সমন্বয় গঢ়ি তুলি আঞ্চলিক প্রভেদ নাইকিয়া কৰাত প্রধান ভূমিকা গ্রহণ কৰিছিল। সেযে পশ্চিম অসমৰ একোখন জিলাত অসমীয়া ভাষাৰ যিমান আঞ্চলিক ভেদ দেখা যায় পূব অসমত সিমান দেখা নাযায়, কিযনো পশ্চিম অসমত কোনো প্রশাসনে সুদীর্ঘ দিন ধৰি একেলেথাৰিয়ে শাসন কৰিব পৰা নাছিল।

'অৰুনোদই' কাকতত প্রকাশ পোৱা অসমীয়া ভাষাত বেপ্টিষ্ট মিছনেৰীসকলে এটা নতুন ৰূপ দি লৈছিল। কথ্যভাষাৰ উচ্চাৰণৰ ওপৰত ভেটি কৰিযেই ড° মাইলছ ব্রন্সনে প্রথম অসমীয়া অভিধানখন প্রকাশ কৰে। তেওঁলোকৰ লেখনিত হ্রস্ব-দীর্ঘ স্বৰৰ পাৰ্থক্য নাইকিয়া হ'ল। হ্রস্ব-স্বৰৰ প্রযোগহে প্রাযেই লক্ষ্য কৰা যায। উষ্ম কেইটাৰ (শ, ষ, স)ৰ ঠাইত 'স' ৰ প্রযোগ, 'ন' আৰু 'ণ'ৰ ঠাইত 'ন'ৰ প্রযোগ, 'জ' আৰু 'য'ৰ ঠাইত 'জ' ৰ প্রযোগ, 'ঙ'ৰ ঠাইত 'ঙ্গ' ৰ প্রযোগ লক্ষ্য কৰিবলগীয়া বিশেষত্ব। বহুতো সমযত 'ঋ'ৰ ঠাইত 'ৰি', কেতিযাবা কেতিযাবা 'ঐ'ৰ ঠাইত 'অ' প্রযোগ, 'চ' 'ছ'ৰ ঠাইত 'চ'ৰ প্রযোগ উল্লেখনীয। তলৰ উদাহৰণ কেইটাৰপৰা উক্ত বৈশিষ্ট্যখিনিৰ উমান পোৱা যাব। [সংকেত — অঅ = অৰুনোদই অসমীযা, অ = অসমীযা ভাষাৰ বৰ্তমানৰ লিখিত ৰূপ]

(১) হ্রস্ব স্বৰৰ প্রযোগ

অধিকাৰি (অঅ) = অধিকাৰী (অ)
গৌৰি (অঅ) = গৌৰী (অ)
স্বৰ্গি (অঅ) = স্বৰ্গী (অ)
মূল্য (অঅ) = মূল্য (অ)
ইস্বৰ (অঅ) = ঈশ্বৰ (অ)
সূৰ্জ (অঅ) = সূৰ্য্য (অ)

উল্লেখ কৰা দৰকাৰ যে শ্রী লেখিবৰ কাৰণে ই-কাৰৰ প্রযোগ হৈছিল। ইয়াৰো বিকল্পে হ্রস্ব দীর্ঘ দুযোটা ৰূপেই পোৱা যায। যেনে — শ্রী/শ্রি (অঅ) = শ্রী (অ) অৱশ্যে কোনো কোনো ঠাইত 'শ্রী'ৰ প্রযোগ আছে, যেনে — শ্রীনাওবৈচা ফুকন, শ্রীউমাধৱ সৰ্মা আদি।

(২) কেৱল 'স'ৰ প্ৰয়োগ —

দৰ্সন (অঅ) = দৰ্শন (অ)

উস্ন (অঅ) = উষ্ণ (অ)

কমলেস্বৰ (অঅ) = কমলেশ্বৰ (অ)

সদিয়া (অঅ) = শদিয়া (অ)

(৩) জ য > জ ।

জেতিয়া (অঅ) = যেতিয়া (অ)

জোৰহাট (অঅ) = যোৰহাট (অ)

(৪) 'ঙ্গ'ৰ প্ৰয়োগ ।

ওপঙ্গাই (অঅ) = ওপঙাই (অ)

চিঙ্গি (অঅ) = ছিঙি (অ)

(৫) ঋ > ৰি।

প্ৰিথিবি (অঅ) = পৃথিবী (অ)

ত্ৰিতিয (অঅ) = তৃতীয (অ)

(৬) ঐ > অ।

দন্য (অঅ) = দৈন্য (অ)

ভয়াম (অঅ) = ভৈয়াম (অ)

'ভযাম' বিকল্পে 'ভৈযাম' ৰূপেও পোৱা যায়। যেনে — "ডফলাহঁত ভোটৰ দৰে ভযামত থাকিব নোঅৰা ন হই দেখি " আকৌ "লুংঠাই দুআৰৰ ৮ জন নগা ভৈযামলৈ আহি "

(৭) চ ছ > চ।

আচিল (অঅ) = আছিল (অ)

মিচলিযা (অঅ) = মিছলীযা (অ)

মিচা (অঅ) = মিছা (অ)

এই কালছোৱাত অসমীয়া শব্দমালাত ভালেমান আৰবী-ফাৰ্চী, হিন্দী, উৰ্দু, হিন্দুস্থানী আৰু বিদেশী শব্দই অসমীয়া ৰূপত প্ৰকাশ লাভ কৰে। অফিচ, পোলিচ, ইস্কুল, খাখেমা, এন্দাজ, কইদি, তুফান, ফাটক, চাপাচি আদি শব্দসমূহৰ সমাগম ঘটিল।

'অৰুনোদই'ৰ পাতৰপৰা উদাহৰণ —

"ধনিৰামে এদিন ৰদত ফুৰোঁতে বেলিৰ তাপত বৰ দুখ পাই, পাচে দিনুৰামক কলে

বোলে, হে ভাই, সাস্ত্রত লিখিচে ইস্বৰে এই প্রিথিবিৰ ওপৰত জি চন্দ্র সুর্জ স্রজন কৰিলে সেইবোৰক মানুহৰ উপকাৰৰ নিমিতে দিলে। কিন্তু মই আজি ৰদত ফুৰোঁতে বেলিৰ তাপত অতি স্রান্ত হলোঁ, এই কাৰণ সুর্জে হলে মানুহক উপকাৰ নকৰে, ইয়াকে ভাবিচোঁ।

তাতে দিনুএ উতৰ কৰিলে, হে ককাই, নে জানা হেতুকে তুমি এনে কথা কৈচা, কিযনো বিবেচনা কৰিলে ইস্বৰৰ কৰম জে উতম তাক নিচই জানিবা, কাৰণ জেতিযা সুর্জৰ বৰ তাপ হই, তেতিযা সাগৰৰ আৰু নদীৰ আৰু তিতা মাটিৰ পৰা জল অলপ ধুঁআৰ নিচিনা হৈ ওপৰলৈ উঠি উঠি জাই, সেই ধুঁআ গোট খাই গধুৰ হৈ তললৈ পাৰে, তাত বৰখুন হই" (বৰখুনৰ কথা, দ)।

'অৰুনোদই'ৰ পৰৱৰ্তী কালছোৱাত অসমীযা ভাষা বিভিন্ন লেখকৰ সাহিত্য সম্ভাৰে এটা শক্তিশালী ভাষাৰূপে প্ৰতিষ্ঠা লাভ কৰিলে। ইপিনে সণ্টালনিকৈ মানুহৰ মুখত প্ৰচলিত হৈ অহা অসমীযা ভাষাই বিভিন্ন ভাষা- সামাজিক কাৰণবশতঃ ভালেমান আঞ্চলিক ৰূপ পৰিগ্ৰহণ কৰিছে। তেনে এক ভাষা-সামাজিক কাৰণতেই অৰুণাচল প্ৰদেশৰ বিভিন্ন জনগোষ্ঠীৰ ভাষাৰ মাজত বিকাশ লাভ কৰা অৰুণাচলৰ অসমীযা ভাষা যাক সাধাৰণতে অৰুণামিজ বা নেফামিজ বুলি জনা যায আৰু নাগালেণ্ডত বিকাশ লাভ কৰা নাগামিজ ভাষাৰ কথাও এই প্ৰসংগতে উল্লেখযোগ্য। স্থানান্তৰত এইবোৰৰ আলোচনা দাঙি ধৰা হৈছে। ইপিনে অসমৰ শদিযাৰপৰা ধুবুৰীলৈকে প্ৰচলিত অসমীযা ভাষাৰ দুটা প্ৰধান আঞ্চলিক ভাগ হ'ল পূৰ্বী উপভাষা আৰু পশ্চিমী উপভাষা। পশ্চিমী উপভাষাৰ আকৌ কামৰূপী আৰু গোৱালপৰীযা দুটা পৃথক আঞ্চলিক ৰূপ দেখা যায। পশ্চিমী উপভাষাত আচলতে ভালেমান আঞ্চলিক ৰূপ আছে আৰু সেইবোৰৰ বহল আলোচনাৰ থল আছে। তেনে আঞ্চলিক প্ৰভেদৰ নমুনাকেইটামান তলত যথাস্থানত সন্নিবিষ্ট কৰা হৈছে। শদিযাৰপৰা গুৱাহাটীলৈকে বিস্তৃত অঞ্চলত প্ৰচলিত পূৰ্বী উপভাষাটোৰ আঞ্চলিক প্ৰভেদ বৰ বেছি নাই। শিৱসাগৰ অঞ্চলত কথিত অসমীযা ভাষাকেই সাধাৰণতে এই বৃহৎ অঞ্চলটোত পোৱা যায। এইখিনিতে উল্লেখযোগ্য যে শিৱসাগৰ অঞ্চলৰ কথিত অসমীযা ভাষাই সমগ্ৰ অসমীযা ভাষাৰে মান্যভাষাৰূপে কাম কৰি আছে। তলত অসমীযা ভাষাৰ স্থানীয ৰূপকেইটামানৰ নমুনা দাঙি ধৰা হ'ল।

মান্য অসমীযাৰ চানেকি ঃ

কোনো এখন গাঁৱত এজন বুঢ়া আছিল। তেওঁৰ নাম ৰতন। ৰতনৰ ঘৰ বৰুৱাহঁতৰ কাষতে। ৰতনৰ মাঘুৱা, ভদীযা আৰু ৰণে নামৰ তিনিটা পুতেক আছিল। মাঘুৱা ডাঙৰ' ভদীযা মাজু আৰু ৰণে শেহৰটো। তিনিওটা ভাযেকৰ ভিতৰত ৰণে বৰ সুন্দৰ আছিল। ৰতন বৰ দুখীযা। বুঢ়াৰ দুবিঘা মাটি আৰু এটা মাত্ৰ ঘৰ। তিনিটা পুতেকৰ ভিতৰত কোনোটোক এই মাটি আৰু ঘৰটো দিলে ভালকৈ ৰাখিব পাৰিব তাকে ভাবি ৰতনে একো ঠিক কৰিব পৰা নাছিল।

ৰতন বুঢাই এটা বুদ্ধি সাজিলে। এদিনে ৰতনে পুতেকহঁতক ওচৰলৈ মাতি আনি কলে — বোপাইহঁত, মই বুঢা হৈ আহিলোঁ। কোন দিনা মৰোঁ তাৰ একো ঠিক নাই। মই মৰিলে তহঁতি কেনেকৈ খাবি? সেই কাৰণে তহঁতি তিনিওটাই বিদেশলৈ গৈ একোটা কাম ভালকৈ শিকি আহ। যিটোৱে নিজৰ কাম ভালকৈ কৰিব পাৰিবি সেইটোৱেই মোৰ মাটি আৰু ঘৰটো পাবি।

(ক) পশ্চিমী অসমীয়া উপভাষাৰ ৰূপ :

নলবাৰীৰ ধৰ্মপুৰ অঞ্চলৰ স্থানীয় ৰূপ — কুনু আখান গাঁউত আকজন বুৰা আছিল। তেঁউৰ নাঁউ (নাউঙ্) ৰতান। ৰতানোৰ ঘৰ বোউৰা আহাৰ (বোউৰাথেৰ) কাইন্ধাত/কাখোত। ৰতানোৰ মাউঘা, ভোইদা আৰু (আল্তি) ৰণে নামোৰ তিন্তা পুতাক আচিল। মাউঘা ডাঙাৰ, ভোইদা মাজু আৰু ৰণে সেহোইতা। তিনি ভাকোৰ ভিত্ৰোত ৰণে বৰ মুহুলাগা আছিল। ৰতান বৰ দুইখা। বুৰাৰ দুইবিঘা মাতি আল্তি এ'তা মাত্রো ঘৰ। তিন্তা পুতাকোৰ ভিত্ৰোত কুনতুক এই মাতি আৰু ঘত্তু দিলি ভালকে ৰাইক্বা পাইৰবো তাকে ভাবি ৰতানে আকো থিক কোইৰবা পাৰা নাচিল।

ৰতান বুৰাই এ'তা বুদ্ধি সাইজ্লাক। আক্দিন ৰতানে পুতাকহাঁতোক অচ্ৰোক্লেগি মাতি আনি কলাক — "বাপাহাঁত, মই বুৰা হোই আইহ্লু। কুন দিনা মোৰু তাৰ আকো ঠিক নাই। মই মোইল্লি তুহুন্তে কিঙ্কে খাবি? সেকুন্তিৰে (সেকুনতাই) তুহুন তিনো বিদেখোক যাই আকোতা কাম ভালকে সিখি আহ্। জুন্তোই নিজোৰ কাম ভালকোৰি কোইৰ্বা পাইৰ্বি সেতুই মোৰ মাতি আৰু ঘত্তো পাবি।

অনুবাদ { শ্রীমতী প্রমোদা দেৱী, টিহু
শ্রীপ্রমোদ হালৈ।

(খ) বজালী অঞ্চলৰ স্থানীয় অসমীয়া ভাষাৰ ৰূপ :-

কুনু আখেন গাঁউত আকজন বুৰা আচিল। তাৰ নাম ৰতন। ৰতনৰ ঘৰ বোউৰাহাৰ (বাউৰাথেৰ) কাইন্ধাত। ৰতনোৰ মৌঘা, ভৈদা আৰু ৰণে নামোৰ তিন্তা পুতেক আচিল। মৌঘা ডাঙাৰ, ভৈদা মাজু আৰু ৰণে সেহোইতা। তিনো ভাযেকোৰ ভিত্ৰোত ৰণে বৰ মোহলাগা আচিল। ৰতন বৰ দুইখা। বুৰাৰ দুইবিঘা মাটি আৰু এ'তা মাত্র ঘৰ। তিন্তা পুতেকোৰ ভিত্ৰোত কুনুতক এই মাতি আৰু ঘৰতু দিলি ভালকে ৰাখ্বা পাৰবো তাকে ভাবি ৰতনে আকো থিক কৰ্বা পাৰা নাচিল।

ৰতন বুৰাই এ'তা বুদ্ধি কৰ্লাক। আক্দিন ৰতনে পুতেকহাতোক অচ্ৰোক্লেগি মাতি আনি কলাক — "বাপাহাঁত, মই বুৰা হঁই আইহ্লু । কুনদিনা মোৰো তাৰ আকো থিক নাই। মই মৰ্লি তুহুন কেন্কে খাবি? সেই খুন্তি তুহুন তিনো বিদেখোক জাই আকুতা কাম সিখি আহ। জুন্তুই নিজোৰ কাম ভালকে (ভাল কৰি) কৰ্বা পাৰবি সেতুই

মোৰ মাতি আৰু ঘৰ্‌তু পাবি।

(অনুবাদক — শ্ৰীভূপেন্দ্ৰনাথ শৰ্মা, বজালী)

(গ) গোৱালপাৰাৰ চাপৰ অঞ্চলৰ স্থানীয় উপভাষাৰ ৰূপ :-

কুনো এক্‌খান্ গাৱত একজন বুৰা আচিল। বুৰাৰ নাম ৰতন্। ৰতনোৰ ঘৰো বৰুৱাৰ ঘৰৰ কাখোতে। ৰতনোৰ মাঘুৰা, ভোইদা আৰু ৰণে নামৰ তিন্‌তা বেতা আচিল। মাঘুৰা ৰৰবেতা, ভোইদা মাজ্‌কিলা বেতা আৰু ৰণে চোতবেতা। তিনতা ভাইৰ ভিতৰত ৰণে বৰো চুন্দৰ আচিল। ৰতন বুৰা বৰো গৰীব আচিল। বুৰাৰ দুইবিঘা মাতি এক্‌তা মাত্ৰ ঘৰ। তিন্‌তা বেতাৰ মাজত কুনতাক্ মাতি আৰু কুনতাক্ ঘৰ্‌তা দিলে থিক কৰিযা চলাযা খাব বুৰাই ভাবিয়া পাওৱা নাচিল।

ৰতন্ বুৰাই এক্‌তা বুদ্ধি কৰিল। একদিন ৰতন বুৰাই বেতা কযতাক ডাকেযা আনিযা কইল — "বাবাৰে, মই বুৰা হৈ আহিচুং। কুন দিনা মৰুং তাৰো থিক্‌না নাই। মুই মৰিলে তুমিৰা কি কৰিযা খাবি? এই জন্যে তুমিৰা তিন্‌তায বিদেচত জাযা কিবা এক্‌তা কামানি ভাল কৰিযা শিকিযা আয়। জায বেচি ভাল কৰিয়া নিজেৰ কাম কৰিবা পাৰি ওকে মোৰ ঘৰ্‌তা আৰু মাতি দুই বিঘা দিযা দিম।

(অনুবাদক — তৰুণীকান্ত ৰায, চাপৰ, ধুবুৰী)

৪ ১ ১ অসমীযা অভিধান আৰু আখৰ-জোঁটনি

জন্মৰ ক্ষণৰেপৰা বৰ্তমান কাললৈকে অসমীযা ভাষাই কেইবাটাও শতিকাৰ দেওনা পাৰ হৈ আহিছে। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰপৰা কালক্ৰমত বিৱৰ্তন লাভ কৰি উদ্ভূত অসমীযা ভাষাৰ প্ৰাচীনতম নিদৰ্শন খ্ৰীষ্টীয দশম-একাদশ শতিকামানত ৰচিত চৰ্য্যাপদসমূহে দাঙি ধৰে। তাৰো কেইটামান শতিকাৰ পাছত আমাৰ পূৰ্বকবি অপ্ৰমাদী মাধৱ কন্দলী, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী আদি প্ৰাচীন অসমীযা কবিসকলৰ সাহিত্যই পুৰণি অসমীযা সাহিত্যৰ ভঁৰালটো চহকী কৰি ৰাখিছে। ইযাৰ পাছতো শংকৰদেৱ, মাধৱদেৱ আৰু তেখেতসকলৰ অনুগামীসকলৰ ৰচনাৰাজি, বুৰঞ্জী আৰু ব্যৱহাৰিক জ্ঞানৰ সাহিত্যকে আদি কৰি বৰ্তমানলৈকে নিৰৱচ্ছিন্নৰূপে অসমীয়া সাহিত্য সৃষ্টি হৈ আহিছে। অসমীযা অভিধানৰ ক্ষেত্ৰত 'বৰ অম্ৰ' 'লতি অম্ৰ'ৰ কথা বাদ দিলেও ১৮৬৭ খ্ৰীষ্টাব্দত শিবসাগৰৰ আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছৰপৰা ডক্টৰ মাইলছ ব্ৰন্সনৰ 'অসমীযা আৰু ইংৰাজী অভিধান' নামেৰে অসমীয়া ভাষাৰ প্ৰথম অভিধানখন ছপা হৈ ওলায়। ইযাৰ পূৰ্বে যাদুৰাম ডেকা বৰুৱাই 'অসমীয়া অভিধান' নামেৰে এখন অভিধান প্ৰস্তুত কৰাৰ কথা শুনা যায যদিও প্ৰকাশ হৈ নোলাল। প্ৰায় চৈধ্য হাজাৰ শব্দেৰে সমৃদ্ধ ব্ৰন্সনৰ অভিধানৰ বানান পদ্ধতি আছিল প্ৰধানকৈ উচ্চাৰণভিত্তিক। অসমীয়া কথ্যভাষাৰ শ্ৰব্যৰূপকে তেনেদৰেই তেওঁৰ অভিধানত পদ নিৰ্ণয় কৰি অসমীয়া আৰু ইংৰাজী অৰ্থেৰে সন্নিবিষ্ট

কৰিছিল। তেওঁ লিংগভেদ কৰি দেখুৱাবলৈ যত্ন কৰা নাছিল আৰু উচ্চাৰণৰ ওপৰত ভেটি কৰাৰ বাবেই স্বৰৰ দীৰ্ঘ ৰূপে ভুমুকি মৰাৰ সুবিধা পোৱা নাছিল। 'ছ' আৰু 'য'ৰ ব্যৱহাৰ নাইকিয়া কৰি দিছিল আৰু শ, ষ, স এই উষ্ম কেইটাৰ কেৱল 'স' কহে তেওঁৰ অভিধানত স্থান দিছিল। তদুপৰি অসমীয়া কথ্যৰূপত সচৰাচৰ ব্যৱহাৰ হোৱা ইংৰাজী শব্দকো তেওঁৰ অভিধানৰ ভিতৰুৱা কৰি বাখিছিল। ব্ৰন্সনৰ বানান পদ্ধতিত তাম্ৰলিপি, শিলালিপি আৰু সাঁচিপতীয়া লেখনিসমূহে বহু পৰিমাণে সমৰ্থন দিয়া যেন লাগে। আনহাতেদি ব্ৰন্সনৰ অভিধান প্ৰকাশ পোৱা তেত্ৰিশ বছৰৰ পিছত ১৯০০ চনত হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' নামেৰে অভিধান এখনি ২২,৩৪৬ টা শব্দেৰে প্ৰকাশ পায়, যিখনৰ বানান পদ্ধতি আছিল ব্যুৎপত্তিমূলক বা মূলভিত্তিক। অন্য কথাত ক'বলৈ গ'লে ব্ৰন্সনৰ অভিধানৰ দৰে সি সম্পূৰ্ণকৈ উচ্চাৰণভিত্তিক নহয়। হেমকোষ অভিধান প্ৰণয়নত বাননৰ ক্ষেত্ৰত প্ৰকৃতপক্ষে হেমচন্দ্ৰ বৰুৱাই উচ্চাৰণ, ব্যুৎপত্তি বা মূল আৰু শিক্ষিত সমাজৰ পৰম্পৰাগত প্ৰচলন এই তিনিটা নীতিকেই সাধাৰণভাৱে অনুসৰণ কৰিছিল। হেমকোষৰ উপৰিও 'পঢাশলীয়া অভিধান' নামেৰে এখন স্কুলীয়া অভিধানো তেওঁ প্ৰস্তুত কৰিছিল। 'হেমকোষ' প্ৰকাশ পোৱাৰ তেত্ৰিশ বছৰৰ পিছত ১৯৩৩ চনৰ ফেব্ৰুৱাৰী মাহত ৩৬,৮১৯ টা শব্দেৰে তৃতীয়খনি অসমীয়া অভিধান 'হেমকোষ'ৰ আৰ্হিতেই 'চন্দ্ৰকান্ত অভিধান' নাম দি অসম সাহিত্য সভাই প্ৰকাশ কৰি উলিয়ায়। প্ৰাক্স্বাধীন কালৰ এইকেইখন অভিধানৰ কথা বাদ দিও স্বাধীনোত্তৰ কালতো ভালেকেইখন অসমীয়া অভিধান প্ৰকাশ হৈ ওলাইছে। তাৰে গিৰিধৰ শৰ্মাৰ 'অসমীয়া অভিধান' (১৯৫২), ড° সত্যেন্দ্ৰনাথ শৰ্মাই মুঠীয়াকৈ প্ৰকাশ কৰা 'ব্যৱহাৰিক শব্দকোষ' (১৯৭১) আৰু অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা 'আধুনিক অসমীয়া অভিধান' উল্লেখযোগ্য। অৱশ্যে অসমীয়া অভিধানবোৰ দল বিশ্লেষণ (syllabic analysis) আৰু উচ্চাৰণ বিশ্লেষণৰ (accent analysis) পৰা আঁতৰত থকাত আভিধানিক দৃষ্টিভংগীৰপৰা তেনেই নিখুঁত বুলি ক'ব নোৱাৰি। অন্যহাতেদি ভাষাৰ গাঁথনিক ৰূপৰ ওপৰতো তাহানি কালৰেপৰা অসমীয়া ভাষাত ভালেকেইখন ব্যাকৰণো প্ৰকাশ পাইছে। তাৰে ভিতৰত ১৮৩৯ খ্ৰীষ্টাব্দত শ্ৰীৰামপুৰ প্ৰেছৰপৰা Rev W Robinson-এ অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ *A Grammar of the Assamese Language* ছপা কৰি প্ৰকাশ কৰে। তাৰ পাছত ১৮৪৮ খ্ৰীষ্টাব্দত শিৱসাগৰৰ মিছন প্ৰেছৰপৰা ডক্টৰ নাথান ব্ৰাউনৰ *Grammatical Notes on the Assamese Language* প্ৰকাশ পায়। অসমীয়া ভাষাৰ এই ব্যাকৰণকেইখনৰ উপৰিও অধুনাকালতো ভালেকেইখন ব্যাকৰণ ৰচনা কৰা হৈছে। অসমীয়া ভাষা বৰ্তমানে ভাষা আৰু সাহিত্য দুয়োপিনৰেপৰাই চহকী বুলিব পাৰি। কিন্তু আদিম কালৰেপৰা এতিয়ালৈকে লক্ষ্য কৰিলে ভাষাটোত এটা সুসংহত আখৰ-জোঁটনিৰ ৰূপ পোৱা নাযায়। অসমীয়া ভাষাৰ অভিধানকেইখনেও তেনে এটা সুসংহত ৰূপ দিব পৰাকৈ বাট কাটি দিব পৰা নাই।

ব্ৰজনাথৰ অভিধানৰ আখৰ-জোঁটনিৰ লগত পৰৱৰ্তী অভিধান 'হেমকোষ' নাইবা 'চন্দ্ৰকান্ত অভিধান'ৰ কোনো মিল নাই। নাইবা তাৰো পৰৱৰ্তীকালত যুগুতোৱা অভিধানবোৰৰ ক্ষেত্ৰতো তদ্ৰূপ কথাই খাটে। সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত আখৰ-জোঁটনিয়ে বিশেষভাৱে ব্যাঘাত জন্মাব নোৱাৰিলেও ভাষা এটাৰ প্ৰসাৰ, প্ৰচাৰ আৰু বিকাশত ই যথেষ্ট পৰিমাণে ব্যাঘাত জন্মাব পাৰে। শব্দত ধ্বনিপ্ৰতীক ধ্বনি অনুগামী নহ'লে যেনেকৈ দ্ৰুতলেখনৰ পৰিপন্থী, সুসংহত আখৰ-জোঁটনিৰ অভাৱো তেনেকৈ ভাষা এটা সুস্থ সবল হোৱাৰ পৰিপন্থী।

অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ আহুকলীয়া সমস্যাটো ভালকৈ বিশ্লেষণ কৰি চালে দেখা যায় ই প্ৰধানকৈ বহুলাংশেই ধ্বনিমূলক। শব্দ এটা সৃষ্টি হওঁতে এটা বা ততোধিক ধ্বনি একেটা ক্ৰমতে এটা নিৰ্দিষ্ট ৰীতিত উচ্চাৰিত হয় আৰু তাত ধ্বনি প্ৰতীকৰূপে কিছুমান ধ্বনিচিহ্ন প্ৰয়োগ কৰা হয়, যাক আমি সাধাৰণতে আখৰ বুলি কওঁ। প্ৰকৃততে এই ধ্বনিচিহ্ন বা ধ্বনিপ্ৰতীকবিলাক উচ্চাৰণৰ ওপৰত নিৰ্ভৰ কৰি গঢ় লৈ উঠে আৰু শ্ৰুয়মান ভাষাক দৃশ্যমান ৰূপ দিবৰ বাবেহে এই ধ্বনিপ্ৰতীক বা ধ্বনিচিহ্নবিলাক ব্যৱহাৰ কৰা হয়। আন কথাত ক'বলৈ গ'লে উচ্চাৰণক ভিত্তি কৰিহে ধ্বনিপ্ৰতীক সৃষ্টি হয়, ধ্বনিপ্ৰতীকক ভিত্তি কৰি উচ্চাৰণ সৃষ্টি নহয়। সেই কাৰণে কোনো ভাষা লেখিবৰ বাবে ব্যৱহাৰ কৰা ধ্বনিপ্ৰতীক বা আখৰসমূহৰ সেই ভাষাৰ উচ্চাৰণৰ লগত সামঞ্জস্য থকা দৰকাৰ। সংস্কৃত ভাষাত ধ্বনিৰ উচ্চাৰণৰ লগত আখৰসমূহৰ বহুতো সামঞ্জস্য আছিল। তালব্য, মূৰ্ধণ্য, দন্ত্য আদি উচ্চাৰণবিলাক সংস্কৃত ভাষাত আছিল আৰু তাৰ বাবে সুকীয়াকৈ কিছুমান ধ্বনিপ্ৰতীক বা আখৰো যুগুতাই লোৱা হৈছিল। অসমীয়া ভাষা সংস্কৃতমূলীয় হ'লেও তালব্য, মূৰ্ধণ্য আদিৰ শুদ্ধ উচ্চাৰণ পোৱা নাযায়, সংস্কৃত 'শকুণ' শব্দৰপৰা অসমীয়া ভাষাত হোৱা 'শগুণ' শব্দত 'শ'ৰ উচ্চাৰণ তালব্য হোৱা নাই। মূৰ্ধণ্য আৰু দন্ত্যৰ উচ্চাৰণৰ পাৰ্থক্যও অসমীয়া ভাষাত ৰক্ষা কৰা নহয়। এইবোৰ অসমীয়া ভাষাত দন্তমূলীয় ৰূপেহে পোৱা যায়। তেনেকৈ 'চ', 'ছ' লেখাত ব্যৱহাৰ হ'লেও দুয়োটাৰে উচ্চাৰণ একেই। 'ছবি' আৰু 'চৰাই' শব্দ দুটাৰ 'চ' আৰু 'ছ'ৰ মাজত দৃশ্যমান ৰূপটোৰ বাহিৰে শ্ৰুয়মান গুণৰ কোনো ভেদ নাই। তেনেকৈ শ, ষ আৰু স তিনিওটা লেখাত ব্যৱহাৰ কৰিলেও উচ্চাৰণৰ পাৰ্থক্য দেখা নাযায়। শ্ৰেষ, পুষ্প, শিলা, আদি শব্দত 'শ', 'ষ' আৰু 'স'ৰ উচ্চাৰণ 'চ' ৰূপেহে হয়, উষ্মৰূপে নহয়। যুক্ত অৱস্থাত উষ্মকেইটাৰ উচ্চাৰণ 'চ' হৈ পৰে। বিশ, পঁচিশ আদি সংখ্যাবাচক শব্দবিলাক কিছু পচিছ্কৈহে উচ্চাৰণ হয়। অন্য ক্ষেত্ৰত তিনিওটাৰে উচ্চাৰণ এটা উষ্ম ৰূপেহে পোৱা যায়। তেনেকৈ জ, ঝ আৰু য, চ, ড ৰ ক্ষেত্ৰতো একে কথাই খাটে। ব্যঞ্জনৰ কথা বাদ দি স্বৰধ্বনিৰ ক্ষেত্ৰতো তদ্ৰূপ কথাই পৰিলক্ষিত হয়। ন-বৌ, ন-খান, ন-ছোৱালী, ব-লগা, ব-সূতা, মেজি শব্দবিলাকত 'অ' আৰু 'এ'ৰ উচ্চাৰণ কিছু দীঘল হ'লেও প্ৰকৃততে অসমীয়া

ভাষাত স্বৰৰ হ্ৰস্ব দীৰ্ঘৰ পাৰ্থক্য নাই। 'সিতা' আৰু 'সীতা' দুযোটাতে হ্ৰস্ব-ই কাৰ আৰু ঈ-কাৰ প্ৰয়োগ কৰিলেও উচ্চাৰণত কোনো পাৰ্থক্য ৰখা নহয়। এনেকৈ বিশ্লেষণ কৰিলে দেখা যায় যে অসমীয়া ভাষাত উচ্চাৰণৰ পিনৰপৰা লক্ষ্য ৰাখি আঠোটা স্বৰবৰ্ণ আৰু অৰ্ধস্বৰ দুটাক ধৰি তেইশটা ব্যঞ্জনবৰ্ণ পোৱা যায়, আৰু তাকে লেখিবলৈ আমি ৫১ টা ধ্বনিচিহ্ন বা আখৰ প্ৰযোগ কৰোঁ। অৰ্থাৎ অসমীয়া আখৰমালা উচ্চাৰণাত্মক নোহোৱা বাবে বৰ্ণৰ উচ্চাৰণ আৰু আখৰ এটা কৌণিক দিশত গতি কৰিছে যাৰ ফল স্বৰূপে ন-শিকাৰুসকলে এটা দোমোজাত পৰিব লগা হয়।

কেৱল যে অসমীয়া ভাষাতেই বৰ্ণৰ সংখ্যাতকৈ আখৰৰ সংখ্যা সৰহ এনে নহয়। পৃথিৱীৰ সৰ্বাধিক ঠাইত প্ৰচলিত ইংৰাজী ভাষাটোতো আসোঁৱাহ নোহোৱা নহয়। ইযাত Change, Examination, Psalm আদিত Ch, ti, Ps অৰ উচ্চাৰণ একে। Censor, Cell, Cease, আদিত C ৰ উচ্চাৰণ চ ৰূপে পোৱা যায়। Casual বুলিলে C ৰ উচ্চাৰণ ক ৰূপে পোৱা যায়। তেনেকৈ Ch ৰ উচ্চাৰণ বহুতো সময়ত 'ক' হয়, — Chemistry। ইংৰাজী ভাষাৰ 'ফ'ৰ উচ্চাৰণ অসমীয়া ভাষাৰ 'ফ'ৰ উচ্চাৰণৰ দৰে দ্বৌষ্ঠ্য নহয়। ইংৰাজী ভাষাত 'f' ৰ উচ্চাৰণ দন্তৌষ্ঠ্যৰূপে পোৱা যায় আৰু তাক লেখিবলৈ f, gh, ph, lf আদি ধ্বনিচিহ্ন প্ৰযোগ কৰা হয়। সেযে ghoti শব্দটো আমি fis (ফিচ) বুলিও উচ্চাৰণ কৰিব পাৰোঁ। কিযনো rough, laugh আদি শব্দত gh অৰ উচ্চাৰণ f ৰূপেহে পোৱা যায়। Women অৰ 'O ৰ উচ্চাৰণ যেনেকৈ 'ই' হৈছে, তেনেকৈ examination, contamination আদিত 'ti' ৰ উচ্চাৰণ চ/শ হৈছে। এইবোৰ অসুবিধা আঁতৰ কৰিযেই ইংৰাজ ভাষাবিদসকলে The linguist saw the pelican বাক্যটো de 'linguist Sɔ də pe-likən বুলি ধ্বনি অনুসৰি ধ্বনিপ্ৰতীক ব্যৱহাৰ কৰি লেখে। পৃথিৱীৰ সৰ্বাধিক ঠাইত প্ৰচলিত ভাষাও এনে সমস্যাৰপৰা মুক্ত হ'ব পৰা নাই, সেই আপাহতে অসমীয়া ভাষাৰ এনে সমস্যাৰ কথা আওকাণ কৰিলে ভাষাটোৰ সুস্থতা বহু পৰিমাণে কমি যাব। মুঠতে অসমীয়া ভাষাৰ প্ৰসাৰ, প্ৰচাৰ আৰু বিকাশৰ প্ৰতি লক্ষ্য ৰাখি বিজ্ঞানভিত্তিক বৰ্ণমালা আখৰ-জোঁটনিত প্ৰযোগৰ প্ৰযোজন অতি প্ৰকট হৈ পৰিছে যাৰ ফল স্বৰূপে ণত্ববিধি আৰু ষত্ববিধিৰ দৰে বিধিবোৰৰ প্ৰযোজন বৰ্তমানে কাল্পনিক আৰু ধৰিলোৱা কথা যেন অনুভৱ হৈ পৰে।

আখৰ-জোঁটনিলৈ লক্ষ্য ৰাখি অসমীয়া ভাষাত বিজ্ঞানভিত্তিক বৰ্ণমালাৰ প্ৰযোগ আৰু ণত্ববিধি ষত্ববিধি অপ্ৰযোগে অৱশ্যে অৰ্থবোধনত খেলিমেলি লগোৱাৰ আশংকা নোহোৱা নহয়, নাইবা মূলৰ লগতো বিসংগতি যেন লাগিব পাৰে। অৱশ্যে অসমীয়া ভাষাত একেধৰণৰ কিছুমান শব্দ পোৱা যায়, যিবোৰৰ অৰ্থ প্ৰযোগৰদ্বাৰাইহে স্পষ্ট হয়। 'তৰা' শব্দটিযে বহুতো ধৰণৰ অৰ্থ আমাৰ মনলৈ আনি দিব পাৰে। (আকাশৰ) তৰা, তৰা (গছ), (পাল) তৰা, (বিপদত) তৰা ইত্যাদি। কিন্তু বাক্যত প্ৰযোগ হোৱাৰ পাছত তাৰ

অৰ্থবোধনত একো খেলিমেলি নহয়। অসমীয়া ভাষাৰ পুৰণি সাঁচিপতীয়া পুথিবিলাকত ‘শিৱ’ শব্দটো ‘সিৱ’ বুলিও লেখা পোৱা যায় কিন্তু অৰ্থ পাওঁতে আমাৰ একো অসুবিধা নহয়। নাইবা ব্ৰন্সনৰ অভিধানত সন্নিবিষ্ট শব্দবিলাকৰ অৰ্থ পাওঁতেও একো অসুবিধা নহয়। পুঠি আৰু পুথি শব্দ দুটাৰ যিকোনো এটা ৰূপ গ্ৰহণ কৰিলে অৰ্থৰ খেলিমেলি হোৱাটো স্বাভাৱিক কিন্তু পাঠ্য-পুথি আৰু মাছ-পুঠি বুলিলে আমাৰ অৰ্থবোধনত একো বিজুতি নালাগে। অৰ্থাৎ প্ৰযোগেহে শব্দৰ অৰ্থ অধিক স্পষ্ট কৰি তোলে। এই শব্দবিলাকৰ উচ্চাৰণ একে আৰু শুনোতে অভিন্ন যেন লাগিলেও যেনেকৈ অৰ্থবোধনত অসুবিধা নহয় তেনেকৈ আখৰ-জোঁটনিৰ অভিন্নৰূপে পাঠকক অৰ্থবোধনত অসুবিধা ঘটাব নোৱাৰে বুলি আমাৰ ধাৰণা। কিন্তু মনত ৰাখিব লাগিব যে পৃথিৱীৰ কোনো ভাষাই স্থিতিশীল নহয় । গতিকেই ভাষাৰ জীৱন আৰু স্থিতিযেই তাৰ মৃত্যু। গতিশীল ভাষাৰ উচ্চাৰিত ধ্বনি সদায় একেদৰেই নাথাকে। বৰ্ণমালাৰ সলনিৰ লগে লগে আখৰ-জোঁটনিৰ ৰূপটো সঘনে সলনি কৰি থাকিলে ভাষা এটা সবল হোৱাৰ পৰিৱৰ্তে দুৰ্বলহে হৈ পৰিব আৰু ভাষাটোৱে নিজস্ব গুণগত মৰ্যাদাও হেৰুৱাই পেলাব। এই সকলোবোৰ কথা বিবেচনা কৰিযেই হয়তো হেমচন্দ্ৰ বৰুৱাই উল্লিখিত তিনিটা নীতি অনুসৰণ কৰিছিল। অৱশ্যে এইটো কথাও ঠিক যে চন্দ্ৰবিন্দুৰ প্ৰযোগ, ৰেফ আদিৰ প্ৰযোগ, দ্বিত্ব, য-কাৰ যুক্ত আদি সমস্যাবিলাক আমি সহজেই নিৰাময় কৰিব পাৰোঁ। ঠিক তেনেকৈ নালাগে/নেলাগে, আন্ধাৰ/এন্ধাৰ, আঠা/এঠা, হাজাৰ/হেজাৰ আদিৰ দৰে আসোঁৱাহবোৰ ধ্বনিমূলক আলোচনা-বিলোচনাৰ জৰিয়তে নিষ্পত্তি ঘটাব পাৰোঁ। অসমীয়া ভাষাত দুটা আ ধ্বনি ওচৰা-উচৰিকৈ থাকিলে আদি অক্ষৰৰ ‘আ’ বিকল্পে ‘এ’ ৰূপেও উচ্চাৰিত হয়, কিন্তু সমীভৱনৰ ৰূপটোলৈ চাই এইবোৰ নালাগে, আন্ধাৰ, আঠা, হাজাৰ আদি কৰি ৰাখিব পাৰি। তেনেকৈ নেতিবাচক ন- ক্ৰিযাত যুক্ত হলে ক্ৰিযাটোৰ আদি ব্যঞ্জনৰ পৰৱৰ্তী স্বৰ অনুযায়ীহে সমীভূত হয়। যেনে — ন + কৰে = নকৰে, ন + খায = নাখায, ন + গিলে নিগিলে, ন + শুৱে = নুশুৱে । অৱশ্যে দ্বিস্বৰৰ ক্ষেত্ৰত ইযাৰ ব্যতিক্ৰম লক্ষ্য কৰিবলগীয়া। যেনে — ন + গৈছে = নগৈছে, ন + কৈছোঁ = নকৈছোঁ ইত্যাদি। আলোচনা বিলোচনাৰ জৰিযতে একেধৰণৰ আসোঁৱাহবোৰ নিষ্পত্তি কৰিব পাৰিলেও অসমীয়া ভাষাৰ আখৰ জোঁটনিৰ কিছু বেমেজালি যে আঁতৰি যাব ই ধুৰুপ।

৪ ১ ২ নাগামিজ ভাষা

উনৈশ শ তেষষ্টি চন। পহিলা ডিচেম্বৰ। এই দিনটো কেৱল অসম বা নগাভূমিৰ বাবেই নহয় সমগ্ৰ ভাৰতৰ বাবেই এটা স্মৰণীয় দিন। এইটো দিনতেই ভাৰতৰ ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে এখন নতুন ৰাজ্য ঘোষণা কৰি কৈছিল, “Let all past rancour and misunderstanding be forgotten and let a new chapter of progress, prosperity and good will be written on a page which begins

to-day । ভাৰতীয় সংবিধানত ষোড়শ ৰাজ্যৰূপে স্বীকৃতি পোৱা সেই ৰাজ্যখনেই হ'ল তাহানিৰ আমাৰ বৰ অসমৰে জীয়াৰী নগাভূমি, যাক সহজ কথাত নগাপাহাৰ বুলি ক'লে আমি বুজি পাওঁ। বগা বঙালৰ ভাষাত সেইখনেই 'নাগালেণ্ড' যিখন সাম্প্রতিক কালত প্রশাসনীয় কাৰণবশতঃ কহিমা, মোকক্চাং, টুৱেনচাং, ওখা, জুন্হেবট', ফেক আৰু মন এই সাতখন জিলাত ভাগ কৰি লোৱা হৈছে। সাধাৰণতে ক'বলৈ গ'লে এই ৰাজ্যৰ অধিবাসী নগাসকল পূবপিনে ডিব্রুগড় জিলাৰ বুঢ়ীদিহিং আৰু চিংফৌ ৰাজ্যৰপৰা পশ্চিমে নগাঁও জিলাৰ কপিলী নৈলৈকে সমগ্ৰ পাহাৰ অঞ্চলত বিযপি আছে। গতিকে ডিব্রুগড়, শিৱসাগৰ আৰু নগাঁৱৰ কাষৰ পাহাৰীয়া গোটেই অঞ্চলটোত নগাসকল বাস কৰে। পাটকাই পৰ্বতৰ উত্তৰ কাষতো নগাসকলৰ বসতি দেখা যায়।

নগাভূমিত বাস কৰা লোকসকলক সাধাৰণতে নগাজনজাতি বুলি জনা গ'লেও প্রকৃতপক্ষে ই বহুতো নগাগোষ্ঠীৰ এটা সমূহীয়া নামহে। বিভিন্ন অঞ্চলত থূপ খাই থকা ইন্দো-মংগোলীয় নৃগোষ্ঠীৰ এই মুঠি মানুহৰ ঘাই ঘাই উপগোষ্ঠীবিলাক হ'ল কন্যাক, আংগামী, আও, চেমা, লোঠা, চাখেচাঙ, ফোম, যিমচুংগ্রি, ৰেংমা, চাঙ চংতাম, জেলিযাং, পচুৰি, খেমুংগাৰ আদি। এইবোৰৰ ভিতৰত কন্যাকসকলেই সংখ্যাগৰিষ্ঠ। এই চৈধ্যটা প্রধান উপগোষ্ঠীৰ মাজতো কিছুমান সৰু সৰু ঠাল পোৱা যায়। উদাহৰণ স্বৰূপে জেমী আৰু লিযাংমেই দুটা বেলেগ বেলেগ ভাষা কোৱা নগা জনগোষ্ঠী, 'জেলিযাং' বুলি ক'লে এই দুযোটা উপগোষ্ঠীকেই বুজায়। 'জেলিযাং' শব্দটো জেমি আৰু লিযাংমেই শব্দ দুটাৰ সংযোগত সৃষ্ট। তেনেকৈয়ে চাখেচাঙ উপজনজাতিয়ে তিনিটা উপগোষ্ঠীকে সাঙুৰি পেলায়। সেই কেইটা হ'ল চোকৰি, খেঝা আৰু চংতাম-পচুৰি। তিনিওটা উপগোষ্ঠীৰে বেলেগ বেলেগ নিজা ভাষা আছে। অৱশ্যে তিনিওটাৰ ভিতৰত চোক্ৰি ভাষাৰেই প্রাধান্য। চাখেচাঙ্ শব্দটো এই তিনিওটা উপগোষ্ঠীক বুজোৱা শব্দকেইটাৰ সংমিশ্ৰণত সৃষ্ট —(চোক্ৰি + খেঝা + চংতাম-পচুৰি > চোখেচং বা চোখেচঙ > চাখেচাঙ্) আওসকলৰ ভিতৰতো চুংলি আৰু মংচেম্ নামৰ দুটা প্রধান ঠাল আছে। ইযাৰ বাহিৰেও চাংকি আওসকলৰে অন্য এটা ঠাল। এই তিনিওটাৰ মাজতো ভাষাৰ সামান্য পাৰ্থক্য দেখা যায়। এই তিনিওটা ঠালৰ ভিতৰত চুংলিসকলৰ ভাষাৰেই প্রাধান্য। এইবোৰৰ উপৰি ৰোংমেই, কছাৰী, মকৰাৰ, তিৰখিৰ, চীন, মাও, নেপালী ভাষা-ভাষী লোকৰ ঠালো পোৱা যায়। এনেকৈ হিচাপ কৰি চালে নগাভূমিত কুৰিটাৰ অধিক সম্প্রদায় আৰু প্রায় একুৰি ছটামান ভাষাৰ ঠাল পোৱা যায়। এইবোৰৰো আকৌ প্রত্যেকৰে উপভাষাগত পাৰ্থক্য নোহোৱা নহয়। নক'লেও হ'ব যে নগাভূমি পাৰস্পৰিক বোধগম্যহীন বহু ভাষাৰ ৰাজ্য। প্রতিটো ভাষা সম্প্রদায়ে নিজৰ মাজত ভাবৰ আদান প্রদানৰ বাবে নিজা নিজা কথিত ভাষাকেই ব্যৱহাৰ কৰে। এটা ভাষা-সম্প্রদায়ৰ ভাষা অন্য এটা ভাষা-সম্প্রদায়ৰ বাবে অবোধ্য। এহাতেদি প্রকৃতিৰ বাধা আৰু অন্যহাতেদি আক্রমণ তথা মুৰচিকাৰৰ ভয়, এইবোৰৰ বাবেই নগাসকল

তেওঁলোকৰ বিভিন্ন জনগোষ্ঠীৰ সান্নিধ্যলৈ আহিব পৰা নাছিল। ফল স্বৰূপে নিজৰ জনগোষ্ঠীৰ মাজতেই সীমাবদ্ধ হৈ থকা তেওঁলোকৰ প্ৰত্যেকৰে ভাষাবোৰ পৰস্পৰৰ বাবে একোটাইঁত বিৰাট প্ৰাচীৰৰ দৰে থিয় হৈ ৰ'ল। একোটা জনগোষ্ঠীৰ ভাষা অন্য এটা জনগোষ্ঠীয়ে সমূলি নুবুজে। সেয়ে নগাভূমিৰ ভাষাৰ অধ্যাযটো অতি আমোদজনক।

চৰকাৰী প্ৰশাসনীয ব্যৱস্থাই নগাপাহাৰত গা কৰি উঠাৰ লগে লগেই বিভিন্ন উন্নযনমূলক আঁচনি কাৰ্যকৰী হবলৈ ধৰিলে। যাতাযাতৰ সুচল হ'ল, দোকান-পোহাৰৰ ব্যৱস্থা হ'ল, পঢ়াশালি স্থাপিত হ'ল। থলুৱাই হওক বা নগাভূমিৰ বাহিৰৰেই হওক, বিভিন্ন ঠাইৰ লোকক চাকৰিৰ বাবে মকৰল কৰা হ'ল। খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ প্ৰচেষ্টা চলিল। ফল স্বৰূপে নগাসকলে দৈনন্দিন জীৱনত অন্য ভাষা-ভাষী লোকৰ লগত ভাবৰ আদান প্ৰদান কৰি চলিব লগা হ'ল। স্বাভাৱিকতে বহিৰাগতৰ বা অন্যভাষীৰ লগত নগাসকলৰ ভাবৰ আদান-প্ৰদানৰ সমস্যা আহি পৰিল। বহিৰাগতৰ লগত দেখা দিযা এই সমস্যাটো থলুৱা বিভিন্নভাষী নগাসকলৰ মাজতো দেখা দিলে। এইখিনিতে উল্লেখযোগ্য যে ভৈযামৰ কাষৰীযা পাহাৰৰ নগাসকলৰ লগত অসমীযা ভাষী লোকৰ দীৰ্ঘদিনীযা সম্পৰ্ক আছিল। অৱশ্যে নগাভাইসকলৰ লগত অসমীযাৰ এই সম্পৰ্ক আছিল আহোমৰ দিনতেই বেছি। কিযনো ইযাৰ আগতে চতুৰ্থ আৰু দ্বাদশ শতাব্দীৰ কামৰূপৰ হিন্দু ৰজাসকলৰ দিনত নগাসকলৰ লগত থকা অসমীযাৰ সম্পৰ্কৰ সাক্ষ্য বুৰঞ্জীযে নিদিযে। ইতিহাসৰ এই কালছোৱাত অসমত দুই এক নগাৰ বিচৰণৰ বাহিৰে কোনো শৃংখলাবদ্ধ উল্লেখ বুৰঞ্জীত পোৱা নাযায। সেইবাবে নগাসকলৰ লগত অসমীযাৰ সম্পৰ্কৰ কথা আলোচনা কৰিবলৈ হ'লে আমি আহোমৰ দিনলৈ পিছুৱাই আহিব লগা হয। হুট্টন আৰু গেইট চাহাবৰ মতে আহোমসকল প্ৰথম সান্নিধ্যলৈ অহা নগা জনজাতিটো হ'ল পূবৰ নগা জনজাতি। আহোম বুৰঞ্জীত নগাসকলৰ কথা সঘনাই পোৱা যায। ত্ৰযোদশ শতাব্দীৰ আৰম্ভণিতে অসমত আহোম ৰাজ্য স্থাপন কৰা আদি ৰজা চুকাফা এই নগাভূমিৰ মাজেৰেই অসমলৈ অহাৰ কথা বুৰঞ্জীত পোৱা যায। সপ্তদশ শতিকাৰ পিনে আহোমসকলৰ লগত নগাসকলৰ সম্পৰ্ক যথেষ্ট উন্নত হোৱা পৰিলক্ষিত হয।

চুচিন্‌ফা, নৰিযাৰজা বা চুত্যন্‌ফাৰ (১৬৪৪ খ্ৰী — ১৬৪৮ খ্ৰী) দিনত কেইজনমান খামজঙ্গীযা নগা আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁৱলৈ আহি ৰজাৰ আগত আঁঠু লৈ কেইখনমান নগা গাঁৱৰ বিপক্ষে আহোম ৰজাৰ সহায ভিক্ষা কৰিছিল। সপ্তদশ শতিকাৰ আগলৈকে দিখৌ আৰু বুঢ়ীদিহিং নৈৰ মাজত বাস কৰা নগাসকলৰ লগতেই আছিল আহোমসকলৰ সম্পৰ্ক বেছি। অৱশ্যে সপ্তদশ শতিকাৰ শেহৰফালে গদাধৰ সিংহৰ (১৬৮১ খ্ৰী — ১৬৯৬ খ্ৰী) দিনত দৈযাং উপত্যকাত বাস কৰা লোঠা নগাৰ লগত অসমীযাৰ সম্পৰ্ক ঘটিছিল।

ইয়াৰ পৰৱৰ্তী কালছোৱাত অসমত ইংৰাজ শাসনৰ দিনতো আংগামী নগাসকলৰ

বিপক্ষে ব্রিটিছ্ চৰকাৰে দমনৰ বাবে এদলৰ পাছত অন্যদল সৈন্য পঠোৱাৰ কথা মিলৰ ৰিপৰ্টত আছে। তথাপি ঠায়ে ঠায়ে নগাসকলৰ লগত সুন্দৰ সম্বন্ধৰ কথা পোৱা যায়। পশ্চিমৰ নগাসকলে ভৈয়ামলৈ কপাহ, আদা, জলকীয়া আৰু পূবৰ নগাসকলে নিমখ আনিছিল আৰু যাওঁতে ভৈয়ামৰপৰা লৈ গৈছিল চাউল, হাঁহ-কুকুৰাৰ দৰে যাৱতীয় সামগ্রী। ভৈয়ামৰ লগত বেহা-বেপাৰৰ প্রতি থকা নগাসকলৰ এই আগ্রহলৈ লক্ষ্য ৰাখিযেই কেপ্টেইন বাট্‌লাৰে ব্রিটিছ্ চৰকাৰক ডিমাপুৰত এখন হাট বহুৱাবলৈ পৰামৰ্শ আগবঢাইছিল। শিৱসাগৰ জিলাৰ কাষৰীয়া নগাসকলৰ লগত ব্রিটিছ্ শাসনৰ কালছোৱাত সুন্দৰ সম্বন্ধ আছিল। এইদৰে বিভিন্ন ৰাজনৈতিক আৰু বাণিজ্যিক কাৰণবশতঃ ধাৰাবাহিকভাবে পাহাৰৰ নগাসকলে ভৈয়ামৰ অসমীয়া ভাষীসকলৰ লগত ভাবৰ আদান-প্রদান কৰি চলিব লগা হৈছিল। ফল স্বৰূপে অসমীয়া ভাষাই নগা ভাইসকলৰ মুখত এটি নতুন ৰূপ লৈ নগাভূমিত গা কৰি উঠিল যিটো ভাষা বৰ্তমানে নগাপাহাৰৰ বিভিন্ন উপগোষ্ঠীৰ মাজত কথোপকথনৰ মাধ্যম হিচাপে শিক্ষিত আৰু অশিক্ষিত ভেদে ব্যৱহাৰ কৰি আহিছে।

নগাসকলৰ লগত ভৈয়ামৰ অসমীয়াসকলৰ দীৰ্ঘদিনীয়া সম্পৰ্কৰ ফল স্বৰূপে উভযপক্ষই পাৰস্পৰিকভাৱে উপকৃত হ'ল। এহাতেদি নগাভূমিত সংযোগীভাষা হিচাপে নাগামিজৰ বিকাশ আৰু প্ৰসাৰণ, আনহাতেদি অসমীয়া ভাষাৰ খণ্ডবাক্য, প্ৰবচন, শব্দভাণ্ডাৰ আদিত নগাসকলৰ যথেষ্ট সমল সোমাই পৰিল। এইবোৰত কেতিযাবা 'নগা' শব্দৰ প্ৰযোগে নতুন ব্যঞ্জনামযতাও দান কৰিলে, 'নগাটো চাই হোৰাটো', 'নগাৰ চাং তলেৰেহে বাট,' 'কণাৰ কি দিন ৰাতি নগাৰ কি সংক্ৰান্তি,' 'নগাৰ চকু পৰ্বতলৈ,' 'সজালোঁ পৰালোঁ নগাই নিযে বুলি নগাযো নিনিলে মাজডাঙৰী বুলি,' 'নাগিনীযে ল'ৰা পায নগাই জাল খায' ইত্যাদি প্ৰবচন, নগাকটা দিযা, নগাক বেচা, নগাৰ নিৰ্মালি, নগা শোৱন আদি খণ্ডবাক্য আৰু নগাঢাৰি, নগা দা, নগা যাঠী, নগা জাপি, নগা মাকোঁ, নগা ঘা, নগা জাহিঙীযা ধান, নগা আহু, নগা পাণ, নগা টেঙা, নগা মোহনি ভাং, নগা কচু, নগা জেনেৰু, নগা মাহ, নগা ওদাল গছ, নগা ছালি, নগাকটকী, নগাকোঁৱৰ, নগা মজিন্দাৰ, নগা আলি, নগাবাট, নগাচকী, নগামুৱা, নগাখাত, নগাঘুলি ইত্যাদিৰ বিশ্লেষণৰপৰা এই কথা স্পষ্ট হয যে নগাসকলৰ সান্নিধ্যই অসমীয়া ভাষাক সমৃদ্ধিশালী কৰি তোলাত যথেষ্ট অৰিহণা যোগাইছে আৰু লগতে নগাসকলৰ লগত যে অসমীয়াৰ সম্পৰ্ক সুদূৰপ্ৰসাৰী তাক সহজে অনুমেয কৰি তুলিছে।

এই দীৰ্ঘদিনীযা সম্পৰ্কৰ উপৰিও ব্ৰিটিছ্ চৰকাৰৰ দিনত নগাভূমিৰ প্ৰাথমিক স্কুলত অসমীয়া ভাষাৰ শিক্ষা দিযা হৈছিল। ফল স্বৰূপে তেওঁলোকে দুই এটা ভগা ভগা অসমীয়াৰে অন্যভাষীৰ লগত পাৰ্যমানে ভাব প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিল। এটা ভাষা কোৱা নগাজনগোষ্ঠীৰ বাবে অন্য এটা ভাষা কোৱা নগাজনগোষ্ঠীৰ লোকো বহিৰাগতৰ

দৰেই পৰিগণিত হৈছিল। গতিকে বহিৰাগত বা অন্যভাষীৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ হ'লেই এই ভঙা অসমীয়া মাধ্যমটোক গ্ৰহণ কৰিছিল ! এইদৰে যুগ যুগ ধৰি ভগা ভগা অসমীয়াকেই ভাবৰ আদান-প্ৰদান কৰাৰ ফলত তাত অসমীয়া ভাষাই এটা নতুন ৰূপত বিকাশ লাভ কৰে, যিটোক তেওঁলোকে 'নাগামিজ' বুলি চিনাকি দিযে। নাগামিজ তেওঁলোকৰ বাবে হৈ উঠিল "Never mind our bad Assamese, we speak good broken Assamese"। 'নাগামিজ' শব্দটো Naga + Assamese শব্দ দুটাৰ মিশ্ৰণত সৃষ্টি আৰু ই কহিমাৰ অনাতাঁৰ কেন্দ্ৰত মুদ্ৰিত।

নাগামিজ ভাষাটোৰ নগাভূমিত দ্ৰুত প্ৰসাৰণ ঘটিছে। ৰাজনীতিকে বিভিন্ন জনগোষ্ঠীৰ মাজত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিবৰ বাবে, অন্য ভাষা কোৱা শিক্ষকে থলুৱা নগাছাত্ৰক বুজাবৰ বাবে, সদনত প্ৰশ্ন উত্থাপন কৰোঁতে, বিভিন্ন কাৰ্যালযৰ বিভিন্ন পৰ্যাযৰ কৰ্মচাৰীৰ লগত কাম-কাজ চলোৱা সুচলৰ বাবে, বহিৰাগতৰ লগত ভাবৰ আদান-প্ৰদান আৰু দোকান-পোহাৰ আদিৰ বাবে নাগামিজ ভাষাৰ বহুল প্ৰযোগ মন কৰিবলগীযা। ইংৰাজী ভাষা চৰকাৰী কাৰ্যালযৰ ভাষা হ'লেও নাগামিজ ভাষাও চৰকাৰী প্ৰশাসনীয কাম-কাজত আংশিকভাৱে ব্যৱহাৰ কৰা হয। এই ভাষাটোৰ প্ৰসাৰণ কি কি পৰিস্থিতিত ঘটিছে তাক বিশ্লেষণ কৰিলে তিনিটা পৰিস্থিতি দেখা যায।

(ক) এটা নগাভাষা কোৱা উপজনজাতিৰ লগত অন্য এটা নগাভাষা কোৱা উপজাতিৰ ভাবৰ আদান-প্ৰদান, (নগা + নগা)।

(খ) নগাসকলৰ লগত অনা-নগাসকলৰ ভাবৰ আদান-প্ৰদান, (নগা + অনা-নগা)।

(গ) এটা বেলেগ ভাষা কোৱা অনা-নগাৰ লগত অন্য এটা ভাষা কোৱা অনা নগাৰ ভাবৰ আদান-প্ৰদান, (অনা-নগা + অনা-নগা)।

এই তিনিওটা পৰিস্থিতিতেই নাগামিজ ভাষাটোৱে দ্ৰুত প্ৰসাৰণ লাভ কৰিছে।

নগাপাহাৰত ব্ৰিটিছ শাসনৰ পাছৰেপৰাই নাগামিজ ভাষাই নগাসকলৰ সামাজিক জীৱনত যথেষ্ট ঠাই আগুৰিলে। কিযনো প্ৰশাসনীয ব্যৱস্থাৰ কাৰণে ব্ৰিটিছ চৰকাৰে 'অসম পুলিচ' আৰু 'অসম ৰাইফলছ' নগাভূমিত ৰাখিব লগা হৈছিল। এইবোৰৰ প্ৰাযভাগ মানুহেই অসমীযা ভাষী আছিল আৰু তেওঁলোকৰ বেছিভাগেই কামৰূপ আৰু গোৱালপাৰা জিলাৰ। তদুপৰি প্ৰশাসনীয অন্যান্য কৰ্মচাৰীসকলৰো বেছিভাগ অসমৰে আছিল। ব্ৰিটিছৰ শাসন, অসমীযাৰ বাহিৰেও হিন্দী, বঙলাভাষী প্ৰশাসনীয ব্যক্তি আৰু খ্ৰীষ্টান ধৰ্মৰ প্ৰাদুৰ্ভাবৰ ফলত নাগামিজত অসমীযা শব্দৰ বাহিৰেও হিন্দী ইংৰাজী আৰু থলুৱা শব্দ বৈ গৈছে। কিন্তু লক্ষ্য কৰিবলগীযা কথা, নাগামিজৰ বাক্যবিন্যাস পদ্ধতি অসমীযা ভাষাৰ আৰু উচ্চাৰণ পদ্ধতি বহুপৰিমাণে নামনি অসমৰ ওচৰ চপা। অৱশ্যে নাগামিজ ভাষাটোৰ বাক্যগঠন অসমীযা ভাষাৰ দৰে হ'লেও ধ্বনি, ৰূপৰচনা আৰু শব্দমালাৰ

ক্ষেত্ৰত থলুৱা প্ৰয়োগ আৰু থলুৱা ৰূপ গ্ৰহণ কৰাত ভাষাটো প্ৰথম অৱস্থাতে সহজে বুজাত অসমীয়াভাষীৰ বাবেই জটিল হৈ পৰিছে। এই ক্ষেত্ৰত Landtman এ Pidgin English অৰ সম্পৰ্কে কোৱা কথা এবাৰ প্ৰণিধানযোগ্য। তেওঁ কৈছে "The native use of pidgin English lays down the rules by which the Europeans let themselves be guided when learning it Even Englishman donot find it quite easy at the begining to understand Pidgin English, and have to learn it before they are able to speak it properly" এইবাৰ কথা নাগামিজৰ বেলিকাও প্ৰযোজ্য।

নাগামিজ ভাষাটোৰ কথিত ৰূপত প্ৰধানকৈ তিনিটা ৰূপ লক্ষ্য কৰা যায। সেই তিনিটা হৈছে (১) ধ্বনিৰ পৰিবৰ্তিত ৰূপত অসমীয়া শব্দৰ অধিক সমাবেশত প্ৰকাশ পোৱা নাগামিজ ভাষা (২) হিন্দী, নেপালী নাইবা অন্যান্য থলুৱা নগাভাষাৰ প্ৰচুৰ শব্দ প্ৰযোগত কোৱা নাগামিজ আৰু (৩) ইংৰাজী শব্দ অধিক প্ৰযোগেৰে কোৱা নাগামিজ ভাষা। ইযাৰে তৃতীযবিধ ৰূপৰ নাগামিজ প্ৰধানকৈ শিক্ষিত সম্প্ৰদাযৰ মাজতহে লক্ষ্য কৰা যায। এইখিনিতে এই কথা উল্লেখযোগ্য যে নাগামিজ ভাষাটোৰ উচ্চাৰণ পদ্ধতি আৰু কথনভংগীত সম্পূৰ্ণৰূপে থলুৱা ৰূপ পৰিগ্ৰহণ কৰাটো লক্ষণীয কথা। চীন দেশৰ ভাষা Chinese, বাৰ্মাৰ ভাষা Burmese, অসমৰ ভাষা Assamese আদি শব্দৰ দৰেই তেওঁলোকে নাগালেণ্ডৰ ভাষা Nagamese বুলি বিবেচনা কৰে। ই অৰুণাচলৰ 'অৰুণামিজ' ভাষা নাইবা অসমৰ ভিতৰত বসবাস কৰা নগাসকলে কোৱা অসমীয়া ভাষাৰ দৰে একে নহয। অৰুণামিজ আচলতে অৰুণাচল প্ৰদেশত প্ৰচলিত অসমীয়া ভাষাই। পূৰ্বে ইযাক 'নেফামিজ' বুলি কোৱা হৈছিল। সংস্কৃতীযা তৎসম শব্দ পাৰ্যমানে পৰিহাৰ কৰি সৰল তদ্ভৱ অসমীয়া শব্দৰ প্ৰযোগ অৰুণামিজ ভাষাৰ প্ৰধান বৈশিষ্ট্য। উদাহৰণ স্বৰূপে 'বৈদেশিক মন্ত্ৰী' বুলি নকৈ 'বাহিৰৰ্লে অহা-যোৱা মন্ত্ৰী' নাইবা ইংৰাজীতে Foreign Minister বুলি উল্লেখ কৰে। উচ্চাৰণ পদ্ধতিত সামান্য থলুৱা প্ৰলেপ থাকিলেও মূল অসমীয়া ভাষাটোৰ লগত অৰুণামিজৰ মিল অধিক, যিটো নাগামিজ ভাষাৰ ক্ষেত্ৰত দেখা নাযায।

নাগামিজ আৰু নেফামিজৰ তুলনা :

এইখিনিতে নেফামিজ আৰু নাগামিজৰ পাৰ্থক্য কেইটামান দেখুওৱা হ'ল। নক'লেও হ'ব যে বাৰখন জিলাৰে গঠিত অৰুণাচল প্ৰদেশৰ মুঠ ৮,৬৪,৫৫৮ জনসংখ্যা (১৯৯১ লোকপিযল অনুসৰি) ২৫ টা জনগোষ্ঠীত বিভক্ত। এই পঁচিশটা জনগোষ্ঠী ইণ্ডো-মংগোলীয ঠালৰ বুলি ঠাৱৰ কৰা হৈছে। ইপিনে চৰকাৰী হিচাপত ৰাজ্যখনত তিব্বত-বৰ্মী পৰিযালৰে ৮২ টা ভাষা কোৱা হয বুলি উল্লেখ কৰিছে, যদিও ভাষাসমূহৰ পূৰ্ণ অধ্যয়ন আৰু শ্ৰেণীকৰণ নকৰালৈকে এই কথা খাটাংকৈ কোৱা টান। উল্লেখযোগ্য যে অৰুণাচল

প্ৰদেশ বহুভাষী ৰাজ্য (multilingual state) আৰু সৰহভাগ ভাষাই পৰস্পৰ অবোধ্য। এনে বহুভাষিক পৰিস্থিতিত নাগামিজ ভাষাৰ দৰেই নেফামিজ ভাষাও অৰুণাচলৰ সংযোগী ভাষাৰূপে প্ৰচলিত। নগাসকলৰ লগত যেনেকৈ অসমৰ ভৈয়ামৰ অসমীয়া ভাষীসকলৰ দীৰ্ঘদিনীয়া সম্পৰ্ক আছিল ঠিক তেনেদৰেই অৰুণাচল বা পূৰ্বৰ নেফাৰ মানুহখিনিৰ লগতো অসমীয়া মানুহৰ দীৰ্ঘদিনীয়া সম্পৰ্ক আছিল। এনে দীঘলীয়া সম্পৰ্কৰ ফল স্বৰূপে অসমীয়া লোকজীৱনত ভালেমান কথাই ঠাই পাইছে। "মিচিমি আহিব বৰবিহ আনিব তাকে খাই পাহৰিম তোক" (বিহুগীত), আবৰ মালভোগ কল, আদি কথাবোৰেই এই সম্পৰ্কৰ স্বাক্ষৰ বহন কৰিছে। নেফামিজ সম্পৰ্কে আজিলৈকে প্ৰণালীবদ্ধভাৱে অধ্যয়ন হোৱা নাই। তথাপি প্ৰাপ্ত তথ্য আৰু সামগ্ৰীৰ ভিত্তিত তলত নাগামিজ আৰু নেফামিজ বা অৰুণামিজ ভাষাৰ পাৰ্থক্য অথবা মিলসমূহ আলোচনা কৰা হৈছে।

(১) নেফামিজ আৰু নাগামিজ দুযোটা ভাষাই আৰ্য পৰিয়ালৰপৰা উদ্ভূত ভাষা।

(২) দুযোটা ভাষাতেই সৰল অসমীয়া ভাষাৰ তদ্ভৱ নাইবা দেশী শব্দ উপচি আছে।

(৩) দুযোটা ভাষাই বহুভাষিক পৰিস্থিতিত সংযোগী ভাষাৰূপে প্ৰচলিত। যি দুটা ভাষা নাজানিলে ৰাজ্য দুখনৰ সাধাৰণ মানুহৰ লগত ভাবৰ আদান-প্ৰদান কৰাটো সম্ভৱ নহয়।

(৪) ভাষা দুটাই সম্প্ৰসাৰণৰ গতি পোৱা সম্পৰ্কিত পৰিস্থিতি (Contact situation) কেইটা একেই (পৰিস্থিতি কেইটা নাগামিজ ভাষাৰ আলোচনাত চাওক)।

(৫) দুযোটা ভাষাতেই মহাপ্ৰাণ ধ্বনিৰ ঠাইত অল্পপ্ৰাণৰ প্ৰৱণতা অধিক দেখা যায়।

(৬) শিক্ষিত লোকসকলে কওঁতে ভাষা দুযোটাতে সৰল অসমীয়া শব্দৰ পৰিবৰ্তে যথেষ্ট ইংৰাজী শব্দ ব্যৱহাৰ কৰে। তদুপৰি ভালেমান হিন্দী শব্দও সোমাই পৰা দেখা যায়।

এইবোৰ কথাত মিল থাকিলেও ভালেমান কথাত নাগামিজ আৰু নেফামিজৰ মাজত অমিল দেখা যায়। তলত সিবোৰৰ আলোচনা কৰা হ'ল।

(১) নেফামিজ বিশেষকৈ খামতিসকলে কওঁতে ৰ ধ্বনি 'ল' কৈ বা 'হ' কৈ উচ্চাৰণ কৰে। সচৰাচৰ ৰ > ল ৰইং > লইং, ল'ৰা > ললা, ৰামায়ণ > লামাযণ/লামামাং।

(২) নাগামিজত যেনেকৈ ষষ্ঠী বিভক্তিৰ ক্ষেত্ৰত -লাগা প্ৰযোগ হয় (উদাহৰণ স্বৰূপে আমাৰ-লাগা, তোমাৰ-লাগা, ঘৰ-লাগা আদি) তেনেকৈ নেফামিজত প্ৰযোগ নহয়। নেফামিজত এইবোৰ আমাৰ, তোমাৰ, ঘৰৰ এইদৰেহে ৰূপ হয়।

(৩) নাগামিজত বহুবচনৰ প্ৰত্যয় এটা হ'ল -খান। যেনে — আমাখান, মানুহখান, বস্তুখান, ল'ৰাখান আদি। এই খান বহুবচনৰ প্ৰত্যয় নেফামিজত প্ৰযোগ নহয়। নেফামিজত সচৰাচৰ -বিলাক এই ক্ষেত্ৰত প্ৰযোগ হয়। অৱশ্যে নাগামিজতো -বুলাক প্ৰত্যয় বহুবচনত পোৱা যায়।

(৪) নাগামিজত বাক্যৰ শেষত 'আছে' সহায়কাৰী ক্ৰিয়া এটা যোগ হয়। যেনে— ইটো বস্তু কাৰলাগা 'আছে'। এই ক্ষেত্ৰত নেফামিজত 'হ' সচৰাচৰ প্ৰযোগ হোৱা দেখা যায়। নেফামিজত এই বাক্যটো হ'ব — 'এইটো কাৰ বস্তু হ'? বাক্যৰ শেষত 'আছে' শব্দটো নেফামিজত সচৰাচৰ প্ৰযোগ নহয়।

(৫) নাগামিজত বিপৰীতাৰ্থ বুজাবৰ বাবে বাক্যৰ মাজত -কিন্তু ব্যৱহাৰ কৰা হয়। যেনে — মোইভী জাগা জাগাতে বেৰাবলৈ আছিলে কিন্তু নাপাৰিলে (মোৰো ভালেমান ঠাই ঘুৰিবলৈ আছিলে কিন্তু নোবাৰিলোঁ)। এই ক্ষেত্ৰত নেফামিজত 'কিন্তু'ৰ ঠাইত 'তো' ব্যৱহাৰ হয়। উদাহৰণ — মইভী জাগা-জাগাতে যাবলৈ আছিলে তো নাপাৰিলোঁ।

(৬) শব্দমালাৰ ক্ষেত্ৰত নাগামিজ আৰু নেফামিজৰ মাজত পাৰ্থক্য লক্ষ্য কৰা যায়। দুয়োটা ভাষাতে অসমীয়া ভাষাৰ শব্দবোৰ সৰহ সময়তে ব্যাখ্যাত্মক কৰি তোলা হৈছে। উদাহৰণ স্বৰূপে — বাঁচ টেঙা (অসমীয়া খৰিচা), পাতাৰং (অসমীয়া সমাৰ্থক বাক্য 'পাতৰ ৰং' অৰ্থাৎ 'কলপতীয়া' অৰ্থাৎ 'সেউজীয়া')। হিখা কোৰা ল'ৰা (নাগামিজ) কিন্তু পঢ়ি থকা ল'ৰা (নেফামিজত) — এই দুয়োটাই 'ছাত্ৰ' অৰ্থত ব্যৱহৃত হৈছে। এনেকুৱা ভালেমান শব্দৰ উদাহৰণ দিব পাৰি। তদুপৰি নাগামিজত ফিল্লা (কৰঙণ), ফুফু (পেহী), গোলভেৰা (বিলাহী), কপিতা (অমিতা), খুন্দিয়া (খন্দা), মনভাব (ধাৰণা), হুচবিচাৰ (ব্যভিচাৰ) আদি শব্দবোৰ প্ৰযোগ কৰা হয়। কিন্তু নেফামিজত এই শব্দবোৰ পোৱা নাযায়। নাগামিজ ভাষাত অসমীয়া শব্দ কেনেকৈ ব্যাখ্যাত্মক কৰি তোলা হৈছে বা এটা বাক্যেৰে সৈতে বুজোৱা হৈছে তাক তলৰ উদাহৰণৰপৰা ধৰিব পৰা যাব।

নাগামিজ	অসমীয়া শব্দ
কাপোৰ বনোৱা খৰি	মাকোঁ
ক'থা জুজিযা	যুক্তি
ক'পাল ডাঙোৰ	ভাগ্যবান
চোব মিলাই একে	গঢ়
বেছি ডাঙোৰ গা আৰু হোক্তি থকা মানুহ	দৈত্য
মুখ পোৱা লোৱা	মুখস্থ
ম'তা ন'থ'কা মাইকী	বিধবা
ম'ন খুচি কোৰা হুমষ	জিৰণি, ইত্যাদি।

নাগামিজ ভাষাটোৰ ধ্বনি, ৰূপৰচনা, শব্দ, সাহিত্যসম্পদ আদি কেউটা দিশতে আলোচনা কৰাৰ বহল থল আছে। তলত কেউটা দিশৰে চমু আলোচনা এটি দাঙি ধৰা হ'ল।

নাগামিজ ভাষাত ছটা স্বৰবৰ্ণ আৰু একুৰি তিনিটা ব্যঞ্জনবৰ্ণ পোৱা যায়। অসমীয়া ভাষাত পোৱা আঠোটা স্বৰবৰ্ণৰ দৰে নাগামিজ ভাষাত/এ/আৰু/অ/বৰ্ণ দুটা পোৱা নাযায়। নাগামিজ ভাষাৰ স্বৰবৰ্ণ কেইটা হ'ল — /ই উ এ' ও অ' আ/। ব্যঞ্জনবৰ্ণসমূহ হ'ল — নিযত অল্পপ্ৰাণ /প ব ত দ ক গ/নিযত মহাপ্ৰাণ /ফ ভ থ ধ খ ঘ/আৰু অনিযতসমূহ হ'ল উষ্ম /শ জ চ হ/ নাসিক্য /ম ন ঙ/, পাৰ্শ্বিক /ল/কম্পিত /ৰ/আৰু দুটা অৰ্ধস্বৰ /য/ আৰু /ৱ /। নাগামিজ ভাষাত /শ/ৰ উচ্চাৰণ দন্তমূলীয় তালব্যৰূপে পোৱা যায়। উল্লেখযোগ্য যে স্বৰধ্বনিৰ ব্যৱহাৰত নাগামিজ ভাষাত উচ্চস্বৰৰ প্ৰাধান্য দেখা যায়। আনহাতেদি অসমীয়া ভাষাত লেখোঁতে ব্যৱহাৰ কৰা 'ক্ষ' আৰু 'ঢ' দুযোটাৰ নাগামিজ ভাষাত উচ্চাৰণ যথাক্ৰমে 'খ' আৰু 'ৰ' ৰূপে পোৱা যায়।

নাগামিজ ভাষাটোৰ বাক্যবিন্যাসৰ স্বৰূপটো এনেধৰণৰ — "জোলকিযা নোহোলে নাগাবুলাক থাকিবো/তাকিবো নোৱাৰে। নাগাবুলাকে জোল্কিযা আৰু হুকান মাচতু বোহুত খায়। লোথা বোচতিতে ইতো বোহুত নামথকা কোথা আছে।" ইত্যাদি।

বিশেষ্য ঃ বচন, লিংগ আৰু কাৰক অনুসৰি বিশেষ্য সলনি হয়। লিংগ ভেদ কৰিবলৈ মোতা, মাইকী শব্দ দুটা বিশেষ্য শব্দৰ আগত প্ৰযোগ হয়।

বচন ঃ অসমীয়া ভাষাৰ দৰে নাগামিজতো দুটা বচন আছে — একবচন, বহুবচন। দ্বিবচন বুজাবলৈ সংখ্যাবাচক শব্দ দুইটা/দুটা ব্যৱহাৰ কৰা হয়। বহুবচনৰ প্ৰত্যযবিলাক হ'ল — বুৰ, -বুলাক, -খান, আৰু -লুক। বহুবচনৰ প্ৰত্যয যোগৰ পাছতহে বিভক্তি যোগ হয়। মান্যাৰ্থত -লুক ব্যৱহাৰ কৰা হয়।

লিংগ ঃ ভাষাটোত উভযলিংগসূচক শব্দ বৰ্তমান। লিংগ তিনি প্ৰকাৰে নিৰ্ণয কৰা হয়। (ক) লিংগ পৰিবৰ্তন কৰিব লগা শব্দৰ আগত পুৰুষ আৰু স্ত্ৰীবাচক শব্দ বহুৱাই (খ) পুৰুষ আৰু স্ত্ৰীভেদে পৃথক শব্দ প্ৰযোগ কৰি আৰু (গ) -আ, -ই, -নি প্ৰত্যয যোগ কৰি।

কাৰক ঃ সাতোটা কাৰকত বিভক্তিসমূহ তলত দিযাৰ দৰে ব্যৱহাৰ কৰা হয়।

১।	কৰ্তাকাৰক	-০, -এ, -হে
২।	কৰ্মকাৰক	-কে
৩।	কৰণ	-জোৰিযোতে, -পোৰা
৪।	সম্প্ৰদান	-লোই, -লে
৫।	অপাদান	(-ত) (-ৰ) -পোৰা

৬। সম্বন্ধ (-ৰ) -লাগা
৭। অধিকৰণ -তে।

সৰ্বনাম ঃ বিশেষ্য শব্দৰ দৰেই সৰ্বনামতো প্ৰত্যয় যোগৰ ক্ষেত্ৰত একেবোৰ নিয়মকেই মানি চলা হয়। ব্যক্তিবোধক সৰ্বনামবিলাক বেলেগ। ব্যক্তিবোধক সৰ্বনামবোৰৰ কিছুমান তীৰ্যক ৰূপো আছে। এইবোৰৰ পাছত -খান, -নুক, -বুৰ্ যোগ কৰি বহুবচনৰ অৰ্থ সূচোৱা হয়। উল্লেখযোগ্য যে বহুতো ক্ষেত্ৰত তৃতীয় পুৰুষত 'তাই' সৰ্বনাম শব্দটোৱে পুৰুষ-স্ত্ৰী উভয়কে সূচোৱা হয়। তলত তিনিওটা পুৰুষতে ব্যক্তিবোধক সৰ্বনামসমূহ দেখুওৱা হ'ল।

প্ৰথম পুৰুষ

একবচন	বহুবচন
আমি-	আমি-খান্
আমা- (তীৰ্যক ৰূপ)	আমা-খান্
মোই	মোই-খান্
মো- (তীৰ্যক ৰূপ)	

দ্বিতীয় পুৰুষ

তুমি	তুমি খান্
তুমা (তীৰ্যক ৰূপ)	তুমা-খান্
আপুনি/আপ্নি	আপুনি-খান্/আপ্নি-খান্
আপ্না (তীৰ্যক ৰূপ)	আপ্না-খান্

তৃতীয় পুৰুষ

তাৰ (পুং)	তাৰ-খান্
তাই (স্ত্ৰী)	তাই-খান্

ক্ৰিয়া ঃ কালৰ পাৰ্থক্য বুজাবলৈ ধাতুৰ (verb root) পাছত প্ৰত্যয় যোগ কৰা হয়। ভাব আৰু কাল অনুযায়ী ক্ৰিয়াৰ ৰূপ সলনি হয়, পুৰুষ আৰু বচন অনুযায়ী নহয়। কাল অনুযায়ী ক্ৰিয়াৰ ৰূপত যোগ হোৱা প্ৰত্যয়বোৰ এনেধৰণৰ —

১। বৰ্তমান কাল -ই/-য
২। স্বৰূপভূত কাল ই -চে
৩। ভৱিষ্যৎ কাল -ব'
৪। অতীত কাল -ই-চিলে
৫। Past continuous -ই-আচিলে
৬। Future continuous -ই থাকিব

স্বাৰ্থিক প্ৰত্যয় ঃ বাক্যত জোৰ বুজাবৰ বাবে নাগামিজত ক্ৰিয়াৰ পাছত কেইটামান স্বাৰ্থিক প্ৰত্যয় যোগ কৰা হয়। এনেধৰণৰ স্বাৰ্থিক প্ৰত্যয় কেইটা হ'ল -তু, দে, হোলে, কেনে।

নঞাৰ্থবাচক প্ৰত্যয় ঃ নঞাৰ্থবাচক প্ৰত্যয় নো-ৰূপ হোৱা ক্ৰিয়াৰ আগত যোগ হয় আৰু তেতিয়া ই মূল ক্ৰিয়াৰ প্ৰথম অক্ষৰৰ স্বৰধ্বনি অনুযায়ী সমীভৱন হয়। উদাহৰণ স্বৰূপে নো + থাকা > নাথাকা হৈছে।

সংস্কৃত তদ্ভৱ, তৎসম আৰু দেশী, বিদেশী আদি শব্দ আৰু থলুৱা নগা নাইবা অন্য জনগোষ্ঠীৰ শব্দেৰে পৰিপুষ্ট নাগামিজৰ শব্দমালাৰ অধ্যয়ন অতি আমোদজনক। ভাষাটোত অসমীয়া ভাষাৰ শব্দমালাই প্ৰাধান্য বিস্তাৰ কৰিলেও আৰু অসমীয়া ভাষাৰ মাজেদি সংস্কৃত তদ্ভৱ, তৎসম, দেশী, বিদেশী শব্দসমূহ সোমালেও এইবোৰৰ সৰলীকৃত ৰূপটো তাৎপৰ্যপূৰ্ণ। তদুপৰি মুদ্ৰিত শব্দৰ সৃষ্টি নাগামিজৰ শব্দমালাৰ এটা প্ৰধান বৈশিষ্ট্য। নাগামিজৰ শব্দগ্ৰহণ পদ্ধতি পশ্চিম প্ৰশান্ত মহাসাগৰীয় অঞ্চলত কথিত বীছ্-লা-মাৰ, নাইবা বিস্তৃতভাৱে চীনদেশত ব্যৱহৃত আৰু কমকৈ হ'লেও জাপান, কেলিফ'ৰ্নিয়াত কথিত Pidgin English অৰ শব্দগ্ৰহণ পদ্ধতিৰ দৰেই। বীছ্-লা-মাৰ ভাষাত bulopenn (Eng 'blue paint') nusipepa (Eng Newspaper'), আৰু চীন দেশৰ Pidgin English অত hap/hab (Eng 'have'), Plopa (Eng 'proper) আদিৰ দৰেই নাগামিজতো টিং/ঠিং (অসমীয়া 'ঠেং'), বালা (অসমীয়া 'ভাল'), পাক্‌লা (অসমীয়া 'পগলা'), ৰুক (অসমীয়া 'ৰোগ') আদি পোৱা যায়। তদুপৰি বীছ্-লা-মাৰ ভাষাত ইংৰাজী 'পিয়ানো' অৰ্থ বুজাবলৈ যিদৰে ' big fellow bokus (box) you fight him he cry"-ৰ দৰে এটা বাক্যৰ আৱশ্যক হৈছে, সেইদৰে নাগামিজতো 'ছাত্ৰ' অৰ্থ বুজাবলৈ 'হিখা কোৰা লোৰা', ইংৰাজীৰ Balcony ৰ অৰ্থ বুজাবলৈ 'উখ' বোহা ঝাগা/জাগা', 'অন্তৰ' বুজাবলৈ 'বুকু ধ'ক ধ'ক কোৰা', 'স্বাভাৱিক' অৰ্থ বুজাবলৈ 'ঠিক হিচাপ কোৰি চোলি থাকা/তাকা' আদি পোৱা যায়। গতিকে 'heart beating is normal' বাক্যটো নাগামিজত হ'ব এই ধৰণৰ — 'বুকু ধ'ক ধ'ক কোৰাতো ঠিক হিচাপ কোৰি কিন্না/কেন্না চোলি আছে।' এনেকৈ সংস্কৃত তদ্ভৱ তৎসম শব্দ নাগামিজত বিশ্লেষণাত্মক ৰূপ লৈ এটা বাক্য-শব্দত পৰিণত হোৱাটো তাৎপৰ্যপূৰ্ণ।

নাগামিজ ভাষাটো বৰ্তমানে ৰোমক লিপিত লেখিত হৈ আহিছে। এই লিপিতে লেখা ভালেমান সাহিত্য সম্পদ, যেনে — গীত-মাত, নাটক আদি কহিমাৰ অনাতাঁৰ কেন্দ্ৰত সংৰক্ষিত হৈ আছে। এই ভাষাৰ ৰোমক লিপিত ছপা আকাৰত প্ৰকাশিত প্ৰথম পুথিখন হ'ল নবমালতী চক্ৰৱৰ্তীৰ *Nagaland* (1979) নামৰ গদ্যৰ পুথিখন। এইখন পুথিত নাগালেণ্ড সম্পৰ্কীয় বিভিন্ন কথা সন্নিবিষ্ট হৈছে। ভীমকান্ত বৰুৱাৰ *Nagamiz Kothalaga niyom* (নাগামিজৰ প্ৰথম ব্যাকৰণ, ১৯৮৫) আৰু ৰোমক

লিপিত নাগামিজ ভাষাতে লেখা ব্যাকৰণ পুথি, *Batsa Path* (নাগামিজ ভাষাৰ প্ৰথম প্ৰাইমাৰ, ১৯৮৮) এই প্ৰসংগতে উল্লেখযোগ্য, তদুপৰি নাগালেণ্ডৰ মোককচাঙত জন্ম গ্ৰহণ কৰা আৰু নগাসকলৰ সাংস্কৃতিক জীৱনৰ লগত একাকাৰ হৈ বসবাস কৰা এজন বিশিষ্ট শিক্ষাবিদ ধৰণী বৰুৱাৰ *Nagamese Into Anglo-Hindi-Ao* (1969) নামৰ শব্দাৰ্থৰ কিতাপখনেই এই ভাষাৰ প্ৰথম প্ৰকাশিত শব্দকোষ। এই গ্ৰন্থকেই ২০০১ চনত *English Into Anglo-Hindi-Ao Tenvidie (Angami) Dictionary* নাম দি পুণৰ ছপাই উলিযাইছে। নগাপাহাৰৰ বিভিন্ন সংস্থা, যেনে — কহিমা সাহিত্য সভা, হিন্দী ভাষা পৰিষদ, কহিমা, আদিযে প্ৰকাশ কৰা বিভিন্ন পত্ৰ পত্ৰিকা আদিত নাগামিজ ভাষাত লেখা ভালেমান ৰচনা সিঁচৰতি হৈ আছে। ভাষাটোৰ সমাজবৈজ্ঞানিক অধ্যযন এটি আগবঢাই *Naga Pidgin A Socio-linguistic Study* (1974) নামৰ M V Shreedhar অৰ ইংৰাজীত লেখা এখন তথ্যসমৃদ্ধ পুথি মহীশূৰত থকা Central Institute of Indian Languages নামৰ সংস্থাটোৱে প্ৰকাশ কৰিছে। নাগামিজ ভাষাটোৰ উদ্ভৱ, বিকাশ, তাৰ ৰূপৰচনা শব্দমালা আদিৰ তথ্যসমূহ পাব পৰাকৈ প্ৰকাশ হোৱা *Nagamese The Language of Nagaland* নামৰ ড ভীমকান্ত বৰুৱাৰ গ্ৰন্থখনো এই প্ৰসংগতে উল্লেখ কৰিব পাৰি। কিতাপখন দিল্লীৰ এটা সংস্থাই প্ৰকাশ কৰিছে। নাগামিজ ভাষাৰ নমুনা দ্ৰষ্টব্য।

(ছপা পুথিৰ পাতৰপৰা দিয়া নাগামিজৰ অংশ — ১, ২ ৩, ৪, ৫, ৬ ৭)

নমুনা — ১

Chang Naga khan gro laga chainrate noksa bonowa nivom ache Lorai kora manuh khan chiti oporte ekta gos laga pheng (stem) pora charta olowa beleg rokom stail (style) laga pata laga noksa bonai loi Chang maiki khan kopal te hira (diamond) pathor nichina noksa aru mukh laga ekdom nichete (chin) sidha nohole lain (line) kori kene noksa bonai Jowan howa agote chukri khan ke mukh laga kinarte noksa bonai diya aru pohilate khurai rakha chulito dangor hobole diye Yito pichete pochond laga sathi pale tar khan ke sadi di diye Noksa nobona agote chukri khan morile kobor diya agote kopalte noksa laga china dive (Nagaland by Nayamalati Chakraborty p 23)

নমুনা — ২

Nagalandte coto coto besi pahar thakia aha zua korate besi digdar pai thakate kothatubi zaga zagate bosti bostite alag alag hoi zaise mukh pora kuate (pronunciationte) nohole hobdokhante nohole

sentence banawate itu alag hoi zaise (*Nagamiz kothalaga niyom* by Dr Bhimkanto Boruah p 5)

নমুনা — ৩

Phozir phozir sobdin bosti zaga zabi
pitha modhu rohi modhu caka modhu khabi,
laipata bastenga hukan mas mongoh
cukten nise bosi bosi kiman kiman khabo
paka paka kopita aru sontora khabi
gaspora anikena tukri tukri nibi
pithite bukikena cokrisob zay
rasta rasta manuhkhan ghuri ghuri say

(*Batsa Path*)

নমুনা — ৪

Poila homoyte ahomlaga nariya razatu naga pahartebi thakisile tate karengba namthaka ekta naga khunbao logote tarhe khub milizuli thakisile karengbake nagakhan khotoba koi thake hobola karengbalaga cokri cangkun thakisile aru taike razatu khub morom di asile cangkunke nagakhan cangdungyala koi thake hobola ahom razatu taike sadi koribole mon dilebi tailaga babatu taike sadi dibole ekdom mon nay tailaga babatu razake koise — amarlaga ektahe soali ase aru taike iman dur zagate sadi dibole ekdom mon nay holebi razatu sadi koribole zur lagai tarlaga sipahikhan tate punsai dse, babatu tetiya koise — umrang soraitu nezte ektahe boga sapha dak ase aru duita thakatu anile amarlaga cokritu razake di dibo ' ahom razatu matha bahut dangor ase aru tarhe zongol pora umrang sorai ekta dhori anise aru tar nezte dusra ekta sapha boga dag lagaikina duita kori dise, tetiya babatu tarlaga cokritu razake sadi dise pisete cokritupora ekta beta zonom loise aru ituke dangor manuh banai dise

(*Batsa Path*)

নমুনা — ৫

'ngou' sorai

'ngou soraitu zongol mazote thakise
taihe ngou ngou korikena monote

bohut dukh kori mati ase, taihe sathikhanke koise —
"amar babalaga babatu poila iyate ahise naga
sathikhan logote bohut morompora ahi ase kintu
amakhan gaolaga rong dhuniya aru mongsobi mitha ase
Itu karone dusmontu bohut besi ase amake mari khotom
Kori dise" tetiya sathikhan monote bohut dukh paise aru
koise — "amikhan naga sathikhanke besi morom di ase aru
tarhe mari khai diya pora monote dukh paise eneka
marile amikhan itu zongol cari dur zagate polai zabo"

(*Batsa Path*)

নমুনা — ৬

<u>mohinalaga din hisap</u>

september mohinate tris din thake
April June November tenekahe ase
February mohina hole atais din thake
dusra sat mohinatu ektris dinlaga

নমুনা — ৭

<u>zat atu zaga</u>

semalaga zunheboto
konyaklaga Mon
zongollaga gaste thaka
besi besi dhon
kohimate Angami aru
Wokhate Lotha
zaga zaga bostilaga
alag alag kotha
Mokokchunglaga Aokhan
chunghiyimti koy
Tuensangte sangtamlaga
zat ase hoy

(*Batsa Path*)

৪ ১ ৩ ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতি স্থাপনত অসমীয়া ভাষা

সমগ্ৰ উত্তৰ ভাৰতত পৰিব্যাপ্ত হৈ থকা ভাৰতীয় আৰ্যভাষাবোৰৰ ভিতৰৰে এটা ভাষা হ'ল অসমীয়া ভাষা। স্বৰূপতেই অসমীয়া ভাষাই তাৰ মূল সুঁতিটোৰ লগত কিবা নহয় কিবা প্ৰকাৰে সংগতি স্থাপন কৰি আহিছে। অসমীয়া ভাষাই চৰ্যাপদৰ কালৰেপৰাই বিভিন্ন দেওনা পাৰ হৈ বৰ্তমানৰ অৱস্থাত উপনীত হৈছেহি। এই দীঘলীয়া কালছোৱাত অসমীয়া সাহিত্যই বুকুত বিভিন্ন সমল বান্ধি আগবাঢ়ি বৰ্তমানে স্বকীয় বৈশিষ্ট্যৰে সমৃদ্ধ হৈ নিজৰ ভৰিত থিয় দি জগতত চিনাকি দিব পাৰিছে। চতুৰ্দশ শতিকাতে মাধৱ কন্দলিয়ে অসমীয়া ভাষাত ৰামায়ণ ৰচনা কৰি মহান ভাৰতীয় চিন্তাধাৰাৰ লগত থকা অসমীয়াৰ একাকী চিন্তাকে প্ৰতীয়মান কৰিলে। তদুপৰি হৰিবৰ বিপ্ৰৰ 'বব্ৰুবাহনৰ যুদ্ধ' আৰু 'লৱকুশৰ যুদ্ধ' এই প্ৰসংগতে উল্লেখযোগ্য। প্ৰাক্‌শংকৰী যুগৰ অন্যান্য সাহিত্যিকসকলৰ ৰচনাৰাজিও মহান ভাৰতীয় চিন্তা-চৰ্চাৰ আদৰ্শৰে অনুপ্ৰাণিত।

দ্বাদশ শতিকাৰ পৰা পঞ্চদশ শতিকাৰ ভিতৰত একেলগে বা অলপ আগপিছকৈ ভাৰতবৰ্ষৰ ইমূৰৰপৰা সিমূৰলৈকে বৈষ্ণৱ আন্দোলন আৰু ভক্তিধৰ্মক কেন্দ্ৰ কৰি এক প্ৰবল আন্দোলনে গা কৰি উঠে। দ্বাদশ শতিকাৰ ৰামানুজৰ বিশিষ্ট দ্বৈতবাদ আৰু তেওঁৰ সমসাময়িক নিম্বৰ্কাচাৰ্যৰ দ্বৈতবাদ এই দুই দাৰ্শনিক সিদ্ধান্তই ভাৰতবৰ্ষৰ এই ধৰ্মীয় আন্দোলনৰ পৰৱৰ্তী কালছোৱাত বিশেষভাৱে ঠাই পায়। ত্ৰয়োদশ শতিকাৰ কৰ্ণাটক আৰু গুজৰাটত মধ্বাচাৰ্য বা আনন্দগিৰিয়ে দ্বৈত সিদ্ধান্তৰ ভেটিত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। অন্যহাতেদি মহাৰাষ্ট্ৰৰ প্ৰান্তত জ্ঞানদেৱ আৰু নামদেৱ আদিয়ে দ্বাদশ ত্ৰয়োদশ শতিকাৰ সময়ছোৱাত এই ভক্তি আন্দোলন গঢ় দি তোলে। মুঠতে খ্ৰীষ্টীয় দ্বাদশ আৰু চতুৰ্দশ শতিকাৰ ভিতৰত দক্ষিণ আৰু পশ্চিম ভাৰতত বৈষ্ণৱ ধৰ্মই প্ৰচাৰ, প্ৰসাৰ আৰু প্ৰতিপত্তি লাভ কৰে। উত্তৰ ভাৰততো ৰামানন্দ, কবীৰ, বল্লভাচাৰ্য আদিয়ে চতুৰ্দশ পঞ্চদশ শতিকাত বৈষ্ণৱ আন্দোলন গঢ় দি তোলে। ভাৰতবৰ্ষৰ ভক্তি-আন্দোলনৰ এই মূল সোঁতটোৰ অনুকূলে সেই একে সময়তেই অসমত শ্ৰীশংকৰদেৱ আৰু বংগদেশত চৈতন্যদেৱৰ আবিৰ্ভাৱ হৈ ভক্তি আন্দোলন গঢ় দি সমাজলৈ বৈপ্লৱিক পৰিবৰ্তন আনে। ইয়াৰ উপৰিও শংকৰদেৱৰ পৰৱৰ্তী বৈষ্ণৱ লেখকসকলে এই আদৰ্শক আৰু সুদৃঢ় কৰি তোলে।

অসমীয়া কবিতাত স্বদেশ-প্ৰীতিৰ ভাব লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত আৰম্ভ হৈ স্বাধীনতা আন্দোলনত সেই ভাব পৰিপুষ্ট হয়। বিংশ শতাব্দীৰ দ্বিতীয় দশকৰ পাছৰপৰা চতুৰ্থ দশকলৈকে কালছোৱাত স্বদেশ-প্ৰীতিভাৱৰ গীত আৰু কবিতাই জোৱাৰ তোলে। বিনন্দ বৰুৱাৰ ১৯২৫ চনত প্ৰকাশ পোৱা 'শংখধ্বনি' নামৰ কবিতাপুথি, অম্বিকাগিৰি ৰায়চৌধুৰীৰ স্বদেশপ্ৰেমমূলক কবিতা পুথিকেইখন আৰু ১৯২১ চনৰ অসহযোগ আন্দোলনৰ কালছোৱাত জেলত থাকোঁতে ৰচনা কৰা তেওঁৰ বিভিন্ন জাতীয়তাবাদী গীতৰ ৰচনা, এই

কালছোৱাতে জাতীয়তাবাদী ভাবেৰে উদ্বুদ্ধ হৈ লেখা জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিভিন্ন কবিতা আৰু গীতসমূহে সেই সময়ৰ ভাৰতীয় স্বাধীনতা আন্দোলনটোক সবল কৰি তোলাত এক বলিষ্ঠ ইন্ধন যোগাইছিল। ইয়াৰ উপৰিও অন্যান্য ভালেমান লেখকে অসমীয়া ভাষা আৰু সাহিত্যৰ যোগেদি জাতীয়তাবোধ জনসাধাৰণৰ মনত জগাই তোলাত সহায় কৰিছিল। এনেকৈ বিশ্লেষণ কৰি চালে দেখা যায় অসমীয়া সাহিত্যৰ বিভিন্ন ন-পুৰণি লেখকে সময়ে সময়ে অসমীয়া ভাষা আৰু সাহিত্যৰ মাধ্যমেৰে মহান ভাৰতীয় চিন্তাধাৰাৰ লগত অসমীয়াসকলকো পৰিচয় কৰাই দিছে। তদুপৰি এই ক্ষেত্ৰত সময়ে সময়ে প্ৰকাশ পোৱা সংবাদপত্ৰ আৰু আলোচনীসমূহৰ ভূমিকাও কম নহয়। এইখিনি হ'ল অসমীয়া ভাষাত লেখিত সাহিত্যৰ ওপৰত নিৰ্ভৰ কৰি কোৱা কথা। কিন্তু ভাষা বুলি ক'লে তাৰ দুটা ৰূপৰ কথা মনত ৰখা দৰকাৰ। এটা হ'ল কথিত ভাষা আৰু আনটো হ'ল লিখিত ভাষা। গতিকে ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিত অসমীয়া ভাষাৰ স্থানৰ কথা আলোচনা কৰিবলৈ যাওঁতে সাহিত্যত প্ৰকাশ পোৱা স্বৰূপটোৰ কথা কেৱল আলোচনা কৰিয়েই ক্ষান্ত থাকিলে তাতোকৈ আৰু ভুল কৰিবলৈ একো নাথাকিব। অসমৰ ৰাজনৈতিক সীমা ঠেক হৈ অহালৈ চাই অসমীয়া ভাষাৰ অস্তিত্বৰ সম্পৰ্কে বহুতৰে মনত শংকাৰ উদ্ভৱ হৈছে আৰু সেইবোৰ কাগজে পত্ৰই প্ৰকাশ পাইছে। তেনে শংকা লেখিত সাহিত্যৰ ওপৰত ভেটি কৰি সিদ্ধান্তলৈ অহা শংকাহে। এষাৰ কথা মনত ৰখা উচিত যে লিখিত সাহিত্য নাথাকিলেও ভাষা এটাই জগতত কথ্যভাষাৰূপে প্ৰকাশ লাভ কৰি থাকিব পাৰে। অসমীয়া ভাষাৰ ক্ষেত্ৰত বৰ্তমানৰ পৰিপ্ৰেক্ষিতত তেনে শংকা মনলৈ অহাটো তেনেই অমূলক আৰু তেনে শংকাই অসমীয়া ভাষাৰ সন্দৰ্ভত থকা অপৈণত জ্ঞান আৰু মনৰহে পৰিচয় দিয়ে। ৰাজনৈতিক মেৰপাকে ভাষা এটাৰ সুস্থ ৰূপক ক্ষুণ্ণ কৰিব পাৰে, নিঃশেষ কৰিব নোৱাৰে। অসমীয়া ভাষা বুলিলে বৰ্তমান অসমৰ ৰাজনৈতিক চাৰিসীমাৰ মাজতে বুজিলে ভুল হ'ব। কোচবিহাৰ আজি অসমৰ ভিতৰত নাথাকিলেও সেই ঠাইত সৃষ্টি হোৱা অসমীয়া সাহিত্যক লৈ আজিও আমি গৌৰৱ অনুভৱ কৰোঁ। অসমীয়া ভাষাই এটা দিশত সাহিত্যিক ভাষাৰূপে ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিত অবদান আগবঢাইছে আৰু আনটো দিশত কথ্যভাষাৰূপে ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিত ভূমিকা লৈছে। বৰ্তমানে অসমীয়া ভাষাই প্ৰায় সমগ্ৰ উত্তৰ-পূব ভাৰতবৰ্ষতে সংযোগী ভাষাৰূপে কাম কৰি আছে। ই বৃহৎ উত্তৰ-পূব ভাৰতৰ অঞ্চলটোৰ মানুহৰ মনৰ আৰু ভাবৰ সংযোগ সেতু— অসমীয়া ভাষা ভাৰতীয়ৰ সমন্বয়ৰো সেতু। কোৱা বাহুল্য যে বৰ্তমান অসমৰ কাষতে থকা দুখন পাহাৰীয়া ৰাজ্য অৰুণাচল আৰু নাগালেণ্ডৰ মানুহমুঠি একেটা জনগোষ্ঠীৰ আৰু একেভাষী নহয়। একেখন ৰাজ্যৰ ভিতৰতে ভালেমান বেলেগ বেলেগ জনগোষ্ঠীয়ে বসবাস কৰে আৰু সিবোৰৰ মাজত পৰস্পৰৰ অবোধ্য ভাষা প্ৰচলিত। অৰুণাচল প্ৰদেশৰ প্ৰধান প্ৰধান জনগোষ্ঠীবোৰ হ'ল — কামেং জিলাত — মন্‌পা, লিচ্‌পা বা চুগ্‌পা, ছেৰডুকপেন,

অকা, খোআ, মিজি, সোৱণশিৰি জিলাত — ডফলা বা নিচি, পাহাৰীয়া মিৰি, ৰাউ, ৰিচি মচি, নিদু-মোৰা, চিকুম্ দুই, চুলুং, ঙা, আপাটানি, চিয়াং জিলাত — তাগিন্, আদী, মেম্বা আৰু খাম্বা, লোহিত জিলাত — মিচিমি, খামতি, চিংফৌ, আৰু টিৰাপ জিলাত — নক্টে, ৱাঞ্চু আৰু টাংচা। উল্লিখিত জনগোষ্ঠীবিলাকৰ মাজত প্ৰচলিত কথ্যভাষাবোৰৰ কোনোবা দুই এটাৰ মাজত সামান্য মিল দেখা গ'লেও আচলতে তেওঁলোকৰ ভাষাবিলাক পাৰস্পৰিকভাৱে অবোধ্য আৰু ফল স্বৰূপে একালত সামাজিক বৈষম্যই গা-কৰি উঠিছিল। অসমীয়া ভাষাই এটা সমযত ভঙা ভঙা ৰূপত এই জনগোষ্ঠীবিলাকৰ মাজত প্ৰৱেশ কৰি পাৰস্পৰিকভাৱে ভাবৰ সংযোগ ঘটাই ঐক্য, শান্তি আৰু সম্প্ৰীতি বিৰাজ কৰাত সহায় কৰিছিল। একালত 'নেফামিজ' নামেৰে বুজোৱা সেই অৰুণাচলৰ অসমীয়া ভাষাৰ ৰূপটোক আজিকালি 'অৰুণামিজ' নামেৰে বুজোৱা হয।

নাগালেণ্ডৰ বেলিকাও সেই একেই কথা। নাগালেণ্ডৰ মানুহমুঠিক সাধাৰণভাৱে নগা বুলি জানিলেও নিজস্ব সাংস্কৃতিক আৰু ভাষিক বৈশিষ্ট্যেৰে সমৃদ্ধ চৈধ্যটা প্ৰধান জনগোষ্ঠী পোৱা যায। এই চৈধ্যটা জনগোষ্ঠী হ'ল — কন্যাক, আও, চেমা, লোথা, আঙ্গামী, চাখেচাঙ, ফোম, ৰেংমা, চাঙ, চঙতাম, যিমচুংগ্ৰি, খিন্‌মুংগাম্ আৰু জেলিযাং। সাতোখন জিলাৰ একোটাইঁত বৃহৎ অঞ্চলত পৰিব্যাপ্ত হৈ থকা একোটা জনগোষ্ঠীযে নিজৰ খিলঞ্জীযা ভাষা আৰু সংস্কৃতি বুকুত সাৱটি বসবাস কৰে। পৰস্পৰে ইটো জনগোষ্ঠীৰ ভাষা সিটো জনগোষ্ঠীযে বুজি নোপোৱাৰ ফল স্বৰূপে পৰস্পৰৰ বিৰোধ হোৱাৰ উপৰিও বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সৃষ্টি হৈছিল। সামাজিক বৈষম্য ঘনীভূত হৈ মানুহৰ মূৰ চিকাৰৰ নিচিনা ভুৱা জনৰীতিযে গা-কৰি উঠিছিল। এটা দলে আন এটা দলৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ আক্ৰমণ চলাইছিল। কিন্তু বিভিন্ন ভাষিক-সামাজিক কাৰণবশতঃ অসমীযা ভাষাই নাগালেণ্ডৰ বিভিন্ন জনগোষ্ঠীৰ মানুহৰ মনৰ আৰু ভাবৰ সংযোগৰ সেতুডাল তৈযাৰ কৰি দিলে। অসমীযা ভাষাৰপৰাই একালত ভাষিক-সামাজিক কাৰণত নগাপাহাৰত গঢ লৈ উঠা নাগামিজ ভাষাই পৰস্পৰে মনৰ মানুহজনক চিনি পোৱাত সহায কৰিলে। পূৰ্বৰ সামাজিক বৈষম্য আঁতৰি শান্তি আৰু ঐক্যভাবৰ উদয হ'ল। অসমীযা ভাষাই অসমৰ মাজমজিযাৰপৰা ৰাষ্ট্ৰীয ঐক্য আৰু সংহতিৰ পোহৰ বিকিৰণ কৰি এই দুযোখন ৰাজ্যলৈকে সিঁচি দিলে। নাগামিজ ভাষাটো কেৱল নগাপাহাৰৰ মানুহৰ ভাষাই নহয ই হৈ পৰিল সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানুহে বুজিব পৰা এটা সংযোগী ভাষা। ভাৰতবৰ্ষৰ যি কোনো ঠাইৰ মানুহে আহি সহজেই বুটলি ল'ব পৰা এটি সহজ-সৰল গ্ৰহণীয ভাষা।

অসমৰ বিভিন্ন ভাষিক আৰু সাংস্কৃতিক গোষ্ঠীৰ মাজত একতা স্থাপন কৰি অসমীযা মানুহক যিদৰে মহান ভাৰতীয কৰি তুলিছে তেনেকৈ প্ৰায সমগ্ৰ উত্তৰ

পূৰ্বাঞ্চলকে একেডাল ভাষাৰ ডোলেৰে বান্ধি মহান ভাৰতীয ৰাজপথলৈ আগবঢাই উলিযাই আনিছে। সীমাৰ মাজত থাকিও অসীমলৈ পোহৰ ছটিওৱা অসমীযা ভাষাৰ শক্তি কিমান বিশ্লেষণৰ অবিহনে অনুমান কৰা টান। সাগৰৰপৰা তুলি অনা এটোপাল পানীৰ শক্তি বা ভযংকৰ ৰূপটোৰ কথা অনুমান কৰা নাযায। কিন্তু সেই পানীটোপাল সাগৰত মিহলি হৈ স্বাভাৱিকভাৱে যেতিযা তাৰ ক্ৰিযা আৰম্ভ কৰে তেতিযাহে তাৰ আচল স্বৰূপটো উপলব্ধি কৰা যায। ভাৰতবৰ্ষৰ ক্ষুদ্ৰ অঞ্চলত প্ৰচলিত অসমীযা ভাষাইও ৰাষ্ট্ৰীয ঐক্য আৰু সংহতিৰ সাগৰত পৰি মহান ভাৰতীয আদৰ্শ আৰু আৰ্হিৰ লগত একাকাৰ কৰি দিছে। সেযে আমি মহান ভাৰতীযসকলে আন্তৰিকতাৰে কওঁহক— সীমাৰ মাজত অসীম তুমি অসমীযা ভাষা।

০০০

গ্রন্থপঞ্জী
BIBLIOGRAPHY

English

Accharyya N N , 1966 The History of Medieval Assam, Gauhati

Alemehiba, M , 1970 A Brief Historical Account of Nagaland, Kohima.

Allen, B C , 1905 Assam District Gazetteers (Naga-Kuki), Calcutta

Allen B C , 1905 Assam District Gazetteers, Vol VI, (Nowgong District)

Allen, B C , 1906 Assam District Gazetteers, Vols VII & IX

Anand, Major VK , 1967 Nagaland in Transition, First Published 1967, Reprinted 1968, New Delhi

Anderson James M 1974 Structural Aspects of Language change 2nd impression printed in Great Britain

Bansal R.K , 1974 An Outline of General Phonetics, 2nd impression, Oxford University Press

Bareh, H (ed), 1970 Gazetter of India Nagaland Kohima District

Barkataki, S 1969 Tribes of Assam, New Delhi

Baruah, D , 1969 Nagamese Into Anglo-Hindi-Ao, First edition

Boruah, B K., The Nagamese Language A Descriptive Analysis, Dibrugarh University (unpublished)

Boruah, Dr Bhim Kanto, 1985 Nagamiz Kothalaga Niyom (A Primary Grammar on Nagamese)

Boruah, B K , Nagamese The Language of Nagaland, New Delhi, 1993

Boruah, Dr Bhim Kanto 1988 Batsa Path (Primer on Nagamese)

Boruah, Golapchandra, 1930 Ahom Buranji, Baptist Mission Press, Calcutta.

Boruah, Beni Madhab, 1969 Asoka and his Inscriptions, Part I & II, 3rd edition

Bora, Dr Mahendra, 1981 The Evolution of Assamese Script, April

Bhattacharya, Promod Chandra, 1977 A Descriptive Analysis of the Boro Language, First edition, Guwahati

Bıligırı H S , 1965 Kharıa, Fırst edıtıon, Poona

Bloomfield, Leonard 1967 Language, Reprınt edıtıon

Chatterjı S K 1975 The Orıgın and Development of the Bengalı Language vols I, II III 1st edıtıon 1920

Chatterjı S K 1974 Kırata-Jana-Krıtı Revısed Second edıtıon

Chowdhury J N 1973 Arunachal Panorama Shıllong 1973

Chowdhury P C 1966 The Hıstory of Cıvılısatıon of the People of Assam to the Twelfth Century A D Second edıtıon, Guwahatı

Choudhury S Dutta (ed) 1980 Gazetteer of Indıa Arunachal Pradesh Tırap Dıstrıct

Chowdhury S Dutta (ed) 1981 Gazetteer of Indıa Arunachal Pradesh Subansırı Dıstrıct

Chowdhury S Dutta, (ed) 1978 Gazetteer of Indıa Arunachal Pradesh Lohıt Dıstrıct

Connor J D O Phonetıcs

Devı L 1968 Ahom Trıbal Relatıons Fırst edıtıon Guwahatı

Das Gupta K 1963 An Introductıon to the Gallong Language NEFA Shıllong

Dutta Parul 1990 The SINGPHOS Dırectorate of Research Govt of Arunachal Pradesh Itanagar

Dutta, P C 1993 Arunachal Pradesh An overvıew Dırectorate of Research Govt of Arunachal Pradesh Itanagar

Elwın Verrıer 1969 The Nagas ın the Nıneteenth Century

Elwın Verrıer 1961 Nagaland Shıllong

Furer-Haımendorf Chrıstoph Von 1962 Tha Naked Nagas Second edıtıon Calcutta

Fıllozat J (Translated by Mrs R K Menon) 1967 Studıes In Asokan Inscrıptıons

Gaıt, E A , 1967 A Hıstory of Assam, Reprınt edıtıon

Gleason H A 1966 An Introduction to Descriptive Linguistics Revised edition

Geiger Wilhelm 1968 Pali Literature And Language edition

Goswami G C 1966 An Introduction to Assamese Phonology First edition, Poona

Goswami G C 1967 Structure of Assamese Gauhati University

Goswami S N 1988 Studies In Sino-Tibetan Languages 1st edition

Goswami S N 1960-64 Historical Grammar of Assamese (unpublished) Calcutta

Goswami U N 1970 A study on Kamrupi A Dialect of Assamese Gauhati

Grierson G A Linguistic Survey of India Vol III Part II Reprint

Hunter W W 1975 A Statistical Account of Assam Vol I Reprint edition

Hutton J H 1969 The Angami Nagas

Hutton J H 1968 The Sema Nagas

Hodson T C 1974 The Naga Tribes of Manipur

Horam M 1977 Social and Cultural Life of Nagas

Jesperson, Otto 1969 Language Its Nature Development and Origin

Johnstone Sir James 1971 Manipur and the Naga Hills

Kakati B K, 1972 Assamese Its Formation and Development, Third edition Guwahati

Kelkar Ashok R 1958 The Phonology and Morphology of Marathi Cornell University

Mookherji Radha Kumud 1972 Ashoka Reprint edition Delhi

Majumdar, D N 1966 The Garos Second edition

Mills A J Moffatt 1854 Report on the Province of Assam Calcutta

Mills J P 1926 The Ao Nagas London

Mills J P 1922 The Lotha Nagas London

Mills, J P, 1937 The Rengma Nagas London

Playfair Major A 1975 The Garos First reprint

Paxton John (ed), 1972/73 The Statesman's Year Book

Pushpa Pai (Karapurkar), 1976 Kokborok Grammar, CIIL Mysore

Robins, R.H , 1968 General Linguistics, Great Britain

Robinson William, 1841 Descriptive Account of Assam Calcutta

Samarin, William J , 1967 Field Linguistics

Singh, Prakash, 1972 Nagaland, New Delhi

Smith, WB , The Ao Naga

Sreedhar, M V 1974 Naga Pidgin A Sociolinguistic Study of Inter-Lingual Communication Pattern in Nagaland, Mysore

Subrahmanyam P S , 1968 A Descriptive Grammar of Gondi Annamalai University

Smith Vincent Asoka, 3rd edition

Sen, Amulya Chandra 1956 Asoka's Edicts 1st edition

Sen, Dr Sukumar 1960 Comparative Grammar of Middle Indo-Aryan

Taraporewala, I J S 1962 Elements of the Science of Language, Revised third edition. Calcutta University

Government Reports

Census 1971, Series — 15, Nagaland, Part X B

Census 1971 Series — 15 Nagaland, District Census Handbook Part X A

Census of India 1971 Series — 15 Nagaland, Part IV

Assam District Gazetteers, Sibsagar District 1967

Statistical Hand-Book of Nagaland 1974 Directorate of Economics & Statistics, Govt of Nagaland, Kohima

Basic Facts, Nagaland 1974
Nagaland At a Glance
Nagaland 1971
} Directorate of Information, Publicity and Tourism, Nagaland, Kohima.

Nagaland To-day Directorate of Field Publicity, Ministry of I & B, Govt. of India

অসমীয়া

গোস্বামী, ড° সত্যেন্দ্ৰ নাৰায়ণ (সম্পাদিত), ১৯৭১ ঃ অসমীয়া সাহিত্য সংস্কৃতিৰ সমীক্ষা, প্ৰথম প্ৰকাশ।
গোস্বামী, ড° উপেন্দ্ৰনাথ, ১৯৭০ ঃ ভাষাবিজ্ঞান, দ্বিতীয় সংস্কৰণ।
গোস্বামী, ড° সত্যেন্দ্ৰ নাৰায়ণ, ১৯৮৫ ঃ প্ৰাকৃত সাহিত্য, দ্বিতীয় সংস্কৰণ।
গোস্বামী, ড° সত্যেন্দ্ৰ নাৰায়ণ (সম্পাদিত), ১৯৭৫ ঃ পাঠ মঞ্জৰী, প্ৰথম প্ৰকাশ।
গোহাঁই বৰুৱা, পদ্মনাথ, ১৯৭৬ ঃ অসমৰ বুৰঞ্জী, পুনৰ্মুদ্ৰণ, গুৱাহাটী।
গোস্বামী, গোলোক চন্দ্ৰ, ১৯৭৭ ঃ ধ্বনিবিজ্ঞানৰ ভূমিকা, দ্বিতীয় প্ৰকাশ, গুৱাহাটী।
তেৰাং, ৰং বং ঃ কাৰ্বি লামতাছাম,
তেৰাং, ৰং বং, ১৯৮০ ঃ কাৰ্বি অসমীয়া পাঠ, অসম সাহিত্য সভা
নেওগ, ড° মহেশ্বৰ, (সম্পাদিত) ঃ অৰুণোদই।
নেওগ, ড° মহেশ্বৰ, ১৯৭৬ ঃ স্নেহৰ অৰুণাচল, মাই হিল চ' ষ্ট্ৰং, যোৰহাট।
বৰুৱা গুণাভিৰাম, ১৯৭২ ঃ অসম বুৰঞ্জী।
বৰুৱা, হৰকান্ত, সূৰ্য কুমাৰ ভূঞা (সম্পাদিত), ১৯৬২ ঃ অসম বুৰঞ্জী, গুৱাহাটী।
বৰুৱা, ড° ভীমকান্ত, চাংৰুং ফুকনৰ বুৰঞ্জী, ১৯৯২
বৰুৱা, ড° ভীমকান্ত, ভাষা সংস্কৃতি অধ্যয়ন, ১৯৯৩
বৰুৱা, প্ৰফুল্লচন্দ্ৰ, ১৯৬২ ঃ অসমীয়া প্ৰবচন, প্ৰথম প্ৰকাশ।
ভূঞা, সূৰ্য কুমাৰ, (সম্পাদিত), ১৯৬৪ ঃ তুংখুঙীয়া বুৰঞ্জী, দ্বিতীয় প্ৰকাশ, গুৱাহাটী।
ভূঞা, সূৰ্য কুমাৰ, (সম্পাদিত), ১৯৬৯ ঃ সাতসৰী অসম বুৰঞ্জী, তৃতীয় প্ৰকাশ, গুৱাহাটী বিশ্ববিদ্যালয়।
ভূঞা, সূৰ্য কুমাৰ, (সম্পাদিত), ১৯৬২ ঃ দেওধাই অসম বুৰঞ্জী, দ্বিতীয় প্ৰকাশ, গুৱাহাটী।
ভূঞা, সূৰ্য কুমাৰ, (সম্পাদিত), ১৯৬৪ ঃ জয়ন্তীয়া বুৰঞ্জী, দ্বিতীয় প্ৰকাশ।
ভূঞা, সূৰ্য কুমাৰ, (সম্পাদিত), ১৯৬৪ ঃ অসমৰ পদ্য বুৰঞ্জী, দ্বিতীয় প্ৰকাশ।
শৰ্মা, সত্যেন্দ্ৰ নাথ, ১৯৮১ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, প্ৰথম প্ৰকাশ।
সেন, ড° সুকুমাৰ ঃ ভাষাৰ ইতিবৃত্ত।

০০০